
মঙলদৈ মহাবিদ্যালয়

# আলোচনী

শ্ৰী চন্দন শইকীয়া




**ঃ শ্ৰদ্ধাঞ্জলি ঃ**

স্বদেশ আৰু স্বজাতিৰ
হকে প্ৰাণ বিৰ্সজন দিয়া
অমৰ বীৰসৱক শ্ৰদ্ধাৰে
সোঁৱৰিছো।

সম্পাদনা সমিতি।


প্ৰগতিশীল
আৰু
মুক্তিকামী
জনতাৰ
হাতত

# মঙলদৈ মহাবিদ্যালয় আলোচনী

## ৩৫ তম সংখ্যা

## ১৯৯৬-৯৭

MANGALDAI COLLEGE
LIBRARY
Accession No .... .... .... .... ... .... ...
Class No .... .... .... .... .... ... ... ....
Book No .... S.A.F ... ... ... ....

**তত্ত্বাৱধায়ক-**
অধ্যাপক শ্ৰী মতিৰাম মেধি এম.এ.,এম.ফিল

**সম্পাদক-**
শ্ৰী চন্দন শইকীয়া

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | *ড° লোকেশ্বৰ নাথ (অধ্যক্ষ)* |
| উপদেষ্টা | ঃ | *ভাৰত চন্দ্ৰ শৰ্মা (অধ্যাপক)* |
| সভাপতি | ঃ | *ইদ্ৰিছ আলি (অধ্যাপক)* |
| তত্ত্বাৱধায়ক | ঃ | *মতিৰাম মেধি (অধ্যাপক)* |
| সদস্য | ঃ | *ঘনকান্ত বৰুৱা (হিচাপ ৰক্ষক)* |
| | | *প্ৰণৱ বৰুৱা* |
| | | *নয়ন মণি শৰ্মা* |
| | | *কাৰ্ত্তিক বৰুৱা* |
| | | *অৰূপ দাস* |
| সম্পাদক | ঃ | *চন্দন শইকীয়া* |
| বেটুপাত আৰু অলংকৰণ | ঃ | *দাদুল চলিহা* |
| অংগ সজ্জা | ঃ | *ভৈৰৱ শৰ্মা আৰু সম্পাদক* |

মুদ্ৰক ঃ কচ্‌মিক ডি.টি.পি. চেণ্টাৰ
জি.এচ. ৰোড, উজানবজাৰ
গুৱাহাটী-৭



## কৃতজ্ঞতা স্বীকাৰ

● কাৰ্য্যকালৰ সকলো সময়তে দিহা পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱা অধ্যক্ষ ড০ লোকেশ্বৰ নাথ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰী মতিৰাম মেধি দেৱলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো।

● সম্পাদনা সমিতিৰ সমূহ সদস্যবৃন্দলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

● আলোচনীৰ পাণ্ডুলিপি সমূহ পৰীক্ষা কৰি দিয়া বাবে মাননীয় অধ্যাপক শ্ৰীশৰৎ শৰ্মা, অধ্যাপক শ্ৰীগিৰীশ গোস্বামী, অধ্যাপক শ্ৰীবিচিত্ৰ কুমাৰ মেধি, অধ্যাপক শ্ৰীভাৰত চন্দ্ৰ শৰ্মা, অধ্যাপক শ্ৰীশশীন চহৰীয়া, অধ্যাপিকা শ্ৰীনাহাৰুণ নেছা, অধ্যাপিকা শ্ৰীবণানী চক্ৰৱৰ্তী আৰু অধ্যাপক শ্ৰীডিম্বেশ্বৰ বৰুৱা দেৱলৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

● যি সকলে মননশীল লেখনীৰে আলোচনী খন প্ৰকাশ কৰাত সহায় কৰিলে, সেইসকল শুভাশীষ শিক্ষাগুৰু আৰু বন্ধু বান্ধবীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

● বেটুপাত আৰু ৰেখা চিত্ৰৰ শিল্পী শ্ৰীযুত দাদুল চলিহা আৰু কচ্‌মিক্ ডি.টি.পি. চেণ্টাৰৰ স্বত্বাধিকাৰী শ্ৰীযুত নিৰুপম ডেকা আৰু তেওঁৰ সহকৰ্মী বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

● আলোচনী খন প্ৰকাশ কৰাৰ ক্ষেত্ৰত বিভিন্ন দিশৰ পৰা সহায় আগবঢ়োৱা অৰুণ শৰ্মা, মোজামিল খান, নকুল আমিন, মিন্টু বৰুৱা, নয়ন ডেকা, হিৰেণ বৰুৱা, ৰাজীৱ শইকীয়া, শশাঙ্ক শইকীয়া, ওৱাহিদা বেগম নমিতা শৰ্মা, মিনাক্ষী কলিতা, বৰষা শইকীয়া আৰু মোৰ আজ্ঞাতে বৈ যোৱা ব্যক্তি সকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সম্পাদক

ডঃ হীৰালাল দুৱৰা,
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়

গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী—৭৮১০১৪

দিনাংক : [illegible]

প্ৰিয় সম্পাদক,

জাতি-গঠনৰ প্ৰক্ৰিয়াত কলা-কৃষ্টিলৈ আগবঢ়োৱা অৱদানে সদায়ে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰত্যেক ব্যক্তি, অনুষ্ঠান আৰু সমাজৰ বিভিন্ন চিন্তাধাৰা প্ৰকাশ কৰি সবল জনমত গঢ় দিয়াত আলোচনী-সমূহৰ দায়িত্ব গুৰুত্বপূৰ্ণ। এনে মহৎ প্ৰচেষ্টা ফলৱতী কৰাত সম্পাদক-সকলৰ গুৰু দায়িত্ব অনস্বীকাৰ্য্য। সমাজ আৰু দেশৰ প্ৰগতিত আলোচনী-সমূহে সদায়ে বলিষ্ঠ নেতৃত্ব দি যাওক—তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

[signature]

( হীৰালাল দুৱৰা )

# মঙলদৈ মহাবিদ্যালয় সংগীত

**ৰচনা ঃ** প্ৰভাত নাৰায়ন চৌধুৰী

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি ॥১॥
অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰম চুমি ॥২॥
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান॥
তোমাৰ আভাও হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ॥৩॥

মঙ্গলদৈ মহাবিদ্যালয়ৰ সংগীতটি আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীপ্ৰভাত নাৰায়ন চৌধুৰী দেৱে ৰচনা কৰিছিল। গীতটিৰ সুৰ দিছিল শ্ৰী আনন্দ নাৰায়ণ দেৱে। কিন্তু গীতটোৰ স্বৰলিপি স্থায়ী ভাৱে ৰাখি নোহোৱাত ইয়াৰ পূৰ্বৰ সুৰৰ ভালেখিনি পৰিবৰ্তন হৈছে। প্ৰাক্তন আলোচনী সম্পাদিকা মমতাজ খানমে গীটোৰ স্বৰলিপি পোন প্ৰথমে প্ৰকাশ কৰিছিল। পুনৰ গীতটোৰ স্বৰলিপি প্ৰকাশ কৰা হল।

**সম্পাদক।**

**সুৰ আৰু স্বৰলিপি ঃ** কুমাৰ আনন্দ নাৰায়ণ দেৱ।

**দাদৰা ঃ** (ভাত খাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

**স্থায়ী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| X | | | 0 | | | X | | | 0 | | |
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | –প | গৰ | গৰ | স |
| ম | হা | জী | ৱঽ | নঽ | ৰ | ম | হা | ঽসা | ধঽ | নাঽ | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | – | – | – |
| আ | শাঽ | ৰ | গ | জাঽ | লি | তু | মি | ঽ | ঽ | ঽ | ঽ |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিঽ | মা | ৰ | ধ্যা | ন | ধা | ৰঽ | না | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মপ | প | নৰ | স | – | – | – | – |
| ম | হা | ন | পুঽ | ঽঽ | ণ্য | ভূঽ | মি | ঽ | ঽ | ঽ | ঽ |

**১ম অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| X | | | 0 | | | X | | | 0 | | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | ঽ | জ্ঞাঽ | নঽ | তাঽ | ঽৰ | ত | ম | সাঽ | ৰাঽ | তিঽ | ঽত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | – | নধ | পধ | – |
| জ | নঽ | তাঽ | আঽ | ছিঽ | ল | ডু | বি | ঽ | ঽ | ঽ | ঽ |
| ন | ন | নৰ | নধ | পধ | প | প | প | – | – | – | – |
| জ | নঽ | তাঽ | আঽ | ছিঽ | ল | ডু | বি | ঽ | ঽ | ঽ | ঽ |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| জ্ঞা | নঽ | ৰ | প্ৰ | দীঽ | ঽপ | শি | খা | ৰেঽ | বিঽ | লাঽ | লাঽ |
| প | সন | – | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাঽ | ঽ | সন | ঽঽ | জীঽ | ৱ | নী | ঽ | ঽঽ | ঽঽ | ঽ |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | – | – | – | – |
| সু | ধা | সন্ | ঽঽ | জী | ঽঽ | ৱ | নী | ঽ | ঽ | ঽ | ঽ |
| প | প | প | পধ | ম | মৰ | ম | ম | •ঽম | মপ | গমপ | ৰ |
| বি | ক | শি | তঽ | আ | জিঽ | শ | ত | ঽশ | তঽ | দঽঽ | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | – | – | – | – |
| তো | মা | ৰ | চ | ৰঽ | ণ | চুঽ | মি | ঽ | ঽ | ঽ | ঽ |

**২য় অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| X | | | 0 | | | X | | | 0 | | |
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিঽ | প | ৰি | ছেঽঽ | চৌ | ঽ | দিঽ | শে | আঽ | জিঽ |
| স | ধ | ধ | পধ | গপ | ধ | – | – | – | – | – | – |
| তো | মা | ৰ | জ্যোঽ | তিঽ | ৰ | বা | ঽ | ঽ | ঽ | ঽ | নঽ |
| ন | ন | ন | ধন | পধ | গধ | প | – | – | – | – | – |
| তো | মা | ৰ | জ্যোঽ | তিঽ | ঽৰ | বা | ঽ | ঽ | ঽ | ঽ | ন |
| স | ন | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰঽ | দীঽ | পঽ | ঽৰ | চৌঽ | ঽ | দিঽ | শেঽ | আঽ | জিঽ |
| স | ধ | ধ | পধ | গ | প | ধ | – | – | – | – | – |
| তু | মি | যে | দীঽ | প্ | তি | মা | ঽ | ঽ | ঽ | ঽ | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | – | – | – | – |
| তু | মি | যে | দীঽ | ঽপ | তিঽ | মা | ঽ | ঽ | ঽ | ঽ | ন |

(পুণৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব)

# সম্পাদকীয় .....

ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৫০টা বছৰ ঃ-

১৯৯৭ চন। ইতিহাসে গৰকা এক সোণালী অধ্যায়। ভাৰতবৰ্ষই লাভ কৰিলে স্বাধীনতাৰ ৫০টা বছৰ। দেশত উলহ-মালহৰে উদ্‌যাপিত হ'ল স্বাধীনতাৰ স্বৰ্ণ-জয়ন্তী স্বাধীনতাৰ স্বৰ্ণ জয়ন্তীত এজন ভাৰতীয় হিচাপে ময়ো গৌৰৱান্বিত। কিন্তু দেশৰ এই স্বাধীনতা সেই সকল লোকৰ বাবে একেবাৰে অৰ্থহীন, যিসকল লোকে অন্ততঃ দুবেলা-দুমুঠি ভালদৰে খাবলৈ নাপায়। এই উপ-মহাদেশ খনত প্ৰায় চল্লিশ শতাংশ মানুহ দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। এই ৩২ কোটি জনতা পুষ্টিহীনতাৰ অভাৱত ভোগে। এই সকল লোকৰ বিজ্ঞান সন্মত বাসস্থান, সংস্থাপনৰ অভাৱ।

এওঁলোকৰ বাস কৰা পৰিবেশ অতি কদৰ্য্য আৰু এই ৩২ কৌটি জনতা নানান বীজাণুৰ দ্বাৰা আক্ৰান্ত। গতিকে আজিৰ এই স্বাধীনতা তেওঁলোকৰ বাবে অৰ্থহীন।

বাকী যিসকল ভাৰতীয় স্বাভাৱিক জীৱন-যাপন কৰি আছে, তেওঁলোক আজি স্বতস্ফুতঃ ভাৱে উৎফুল্লিত নহয়। কিয়নো ভাৰতবৰ্ষত ক্ৰমাণ্বয়ে বাঢ়ি অহা ভ্ৰষ্টাচাৰ, হত্যা, ধৰ্ষণ, লুণ্ঠন আদিৰ দ্বাৰা জনগণ প্ৰভাৱিত।

আনহাতেদি এই ৫০ বছৰত ভাৰতবৰ্ষই বহুতো মূল্যবান গুণ আহৰণ কৰিছে। ভাৰতবৰ্ষ ঔপনিবেশবাদৰ পৰা ৰাজনৈতিক ভাৱে স্বাধীন হোৱা প্ৰথম দেশ। ভাৰতবৰ্ষৰ এই কষ্টোপাৰ্জিত স্বাধীনতা পৃথিবীৰ আন দেশৰ বাবে আজি প্ৰেৰণা। তদুপৰি এই ৫০ টা বছৰত ভাৰতবৰ্ষৰ বিজ্ঞান এক নতুন দিশলৈ ধাৱমান হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ভাৰত যদিও নতুন তথাপিও অতি কম সময়ৰ ভিতৰত আন আন দেশ সমূহৰ লগত ফেৰ মাৰিব পৰা অৱস্থা পাইছেগৈ। খাদ্য শষ্যৰ ক্ষেত্ৰত ভাৰতবৰ্ষ বৰ্তমান স্বাৱলম্বী। কিছু পৰিমানে ই ৰপ্তানি কৰিব পাৰিছে। গতিকে ভাৰতবৰ্ষৰ উন্নতিৰ ক্ষেত্ৰত আমি আশাবাদী।

**আমাৰ অসম**

ভাৰতবৰ্ষৰ এখন অংগ ৰাজ্য হিচাপে অসমেও লাভ কৰিলে স্বাধীনতাৰ ৫০ টা বছৰ। কিন্তু সাম্প্ৰতিক অৱস্থাত অসম এতিয়া শদিয়াৰ পৰা ধুবুৰীলৈ অশান্ত। মানবীয় প্ৰমূল্যবোধৰ স্খলন ঘটিছে। চৌদিশে মাথো বন্দুক-বাৰুদৰ শব্দ, কেৱল হত্যা। চৰকাৰীয়ে হওক বা বেচৰকাৰীয়ে হওক সকলোবোৰ হত্যাই হত্যা কৰিছে সকলোবোৰ শুভ প্ৰচেষ্টাক। ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, আৰু শিক্ষা আদি প্ৰতিটো ক্ষেত্ৰত এক প্ৰচণ্ড গৰা খহনীয়াই দেখা দিছে। এই সংকট জনক অৱস্থাৰ কাৰণ মূলতে দায়িত্বহীন চৰকাৰ আৰু বিকৃত যুৱ মানসিকতা। অসমৰ জনসাধাৰণে বহুতো আশাৰে নিৰ্বাচনত আঞ্চলিক দলটোকেই পুনৰ শাসনত অধিষ্ঠ কৰে। কিন্তু এই জাতীয় আঞ্চলিক দলটোৱে অসমৰ জাতীয় স্বাৰ্থৰ প্ৰতি সম্পূৰ্ণ উদাসীন মনোভাৱ প্ৰদৰ্শন কৰে। চৰকাৰে মাথো উগ্ৰপন্থী বুলি চিঞৰি থাকিয়ে বাকী সকলো দায়িত্বৰ প্ৰতি পিঠি দিছে। ফলত ৰাজ্যখনৰ গুৰুত্ব পূৰ্ণ প্ৰতিটো বিষয় নিম্নগামী হব ধৰিছে। উগ্ৰপন্থী দমনৰ নামত চৰকাৰী সৈন্য বাহিনীয়ে সাধাৰণ জনসাধাৰনৰ হে জীৱন দুৰ্বিসহ কৰি তুলিছে অসমৰ যুৱ শক্তিক লৈ জঘণ্য ৰাজনীতি আৰম্ভ হৈছে। সৃষ্টি হৈছে ভাতৃঘাটী সংঘৰ্ষৰ। বড়ো, ৰাভা, কোচ আদি খিলঞ্জীয়া জন গোষ্ঠী সকলক লৈ গঠিত অসম পুনৰ ইয়াৰ প্ৰকৃত ভূমি পুত্ৰ বড়ো সকলে ভুমি ভাগ কৰি বড়োলেণ্ড দাবীত ব্যস্ত। ৰাজ্যখনৰ এনে পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হোৱাটো অতি দুৰ্ভাগ্য আৰু লজ্জাজনক।

চৰকাৰে চিৰ নমস্য শ্বহীদ সকলৰ কথাও পাহৰি গৈছে। যিসকলে জাতিটোৰ অস্তিত্ব আৰু উন্নতিৰ হকে নিজৰ অমূল্য জীৱন অহো পুৰুষাৰ্থ কৰি গ'ল।

কিন্তু চৰকাৰে এতিয়া জনগণৰ মতক শ্ৰদ্ধা কৰা উচিত। কিয়নো জনগণৰ হাততে ৰাষ্ট্ৰৰ চূড়ান্ত ক্ষমতা ন্যস্ত থাকে। এই ক্ষমতা জনতাই চৰকাৰৰ বিপক্ষে প্ৰয়োগ কৰিবলৈ কুণ্ঠাবোধ নকৰিব, যদিহে চৰকাৰে জনগণক দিয়া প্ৰতিশ্ৰুতি সমূহ পূৰণ নকৰে। এতিয়াও সময় আছে জোৰ পুৰি হাত পোৰাৰ আগেয়ে চৰকাৰ আত্ম সমালোচনাত লিপ্ত হওক আৰু নিজৰ মাজত থকা দোষ ক্ৰটি বোৰ মোছন কৰক। কালৰ গৰাহৰ পৰা জাতিটোক ৰক্ষা কৰক। দেশৰ ভাগি পৰা অৱস্থালৈ মন দিয়ক। বিপথে পৰিচালিত যুৱ শক্তিক সঠিক ভাৱে পৰিচালিত কৰক। ভাগি পৰা অৰ্থনীতি পুনৰ জীপাল দিয়ক। প্ৰশাসনীয় দিশত থকা দুৰ্নীতি নিৰ্মূল কৰক আৰু প্ৰকৃত অৰ্থত এখন সোনৰ অসম গঢ়ি তুলিবলৈ প্ৰচেষ্টা কৰক।

**আলোচনীখন সম্পৰ্কে ঃ**

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী খন 'মঙলদৈয়ান' হিচাপে ১৯৯৪ চনৰ পৰা প্ৰকাশ হৈছে। কিন্তু মঙলদৈ মহাবিদ্যালয়ৰ আধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নামটো সৰ্ম্পকে বিপৰীত মত পোষণ কৰি আহিছে। সেয়েহে ৫ আগষ্ট, '৯৭ তাৰিখে ছাত্ৰ একতা সভাই এখন সাধাৰণ সভা আহ্বান কৰে। সভাত মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী খনৰ কোনো নাম নাৰাখি পুনৰ মহাবিদ্যালয়ৰ নামত প্ৰকাশ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত প্ৰস্তাৱত অধ্যক্ষ দেৱে সন্মতি প্ৰদান কৰাত আলোচনীখন মঙলদৈ মহাবিদ্যালয় হিচাপে পুনৰ প্ৰকাশ কৰা হ'ল।

আলোচনী খনৰ সম্পাদক সকলে প্ৰতি বছৰে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু কতৃপক্ষৰ উপৰিও ছপাকামৰ বিভিন্ন অভিজ্ঞতা লাভ কৰাৰ শেষত মহাবিদ্যালয় এৰি গুচি যায়। ফলত প্ৰতি বছৰে এজন নতুন সম্পাদকে গোটেই প্ৰক্ৰিয়াটোৰ সৈতে সন্মুখীন হবলৈ প্ৰাথমিক প্ৰস্তুতি কৰোঁতেই বহু সময় গুচি যায়। ফলত আলোচনী খন প্ৰস্তুত কৰি উলিৱাওতে যথেষ্ঠ সময় লয়। ইয়াৰ উপৰিও লেখনী বিচাৰি বহুবাৰ আৰি দিয়া জাননী সমূহেও সিমান সহাৰি নাপায়।


সম্পাদনাৰ এই গধুৰ দায়িত্ব পালন কৰিবৰ বাবে সম্পাদকে যিমান সময় ব্যয় কৰিব লাগে তাতকৈ বহু সময় ব্যয় কৰিব লগাত পৰে লেখক-লেখিকা, অংকনকাৰী কতৃপক্ষ আদি বিভিন্ন জনৰ সৈতে অহৰহ যোগাযোগ কৰা, লিখনি বোৰ শুদ্ধ কৰা, প্ৰুফ চোৱা ইত্যাদিত। ফলত বিষয় বস্তু, অংগসজ্জা, আদিৰ ওপৰত সিমান গুৰুত্ব দিব পৰা নাযায়। তথাপিতো যথেষ্ট কষ্ট কৰি এখন সৰ্বাংগ সুন্দৰ আৰু সোনকালে উলিয়াই দিয়াৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি অনেক জনৰ সহায় সহযোগিতাৰ অন্ততঃ আলোচনীখন সম্পূৰ্ণ হৈ উঠিল।

মোৰ এই প্ৰচেষ্টাত বিভিন্ন দিশৰ পৰা পৰামৰ্শ তথা সহায় আগবঢ়োৱা বাবে মাননীয় অধ্যক্ষ দেৱ, ভাৰ প্ৰাপ্ত অধ্যাপক দেৱ আৰু সম্পাদনা সমিতিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিশেষ ধৰনে সহায় কৰা ছাত্ৰ-ছাত্ৰী সকললৈ আৰু আলোচনী খনৰ ছপা কামৰ দায়িত্ব লোৱাৰ বাবে কচ্মিক্ ডি.টি.পি. চেণ্টাৰৰ স্বত্বাধিকাৰী আৰু সমকৰ্মী সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মুঠতে মোৰ এই প্ৰচেষ্টাত যি সকলে বিভিন্ন দিশৰ পৰা হাত উজান দিলে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জনাই সামৰিছোঁ।

সম্পাদক
চন্দন শইকীয়া



কৰ্ত্তব্যৰত অৱস্থাত আমাৰ অধ্যক্ষ
মাননীয় ড° লোকেশ্বৰ নাথ।



ডং ঊষা বৰা

নিযুক্তি দিনাংক ২৪-৭-৬১

অৱসৰৰ দিনাংক ৩১-১২-৯৬

আমাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা



## ঁ আব্দুল মজিদ

*১৯৭৭ চনৰ পৰা একনিষ্ঠ সেৱক হিচাপে মহাবিদ্যালয়ৰ উন্নতিৰ হকে এই গৰাকী নমস্য ব্যক্তিয়ে মূল্যবান অৱদান আগবঢ়াই গৈছে। ১৯৯০ চনত মহাবিদ্যালয়ৰ পৰা কাৰ্য্যকাল শেষ কৰি যোৱা ইং ১২/১২/৯৭ তাৰিখে ৰোগাক্ৰান্ত হৈ বিয়োগ হয়। তেখেতৰ কৰ্ম জীৱনৰ আদৰ্শ মহাবিদ্যালয়ৰ বাবে চিৰ স্মৰণীয় হৈ ৰওক তাৰে কামনাৰে অদৃশ্য জনৰ ওচৰত নতশিৰ হৈ প্ৰাৰ্থনা জনাইছোঁ।*

# অশ্রু অঞ্জলি



**মামনি দেৱী**

মৃত্যু ঃ ৭-১-৯৭

"হাঁহি আৰু চকুলোৰ কৰুণ মিলন,
এয়ে হায় মানৱ জীৱন।
ক্ষন্তেকৰ কিৰণত প্ৰাণৰ পখিলা নাচে,
ক্ষন্তেকত মধু পৰশন,
তাৰ পাছে অশ্ৰু বৰিষণ।
দুদিনীয়া মানৱ জীৱন- "

# সূচীপত্র


**প্ৰবন্ধ ঃ পৃষ্ঠা নং ১পৰা ৩৫ৰ লৈ**

১। ভৱানন্দ ৰাজখোৱাৰ জীৱন আৰু কৃতি-অধ্যাপক ইদ্ৰিছ আলি ২। মানৱ সম্পদ-ড° লোকেশ্বৰ নাথ, অধ্যক্ষ ৩। দৰ্শনৰ দৃষ্টিত ঈশ্বৰ-শ্ৰীমণ্টু হাজৰিকা ৪। সাংবাদিকতা ঃ সংস্থাপনৰ এটি পথ-শ্ৰীজয়ন্ত কাকতি ৫। অসমীয়া ভাষা সাহিত্যত ইংৰাজী সাহিত্যৰ প্ৰভাৱ-শ্ৰীমধু নাথ ৬। চাহ জনজাতিৰ কৃষ্টি-সংস্কৃতিতএভূমুকি-শ্ৰীৰমেন গোৱালা ৭। মানবীয়তাৰ প্ৰকৃত মূল্যায়নেই সমন্বয়ৰ সৌৰভ-মঃ জহৰুল ইছলাম ৮। ড্ৰাগছ এটা অশালীন শব্দ নহয়-শ্ৰীনীকিটা চহৰীয়া ৯। নৱম পঞ্চবাৰ্ষিক পৰিকল্পনা-শ্ৰীসন্তোষ বৰকাকতি, প্ৰবক্তা ১০। মৰিয়া সম্প্ৰদায়ৰ ভাষাৰ নমুনা-ড° বিজয় কুমাৰ শৰ্মা, প্ৰবক্তা ১১। শিক্ষাৰ মাধ্যম হিচাপে মাতৃ ভাষাৰ গুৰুত্ব-শ্ৰীঅঞ্জুলা চহৰীয়া।

**কবিতা ঃ পৃষ্ঠা নং ৩৬পৰা ৪৬ৰ লৈ**

(১) আসন্ন প্ৰসৱা বসুমতী (২) ঠিকনাহীন বাস্তৱ (৩) মোৰ আগন্তুক (৪) অবিদিত প্ৰভাত (৫) অনাৱৰুদ্ধ যাত্ৰা (৬) সমাধি (৭) হেঁপাহ (৮) শৰতৰ কবিতা (৯) অনাহুত (১০) চকুলো (১১) আধৰুৱা চিঠি (১২) স্মৃতি (১৩) পুৱতি নিশাৰ সূৰুয (১৪) শব্দৰ সৈতে মোৰ প্ৰেম (১৫) আৰ্ত হৃদয় (১৬) অপেক্ষা (১৭) স্কেচ ঃ এটি নতুন প্ৰভাত (১৮) বিপ্লৱ যুগে যুগে (১৯) একেটি সুৰতে বন্ধা (২০) অৰ্বতমান (২১) বহুব্ৰীহি

**গল্প ঃ পৃষ্ঠা নং ৪৭পৰা ৬৯ৰ লৈ**

(১) আলোকৰ সন্ধান, (২) বোমাতংক, (৩) এটা গল্পৰ প্লট বিচাৰি, (৪) প্ৰয়োজনহীনতাৰ প্ৰয়োজন (৫) নিয়তি, (৬) অকালতে হেৰাল জীৱনৰ হাঁহি, (৭) চ্যুটকেছ


## English Section


**Articule : Page no. 70 to 77**

* Scientific Attitude-Lec. Bhupendra Nath Kakati, * Background of the Gandhian Economic Thoughts-Lec. Sarat Ch. Sarmah, * 50 years of Indian Cricket-Samit Dutta

**Poem : Page no. 78 to 81**

* A thought of two Devisions-Kumar Madhu Nath, * A Flash-Prafulla Gogoi, * Value of time-Priyanka Das, * At sight Aaimoni Sarmah, * The Sweet memory-Hemchandra Saharia

# প্ৰবন্ধ

মূল্যবোধৰ অৱক্ষয় প্ৰতিৰোধ কৰাৰ প্ৰচেষ্টা


প্ৰবন্ধ বা ৰচনা সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব। সাহিত্যিক, ছাত্ৰ সকল আৰু বুদ্ধিজীৱীসকলে আত্মকেন্দ্ৰিক প্ৰতিষ্ঠাৰ ক্ষমতা পুষ্ট নৈতিকতাৰ ওচৰত নতশিৰ নহৈ নতুন মূল্যবোধৰ সাহসী যোদ্ধা হ'ব লাগিব। প্ৰবন্ধ বা সাহিত্যৰ লিখা মূল্যবোধ নিজৰ জীৱনত প্ৰয়োগ কৰি নিজেই নতুন মানুহৰ দৃষ্টান্ত হ'ব লাগিব। সাহিত্যৰ উদ্দেশ্য জীৱনক সুন্দৰ, সত্য আৰু উন্নত কৰা। তেতিয়াহে আহিব প্ৰবন্ধ সাহিত্যৰ সাফল্য। ভাৰতৰ স্বাধীনতাৰ এশ বছৰ আগেয়ে লিখা প্ৰথম অসমীয়া প্ৰবন্ধটোৰ প্ৰাৰ্থনা সাৰ্থক হ'ব সেই দিনাহে: "হে কৃপাময় জগদীশ্বৰ, এই অসম দেশৰ লোক সকলক সভ্য, গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাৱ আৰু দুৰ-অৱস্থা জানিবলৈ সিবিলাকক জ্ঞান দিয়া।

-আনন্দেশ্বৰ শৰ্মা



# ॥ ভৱানন্দ ৰাজখোৱাৰ জীৱন আৰু কৃতি ॥

ইদ্ৰিছ আলি
অধ্যাপক, অসমীয়া বিভাগ



অসমৰ সাহিত্য জগতৰ এটি সুপ্ৰতিষ্ঠিত নাম ভৱানন্দ ৰাজখোৱা। বিশেষকৈ কবি হিচাপে তেওঁৰ খ্যাতি অসম ব্যাপ্ত। 'খৰিকাজাঁই' নামৰ কাব্য গ্ৰন্থখনেই ভৱানন্দ ৰাজখোৱাক সেই খ্যাতিৰ অধিকাৰী কৰিছে। আনকি অসমৰ সৰ্বত্ৰ ৰাজখোৱাদেৱ আজি 'খৰিকাজাঁইকবি' ৰূপেই সৰ্বজন সমাদৃত। ১৯৩৫ চনতে 'মন্দাকিনী' নামৰ কবিতাৰ যোগেদি 'আৱাহন' আলোচনীৰ পাতত আত্ম প্ৰকাশ কৰা কবি ভৱানন্দ ৰাজখোৱাই ১৯৩৪ চনত মঙ্গলদৈত বহা অসম সাহিত্য সভাৰ অধিবেশনত 'চেনেহী ভাষাৰ পূজাৰী তুমি' স্বৰচিত কবিতা পাঠেৰে অসমৰ কবি সাহিত্যিক সকলৰ মনোযোগ আকৰ্ষণ কৰাৰ লগতে অগ্ৰজ কবিসকলৰ শুভাশিষ লাভ কৰে। তাৰ পিচৰ পৰা ৰাজখোৱাদেৱৰ কাব্য-সাধনাত যতি পৰা নাই। ফলশ্ৰুতিত ১৯৮৬ চনত প্ৰকাশ হৈ ওলায় তেওঁৰ প্ৰথম কবিতাৰ পুথি 'খৰিকাজাঁই' আৰু ১৯৮৭ চনত প্ৰকাশ পায় দ্বিতীয় কাব্যগ্ৰন্থ 'জোনাক মণি'। তদুপৰি ডঃ মহেশ্বৰ নেওগ সম্পাদিত 'সঞ্চয়ন' নামৰ কাব্য সংকলনত ৰাজখোৱাৰ 'পদুম কলিৰ প্ৰাৰ্থনা' নামৰ কবিতাটি সন্নিৱিষ্ট হৈছে। একেদৰে কবি নীলমনি ফুকন সম্পাদিত 'কুৰি শতিকাৰ অসমীয়া কবিতা'তো তেওঁৰ একেটি কবিতা সংকলিত হৈছে। কাব্যাকাৰত গ্ৰথিত নোহোৱাকৈ আলোচনী স্মৃতিগ্ৰন্থ আদিত ভৱানন্দ ৰাজখোৱাৰ অনেক কবিতা সিঁচতিৰ হৈ বৈছে। জীৱিত কালত তেওঁ একাধিক সন্মানেৰে বিভূষিত হৈছিল। ১৯৭৪ চনত মঙ্গলদৈত অনুষ্ঠিত ৪১ তম্ অসম সাহিত্য সভাৰ ৰাজখোৱাদেৱ আছিল কবি-সন্মিলনৰ উদ্বোধক আৰু গ্ৰন্থ উন্মোচক আছিল। একাধিকবাৰ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য থকাৰ উপৰিও তেওঁ দৰং জিলা সাহিত্য সভাৰ দীৰ্ঘকাল ধৰি সন্মানীয় সভাপতিৰ আসন অলংকৃত কৰিছিল। ভৱানন্দ ৰাজখোৱাৰ আজীৱন সাহিত্য সাধনাৰ স্বীকৃতি স্বৰূপে অসম চৰকাৰে ১৯৭৭ চনত 'সাহিত্যিক পেঞ্চন' আগবঢ়াই সন্মানিত কৰে।

আমাৰ দৰঙৰ গৌৰৱ স্বৰূপ এই গৰাকী মহান ব্যক্তি

তথা কবি সাহিত্যিকৰ জন্ম হৈছিল গুৱাহাটীৰ পাণ বজাৰত ১৯১৯ চনৰ ফেব্ৰুৱাৰী মাহত। পিতৃ পূৰ্ণানন্দ ৰাজখোৱা আৰু মাতৃ স্বৰ্ণলতা ৰাজখোৱাৰ সুযোগ্য পুত্ৰ ৰাজখোৱাৰ শিক্ষাজীৱন আৰম্ভ হৈছিল গুৱাহাটীৰ পাণবজাৰ নিবাসী মোমাইদেৱেকদ্বয় পদ্মধৰ বৰা আৰু লক্ষ্মীধৰ বৰাৰ ঘৰত থাকোঁতেই। ১৯৩৫ চনত সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ন হোৱা ৰাজখোৱাদেৱে ১৯৪২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্যত ২য় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৪৫ চনৰ এক ফেব্ৰুৱাৰীত তেওঁ মঙ্গলদৈ চৰকাৰী হাইস্কুলত (বৰ্তমান উচ্চতৰ মাধ্যামিক) শিক্ষক ৰূপে যোগদান কৰে যদিও তাৰো পূৰ্বে তেওঁ টংলাত কিছু দিনৰ বাবে স্কুলসমূহৰ পৰিদৰ্শকৰ চাকৰিও কৰিছিল। মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালত তেওঁ এগৰাকী অংশকালীন অধ্যাপক আছিল। একেদৰে প্ৰথম স্তৰত ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপেও কিছু কাল দায়িত্ব বহন কৰিছিল। ভৱানন্দ ৰাজখোৱাই সুদীৰ্ঘ কাল শিক্ষকতা কৰি মঙ্গলদৈ উচ্চতৰ মাধ্যমক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে ১৯৭৪ চনত অৱসৰ গ্ৰহণ কৰিছিল। তাৰ পিচতে তেওঁ সাহিত্য সংস্কৃতি মূলক আৰু শৈক্ষিক বিকাশ মূলক ৰাজহুৱা কামত আত্মোৎছৰ্গা কৰে আৰু মৃত্যুৰ মুহূৰ্তলৈকে তেওঁ সামাজিক কামত নিজকে ব্যস্ত ৰাখিছিল।

দৰঙৰ অনুজ কবি সাহিত্যিক সকলৰ আদৰ্শ আৰু অনুপ্ৰেৰণাৰ ধ্ৰুৱতৰা স্বৰূপ, সকলোৰে প্ৰতি পিতৃসলভ সদ্ব্যৱহাৰ প্ৰদৰ্শন কৰোঁতা ৰাজখোৱা আছিল এগৰাকী আদৰ্শ শিক্ষক। তেওঁ উপস্থিত থকা প্ৰতিখন সভা সৰস আৰু গাম্ভীৰ্যপূৰ্ণ হৈ উঠিছিল। শ্ৰুতিমধুৰ ভাষণ প্ৰসঙ্গত দেশী-বিদেশী বিভিন্ন কবিৰ কবিতাৰ উদ্ধৃতি তেওঁ অনৰ্গল গাই যাব পাৰিছিল। দুৰ্বা কাব্যৰ একান্ত ভক্ত ৰাজখোৱাদেৱৰ কবিতাত দুৰ্বাৰ কবিতাৰ ভাৱ-ভাষা আৰু ছন্দৰ সাৱলিল প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। অসমীয়া বঙলা ইংৰাজী-তিনিওটা ভাষাতে তেওঁৰ সমান দখল আছিল। কবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ অনেক কবিতা ৰাজখোৱাদেৱৰ কণ্ঠস্থ আছিল আৰু সুযোগ আৰু সুকুঙা পালেই তেওঁৰ মুখত সেইবোৰ আখৈ ফুটাৰ দৰে ফুটিছিল। ৰাজখোৱা দেৱৰ প্ৰখৰ স্মৃতি শক্তিয়ে সকলোকে মোহিত কৰাৰ লগতে আচৰ্যাদ্ভুত কৰি তুলিছিল।

একাধিক মহৎ গুণৰ অধিকাৰী এই মহান ব্যক্তি গৰাকীৰ যোৱা ৮ এপ্ৰিল/৯৭ ইং তাৰিখে নিজা বাসভৱনত মৃত্যু ঘটিল। তেওঁৰ মৃত্যুৰ লগে লগে এটা কৰ্মক্ষম বৰ্ণাঢ্য জীৱনৰ অন্ত পৰিল। কিন্তু তেওঁৰ কাব্যগ্ৰন্থদুখনে তেওঁক আমাৰ মাজত সদায় জীৱন্ত কৰি ৰাখিব। কবিতাৰ বাহিৰেও কেবাগৰাকীও বিশ্ববিখ্যাত মহৎ লোকৰ জীৱনী 'ৰাষ্ট্ৰবীৰৰ জীৱনী' আৰু বিখ্যাত ঔপন্যাসিক বঙ্কিমচন্দ্ৰৰ "বিষবৃক্ষ"ৰ অনুবাদেও ৰাজখোৱাক অসমীয়া সাহিত্য জগতত অমৰ কৰি ৰাখিব। এই দুখন গ্ৰন্থৰ প্ৰথমখন প্ৰকাশিত হৈছে যদিও দ্বিতীয়খন গ্ৰন্থ এতিয়াও পাণ্ডুলিপি ৰূপতে আছে। ... প্ৰয়াত ৰাজখোৱা চাৰ আগত প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস হওক তাকে কামনা কৰিলোঁ।

# মানৱ সম্পদ

**ড° লোকেশ্বৰ নাথ**
অধ্যক্ষ

আৰ্থ-সামাজিক ক্ষেত্ৰত মানৱ সম্পদৰ (Human Resource) ধাৰণাটো যোৱা কিছুবছৰ ধৰি সঘনাই ব্যৱহাৰ হৈ আহিছে। ভাৰত চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদত পূৰ্বৰে পৰা চলি অহা শিক্ষা বিভাগটোক 'মানৱ সম্পদ উন্নয়ন' নামেৰে নামকৰণ কৰি কাৰ্য্য চলাই আহিছে।

অন্যান্য সম্পদ আৰু মানব সম্পদৰ ভিতৰত এটা পাৰ্থক্য আছে। মানুহে নিজে সম্পদ হোৱাৰ উপৰিও অন্য সম্পদ সৃষ্টি কৰিব পাৰে। নিজৰ কলা-কৌশল আৰু জ্ঞান বুদ্ধি খটাই মানুহে ভৌতিক আৰু অন্যান্য সম্পদৰ সহায়ত নতুন সম্পদ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে নদীত বান্ধ দি মানুহে জলবিদ্যুৎ উৎপাদন কৰে। জলবিদ্যুতক সম্পদ হিচাপে আখ্যা দিয়া হয় কাৰণ ইয়াৰ দ্বাৰা অনেক কাৰ্য্য সম্পাদন কৰা হয়। মানুহে জলবিদ্যুৎ উৎপন্ন কৰোতে নদীৰ সোঁত, মাটিৰ গুণাগুণ ইত্যাদি বিবেচনা কৰাৰ উপৰিও নানান যন্ত্ৰপাতি আৰু অন্যান্য সামগ্ৰীৰ সহায় লোৱা হয়।

সম্পদ কোনবোৰ আৰু মানুহক কিয় সম্পদ বোলা হয় এই কথাৰ ব্যাখ্যাৰ প্ৰয়োজন আছে। যিবোৰ পদাৰ্থ (Matter), উপাদান (Element), সামগ্ৰী (Materials), উদ্ভিদ (Vegetation), প্ৰাণী (Animal) আৰু প্ৰতিষ্ঠান বা ঘটনাই ব্যক্তিৰ জীৱন ধাৰণ আৰু উন্নতিৰ ক্ষেত্ৰত বিশেষ ভূমিকা লয় সেইবোৰকে সম্পদ বোলা হয়। সম্পদে সদায় ব্যক্তিৰ তথা দেশ বা সমাজৰ জীৱন ধাৰণৰ, কল্যাণৰ বা উন্নতিৰ হকে কাম কৰে।

ব্যক্তি, দেশ বা সমাজৰ উন্নয়নৰ ক্ষেত্ৰত সম্পদ খটোৱা হয়। কিছুমান সম্পদে নিজেই মানৱৰ জীৱন ধাৰণত ভাগ লয় আৰু অন্যান্য সম্পদ সৃষ্টিত মানৱক সহায় কৰে; যেনে- বায়ু, পানী, তাপ, মাটি ইত্যাদি। মানৱ সম্পদে সমাজ বা দেশৰ উন্নতিৰ ক্ষেত্ৰত আৱশ্যক হোৱা সম্পদবোৰক যথাযথ ভাৱে প্ৰয়োগ কৰাৰ উপৰিও নতুন নতুন সম্পদ সৃষ্টি কৰে।

উৎপাদনক্ষম মাটি, পানী, নদী, সাগৰ, শস্য, উদ্ভিদ, খনিজ পদাৰ্থ, পশু-পক্ষী, বিদ্যুৎ, ভাল জলবায়ু, বায়ু, সূৰ্য্যৰ তাপ আৰু পোহৰ, জলকল্যাণ মূলক চৰকাৰ, জনহিতকৰ কাম কৰা সংস্থা, ৰাষ্ট্ৰসংঘ, ৰেডক্ৰচ ছোছাইটি, আচবাব পত্ৰ, ৰেলগাড়ী, মটৰগাড়ী, বিল্ডিং, শিক্ষা, সভ্যতা, সংস্কৃতি, ইত্যাদি অলেখ সম্পদে মানুহৰ জীৱন ধাৰণৰ সহায়ক হৈ পৰিবেশ অধিকাৰ কৰি আছে।

যিবোৰ মানুহ, সামগ্ৰী তথা উপাদানে ব্যক্তি, সমাজ বা দেশৰ হিত সাধন নকৰি অন্যায়, অপকাৰ বা উন্নতিৰ অন্তৰায় হিচাপেহে কাম কৰে সেইবোৰক সম্পদ বুলিব নোৱাৰি। বৃষ্টি সম্পদ হলেও অতিবৃষ্টিৰ ফলত হোৱা বান পানীয়ে মানুহ আৰু সমাজক অশেষ ক্ষতি কৰে, সেইবাবে বানপানী সম্পদ নহয়। সেইদৰে অস্বাস্থ্যকৰ জলবায়ু, বজামাটি, বেমাৰ, পোক পতঙ্গ আদি সম্পদ হব নোৱাৰে।

চোৰ, ডকাইত, যুদ্ধ আৰু সন্ত্ৰাসবাদীয়ে ব্যক্তি তথা সমাজ বা দেশৰ অগ্ৰগতিত প্ৰতিবন্ধক হিচাপে থিয় দিয়াৰ উপৰিও দেশৰ অৰ্থনীতিত অশেষ ক্ষতি কৰে ; ফলত দেশৰ অগ্ৰগতিত বাধা পৰে। গতিকে সেইবোৰক সম্পদ বুলি কোৱা নহয়। সেইদৰে চিৰৰুগীয়া, এলেহুৱা, কৰ্মবিমুখ-সকল সম্পদ নহয়। ব্যক্তি, দেশ বা সমাজক উন্নয়নত বাধা দিয়া যিকোনো বস্তু, ঘটনা বা লোকক প্ৰতিবন্ধক (Resistance) বোলা হয়। যিখন সমাজ বা দেশত প্ৰতিবন্ধক কম সেইখন দেশে উন্নতি কৰিবলৈ সহজ হয়।

সমাজৰ যিসকললোকে উপাৰ্জন কৰি নিজে ভৰণ-পোষণ যোৱাৰ উপৰিও উপাৰ্জনৰ কিছু অংশ ৰাহি কৰে আৰু দেশৰ ৰাহিকৰা লোকৰ মুঠ পৰিমানখিনি অইন দেশলৈ ৰপ্তানি কৰি বৈদেশিক মুদ্ৰা অৰ্জন কৰে তেতিয়াহে দেশে উন্নতি কৰিবলৈ সক্ষম হয়। ব্যক্তিয়ে যিমান বেছি ৰাহি কৰে দেশে সিমানে উন্নতি কৰিবলৈ সক্ষম হয় আৰু আনদেশৰ পৰা কৰা আমদানি হ্ৰাস হয়।

দেশৰ জনসাধাৰণৰ শিক্ষা, কাৰিকৰী জ্ঞান তথা কৰ্মকৌশল যিমানে বৃদ্ধি হয় সেই অনুপাতে দেশে অইন দেশৰ লোকৰ পৰা ল'বলগীয়া সহায় সিমানে হ্ৰাস হয়। এনেক্ষেত্ৰত দেশৰ ধন দেশতে বৈ গৈ দেশৰ সমৃদ্ধি বাঢ়ে তথা দেশে উন্নতি কৰে। ৰাহি উপাৰ্জনেৰে দেশৰ সমৃদ্ধি বঢ়োৱাত সহায় কৰা লোকক 'মানব সম্পদ' বোলা হয়। আনহাতে যিসকল ব্যক্তিয়ে অন্য সম্পদ আৰু লগতে মানব সম্পদো সৃষ্টি কৰে তেওঁলোককো মানব সম্পদ বোলা হয় ; যেনে- গবেষক, উদ্যোগপতি, উদ্যোগত কাম কৰা সুনিপুণ শ্ৰমিক, ভাল শিক্ষক, নিস্বাৰ্থ দেশ-সেৱক, সুলেখক, সুগায়ক, ইত্যাদি।

আনহাতে যি সকল ব্যক্তিয়ে উপাৰ্জন কৰি কেৱল নিজে পোহপাল যোৱাৰ বাহিৰে আনৰ বা দেশৰ বাবে একোৱেই ৰাখিব নোৱাৰে তেনে ব্যক্তিক সম্পদ (Resource) বা প্ৰতিবন্ধক (Resistance) কোনোটোকে আখ্যা দিব নোৱাৰি। এনে ব্যক্তিক নিৰপেক্ষ বা উদাসীন দ্ৰব্যৰ (Neutral Stuff) শাৰীত ধৰিব পাৰি। যিখন দেশত এনে ব্যক্তিৰ সংখ্যা বেছি সেইখন দেশৰ উন্নতিত স্থবিৰতাই দেখা দিয়ে।

মানব সম্পদৰ বৃদ্ধি বা উন্নতি আৰু অধোন্নতি, অৱক্ষয় বা অপচয় ঘটিব পাৰে। মানৱ স্থিতিশীল কিন্তু 'মানব সম্পদ' গতিশীল ; প্ৰতিবন্ধক আৰু নিৰপেক্ষ অৱস্থাৰ পৰা সম্পদধাৰণ স্তৰলৈ মানৱক উন্নীত বা বৃদ্ধি কৰিব পাৰি। অকল এয়েই নহয় উন্নীত মানৱ সম্পদক অধিক উন্নতৰ স্তৰলৈও নিব পৰা যায়। দেশৰ উন্নতিৰ ক্ষেত্ৰত অন্যান্য সকলো সম্পদতকৈ মানব সম্পদে অধিক অৱিহণা যোগায় 'মানব সম্পদ' সৃষ্টি আৰু উন্নয়নৰ ক্ষেত্ৰত বহুবোৰ উপাদানে সহায় কৰে। সেইবোৰৰ ভিতৰত- (১) ব্যক্তিগত প্ৰচেষ্টা, (২) পৰিয়ালৰ যত্ন আৰু সহায়, (৩) চৰকাৰৰ আঁচনি গ্ৰহণ আৰু ৰূপায়ণ, (৪) সমাজ আৰু প্ৰচাৰমাধ্যমৰ অৱদান, (৫) দেশৰ ভৌগোলিক অৱস্থান, (৬) সুস্থ ৰাজনৈতিক বাতাবৰণ আদি উল্লেখযোগ্য।

মানুহে যিটো পৰিয়াল, সমাজ তথা দেশত জন্ম গ্ৰহণ কৰি জীৱন ধাৰণ কৰে তেনে পৰিয়াল, সমাজ আৰু দেশৰ চৰকাৰৰ শাসনৰ সকলো ব্যৱস্থা তেওঁৰ ওপৰত প্ৰতিফলিত হয়। পৰিয়ালে এজন ব্যক্তিক সম্পদ ধাৰণৰ ক্ষেত্ৰত সৰুৰে পৰাই আৰু পাছৰফালে সমাজ আৰু দেশে প্ৰভাৱান্বিত কৰে। অৱশ্যে ব্যক্তিগত প্ৰচেষ্টা, দেশৰ ভৌগোলিক অৱস্থান আদিও জড়িত থাকে। উন্নত বা ধনী দেশবোৰৰ ভিতৰত জাপান, চুইজাৰলেণ্ড, ইংলেণ্ড, ছিংগাপুৰ প্ৰভৃতিৰ ক্ষেত্ৰত দেখা যায় যে সেইবোৰ দেশে উন্নতি কৰাৰ মূলতে মানব সম্পদ আৰু ভৌগোলিক অৱস্থান।

এখন দেশৰ চৰকাৰৰ যদি দূৰদৃষ্টি সম্পন্ন আৰু প্ৰগতিমূলক আঁচনি নাথাকে নাইবা থাকিলেও তাক সুস্থভাৱে পৰিচালনা কৰাত ব্যৰ্থ হয় তেনেহলে মানৱ সম্পদৰ উন্নতি হ'ব নোৱাৰে। ফলত দেশ পিছপৰি থাকে। ব্যক্তিয়ে পৰিয়ালৰ পৰা পোৱা অনুপ্ৰেৰণা আৰু সহায় আৰু লগতে নিজৰ ব্যক্তিগত প্ৰচেষ্টাৰে লাভকৰা সম্পদেৰে কেৱল জীয়াই থকাৰ ভেটিহে প্ৰতিষ্ঠা কৰিব পাৰে। অধিক সম্পদ আহৰণ কৰি দেশৰ উন্নতিৰ হকে কাম কৰিবলৈ হলে চৰকাৰে উন্নয়নমূলক বিভিন্ন আঁচনি গ্ৰহণ কৰি সেই আঁচনি ৰূপায়ন কৰিবৰ বাবে দেশৰ অধিবাসীক উপযুক্ত কৰি তুলিব লাগে।

অসমকে ধৰি ভাৰতৰ অনেক অঞ্চলত বৰ্ত্তমানলৈ মানৱ সম্পদৰ উন্নয়নৰ বাবে আঁচনি গ্ৰহন কৰি তাক বাইজৰ মাজত ৰূপায়ন কৰাৰ একাণপতীয়া প্ৰচেষ্টা লোৱা পৰিলক্ষিত হোৱা নাই। ফলত মানৱ সম্পদৰ উন্নতি হোৱা বুলি আমি ক'ব নোৱাৰো। বহুক্ষেত্ৰত দেখা যায় চৰকাৰৰ আৰ্থিক উন্নয়নমূলক প্ৰতিষ্ঠানবোৰ চলাবলৈ বা ৰূপায়ন কৰিবলৈ সদায় মানৱ সম্পদক অন্যঠাইৰ পৰা আমদানি কৰিব লগা হয়।

দেশৰ বিকাশ তথা উন্নয়নৰ পৰিমানৰ জোখ ল'বলৈ আন্তৰ্জাতিক ভাৱে গ্ৰহণযোগ্য সূচকৰ (Index) প্ৰয়োজন। কোনো এখন দেশৰ জনসাধাৰণৰ স্বাস্থ্য, খাদ্য, শিক্ষা, নিযুক্তি, জমা আৰু খৰছ, পৰিবহণ, গৃহ, সাজপাৰ, খেল ধেমালি, নিৰাপত্তা, মানৱ অধিকাৰ ইত্যাদিৰ যুটীয়া ভাৱে লোৱা মানদণ্ডক জীবন ধাৰণৰ মান বোলা হয়। ৰাষ্ট্ৰসংঘই জীৱন ধাৰণৰ মানকেই গ্ৰহণ যোগ্য সূচক হিচাপে স্বীকৃতি দিছে। জীৱন ধাৰণৰ মানৰ জোখ মুঠ জাতীয় আয় (Gross National Product, GNP) নাইবা জনমুৰি মুঠ জাতীয় আয় (Per Capital GNP)ৰ ভিত্তিত লোৱা হয়। GNP ৰ পৰা দেশ এখনত বছৰত কিমান বস্তু উৎপন্ন বা উৎপাদন হৈছে আৰু কিমান সা-সুবিধাৰ যোগান ধৰা হৈছে সেই বিষয়ে জানিব পাৰি। এই GNP ৰ ভিত্তিতে পৃথিবীৰ দেশসমূহক ধনী, মধ্যবিত্ত আৰু দুখীয়া দেশ হিচাপে বিভক্ত কৰা হৈছে। ধনীদেশবোৰৰ গড় জনমুৰি GNP ৬০০০ মাৰ্কিন ডলাৰ বা অধিক, মধ্যবিত্ত দেশৰ ৪৮১-৫৯৯৯ আৰু দুখীয়া দেশবোৰৰ ৪৮০ মাৰ্কিন ডলাৰতকৈ কম। কানাডা, যুক্তৰাষ্ট্ৰ, অষ্ট্ৰেলিয়া, ফ্ৰান্স, জাপান, জাৰ্মেনি, ইটালি, বেলজিয়াম আদি ৪৭ খন ধনী দেশ আছে। আনহাতে ভাৰতবৰ্ষ, কেনিয়া নাইজেৰিয়া, পাকিস্তান, বাংলাদেশ, নেপাল, শ্ৰীলঙ্কা, টাঞ্জানিয়া, চুডান প্ৰভৃতি ৬৬ খন দেশক দুখীয়া দেশ হিচাপে গণ্য কৰা হৈছে। ভাৰত দুখীয়া দেশ- এই দেশৰ শতকৰা ৪০ ভাগ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। প্ৰায় ৪০ শতাংশ লোকে কোনোমতে খাইলৈ জীয়াই থাকে। বাকী ২০ শতাংশতকৈ কম লোকৰহে দেশৰ বা সমাজৰ বাবে কিবা দিব বা কৰিব পৰা সেৱা থাকে। কিন্তু পৰ্য্যবেক্ষণৰ পৰা দেখা যায় যে এই ২০ শতাংশলোকেও যিমান উদ্যম বা অনুভূতিৰে সেৱা আগবঢ়াব লাগে তাক কৰা দেখা নাযায়। ফলত দেশৰ উন্নতি প্ৰায় ব্যাহত হৈছে। জনমুৰি GNP বৃদ্ধি বছৰত ১-২ শতাংশ মাত্ৰ। দেখা যায় যে দুৰ্নীতি আৰু আঁচনিৰ খুঁতৰ বাবে অগ্ৰগতিত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে। এয়ে প্ৰমাণ কৰে যে মানৱ সম্পদ যি ধৰণে সৃষ্টি হোৱাৰ মানৱ সম্পদৰ অৱক্ষয়হে হোৱা দেখা গৈছে। উগ্ৰপন্থী, ভেটিখোৰ, কৰ্ম্মবিমুখ অৱক্ষয়ৰ প্ৰমাণ। এনে ধৰণে বিচাৰ কৰি ভাৰতবৰ্ষত ১০ শতাংশহে মানৱ সম্পদ ধাৰণকাৰী ব্যক্তি আছে বুলি ক'ব পৰা হৈছে।

বিদ্যালয়, মহাবিদ্যালয় তথা বিশ্ববিদ্যালয় সমূহ মানৱ সম্পদ তৈয়াৰ কৰাৰ প্ৰতিষ্ঠান বা কাৰখানা। গুৰু উদ্যোগত উৎপাদিত সামগ্ৰীবোৰ কামত নখটোৱা পৰ্য্যন্ত সেইবোৰক প্ৰকৃতাৰ্থত সম্পদ বুলি কোৱা টান। কিয়নো উৎপাদন কৰি

পেলাই ৰাখিলে তাৰ ফল পোৱা নাযায় আৰু এটা সময়ত অৱক্ষয় হৈ সেইবোৰ নিঃশেষ হৈও যাব পাৰে। একেদৰেই মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিৰ পৰা শিক্ষা শেষ কৰিলেই সেই সকলক সম্পদ হিচাপে গণ্য কৰা উচিত নহয়। শিক্ষিত ব্যক্তিসকলে বিভিন্ন উন্নয়নমূলক কামত নিয়োগ হৈ নিজে উন্নত জীৱন যাপন কৰাৰ উপৰিও দেশ তথা সমাজৰ বাবে নিজৰ উপাৰ্জনৰ অংশ দিব পাৰিব লাগিব। যেতিয়া ব্যক্তিয়ে কোনো এটা বৃত্তি বা কৰ্ম্মৰ দ্বাৰা সমাজ তথা দেশক কিবা দিবলৈ সক্ষম হ'ব তেতিয়াহে তেওঁক সম্পদ বুলি ক'ব পৰা হ'ব। পেট্ৰোলক সম্পদ বুলি কব পৰা হ'ব যেতিয়া পেট্ৰোলে গাড়ী বা মেচিন চলোৱাত ব্যৱহাৰ হয়। গতিকে সম্পদ হ'ব লাগিলে নিশ্চয় তাৰ কাৰ্য্যকাৰিতা (Functionability) থাকিব লাগিব। মানুহ সম্পদ হব লাগিলে তেওঁৰ কাৰ্য্যকাৰিতাৰে সম্পদ সৃষ্টি হব লাগিব নাইবা বেলেগ মানুহ বা সমাজ উপকৃত হব লাগিব।

সম্পদ হিচাপে স্বীকৃতি দিয়া বস্তুবোৰক উচিত কামত ব্যৱহাৰ নকৰি ধ্বংসাত্মক কামত লগালে সেইবোৰ সম্পদ নহ'ব। পাৰমাণৱিক শক্তি সম্পদ হিচাপে গণ্য কৰা যায় যেতিয়া তাক মানব কল্যানৰ হকে খটোৱা হয় ; কিন্তু তাকে নকৰি বোমাৰে মানৱৰ ধ্বংস সাধন কৰিলে তাক সম্পদ বুলি কোৱা নহয়।

উগ্ৰপন্থী সকলক মানব সম্পদৰ ভিতৰত ধৰা নাযায় কিয়নো তেওঁলোক ধ্বংস কাৰ্য্যত লিপ্ত থাকে। সেইদৰে ভেটিখোৰ আৰু ঠগ প্ৰবঞ্চক ৰাজনীতিক তথা প্ৰশাসনত লিপ্ত থকা সকলো সম্পদ নহয়। কাৰণ তেওঁলোকৰ কুশাসনৰ ফলত দেশ প্ৰগতিৰ পথত আগবঢ়াত বাধা হয়।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিবলৈ ৫০ বছৰ পূৰ্ণ হ'ল। পৃথিবীৰ কেবাখনো উন্নত আৰু মধ্যবিত্ত দেশে উন্নতি কৰিবলৈ ৫০ বছৰ সময়ৰ আৱশ্যক হোৱা নাই। ভাৰতবৰ্ষক উন্নয়নশীল দেশৰ ভিতৰত ধৰা হৈছে। কিন্তু ইয়াৰ ক্ৰমোন্নতিৰ হাৰ অত্যন্ত কম হোৱাৰ বাবে ইয়াক উন্নতি কৰিবলৈ হয়তো আৰু বছৰ অপেক্ষা কৰিব লাগিব। এনে ক্ষেত্ৰত মানব সম্পদৰ দ্ৰুত উন্নয়ন সাধন কৰি দেশক উন্নতিৰ শাৰীলৈ উন্নীত কৰিবলৈ হলে দেশৰ সকলো স্তৰৰ লোকে নিস্বাৰ্থ ভাৱে সেৱা আগবঢ়াব লাগিব। ইয়াৰ বাবে দেশৰ ৰাজনীতিক আৰু ছাত্ৰসমাজৰেই আটাইতকৈ বেছি ভূমিকা হব লাগিব।

----------

# দৰ্শনৰ দৃষ্টিত ঈশ্বৰ

শ্ৰীমণ্টু হাজৰিকা
স্নাতক তৃতীয় বৰ্ষ (কলা)

"God is not a figment of our minds. He is not a distorted reflection of the absolute but a phenomenon well founded in the reality"- *Radhakrishnan.*

ঈশ্বৰৰ বিষয়ে স্পষ্টভাৱে আলোচনা কৰাৰ আগতে ধৰ্ম কি, ইয়াৰ সংজ্ঞা আৰু তাৎপৰ্য্য আলোচনা কৰাটো অতীৱ প্ৰয়োজনীয়। এই প্ৰসংগত ধৰ্ম সম্বন্ধে ৰাধাকৃষ্ণণে কৈছে- "ধৰ্ম কিছুমান বাহ্যিক বিধি বা আচৰণ মাত্ৰ নহয় ই হৈছে সত্য অন্বেষণৰ (conquest of truth) অন্তৰ্দৃষ্টি। ইয়াক বৌদ্ধিক কুচকাৱাজেৰেও লাভ কৰিব নোৱাৰি, গভীৰ বিশ্বাস আৰু আস্থাৰ দ্বাৰাহে ইয়াক উপলব্ধি কৰিব পাৰি। এই বিষয়টো তৰ্কাতীত আৰু তৰ্কৰে ইয়াক উপলব্ধি কৰিব নোৱাৰি। ধৰ্মৰ আধ্যাত্মিক প্ৰমূল্য হৈছে মানৱপ্ৰেম, মৈত্ৰী আৰু শ্ৰদ্ধা-ভক্তি। এই ধৰ্ম মানৱ ধৰ্ম, সনাতন ধৰ্ম, যি ধৰ্মই বিশ্ব মানৱক "অমৃতস্য পুত্ৰাঃ" বুলি আঁকোৱালি ল'ব পাৰে, সেই ধৰ্মই সকলো ধৰ্মকে শ্ৰদ্ধা কৰিব পাৰে। প্ৰকৃত ধৰ্মই মানুহৰ অন্তৰ্দৃষ্টিক গভীৰৰ পৰা গভীৰতৰ কৰি মানহক সসীমৰ পৰা অসীমলৈ লৈ যাব পাৰে।"

ৰাধাকৃষ্ণণে "East and West in Religion" গ্ৰন্থত ধৰ্ম আৰু ঈশ্বৰৰ সম্পৰ্কৰ বিষয়ে স্পষ্টভাৱে লিখিছে যে ধৰ্মৰ লক্ষ্য হৈছে ঈশ্বৰৰ জ্ঞান লাভ কৰা। এতেকে ঈশ্বৰৰ অস্তিত্ব আৰু তাৰ পম খেদি গলেই ধৰ্মৰ কাৰ্য্যকাৰণ সম্পাদন কৰা হয়। ঈশ্বৰৰ কোনো সূত্ৰ নাই। সেয়ে যি ধৰণেৰে আধ্যাত্মিক বিশ্বাসেৰে ঈশ্বৰৰ ধাৰণা কৰে, তেনে ধৰণেৰেই ঈশ্বৰ জ্ঞান লাভ হয়। ঈশ্বৰৰ বিষয়ে সকলো সত্যতাৰ উৎসতে নিহিত থাকে। কোনো এক নিৰ্দিষ্ট ধৰ্মমতেহে ঈশ্বৰ জ্ঞান লাভ কৰাত সহায় কৰিব পাৰে, এনে ধাৰণা শুদ্ধ নহয়। গীতাৰ ভগৱান শ্ৰীকৃষ্ণই কৈছে- "মানুহে যি পন্থাকেই গ্ৰহণ নকৰক, সকলোবোৰ মোৰেই পথ।" আমাৰ শংকৰদেৱেও কৈছে- "অন্তকালে মোত যাইবা লীন।"

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পাঠ্যপুথি 'ধৰ্মদৰ্শনত' শৰৎচন্দ্ৰ গোস্বামীদেৱে ধৰ্ম আৰু ঈশ্বৰৰ বিষয়ে স্পষ্টকৈ উল্লেখ কৰিছে যে এই বিশ্বব্ৰহ্মাণ্ডৰ অন্তৰালত ইয়াৰ আধাৰ স্বৰূপে থকা এক অসীম অনন্ত আধ্যাত্মিক সত্তাত পৰম বিশ্বাস আৰু এই আধ্যাত্মিক সত্তাৰ সম্যক উপলব্ধি আৰু ব্যৱহাৰিক জীৱনত তাৰ স্বীকৃতিয়ে ধৰ্মৰ সাৰমৰ্ম। এই পৰম আধ্যাত্মিক সত্তাই ঈশ্বৰ আৰু এই ঈশ্বৰ উপলব্ধিৰ বাবে হোৱা অদম্য আগ্ৰহ, আকুলতা আৰু তাৰ প্ৰেৰণাত বিভিন্ন ধৰ্মীয় আচৰণ কৰ্তব্যবোধ সম্পাদন কৰি মানৱ জীৱনৰ পূৰ্ণতা আৰু শান্তি লাভৰ বাবে কৰা নিয়ত প্ৰচেষ্টাই ধৰ্ম।

মহাভাৰতৰ "শান্তিপৰ্ব্ব"ত ধৰ্ম সম্বন্ধে উল্লেখিত শ্লোক ফাঁকি হ'ল- "ধাৰণাদ্ধৰ্মমিত্যাহুঃ ধৰ্মো ধাৰয়তে প্ৰজাঃ। যৎ সাদ্ধাৰণ সংযুক্তংস ধৰ্ম ইতি নিশ্চয়ঃ ॥" অৰ্থাৎ ধৰ্মই প্ৰজাক ধাৰণ কৰে, ধৰ্ম সমাজহিতকৰ বিধি।

**বিভিন্ন দৰ্শনত ঈশ্বৰৰ অস্তিত্ব ঃ-** বেদান্ত দৰ্শনৰ

ভাষ্যকাৰ শংকৰাচাৰ্য্যৰ ব্ৰহ্মসূত্ৰত আকৌ "ঈশ্বৰ মায়াশক্তি প্ৰকৃতি" অৰ্থাৎ ঈশ্বৰকেই মায়া বুলি ব্যাখ্যা কৰিছে। আকৌ এই মায়া শক্তিকেই একেটা বাক্যই প্ৰকৃতি বুলিও উল্লেখ কৰিছে। শ্বেতশ্বৰৰ উপনিষদত ঈশ্বৰে তেওঁৰ অৱিচ্ছেদ্য শক্তি প্ৰকৃতিময়ী মায়াৰ দ্বাৰা জগত সৃষ্টি কৰিছে বুলি উল্লেখ কৰিছে। শংকৰাচাৰ্য্যৰ দৰে পাশ্চাত্য দাৰ্শনিক কাণ্টেও কয় যে বুদ্ধিৰ দ্বাৰা ঈশ্বৰৰ যথাৰ্থ অস্তিত্বক প্ৰমাণ কৰিব নোৱাৰি। ঈশ্বৰৰ অস্তিত্ব একমাত্ৰ শ্ৰুতিৰ দ্বাৰা প্ৰমাণিত বিশ্বাসৰ বস্তু, যুক্তি তৰ্কৰ ফুলজাৰি নহয়।

আকৌ বৌদ্ধ দৰ্শনত বৌদ্ধ ধৰ্মৰ অন্যতম সম্প্ৰদায় মহাযানীসকলে বুদ্ধক ঈশ্বৰৰ স্তৰত বহুৱাই বৌদ্ধ ধৰ্মত ঈশ্বৰৰ অভাৱ পূৰণ কৰে। আনহাতে আনাটো সম্প্ৰদায় হীনযানী সকলে ঈশ্বৰ, আত্মা আদিৰ দৰে অতীন্দ্ৰিয় সত্তাব অস্তিত্ব বিশ্বাস নকৰে। ন্যায় দৰ্শনৰ প্ৰবক্তা বাৎসায়ন, উদ্যোৎকৰ, বাচস্পতি, জয়ন্তভট্ট, উদয়ন আদিয়ে ঈশ্বৰৰ স্বৰূপ বিভিন্ন প্ৰকাৰে দাঙি ধৰিছে। বাৎসায়নে "ন্যায় ভাষ্য"ত গুণবিশিষ্টম্ আত্মান্তৰম ঈশ্বৰঃ বুলি ঈশ্বৰক নিত্য, শুদ্ধ, পৰমজ্ঞানী সৰ্বশক্তিমান হিচাবে বিভূষিত কৰিছে। আনহাতে বৈশেষিক দৰ্শনতো গ্ৰীক সকলৰ দৰে আত্মাও এটা পৰমাণু (Soul is an atom) বুলি স্বীকাৰ কৰি শৃংখলাবদ্ধ আৰু উদ্দেশ্যমূলক এই জগতখন সৃষ্টিৰ বাবে ঈশ্বৰৰ অস্তিত্ব মানি লৈছে। যোগ দৰ্শনৰ ঈশ্বৰ পুৰুষ বিশেষ বুলি বৰ্ণাই অবিদ্যা, অস্মিত, দ্বেষ আৰু অভিনিবেশ এই পঞ্চক্লেশৰ দ্বাৰা ঈশ্বৰ কেতিয়াও দূষিত নহয় বুলি সিদ্ধান্ত কৰিছে। যোগ সূত্ৰত আকৌ ক্লেশ, কৰ্মবিপাক আৰু কৰ্মাশয়ৰ উৰ্ধ্বত ঈশ্বৰৰ অৱস্থান নিৰূপণ কৰে।

**ঈশ্বৰৰ অস্তিত্বৰ প্ৰমাণ (Proofs of the existence of God) ঃ-** যদিও ঈশ্বৰৰ চাক্ষুস বা প্ৰত্যক্ষ প্ৰমাণ সম্ভৱ নহয় তথাপি যুক্তিপূৰ্ণ দৃষ্টিভংগীৰে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ্য্য। তেনে মুখ্য প্ৰমাণ কেইটা হৈছে- (১) বিশ্বতত্ত্বমূলক বা কাৰ্য্যকাৰণ সম্পৰ্কীয় প্ৰমাণ, (২) তাত্বিক প্ৰমাণ, (৩) উদ্দেশ্যবাদী প্ৰমাণ, (৪) নৈতিক প্ৰমাণ আদি।

**বিশ্বতত্ত্বমূলক প্ৰমাণ বা কাৰ্য্যকাৰণ সম্পৰ্কীয় প্ৰমাণ (Cosmological or causa argument)) ঃ** (১) এই জগতৰ কোনো এজন সৃষ্টিকৰ্তা আছে ; কিয়নো জগত এটা কাৰ্য্য বা ক্ৰিয়া। এই জগত ক্ৰিয়াৰ সম্পাদন কৰোঁতা ঈশ্বৰ। (২) জগতৰ যি বস্তুৱেই জনা যায় সি সকলো তন্ত্ৰিত, নিৰ্ভৰশীল আৰু আপেক্ষিক। গতিকে এই সসীম, আপেক্ষিক আৰু নিৰ্ভৰশীল জগতৰ এক অনিয়ন্ত্ৰিত, আৱশ্যন্তৱ নিৰপেক্ষ সত্তা অন্তৰ্নিহিত হৈ আছে আৰু এই বিনন্দীয়া সত্তাই হ'ল ঈশ্বৰ।

কবি জন ষ্টুৱাৰ্ড মিলৰ মতে- চৌদিশে জাগতিক বস্তুবিলাক কোনো কালে একে নিচিনাকৈ থাকিব নোৱাৰে; পৰিবৰ্তন কিবা নহয় কিবা উপায়ে হ'বই। আনকি বাহিৰত পৰি থকা শিল এটকুৰাও এদিনাখন পূৰ্বতকৈ বেলেগ আকৃতি লয় বা তাৰ চিন-চাব নোহোৱা হয়। বাহিৰৰ পৰিবেশৰ পৰা আঁতৰত কাঁচৰ বাকচৰ মাজত মুমূৰ্ষু মানুহ এজন থ'লেও তাৰ এদিন মৃত্যু হয়। এনে ঘটনাবিলাকৰ কাৰণ অন্বেষণৰ দৰকাৰ। বিশ্বৰ এনে ঘটনাৰ সম্পাদন কৰোঁতাজনেই ঈশ্বৰ।

বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপক Hans Reichenbach -য়ে ক'ব খোজে যে ঈশ্বৰক বিশ্বৰ আদি কাৰণ বুলি এইবাবেই কোৱা হয় যে ঈশ্বৰ আদিম ঘটনাৰ সৃষ্টি কৰিছিল আৰু এই আদিম ঘটনাৰ পৰাই আন ঘটনাৰ উদ্ভৱ হৈ আহিছে। বহুতো দাৰ্শনিক পণ্ডিত, গৱেষকে ঈশ্বৰক জগতৰ সৃষ্টিকৰ্তা বুলি মানি ল'ব নোখোজে। তেওঁলোক হ'ল- মৌছ একুইনাছ, এডৱাৰ্ড কেয়াৰ্ড (Edward Caird),

মাৰ্টিনিউ (Martineau), লট্‌জ (Lotiz), প্ৰিংগল পেটিছন, জন কেয়াৰ্ড (John Caird) আনকি ভাৰতীয় সাংখ্য আৰু জৈন দৰ্শনতো জগতকৰ্তা হিচাপে ঈশ্বৰৰ স্থান নাই।

**তাত্বিক প্ৰমাণ (Ontological argument) ঃ** এই তত্বমূলক প্ৰমাণ প্লেটো, এনেছেলেম (St. Anselem), ডেকাৰ্ট, স্পিনোজা, লাইবনিজ, হেগেল, জন কেয়াৰ্ড আদি দাৰ্শনিকসকলে নিজ নিজ যুক্তিৰে বিভিন্ন যুগত আৰু বিভিন্নৰূপত উত্থাপন কৰিছে। এনেছলেমকেই এই তাত্বিক প্ৰমাণৰ প্ৰৱৰ্তক বুলি কোৱা হয়। তেওঁৰ মতে ঈশ্বৰ প্ৰত্যয় আৰু এই প্ৰত্যয়ৰ প্ৰতীতিত নিহিত চিন্তাৰ অনিবাৰ্য্যতাই ঈশ্বৰ সত্তাৰ বাস্তৱ অস্তিত্বত উপনীত কৰায়। ঈশ্বৰৰ প্ৰত্যয় বা ধাৰণা হৈছে সৰ্বোত্তম পূৰ্ণসত্তাৰ প্ৰত্যয়। তেওঁ কৈছে জড় আৰু জীৱিত বস্তু দেখাৰ দৰে কিন্তু তেওঁক দেখিব নোৱাৰি। ভক্তি আৰু আস্থা বা বিশ্বাস এই দুয়োটা অবিহনে ঈশ্বৰক জানিব নোৱাৰি আৰু ভক্তৰ হৃদয়ত থকা আস্থা ঈশ্বৰৰ জ্যোতিৰ ফল স্বৰূপে আৰু অনুগ্ৰহৰ দান বুলিহে উপলব্ধি কৰিব পাৰি।

**উদ্দেশ্যবাদী প্ৰমাণ (Teleological argument)ঃ-** ই এটা অতি প্ৰাচীন যুক্তি আৰু ই আটাইতকৈ বেছি জনপ্ৰিয় আৰু সৰ্বসাধাৰণৰ মনত বেছি প্ৰভাৱশীল প্ৰমাণ। বিশ্ব এনে এক নিপুণ পৰিকল্পনাৰ প্ৰকাশ আৰু এই পৰিকল্পনাৰ মূলত এক বুদ্ধিময়, সুনিপুণ; সৰ্বশক্তিময় ৰচয়িতা আছে আৰু সেই সত্তাই ঈশ্বৰ। সামান্য ঘড়ী এটাৰ ক্ষেত্ৰত ঘড়ীযন্ত্ৰৰ ৰচনা কৌশলৰ পৰা যেনেকৈ বুদ্ধিমান কুশল শিল্পীৰ অনুমান কৰা হয়। তেনেকৈ বিশ্বৰ এনে অপৰূপ ৰচনা কৌশলৰ পৰা অদ্ভুত বুদ্ধিসম্পন্ন জগতস্ৰষ্টাৰ অনুমান কৰিব পাৰি।

এক সৰ্বজ্ঞ, সৰ্বশক্তিমান ঈশ্বৰ অবিহনে এই বিশ্বৰ ৰচনা সম্ভৱ হ'ব নোৱাৰে। বিশ্বই পৰিকল্পনা বা অভিযোজনা প্ৰদৰ্শন কৰে, এতেকে এই পৰিকল্পনাৰ মূলত এজন সৰ্বোত্তম প্ৰাজ্ঞ ৰচয়িতা আছে আৰু সেই পৰম বুদ্ধিময়, সুনিপুণ বিশ্ব ৰচয়িতাই পৰমেশ্বৰ (The world exhibits design, therefore there is an all wire designer, viz god)

-ধৰ্মদৰ্শন

এই উদ্দেশ্যমূলক প্ৰমাণেৰে ঈশ্বৰৰ অস্তিত্বক স্বীকাৰ কৰা দাৰ্শনিকসকল হ'ল- উইলিয়াম পেলি (William Palley), জেমছ মাটিনিউ (James Martineau), এফ. আৰ টেনেন্ট (F. R. Tennant)। আকৌ হিউম, মিল, কাণ্ট, নৰ্মান কেম্পস্মিথ, এইচ. জে পেটেন আদিয়ে কয় যে উদ্দেশ্যমূলক প্ৰমাণে ঈশ্বৰৰ যি সত্তা প্ৰমাণিত কৰিবলৈ বিচাৰে সেই ঈশ্বৰ অসীম অনন্ত, সৰ্বশক্তিমান, জগতস্ৰষ্টা ঈশ্বৰ নহয়, এই ঈশ্বৰ সসীম শিল্পী বিশেষহে (The argument proves god to be a contriven and not the creator)।

**নৈতিক প্ৰমাণ (MORAL ARGUMENT) ঃ** ইমানুৱেল কাণ্ট, জেমছ মাৰ্টিনিউ, হেষ্টিংছ ৰাছডেল, ছোৰ্লি (W. R. Sorley) আদি এই প্ৰমানৰ প্ৰবৰ্তক। নৈতিকতাৰ স্বীকাৰ্য্যৰে আগুৱালে ঈশ্বৰৰ অস্তিত্ব সহজবোধ্য। নৈতিকতা ৰক্ষাই মনুষ্যত্বৰ উদ্দেশ্য। এই মনুষ্যত্ব লাভেই কাণ্টৰ মতে পৰম পুৰুষাৰ্থ। এই নৈতিকতা সুখ-দুখ নিৰপেক্ষ। এই নৈতিকতা প্ৰমাণ গীতাৰ ফলবাঞ্চা বিহীন কৰ্মৰ ওপৰত প্ৰতিষ্ঠিত। কৰ্তব্য নিষ্ঠাই নৈতিকতাৰ বাটকটীয়া। সততা আৰু সুখৰ অনিবাৰ্য্য সংযোগ নাথাকিলে মানুহৰ নৈতিক প্ৰেৰণা নাজাগে আৰু নৈতিক কৰ্মৰ সাৰ্থকতা নাথাকে। নৈতিক কৰ্মই ঈশ্বৰ উপলব্ধিৰ পথ।

**ঈশ্বৰৰ গুণধৰ্ম (Attributes of god) ঃ**

যদিও ঈশ্বৰ দূৰধিগম্য আৰু ৰহস্য ময় বা মানৱৰ জ্ঞান বুদ্ধিৰ অগোচৰ তথাপি আমাৰ বেদ উপনিষদ-শ্ৰুতি কথা সমূহত ঈশ্বৰ তত্ত্বৰ মনোজ্ঞ গুণকাহিনীৰ পৰা ধৰ্মীয় চেতনাত ইয়াৰ অংগাংগী সম্বন্ধ আছে। ধৰ্মীয় চেতনাত আস্তিক্য বুদ্ধি বা ঈশ্বৰৰ ধাৰণা হৈছে ঈশ্বৰ- (১) সৰ্বশক্তিমান, (২) সৰ্বজ্ঞ, (৩) বুদ্ধিময়, (৪) ন্যায় পূৰ্ণ সত্তা বা পুৰুষোত্তম, (৮) ভক্তৰ পৰম আশ্ৰয় (৯) প্ৰেৰণাৰ উৎস, (১০) সৰ্বব্যাপ্ত, (১১) অনন্তকোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰ্তা আৰু অধিপতি, (১২) সচ্চিদানন্দ, (১৩) অতীন্দ্ৰিয় (ব্ৰহ্মসংহিতাত আছে "ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দ বিগ্ৰহঃ অনাদিৰাদিৰ্গোবিন্দঃ সৰ্বকাৰণম") অতিপ্ৰাকৃত লোকাতীত (১৪) নিত্য, (১৫) সনাতন।

ঈশ্বৰ আৰু পৰমসত্তা বা পৰমব্ৰহ্ম অভিন্ন নে পৃথক? - ধৰ্মবিশ্বাসীৰ ঈশ্বৰ আৰু দাৰ্শনিক তত্বান্বেষীৰ পৰমসত্তা বা পৰমব্ৰহ্মা একেই নে ভিন্ন তাৰ ওপৰত বহু পণ্ডিতে বিভিন্ন মন্তব্য আগবঢ়াইছে। ব্ৰেডলি, বোছাংকে, শংকৰাচাৰ্য্য, জেমছ, ৰাছডেল, মেকটেগাৰ্ট, হাগুইছন আদি বহুবাদী দাৰ্শনিকসকলে ঈশ্বৰ আৰু পৰমসত্তা বা পৰমব্ৰহ্ম একে বুলি স্বীকাৰ নকৰে। BRADLEY-য়ে 'Essay on truth and Reality' গ্ৰন্থত লিখিছে পৰমব্ৰহ্ম বা পৰমসত্তা ব্যক্তিত্বসম্পন্ন ঈশ্বৰ হ'ব নোৱাৰে। কিয়নো ব্যক্তিত্ব সসীম, পৰমব্ৰহ্ম সসীম নহয় সেইগুণে ব্যক্তিত্ব পৰমব্ৰহ্মত আৰোপিত হ'ব নোৱাৰে। ব্ৰেডলিয়ে পৰমব্ৰহ্মক অতি ব্যক্তি বোলাত আপত্তি নকৰে। তেওঁৰ মতে- "পৰম সত্তাতকৈ নিম্নস্তৰত থাকি ঈশ্বৰে পূৰ্ণতা নাপায় আৰু পৰমসত্তাৰ মিলন হলে ঈশ্বৰ হেৰই যায় আৰু ঈশ্বৰৰ লগতে ধৰ্মও হেৰায়। ঈশ্বৰ সৰ্বব্যাপি নহলে ঈশ্বৰ নহয়; আৰু সৰ্বব্যাপি ঈশ্বৰ অন্ততঃ ধৰ্মৰ ঈশ্বৰ নহয়। ঈশ্বৰ এটা দিশহে আৰু পৰম ব্ৰহ্মৰ আভাষ।"

স্পিনোজাই পৰমসত্তাক এক দ্ৰব্য (Substence) বুলি কৈ স্পষ্টভাৱে কৈছে ঈশ্বৰেই সেই পৰম দ্ৰব্য। তেওঁ ঈশ্বৰক ব্যাপ্তি গুণযুক্ত পদাৰ্থ (Res Extens) আৰু চৈতন্যযুক্ত বা চিন্তাযুক্ত পদাৰ্থ (Res Cogitans) বুলি অভিহিত কৰে। ঈশ্বৰত মানবীয় বুদ্ধি বা গুণ আৰোপ কৰিব নোৱৰি বোলা এই গৰাকী স্পিনোজাই ব্ৰেডলিৰ মন্তব্যৰ বিৰোধিতা কৰি স্পষ্টকৈ কয় পৰম সত্তাই ঈশ্বৰ।

শ্ৰীমদ্ভাগৱতৰ ১ম স্কন্ধত বেদান্তীৰ ব্ৰহ্ম যোগীৰ পৰমাত্মা, ভক্তৰ ভগৱান একেই অখণ্ড জ্ঞান বুলি স্বীকাৰ কৰাৰ বিষয়টো স্বীকাৰ কৰিলে স্পিনোজাৰ উক্তিয়ে সত্য যেন লাগে। একেদৰে ৰামানুজ, হেগেল আদিয়েও সদৃশ মন্তব্যৰে সমৰ্থক।

**ভক্তসকলৰ মনত ঈশ্বৰৰ পাঁচ প্ৰকাৰৰ অভিব্যক্তি** (Five appearing modules of god in the devots mind) ঃ পৰম পুৰুষ ঈশ্বৰ পাচপ্ৰকাৰে ভক্তৰ মনত ব্যক্ত হ'ব পাৰে সেয়া হৈছে- (১) বাসুদেৱ, (২) পৰকাসুদেৱ বা নাৰায়ণৰ জাগতিক অভিব্যক্তি ৰূপে ; (৩) সংকৰ্ষণ জীৱাত্মা সমূহৰ জ্ঞানতত্ত্ব বা বুদ্ধিতত্ত্ব বা বুদ্ধিতত্ত্বৰ অধিকাৰী আৰু জগতৰ স্ৰষ্টাৰূপে আৰু (৪) অনিৰুদ্ধ জীৱাত্মাৰ অহংকাৰ তত্ত্বৰ অধিকাৰী আৰু জগতৰ পালক (৫) ভক্ত সকলৰ প্ৰতি অশেষ কৰুণাবশত বিশিষ্ট কোনো মন্দিৰত বিগ্ৰহৰূপে আবিৰ্ভাৱ।

---

# সাংবাদিকতা ঃ সংস্থাপনৰ এটি পথ

জয়ন্ত কাকতি
স্নাতক তৃতীয় বৰ্ষ (ক'লা)

সংবাদ সংগ্ৰহ আৰু প্ৰচাৰ বিদ্যা, যাৰ প্ৰতি পাঠকৰ আগ্ৰহ থাকে তাকেই কোৱা হয় সাংবাদিকতা। সৰল ভাৱে সহজ বোধ্য ভাষাত লিখা সংবাদ সম্পাদনা কৰি প্ৰকাশ কৰা মানেই হল সাংবাদিকতা। যিয়েই এই কাম সম্পাদন কৰে তেওঁকেই কোৱা হয় সাংবাদিক।

প্ৰাৰম্ভতে মানুহৰ বাবে পৃথিবীখন আছিল সৰু আৰু সীমাবদ্ধ, তেতিয়া কেৱল নিজৰ এলেকাৰ পৰিঘটনাসমূহৰ প্ৰভাৱহে সিবিলাকৰ ওপৰত পৰিছিল অৰ্থাৎ নিজৰ পৰিধিৰ বাতৰিহে জানিব পৰা হৈছিল আৰু সেয়াই আছিল যথেষ্ট। পোন প্ৰথমে মুখে মুখে সংবাদৰ আদান প্ৰদান হৈছিল। পৰৱৰ্ত্তী কালত ঢোল পিটি ইঠাইৰ বাতৰি সিঠাইত প্ৰচাৰ কৰা হৈছিল। অৰ্থাৎ শাসকসকলে বাতৰি প্ৰচাৰৰ বাবে বিভিন্ন ঠাই ঠিক কৰি ৰাখিছিল, সেই নিৰ্দিষ্ট ঠাই সমূহত ঘোষকৰ দ্বাৰাই ঢোল পিটি বাতৰি প্ৰচাৰ কৰিছিল। তাৰ পিছত আহিল পাৰ চৰাই। সংবাদবাহক হিচাবে পাৰৰ গুণাগুণ প্ৰসিদ্ধ। জৰুৰী সংবাদৰ ক্ষেত্ৰত ঢোল পিটাতকৈ পাৰৰ দ্বাৰাই কম সময়তে ইঠাইৰ বাতৰি সিঠাইলৈ পঠোৱা হৈছিল। বহুত যুদ্ধৰ শান্তি চুক্তিৰ দূত আছিল এই পাৰ চৰাই। সেই বাবেই পাৰ চৰাই আজিও শান্তিৰ দূত হিচাবে চিহ্নিত। কিন্তু বিগত শতাব্দীৰ মাজ ভাগত এই ক্ষেত্ৰত যান্ত্ৰিক কৌশল অৱলম্বন কৰা অনিবাৰ্য্য হৈ উঠিল যাতে এঠাইৰ বাতৰি অন্ততঃ ২৪ ঘণ্টাৰ ভিতৰত সমগ্ৰ বিশ্বতে প্ৰচাৰ হ'ব পাৰে। সেয়েহে আহিল টেলিপ্ৰিণ্টাৰ, কম্পিউটাৰ আদি। এই বোৰৰ দ্বাৰা দ্ৰুত গতিত প্ৰচাৰ কৰিব পৰা হ'ল। লগে লগে সংবাদ পত্ৰই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হ'ল। স্বাধীনোত্তৰ কালত ৰাজধানী দিল্লীৰ পৰাই বৰ্ত্তমানলৈকে প্ৰায় দুহেজাৰ বাতৰি কাকত প্ৰকাশ হৈ আছে। সংবাদ জগতত অসমৰ অৱদানো প্ৰচুৰ। এতিয়া অসমৰ পৰাই ভাৰতৰ বিভিন্ন ভাষাত শতাধিক দৈনিক, সাপ্তাহিক, পষেকীয়া পত্ৰিকা প্ৰকাশ পাই আহিছে।

সংবাদ পত্ৰ একোখনে দেশৰ প্ৰগতিৰ ক্ষেত্ৰত অপৰিহাৰ্য্য ভূমিকা পালন কৰি আহিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি টমাছ জেফাৰচনে কৈছিল বাতৰি কাকতবিহীন চৰকাৰ আৰু চৰকাৰবিহীন বাতৰি কাকত এই দুয়োটাৰ ভিতৰত তেওঁ যদি কোনো এটাক বাছি লব লগা হয় তেন্তে তেওঁ দ্বিতীয়টোক বাছি ল'ব। অৰ্থাৎ চৰকাৰ নাথাকিলেও ক্ষতি নাই কিন্তু বাতৰি কাকত থাকিবই লাগিব। নেপোলিয়নে কৈছিল এহেজাৰ বেয়নেটতকৈ চাৰিখন বাতৰি কাকতক মই বেছি ভয় কৰো। এনেবোৰ বক্তব্যই স্বাভাৱিকতে সাংবাদিকতাৰ মাহাত্ম্য আৰু গৰিমাৰ ছবিখন আমাৰ আগত স্পষ্টকৈ দাঙি ধৰে। মহামানৱ মহাত্মা গান্ধীয়েও মই এজন সাংবাদিক বুলি কৈ গৌৰৱ বোধ কৰিছিল। বিশ্বৰ খ্যাতি সম্পন্ন জৰ্জ বাৰ্ণাডশ্ব, মাৰ্ক টোৱেইন, স্টেইনবেক, ৰবীন্দ্ৰ নাথৰ উপৰিও অসমৰ কেইবা গৰাকী কবি সাহিত্যিকে আৰম্ভণিতে সাংবাদিকতা কৰিছিল। বৰ্ত্তমান যুগত সাংবাদিকতাই সমগ্ৰ বিশ্ব নিয়ন্ত্ৰণ

কৰি আছে বুলি কলেও ভুল কৰা নহ'ব।

সংবাদ পত্ৰত কাম কৰাৰ ক্ষেত্ৰত আমাৰ নবীন চামৰ মনত প্ৰশ্ন হয়-সাংবাদিকতাৰ বাবে কেনেকুৱা অৰ্হতাৰ প্ৰয়োজন ? এই ক্ষেত্ৰত অধ্যাপক হানছেবাৰ্গে ন শিকাৰু সাংবাদিকৰ বাবে চাৰিটা ন্যূনতম প্ৰয়োজনৰ কথা কৈছে। সেই কেইটা হল ঃ-

১। সম্পূৰ্ণ (Thorough) শিক্ষা, যথাৰ্থ প্ৰশিক্ষণ আৰু নিয়মানুৱৰ্তিতাক গ্ৰহণ কৰাৰ মানসিকতা।

২। সাংবাদিকতাৰ প্ৰাথমিক দক্ষতা খিনি আহৰণ কৰা।

৩। প্ৰথম অৱস্থাত হতাশজনক আৰু লাভজনক নহয় যেন লগা কিছুমান কামত মনোনিবেশ কৰা।

৪। ব্যক্তিগত আৰু বৃত্তিমূলক সততাৰ প্ৰতি গভীৰ শ্ৰদ্ধা।

তদুপৰি সাংবাদিকতাৰ বিষয়ে আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থাও আছে। সাংবাদিকতা পাঠ্যক্ৰম অধ্যয়নৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়তো ব্যৱস্থা আছে। এই এবছৰীয়া পাঠ্যক্ৰমত ভৰ্ত্তি হবৰ বাবে আবেদন কৰিবলৈ হলে স্নাতক হ'ব লাগে। ঠিক সেই দৰে ভাৰত বৰ্ষৰ আন আন বিশ্ব বিদ্যালয় মহীশুৰ, ওচমানিয়া, কলিকতা, জব্বলপুৰ আদি বিশ্ব বিদ্যালয়সমূহতো সংবাদিকতাৰ ডিপ্লোমা লোৱাৰ সুবিধা আছে। আৰ্থিক দিশতো চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া সাংবাদিক আৰু বাতৰি কাকতৰ কৰ্মী সকলৈলে দিয়া বাচাৱণ্ট কমিটিৰ প্ৰতিবেদন মতে কোনো কোনো প্ৰতিষ্ঠানে দৰমাহা দিছে।

সাংবাদিকৰ আদৰ্শ আৰু কৰ্তব্যৰ ক্ষেত্ৰত কলম্বিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক John Holenberg ৰ বিখ্যাত গ্ৰন্থ "The Professional Journalist" গ্ৰন্থৰ উদ্ধৃতি দিব পাৰি। তেখেতৰ মতে যদি উনবিংশ শতিকাক আমি ঔপন্যাসিকৰ যুগ বুলি কওঁ তেন্তে বিংশ শতিকাক সাংবাদিকতাৰ যুগ বুলিব পাৰি। তেখেতে সাংবাদিকতাৰ চাৰিটা মূল নীতি দাঙি ধৰিছে। সেই কেইটা হ'ল -

(১) সত্য অনুসন্ধানৰ বাবে অবিৰত প্ৰচেষ্টা চলোৱা

(২) সময়ৰ লগত গতিশীল হৈ আগবঢ়া, যাতে ঘটনাবাজিয়ে পিছ পেলাই থৈ যাব নোৱাৰে।

(৩) ৰাজহুৱা স্বাৰ্থৰ বাবে কিছু হ'লেও আত্মস্বাৰ্থ পৰিত্যাগ কৰা।

(৪) আটাইতকৈ দৰকাৰী কথা হ'ল দৃঢ়ভাৱে নিজস্ব স্বাধীনতা বজাই ৰখা।

তেখেতৰ মতে কোনো ব্যক্তি জন্মতে সাংবাদিক হৈ নাহে, কেৱল শিক্ষা আৰু অধ্যয়নৰ যোগেদিহে এজন ব্যক্তি সাংবাদিক হ'ব পাৰে।

----

"কুষ্টৰোগীৰ ঘা ধুৱাই দিয়াতকৈ সাংবাদিকৰ মুখামুখি হোৱা কামটো বেছি টান।"

**-মাদাৰ টেৰেছা**

# অসমীয়া ভাষা সাহিত্যত ইংৰাজী সাহিত্যৰ প্ৰভাৱ

শ্ৰী মধু নাথ
স্নাতক তৃতীয় বাৰ্ষিক (ক'লা)

অসমীয়া ভাষা সাহিত্যৰ ইতিহাস গঠনত শংকৰোত্তৰ যুগৰ (১৭০০-১৮২৬) খ্ৰীঃৰ পিছৰে পৰা ইংৰাজী সাহিত্যৰ বিভিন্ন ভাৱধাৰাই পূৰ্ণতম প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধিৰ পিছত অসম বৃটিছ ঔপনিবেশিক শাসনৰ তলতীয়া হয়। ইংৰাজৰ শাসন কালত প্ৰথম অৱস্থাত অসমীয়া ভাষা সাহিত্যৰ বিকাশ গঠনত কিছু যতি পৰে যদিও আমেৰিকান বেপ্তিষ্ট মিছনেৰী সকলৰ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ অৰ্থে যি আগমন হৈছিল সেই আগমনে নতুন অসমীয়া ভাষা সাহিত্যৰ এটি প্ৰতিষ্ঠাপূৰ্ণ "অৰুণোদয়" যুগৰ (১৮৪৬-১৮৭৩) সূচনা কৰি থৈ গৈছে। ১৮৩৮ খ্ৰীঃ ৰ মাৰ্চ মাহত ৰেভাৰেণ্ড নাথান ব্ৰাউন ; টি কাট্টাৰ আৰু মাইলচ্ ব্ৰনসন আদি বেপ্তিষ্ট মিছনেৰী সকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ অৰ্থে অসমলৈ আহি প্ৰথমে শিৱসাগৰত এটি ছপাখানা বহুৱাই দুই এখন খ্ৰীষ্টধৰ্মীয় কিতাপ অসমীয়া ভাষাত উলিয়াবলৈ আৰম্ভ কৰিছিল। সেইদৰে ১৮৪৬ খ্ৰীঃ ৰ জানুৱাৰী মাহত শিৱসাগৰৰ "বেপ্তিষ্ট মিছনেৰী" প্ৰেছৰপৰা বিশেষ সংবাদ পত্ৰ "অৰুণোদয়" প্ৰকাশ হৈছিল। এই অৰুণোদয় সংবাদ-পত্ৰখনে ধৰ্ম, বিজ্ঞান, সাধাৰণ খবৰ আৰু জ্ঞান বিষয়ক বিভিন্ন খবৰ প্ৰকাশ কৰিছিল।

অসমীয়া ভাষা সাহিত্য তথা অসমীয়া মানুহৰ জ্ঞান পিপাসু ৰচনাত হিত সাধিনী ৰূপে থিয় হোৱা "অৰুণোদয়" এই বিশেষ সংবাদ পত্ৰখনৰ পৰিধি বিকাশৰ লগে অসমীয়া ভাষা সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰমাকান্ত বৰুৱা, ভোলানাথ দাস, বলদেৱ মহন্ত আদিৰ লেখীয়া কেইজনমান স্বনামধন্য ভাষা সাহিত্যিকৰ হাতত অসমীয়া ভাষাৰ বিকাশ ঘটে। এওঁলোকৰ ভিতৰত ইংৰাজী আৰু বঙলা ভাষা সাহিত্যৰ লগত সুকীয়াকৈ পৰিচয় হোৱা অসমীয়া ভাষা সাহিত্যৰ ওজা স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাদেৱ আৰু স্বৰ্গীয় গুণাভিৰাম বৰুৱাদেৱে অসমীয়া ব্যাকৰণৰ সংশোধনৰ লগতে অসমীয়া সাহিত্যৰ অন্যদিশতো অৰিহণা আগবঢ়াইছিল। ফলস্বৰূপে এটি সুকীয়া অসমীয়া ভাষাৰ ক্ৰমোন্নতি ঘটে। এই "অৰুণোদয় যুগৰ পিছতেই "জোনাকী যুগ" ৰ (১৮৮৯-১৯৪০) শুভাৰম্ভ ঘটে। অসমীয়া মানুহৰ মাজত প্ৰচলিত পুৰণি কলীয়া ধ্যান ধাৰণাৰ ওৰ পেলাই বহুতো অসমীয়া ডেকাই পাশ্চাত্য শিক্ষা লাভৰ বাবে কলিকতালৈ ঢাপলি মেলিলে। তেখেত সকলৰ ইংৰাজী

সাহিত্যৰ লগত পৰিচয় ঘটাত নতুন ৰীতি আৰু চিন্তা ভাৱনাৰে আধুনিক সাহিত্যৰ দুৱাৰ মুখলি হৈছিল। এই উদীয়মান যুৱক সকল হ'ল সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, ৰায়বাহাদুৰ পদ্মনাথ গোঁহাঞি বৰুৱা, সত্যনাথ বৰা আদি। এওঁলোকৰ প্ৰথম প্ৰচেষ্টাতেই ১৮৮৮ চনত "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" নামৰ এটি আলোচনা চক্ৰৰ সূচনা ঘটে। এই আলোচনা চক্ৰৰ ফলশ্ৰুতি ৰূপে উক্ত উদ্যোক্তা সকলৰ আহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ ফলত তথা চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ সম্পাদনা আৰু পৃষ্ঠপোষকতাত কলিকতাৰ পৰা মাহেকীয়া "বাৰ্তালোচনী" জোনাকী প্ৰকাশ হয়। এই "জোনাকী" কাকত খনেই শিক্ষিত ডেকাদলৰ বাবে এটি সাহিত্য প্ৰচেষ্টাৰ বিকীৰণ কেন্দ্ৰ (Reading Centre) হৈ পৰিল ; কিয়নো এই "জোনাকী" য়ে উঠি অহা ডেকাদলক পাশ্চাত্য ভাৱধাৰাৰ লগত সংযোগ সেতু, স্থাপন কৰিছিল। ইউৰোপৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ ভাৱ (contents) আৰু ৰূপৰ আদৰ্শত অসমীয়া সাহিত্য স্ৰজন কৰিবলৈ এওঁলোক ব্ৰতী হ'ল।

ইউৰোপত বা ইংলেণ্ডত যি যি কাৰণত অষ্টাদশ শতিকাৰ শেষ আৰু উনবিংশৰ পূৰ্বাৰ্দ্ধত ৰোমাণ্টিক আন্দোলনৰ সৃষ্টি হৈছিল অসমত সেইবোৰৰ কাৰণ প্ৰকাশ পোৱা নাছিল বৰং সেইবোৰৰ আলমত বেলেগ ৰূপৰ ৰোমাণ্টিক ভাৱাদৰ্শহে স্থাপন কৰা হৈছিল। ফৰাচী বিপ্লৱৰ সাম্য-মৈত্ৰী আৰু স্বাধীনতাৰ ধ্বনি আৰু ভাৱাদৰ্শ, ৰুছোৰ প্ৰকৃতিৰ বুকুলৈ উভতি যোৱাৰ আহ্বান, কাণ্ট-হেগেলৰ (Kante and Hagel) অতীন্দ্ৰিয়বাদী দৰ্শনে নৱন্যাস আন্দোলনৰ সৃষ্টিত সহায় কৰিছিল।

গতিকে অসমীয়া সাহিত্য জগতৰ ৰমন্যাস সৃষ্টিত পাশ্চাত্যৰ ৰাজনৈতিক বা দাৰ্শনিক উপাদানে কোনো প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। অৱশ্যে এইবোৰৰ স্পষ্ট উপাদান অসমৰ মাটিত নাথাকিলেও পাশ্চাত্য নৱন্যাসৰ ভাৱাদৰ্শৰ লগত সুৰ মিলাবলৈ অসমীয়া কবি সাহিত্যিক সকলৰ অনুকূল মানসিক আৰু প্ৰাকৃতিক পৰিৱেশ নথকা নহয়। অসম প্ৰকৃতিৰ কাম্য-কানন। ৰমন্যাসত যি প্ৰকৃতিৰ প্ৰশস্তি ধ্বনিত হৈছিল বৈচিত্ৰ্যময়ী প্ৰকৃতিৰাজ্য অসমৰ কবি সকলে সহজে সেই আদৰ্শৰ লগত সহানুভূতি স্থাপন কৰিছিল। কবি সকলে আপোন মনৰ মাধুৰী সানি কল্পনাৰ সৌৰভ ঢালি, আৱেগৰ মাদকতা সিচি কবিতাক সহৃদয় সংবাদী কৰি তোলাৰ যি ৰমন্যাসৰ নতুন কাব্যৰীতি সেইবোৰৰ মাজত অসমীয়া কবি সকলৰ অনুসন্ধিৎসু মন সোমাই পৰিল। এই Romanticism-ৰ ক্ষেত্ৰত বাট্ৰাণ্ড ৰাছেলে আঙুলিয়াই কৈছিল- "The romantic movement is characterised as a arhole, by the substitution of aesthetic for utilitarian standards". (Hu P.P 703) এই ৰোমাণ্টিক প্ৰভাৱ অসমীয়া সাহিত্যৰ দুটা পথেৰে প্ৰৱেশ কৰিছিল- (১) ইংৰাজী সাহিত্যৰ যোগেদি আৰু (২) বঙালী সাহিত্যৰ যোগেদি। ইংৰাজী সাহিত্যৰ Romanticism ৰ পুনৰ জাগৰণ হয় Thomson ৰ 'The Season' নামৰ কবিতাটিৰ জৰিয়তে। ঠিক সেইদৰে চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ "জোনাকী"ত প্ৰথম প্ৰকাশিত হোৱা "বনকুঁৱৰী" নামৰ কবিতাটিৰ জৰিয়তেই অসমীয়া ৰোমাণ্টিক কাব্যিক সাহিত্য জগতৰ এটি নতুন অধ্যায়ৰ শুভাৰম্ভ ঘটে। সৌন্দৰ্য্য চেতনা, অতীত প্ৰীতি আৰু অফুৰন্ত কল্পনাৰ বিস্তাৰেৰে কবিতাই লাভ কৰিলে এই ৰোমাণ্টিক মহিমা। অসমীয়া ৰোমাণ্টিক কবিতাৰ অগ্ৰদূত হিচাপে ৰহস্যময়তা তেওঁৰ কবিতাত প্ৰকট হৈ উঠিল অতি প্ৰাকৃত পৰিৱেশৰ মাজত-

মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্

ৰূপহীৰ খেল দেৱযানীৰ খেল
মানুহে নেদেখা মুখ

Coleridge ও এনে এক ৰহস্যময় পৰিৱেশেৰে ছবি আঁকিছে তেওঁৰ 'Love' নামৰ কবিতাটিত।

Off in my waking dreams do I
Live over again that happy hour.
When wide way on the mount I hay
Beside the ruined tower.

Romanticism-ৰ অন্য এজন হোতা হৈছে লক্ষীনাথ বেজবৰুৱা। বেজবৰুৱাদেৱৰ কবিতা সমূহতো ৰোমাণ্টিক কল্পনা, প্ৰেম আদিৰ মনোৰম ব্যাখ্যা স্পষ্ট হৈছে তেখেতৰ একমাত্ৰ "কদমকলি" নামৰ কবিতা পুথিখনত থকা "ভ্ৰম" নামৰ কবিতাটিত। এই কবিতাটিত প্ৰিয়তমাৰ বৰ্ণনা দিবলৈ গৈ কল্পনাক অবাধ স্বাধীনতা দিছে-

"কোনে কয় সেইটো হৰিণা পোৱালী
ইমান চেতনা নাই
বনৰ সৌন্দৰ্য্যই ৰূপধৰি আহি
দেওদি দুবাৰি খায়
নহয় পুখুৰী প্ৰেমিকাৰ হিয়া
পানী নহয় প্ৰেমৰস
নৈ নহয় প্ৰেমৰ প্ৰৱাহ
বিচাৰি প্ৰেমৰ বিৰস।"

ইয়াৰ উপৰিও বেজবৰুৱাদেৱে প্ৰেমৰ পূজাৰীৰূপে "শ্যেলী"ৰ কাব্যাদৰ্শক অনুৰূপ প্ৰদৰ্শন কৰিছে "বেনুকা" নামৰ কৰিতাটিত-

প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল।

ৰোমাণ্টিক আন্দোলন ত্ৰিমূৰ্ত্তিৰ অন্যতম হেমচন্দ্ৰ গোস্বামীদেৱৰ কবিতাতো প্ৰেমৰ আৱেগ আৰু ৰোমাণ্টিক মহিমাৰে ৰঞ্জিত হৈ পৰিছে। চিৰ নতুন প্ৰেমৰ নতুন মোহিনী ৰূপৰ বিষয়ে কৰলৈ গৈ কবিয়ে লিখিছে-

জিলিকনি এটি আহি পদুম বনত
স্বৰগৰ বহণ ঢালিছে।
অকলশৰীয়া দুটি প্ৰেমৰ কলিয়ে
চুমা খাই হালিছে জালিছে।

ইয়াৰ উপৰিও গোস্বামীদেৱৰ প্ৰকাশিত কৱিতাসমূহতো কবিৰ স্বপ্ৰতিভাৰ ৰেঙনি পৰি সুঘাপাঠ্য হৈ পৰিছে পোপৰ "Universal Prayer" কবিতাটিৰ অনুকৰণত অনুদিত "স্তুতি" ; আৰ্থাৰ এলেন হিউমৰ কবিতাৰ আলমত ৰচিত "জাতীয় সংগীত" নামৰ কবিতা কেইটিত।

এই দৰেই ইংৰাজী সাহিত্যৰ হোতা ধৰোতা The poets of the Romantic school- Wordsworth. Coleridge, Shelley, Keats আদিয়ে যি ৰোমাণ্টিক ভাৱাদৰ্শৰ বীজ সিঁচি থৈ গ'ল সেই বীজ সমূহৰ শ্ৰীবৃদ্ধিতেই পৃথিৱীৰ ইমুৰৰ পৰা সিমূৰলৈ ক্ৰমবৰ্দ্ধিত হ'ল এক "নৱজাগৰণ"। আৰু এই নৱজাগৰণৰ সোৱাদে অসমৰ উঠি অহা শিক্ষিত যুৱকসকলক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল।

Romannticism ৰ ভাৱধাৰা কবিতাৰ মাজত যিদৰে সোমাই পৰিল, ঠিক সেইদৰে গদ্য উপন্যাস নাট, প্ৰৱন্ধ চুটি গল্প, সমালোচনা আৰু ব্যংগ ৰচনা আদিৰ ক্ষেত্ৰতো কোনো গুণে পিছপৰা বিধৰ নহয়। উপন্যাস সাহিত্যৰ ৰায়বাহাদুৰ পদ্মনাথ গোহাঁইবৰুৱাদেৱে ১৮৯১ চনত ৰোমাণ্টিক ভাৱধাৰাৰ প্ৰথম অসমীয়া উপন্যাস 'ভানুমতী' ৰচনা কৰে। অৱশ্যে উপন্যাস সম্ৰাট ৰজনী কান্ত বৰদলৈ দেৱৰ হাততহে অসমীয়া উপন্যাস সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। সেইদৰে ফৰাচী সাহিত্যিক "মোঁপাচাৰ" চুটি গল্পই যি আলোড়নৰ সৃষ্টি কৰিছিল উক্ত প্ৰভাৱত অসমীয়া সাহিত্যত সাহিত্যৰথী লক্ষ্মীনাম বেজবৰুৱাদেৱৰ হাতত চুটি গল্পই পূৰ্ণতা লাভ কৰে।

"পদুমকুঁৱৰী" "কেহোঁকলি" তেখেতৰ অন্যতম চুটিগল্পৰ সংকলন।

এইদৰেই দেখা গল্প যে তাহানিৰ ফুল কোঁৱৰৰ সাধু মালিনীৰ ফুলবাৰীৰ শুকান খৰিয়েও পাত মেলাৰ দৰে পশ্চিমীয়া সাহিত্যৰ সোণকাঠিৰ পৰশত নতুন এক অসমীয়া সাহিত্যৰ পোখা মেলি উঠিল। ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই সুন্দৰ ভাৱে লাভ কৰিলে এই বৰ্ণনাতীত বৰ্তমান লগতে ক্ৰমোন্নতি।

------

( বিঃদ্ৰঃ সহায় লৈ লিখা )

■ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ কেটেলেগ বা যাদুঘৰ নহয়। নিৰ্ব্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেঁচা সজুলি গঢ়ি পিতি ল'লেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হ'ব।

–কৃষ্ণকান্ত সন্দিকৈ।

■ সাহিত্য জীৱনৰ দাপোন। গতিকে জীৱনক তাৰ বিচিত্ৰ আৰু গভীৰতম ৰূপত নিৰীক্ষণ কৰিব নোৱাৰিলে কোনে ও প্ৰকৃত সাহিত্য সৃষ্টি কৰিব নোৱাৰে।

–অতুল চন্দ্ৰ বৰুৱা।

# চাহ জনজাতিৰ কৃষ্টি-সংস্কৃতিত এভুমুকি

শ্ৰীৰমেন গোৱালা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

পোন প্ৰথমে অসমত চাহ গছৰ আবিষ্কাৰ ১৮২৩ চনতেই হৈছিল যদিও প্ৰণালীবদ্ধভাৱে এই খেতি ১৮৩৫ চনৰ পৰাহে আৰম্ভ হয়। বৰ্ত্তমান প্ৰায় ৭৫০ খনৰো অধিক চাহ বাগিছা অসমৰ বিভিন্ন জিলাত বিস্তৃত হৈ আছে। তাৰে শোণিতপুৰ জিলাৰ মোনাবাৰী চাহ বাগিছাখন এচিয়া মহাদেশৰ ভিতৰতেই সৰ্ববৃহৎ চাহ বাগিছা। বৰ্ত্তমান চাহ খেতিয়ে ভাৰতীয় অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। এইটো কলে অত্যুক্তি নহ'ব যে যেতিয়া থলুৱা বনুৱাৰ অভাৱৰ কাৰণেই বা সস্তীয়া বনুৱাৰ প্ৰয়োজন উপলব্ধি কৰিয়েই বাগিছাবোৰৰ চাহাবসকলে সুদূৰ বৰহমপুৰ, সম্বলপুৰ, বিলাসপুৰ, জব্বলপুৰ, ভাগলপুৰ, গোৰখপুৰ, মোজাফ্ৰপুৰ, ৰাঁচি, গঞ্জাম, মালভুম, চিংভূম, হাজাৰিবাগ, চিৰগুজা আদি অসমৰ বাহিৰৰ বিভিন্ন ঠাইৰ পৰা আড়কাঠীয়া আৰু গিৰমিটিয়া বনুৱা চালানৰ যোগেদি পৰ্য্যাপ্ত পৰিমাণে শ্ৰমিক আমদানি কৰিবলৈ ধৰিলে। বনুৱাসকলে নিজৰ একমাত্ৰ জীৱিকাৰ থল নিজৰ ভূমিকণো বিসৰ্জন দি অসমলৈ আহি বসবাস কৰিবলৈ ধৰিলে। তেওঁলোকৰ ভিতৰত জনজাতি আৰু অ-জনজাতি দুয়ো প্ৰকাৰৰ লোক আছিল। সম্প্ৰতি প্ৰায় ৮৫ টাৰো অধিক জাতি-উপজাতিৰে গঠিত চাহ জনজাতি সম্প্ৰদায়ৰ প্ৰায় ৪০ লাখ লোক (আনুমানিক) অসমৰ বিভিন্ন গাঁও আৰু চাহ বাগিছাবোৰত নিগাজীকৈ বসবাস কৰি আছে। তাৰে প্ৰায় কুৰিটামান জাতি-উপজাতিৰ নিজস্ব ভাষা বেলেগ বেলেগ। তেওঁলোকৰ এটা জাতিৰ দোৱান আন এটা জাতিয়ে বুজি নাপায়। সেয়েহে চাহ-জন জাতি সম্প্ৰদায়ৰ সকলোলোকে বুজি পোৱাকৈ বঙালী, অসমীয়া, উৰিয়া, তামিল, তেলেগু, হিন্দী আদি ভাষাৰে মিশ্ৰিত এটা কথিত ভাষাৰ প্ৰচলন আছে। ইয়াক "সাদনা ভাষা বোলা হয়।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰৰ পৰা আহোঁতে তেওঁলোকৰ গাটোতে ছাঁটো লাগি অহাৰ দৰে লগত লাগি আহিছিল নিজৰ-নিজৰ কলা-কৃষ্টি আৰু সংস্কৃতি। লগত আহিছিল তেওঁলোকৰ সাংস্কৃতিক মন আৰু সাংস্কৃতিক সত্তা।

নানা বৈচিত্ৰ্যৰ মাজতো ঐক্যৰ সূচনা কৰি সম্পূৰ্ণ অৰ্থনৈতিক সামাজিকভাৱে এই জনগোষ্ঠীয়ে অসমৰ জাতীয় জীৱনৰ ঘাই সুঁতিটোৰ লগত নিজকে মিলাই দিব বিচাৰিছে।

যি প্ৰক্ৰিয়াৰে অসমীয়া সমাজ তথা অসমীয়া সংস্কৃতিৰো ক্ৰমবিকাশ ঘটিছে সেই প্ৰক্ৰিয়াৰেই চাহ জনজাতি সমাজ আৰু সংস্কৃতিয়ে গঢ় লৈ উঠিছে। লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকে দ্ৰাবিড় আৰু অষ্ট্ৰিক সংস্কৃতিৰ বাহক। কোনো কোনো ক্ষেত্ৰত অৱশ্যে অষ্ট্ৰদ্ৰাবিড়। তেওঁলোকৰ মূল সংস্কৃতিৰ কৃষিমূখী সংস্কৃতি কিছু আৰ্যসংস্কৃতিৰ প্ৰভাৱ তাহানিৰ পৰা আজি পৰ্যন্ত বছৰৰ বিভিন্ন সময়ত চাহ জনজাতি লোকসকলে বিভিন্ন পূজা-পাৰ্বন পালন কৰি আহিছে। তাৰেই এটি থূলমুল আভাস তলত দাঙি ধৰা হ'ল।

চাহ জনজাতি লোকসকলে পালন কৰা উৎসৱবোৰৰ ভিতৰত কৰম পৰবৰ এটা উল্লেখযোগ্য উৎসৱ। এই উৎসৱৰ প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক থকা হেতুকে ইয়াক প্ৰকৃতিৰ উৎসব বুলি ক'ব পাৰি। এই পৰব ভাদ মাহৰ পাৰ্শ্ব একাদশীৰ দিনা উদযাপন কৰা হয়। এই পৰৱত কৰমতী সকলে কৰম গছৰ ডাল পুতি তাৰ চাৰিওকাষে ঘূৰি ঘূৰি নাচে আৰু কৰম গীত গায়। এই পৰৱত এজন বয়োবৃদ্ধ লোকে এটি আদৰ্শ মূলক কাহিনী কৰমতীসকলক শুনোৱাৰ নিয়ম আছে, যাৰ দ্বাৰা তেওঁলোকে সামাজিক জীবনযাত্ৰাত অগ্ৰসৰ হ'বলৈ অনুপ্ৰাণিত আৰু উৎসাহিত হয়। মনৰ বাঞ্চিত আশা আকাঙ্খাবোৰৰ পূৰণাৰ্থে চাহ জনজাতি গাভৰুহঁতে এই পৰব পালন কৰে। কৰম পৰবৰ আন এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য এয়ে যে ইয়াত তেওঁলোকৰ অতি প্ৰিয়। ঝুমইৰ গীত পৰিবেশন কৰা হয়। ঝুমইৰ গীতবোৰ অতি মধুৰ আৰু ছন্দ গধুৰ। বৰ্ত্তমান ঝুমইৰ গীতে এই সমাজৰ বাহিৰেও অসমৰ অন্যান্য সমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছে।

কৰম পূজাত জয়জয়তে এই ঝুমইৰ গীতটি গোৱা হয় ঃ

"আখৰা বন্দনা কৰি
সৰস্বতী মাকে ধৰি
আখৰা বন্দনা ব্ৰজ নাৰী
মদন ঝুমইৰ লাগল ভাৰি।।
পাঁচ প্ৰহৰ ৰাতি
উঠ মা' গ সৰস্বতী
কণ্ঠে দিব বৰ
তোমাৰ চৰণে মাতা খিলিব ঝুমইৰ।।"

কৰম পৰৱ শেষ হ'লে গোৱা হয়-

"আইজৰে কৰম পূজা ঘৰে দুৱাৰে
কাইলৰে কৰম ৰাজা কন নদী তীৰে
আহ আহ কৰম ৰাজা এই সহ মাস
আৱত ভাদৰ মাস আনব ঘুৰাই।।"

কৰম পৰৱৰ বহাগ মাহৰ ৰঙালী বিহুৰ লগত সাদৃশ্য আছে। ৰঙালী বিহু আৰু কৰম পৰৱ অসমীয়া আৰু চাহ জনজাতি সমাজৰ অতি চেনেহৰ হাড়ে হিমজুৱে লগা উৎসৱ। ইয়াৰ যথাৰ্থত এফাঁকি ঝুমইৰ গীত পোৱা যায়-

"আসাম দেশেৰ বৈশাখ বিহু পুজাৰ সমানহে
মুষ্টিৰ কথা আছে গাঁথা দুনুতে সমান হে।।"

তাহানিৰ পৰা বৰ্ত্তমানলৈকে চাহ বাগিছাবোৰৰ চাহাব, বাবু, চৰ্দাৰ সকলৰ অত্যাচাৰ উৎপীড়ণ মজদুৰ সকলে বাৰুকৈয়ে ভোগ কৰি আহিছে। ইয়াৰ সফল প্ৰতিচ্ছবি এফাঁকি ঝুমইৰ গীতত সুন্দৰ ভাৱে ফুটি উঠিছে

"চৰ্দাৰ বলে কাম কাম
বাবু বলে ধৰে আন
চাহাব বলে লিব পিঠেৰ চাম
হায়ৰে নিষ্ঠুৰ শ্যাম
ফাঁকি দিয়ে আনিলি আসাম।

ভগবান শ্ৰীকৃষ্ণৰ শ্যামৰ কথা উল্লেখ থকা বহুতো

ঝুমইৰ গীত আছে। যেনে-

"কিনা নগৰে কৃষ্ণ নৰ অৱতাৰ ভেলই হায়ৰে
কন নগৰে বড় ভেলই যমুনাতীৰে
বৰশীয়া বজাই ধীৰে ধীৰে।"

---

"গাছেৰ মধ্যে তুলসী
পাতেৰ মধ্যে পান
তিনি মধ্যে ৰাধিকা
পুৰুষ ভগবান হে।"

চাহ-জনজাতি ডেকা গাভৰু সকলৰ প্ৰেম প্ৰণয় মৰম-ভাল পোৱাৰ ছবিও ঝুমইৰ গীতে বহন কৰিছে-

"জাল বিনা কেওঁটা
মাছেৰ বিনা মাঝিয়া ;
মাঁঝ দহে জালা বিগল দুই তা জালা বিগাল
তিনিজালে বাঝি গেলা
আল গা মাচুৰীয়া॥"

(ইয়াক জালোৱাক প্ৰেমিকৰ লগত আৰু মাছক প্ৰেমিকাৰ লগত তুলনা কৰা হৈছে।)

সেইদৰে প্ৰেমিকাৰ অবিহনে প্ৰেমিকে শোক আৰু দুখত চকুলো টুকিছে আন এটি গীতত-

প্ৰিয়া প্ৰিয়া ভাৱে জীয়া তড়পত মৰহিয়া।
প্ৰিয়া বিনু কৈসে ৰাখিব কুলকে জাতিয়া
মিৰ নিন্দ নাহি পড়ল আখিয়া॥
আধা পহৰী ৰাতি তড়নি উঠল ছাতি
বহুত নয়নালৱ জিত জাতিয়া
ঘৰ নিন্দ নাহি পড়ল আখিয়া॥"

বৰ্ত্তমান যুগৰ সাংস্কৃতিক প্ৰৱাহ নিয়ন্ত্ৰণ কৰে অৰ্থনীতিয়ে। কিন্তু চাহ জনজাতি সকলৰ সাধাৰণ সাংস্কৃতিক জীৱন অৰ্থনৈতিক সংকটে বাৰুকৈয়ে জুৰলা কৰিছে।

সহজ-সৰল নিৰহংকাৰী আৰু কষ্ট সহিষ্ণু চাহ-জনজাতিয়ে তেজক পানী আৰু হাড়ক মাটি কৰি জীবিকাৰ নিৰ্বাহ কৰে। এই মেহনতী সমাজৰ তথ্যবহুল ঝুমইৰ গীত পোৱা যায়

বদ পানী নাহি জানি
কৰি আছি কাম জাৰি
তবু নাহি গুচে পেটেৰ জ্বালা
আসাম দেশেৰ চাহেৰ গাছে
হেৰাইলি জীৱন হায়ৰে মৰা আসাম দেশ॥"

যুগ যুগ ধৰি চাহ-জনজাতি সকলে নিজৰ পূৰ্ব পুৰুষৰ কথা বংশধৰ সকলৰ কথা সম্পূৰ্ণ পাহৰি নিজৰ মাতৃভূমি বুলি অসমকে জন্মভূমি কৰ্মভূমি হিচাপে গ্ৰহণ কৰি অসমৰ আৰ্থ সামাজিক জীৱনৰ অংগ হৈ পৰিছে তথা সামাজিক সংস্কৃতি জীৱনৰ সঙ্গী হিচাপে নিৰবচ্ছিন্ন সমন্বয়ৰ সাঁকো ৰচিছে। ইয়াৰ প্ৰতিচ্ছবি এফাঁকি ঝুমইৰ গীতত স্পষ্টভাৱে পৰিস্ফুট হৈছে-

হামাৰ লাগি আসাম ৰাগি নানা জাতি উপজাতিৰে
সবাই মিলে গড়িব সোনাৰ আসাম
আসাম হামাৰ প্ৰাণৰ প্ৰাণ॥"

এইবোৰৰ উপৰিও ঝুমইৰ গীতে ৰামায়ণ মহাভাৰতৰ একো একোটি সুন্দৰ প্ৰতিচ্ছবি দাঙি ধৰে। মাঘ বিহুৰ লগতে চাহ-জনজাতি সকলে পালন কৰা আন এটি প্ৰধান উৎসৱ হ'ল পুষ পৰৱ বা টুচু পৰৱ। ই এটি মহিলা প্ৰধান উৎসৱ। পুহ মাঘ মাহৰ সংক্ৰান্তিৰ দিনাখন এই উৎসৱ মহা আড়ম্বৰে উদযাপন কৰা হয়। এগৰাকী সতী সাধবী নাৰী টুচু দেৱীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ চলিবলৈ এই উৎসৱ পালন কৰে। টুচু পৰৱত গোৱা গীতবোৰ অনুপ্ৰাণিত হৈ চলিবলৈ এই উৎসৱ পালন কৰে। টুচু পৰৱত গোৱা গীতবোৰে অৰ্থপূৰ্ণ আৰু ৰসাল। আৰম্ভণিতে দেৱীক বন্দনা

কৰি গোৱা হয়-

"সন্ধ্যা দিলাম শলিতা দিলাম
স্বৰ্গে দিলাম বাতি গ'
সব ঠাকুৰে লওনা পূজা
লক্ষ্মী সৰস্বতী 'গ'।

চাহ-জনজাতি লোকসকলৰ জীৱন নানা ধৰণৰ আলৈ আহুকাল দুখ দৈন্যৰে জৰ্জৰিত।

মানুহৰ জীৱনত ঘটা এনে ঘটনাবোৰে টুচু গীতত স্পষ্ট আৰু সুন্দৰভাৱে প্ৰকাশ পাইছে। কাপোৰৰ অভাৱত গছৰ বাকলি পিন্ধা প্ৰতিফলিত হৈছে। তেলৰ অভাৱত চুলিত জটা বন্ধা 'ৰাম'ৰ দুৰ্দশা গ্ৰস্ত জীৱনৰ কথা প্ৰতিফলিত হৈছে তলৰ এই গীতটিত-

"অ' ৰামেৰ মা অ' ৰামেৰ মা
ৰামেৰ বড় দুৰ্দশা
বস্ত্ৰ বিনু গাছেৰ বাকল
তেল বিন্দু মাথায় জটা।।"

চাহ-জনজাতি ডেকা গাভৰুৰ প্ৰেমিক মনৰ সুন্দৰ ছবিও টুচুগীতত ধৰা পৰে। চাহ জনজাতিৰ উৎসৱ বুলিলে আন এটা উল্লেখযোগ্য উৎসৱৰ কথা সৰ্ততে মনলৈ আহে সেইটো হৈছে সহৰাই পৰব বা দেৱালী পৰব। কাতি বিহুৰ সময়ত এই পৰব পালন কৰা হয়। অৱশ্যে বহাগ বিহুৰ "গৰু বিহুৰ" লগতে ইয়াৰ সম্পৰ্ক ওচৰা-ওচৰি ডেকা-বুঢ়া সকলোৱে মেলি সহৰাই গীতগায় আৰু নাচে। সহৰাই গীতবোৰ শ্ৰুতি মধুৰ।

"আইৰে
জগমা লছমী, জগমা ভাগৱতী
জাগকে অমাবস্যা ৰাতৰে
জাগকে প্ৰতিফলন দেৱেমা লছমীগ'
পাচপুত্ৰ দেশ, ধনু গাইৰে।।"

বিয়া-বাৰুৰ ক্ষেত্ৰত আন সমাজে যেনেকৈ জাত-কুল বিচাৰ কৰি আহিছে চাহ-জনজাতিসকলৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁলোকৰ নিজৰ জাতিৰ বাহিৰে আন জাতিৰ লগত বিয়াবাৰু হোৱাৰ নিয়ম নাই। বিয়া-বাৰুৰ দিনা নিৰিখ হোৱাৰ আগতেই "কন্যাদেখা" আৰু "বৰদেখা" পৰ্ব সমাপন হ'ব লাগে। বিয়াৰ আৰম্ভণি পৰ্ব হ'ল "লগ্ন"। লগ্ন নিৰ্দ্ধাৰিত কৰামতে বিয়া-বাৰু অনুষ্ঠিত হয়। বিয়াত যথেষ্ট স্ফুৰ্তি আৰু ৰং-ধেমালি কৰা হয়। বিয়াত গোৱা গীতবোৰক সাদী গীত বোলে। প্ৰায়ভাগে সাদীগীতেই হাস্য আৰু করুণৰস মিশ্ৰিত, অথচ হৃদয়স্পৰ্শী।

দমকচ গীত আৰু ঝুমইৰ গীতৰ সম্পৰ্ক ওচৰা-ওচৰি বুলি ক'ব পাৰি। ইয়াত ডেকা-গাভৰুহঁতে হাতে হাতে ধৰা-ধৰি কৈ নাচে। প্ৰকৃততে এই গীতবোৰ ওৰাং মুণ্ডাসকলৰ মাজতহে প্ৰচলিত যদিও বৰ্ত্তমান চাহ-জনজাতিৰ প্ৰায় সকলোবোৰ জাতি-উপজাতিয়েই ইয়াক আদৰ কৰে।

মেহনতী চাহ জনজাতি সকলৰ জীৱনৰ তথ্যবহুল সফল ছবি দমকচ গীততো প্ৰতিফলিত হয়। যেনে-

আইগেলি আসাম দেশে
বিদেশীকেৰ মিঠা মাৰে
কাহেৰে বিদেশী ৰাজা
জইত দেলে নাতা হায়ৰে।"

বুজন সংখ্যক চাহ-জনজাতিৰ মাত্ৰ আঙুলিৰ মূৰত লেখিব পৰা লোকহে শিক্ষা-দীক্ষাত আগ বঢ়া। সেয়েহে এই শিক্ষিত চামে সমূহ চাহ-জনজাতি লোকসকলক শিক্ষা দীক্ষাত আগবাঢ়িবলৈ আহ্বান জনাইছে। দমকচ গীতৰ সুৰত এইদৰে-

"আগে বঢ়ো আগে বাঢ়ো
হামবি মজদুৰ মন
ছৰা পোতা স্কুল দেৱা

বনতই ইনসান।।”

চন-জনজাতিসকলৰ মাজত নিচুকনি গীতৰ প্ৰচলন নোহোৱা নহয়। ল'ৰা-ছোৱালীক ওমলাবৰ সময়ত বা শুৱাবৰ সময়ত এই গীতবোৰ গোৱা হয়। এই গীতবোৰ যুগে যুগে মুখে-মুখে বাগৰি আহিছে। তেওঁলোকে এই গীতবোৰক “ছানাখেলা গীত” বোলে।

“নাই আচবিৰে কাড়িয়া শিয়াল
পিণ্ডাৰ দিকে থাক
বাবুৰ মাই জলকে গৈছে
বাবুৰ কাণ কাট।।
আসবেই ছৱা চ পাতা
মাছ ধৰতে যাব,
মাছেৰ কাঁটা পাৰে লাগল
ডলাই চালে যাব।
কাঁহা যাবেৰে ভাই
হীষা বাৰী যাব
হীষা শাক তুলে আনি
ৰং দিয়ে খাব।।”

তাৰো পৰি চাহ-জনজাতি সকলে ফাগুণ মাহত ফাকুৱাৰ লগতে লাঠী নাচ বা কঠীসাচ নাচে। সেইদৰে শাৰদীয় পূজাৰ সময়ত উজনি অসমৰ চাহ জন-জাতিসকলে আধ্যাত্মিক ভাবাপন্ন আৰু হৃদয়স্পৰ্শী ঘেৰাগীত গায়।

বহুতো পূজা-পাতল চাহ-জনজাতিসকলে শাস্ত্ৰ বা বেদৰ নিয়ম মতে পালন কৰে। যেনে- দুৰ্গা পূজা, কালি পূজা, লক্ষ্মী পূজা, সৰস্বতী পূজা ইত্যাদি বংশানুক্ৰমিক পালন কৰি আহিছে। তাৰ ভিতৰত লেখত লবলগীয়া পূজা হ'ল মনসা পূজা। সাপে যাতে কোনো ধৰণৰ অনিষ্ট আৰু অমঙ্গল নকৰে তাৰ বাবে এই পূজা পতা হয়। এই পূজাত পোৱা মনসা গীতবোৰ করুণ অথচ মৰ্মস্পৰ্শী। গ্ৰাম পূজা কৰা হয় যাতে গাওঁখনত কোনো ধৰণৰ দুৰাৰোগ্য ব্যাধি বা অনাবৃষ্টি আদি নহয়। ইয়াৰ বাবেও দণ্ড পূজা, পৃথিৱীৰ পূজা, গছ পূজা, সূৰ্য্য পূজা, হনুমান পূজা, গঙ্গা পূজা, বোচাল পূজা আদি অনেক আকাৰৰ পূজা ??? প্ৰচলন হৈ আছে। চাহজনজাতিসকলৰ জন্মৰ পৰা মৃত্যুলৈ বিভিন্ন ৰীতি-নীতি পালন কৰা দেখা যায়। এতিয়া সংস্কৃতিৰ বিকাশ হোৱা নাই·কিয় ? উপযুক্ত ভাৱে সংৰক্ষণ আৰু প্ৰচাৰ হোৱা নাই কিয় ? চাহ জনজাতি সমাজত প্ৰচলিত অজস্ৰ মৌখিক গীত আমাৰ অমূল্য সম্পদ। সময় থাকোঁতেই সেইবোৰ সংগ্ৰহ একত্ৰিত কৰি ৰাখিব নোৱাৰিলে কালৰ কুটিল কেঁকুৰিত সেইবোৰ হেৰাই যোৱাৰ সম্ভাৱনা অধিক। উঠি অহা যুৱক-যুৱতী সকলে এই ক্ষেত্ৰত বিশেষ মনোনিৱেশ কৰা উচিত। ■

ঈশ্বৰৰ নাম অলেখ আছে, কিন্তু তাৰ ভিতৰত অন্বেষণ কৰিলে এটা নাম পোৱা যায়। সেইটো হৈছে সত্য, গতিকে সত্যই ঈশ্বৰ।

**-মহাত্মা**

# মানবীয়তাৰ প্ৰকৃত মূল্যায়নেই সমন্বয়ৰ সৌৰভ

মঃ- জহৰুল ইছলাম
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ভাৰতবৰ্ষত অতীজৰে পৰাই এখন সুসংহত ঐক্যমঞ্চ আছিল। জাতি-বৰ্ণ, ধৰ্ম নিৰ্বিশেষে এটা সুগঠিত ভাৰতীয় জাতি হিচাপে এটা শক্তিশালী জনশক্তি গঢ়ি তোলাৰ ফলশ্ৰুতিতেই আজি আমি নিজকে এখন স্বাধীন ৰাষ্ট্ৰৰ নাগৰিক হিচাপে পৰিচয় দিব পাৰিছো। ধৰ্মীয় গোড়ামী, উগ্ৰ-জাতীয়তাবাদী ভাৱধাৰা, সাম্প্ৰদায়িকতা আদি বিভাজনবাদী উপসৰ্গবোৰৰ বিৰোধী এই ঐক্যমঞ্চৰ পৰাই এক প্ৰগতিশীল ভাৰতবৰ্ষ স্থাপনৰ সপোন বুকুত বান্ধি ইয়াৰ বুনিয়াদ ৰচনা কৰাত আত্মনিয়োগ কৰিছিল সুদীৰ্ঘ স্বাধীনতা সংগ্ৰামৰ সময় ছোৱাত। সেই সময়ত জাতীয় সংকল্প হিচাপে গণ্য কৰা হৈছিল এটা ধৰ্ম নিৰপেক্ষ অখণ্ড জাতি গঠনৰ প্ৰক্ৰিয়া। সেই কালতো বিভিন্ন অন্তৰায় এই লক্ষ্যৰ পথত আছিল যদিও গৰিষ্ঠ সংখ্যক জন সাধাৰণৰ দৃঢ় মনোবলকে সমল কৰি সমন্বয়ৰ জখলাত বগোৱাৰ প্ৰয়াস ভাৰতে লাভ কৰিব পাৰিছিল।

কিন্তু আজি স্বাধীনতাৰ দুকুৰি সাত বছৰীয়া সন্ধিক্ষণতো সাম্প্ৰদায়িকতাকে আদি কৰি বিভিন্ন বিভাজন মূলক প্ৰক্ৰিয়াই ভাৰতবৰ্ষৰ আকাশ বতাহ কিদৰে বিষাক্ত কৰি পেলাইছে, এয়া দেশ বিভাজনৰ পৰৱৰ্ত্তী পৰিস্থিতিৰে পুনৰা বৃত্তি বুলি এটা আশংকা মনলৈ নহাকৈ থকা নাই।

এই বিভাজনমুখী ক্ৰিয়া-কলাপৰ প্ৰভাৱে কেৱল সাম্প্ৰতিক কালৰ ভাৰতবৰ্ষহে বিনষ্ট কৰিছে এনে নহয়। ই ভাৰতবৰ্ষৰ ভবিষ্যতকো এক 'কুহেলিকাৰ গৰ্ভলৈ ঠেলি দিছে। স্বাধীনতাৰ পৰৱৰ্ত্তী কালত বৃটিছ শাসন ব্যৱস্থাই ৰোপন কৰা অন্তৰ্কলহৰ বিষবৃক্ষৰ ফলেই যেন আজিৰ ভাৰতবৰ্ষৰ জনজীৱন বিপন্ন কৰি পেলাইছে।

বিভিন্ন ভাষা, সংস্কৃতি, ধৰ্মাৱলম্বী মানুহৰ সমন্বয়থলী ভাৰতত আজি গা টঙাইছে সংকীৰ্ণ গোষ্ঠী গত আৰু সংস্কৃতিগত বিভেদ। সকলোৰে যেন লক্ষ্য হৈছে কেৱল নিজৰ অস্তিত্ব ৰক্ষা কৰা, আৰু তাৰ বাবেই এনে শক্তিসমুহে আশ্ৰয় লৈছে বিভিন্ন বিভাজনমুখী কাৰ্য্য-কলাপৰ কোলাত। এটা জাতি আন এটা জাতিৰ ওচৰত নিজৰ অস্তিত্ব লীন হোৱাৰ ভ্ৰান্ত ধাৰণাৰে শংকিত হৈ তথাকথিত "অস্তিত্ব ৰক্ষাৰ আন্দোলন আৰম্ভ কৰিছে। এই আন্দোলন তথা আন্দোলন কাৰী সকলৰ অধিকাংশই আকৌ সভাতাৰ পৰিধি ভেদি অৱলম্বন কৰিছে উগ্ৰপন্থা আৰু এই পন্থাৰেই

বলি হৈছে দেশৰ বিভিন্ন প্ৰান্তৰ অগন নিৰীহ জনগণ। বড়ো, গোৰ্খা ঝাৰখণ্ডী আদি আন্দোলনকাৰীসকলৰ লগতে আলফা, ছালফা, এম. এছ. এফ, এন. এছ. ছি. এন., জে. কে. এল. এফ., ইত্যাদি উগ্ৰপন্থী সংগঠনসমূহ ইয়াৰেই জ্বলন্ত দৃষ্টান্ত।

এনে ঘটনা পৰিঘটনাবোৰৰ কাৰণসমূহ ভালদৰে ফহিয়াই চালে দেখা যায় যে আমাৰ দেশৰ সংখ্যালঘু সকলৰ মনত এক ভীতিপ্ৰৱণতাই ক্ৰিয়া কৰিছে। অৱশ্যে ইয়াৰ কাৰণো আছে। স্বাধীনতাৰ আগৰে পৰাই তথাকথিত উচ্চ সম্প্ৰদায়সমূহৰ লোকসকলৰ দ্বাৰা এওঁলোক আৰ্থিক তথা সামাজিক ভাৱে নানাদিশত শোষিত আৰু বঞ্চিত হৈ অহাৰ অনেক উদাহৰণ আছে। বৰ্ত্তমানৰ ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক শাসন ব্যৱস্থাৰে পৰিচালিত ৰাষ্ট্ৰ। কিন্তু আজিও অগণতান্ত্ৰিক ব্যৱস্থাৰেই বলি হোৱা সংখ্যালঘু সম্প্ৰদায় সমূহে দেশৰ মূল সূতিৰ পৰা ফালৰি কাটি যাব বিচাৰিছে। ফলত ইয়াৰ পৰাই উদ্ভৱ হৈছে ভাৰতবৰ্ষত অখণ্ডতাৰ ধ্বংসযজ্ঞ। ইয়াত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে অৰিহন যোগাই আহিছে স্বজন নীতিৰ ধ্বজাবাহী কিছুমান ক্ষমতা লোভী ৰাজনীতিবিদ তথা বুদ্ধিজীৱি শ্ৰেণীৰ লোকে। এনেকুৱা লোকসকলৰ উচটনিতে এক শ্ৰেণীৰ লোকে সংগ্ৰাম কৰাৰ নামত পাঞ্জাৱ, কাশ্মীৰ, অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ জনসাধাৰণৰ স্বাভাৱিক জীৱন প্ৰবাহত সন্ত্ৰাস বাদৰ বিষবাস্প বিয়পাই দিছে।

একালৰ বৈচিত্ৰ্যৰ মাজত ঐক্য সংহতিৰ প্ৰতীক ভাৰতবৰ্ষত সম্প্ৰীতিত যিদৰে ভাঙোনৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে, সেই একেদৰেই প্ৰতিদিনে সাম্প্ৰদায়িক বা গোষ্ঠীগত সংঘৰ্ষৰ ফলত তেজেৰে ৰাঙলী হ'ব ধৰিছে ব্ৰহ্মপুত্ৰ, সিন্ধু, গংগা, গোদাবৰী আদি। মানবীয়তা গুণ নাইকিয়া হৈ পৰা মানৱ জীৱন নিম্ন স্তৰলৈ নামি গৈছে আদিম বৰ্বৰৰ ৰক্তপিপাষু মনৰ প্ৰতিচ্ছবি হৈ।

তাহানিৰ ভাৰতবৰ্ষৰ নিঘুনী শৰীৰত দূৰাৰোগ্য ব্যাধিৰ বীজাণুৰ নিচিনাকৈয়ে সাম্প্ৰতিক কালত বিয়পি পৰিছে বিভাজনমূলক কাৰ্য্যকলাপৰ মানসিকতা। এনে এবিধ বীজাণুৰ সংক্ৰমণৰ ফলশ্ৰুতি স্বৰূপেই কেতিয়াবা ভাষা, জাতি, ধৰ্ম, সংস্কৃতি আদিক লৈ ভাৰতবৰ্ষৰ বিভিন্ন জন গোষ্ঠীৰ লোকসকলৰ মাজত অসূয়া অপ্ৰীতি উদ্ভৱ হৈছে আৰু সময়ত গোজেই গোজালি মেলিছে ৰক্তাক্ত সংঘৰ্ষৰ ৰূপেৰে। ভ্ৰাতৃত্ব ভাৱৰ মহান আদৰ্শ সমাধিত শুই পৰিছে। নিতৌ নতুন নতুন বেশেৰে মানৱতাৰ চিতা জ্বলিছে। এই চিতাৰ লেলিহান শিখাই গ্ৰাস কৰিছে শান্তি মৈত্ৰীৰ মহান তথা গৌৰৱময় বুৰঞ্জী বিলুপ্তি ঘটিছে মহান শিক্ষা, যি শিক্ষাই বৈচিত্ৰ্যময় ভাৰতবৰ্ষত ঐক্যৰ বীজ সিঁচি এক নতুন প্ৰজন্মৰ অংকুৰণ ঘটাইছিল।

ভাৰতবৰ্ষই সদায়েই ধৰ্মান্ধতাৰ বিৰুদ্ধাচৰণ কৰি আহিছে। ধৰ্মান্ধতাৰ পথত ধৰ্ম পথত ধৰ্ম নিৰপেক্ষতাৰ শক্তিশালী প্ৰাচীৰ গঢ়ি তুলিছিল ভাৰতীয়সকলেই। কিন্তু কুৰি শতিকাৰ তথাকথিত "প্ৰগতিশীল" ভাৰতৰে ধৰ্মনিৰ পেক্ষতাৰ বেদীত কলংকৰ কালিমা সানি দিয়া হৈছে সাম্প্ৰতিক সময় ছোৱাত। আজি সমগ্ৰ ভাৰত জুৰি প্ৰবাহিত হোৱা ধৰ্মান্ধতাৰ ধুমুহাজাকে কেৱল ভাৰতৰ সামগ্ৰিক ভাৱ মূৰ্ত্তিৰ কাৰেংটোকেই ছাৰখাৰ কৰি দিয়া নাই, ই সমগ্ৰ বিশ্বৰ সভ্যতাৰ বুৰঞ্জীত এটা কলংকিত অধ্যায়ৰ সূচনা কৰিছে। এই কলংকৰ চেকা মচি পেলাবলৈ সংকীৰ্ণতাৰ পুলি পোখা উঘালি পেলাই ভ্ৰাতৃত্ব ভাৱৰ এনাজৰী এডাল সৃষ্টি কৰি লব লাগিব, নহ'লে ইয়াৰ কোনো বিকল্প পথ বিচাৰি পোৱা নাযাব।

ভাৰতীয় জনসাধাৰণৰ চিৰ আকাংক্ষিত সপোন শান্তি আৰু এওঁলোকৰ সৰ্বাঙ্গীন কল্যাণৰ হকে এই ভ্ৰাতৃত্ববোধ

এক অপৰিহাৰ্য্য অংগ। এই ভ্ৰাতৃত্ববোধেই আমাৰ সমাজৰ পৰা আঁতৰাই পঠাব বিভাজনবাদী নীতিসমুহ। এনেকুৱা এটা পৰিবেশৰ সৃষ্টি কৰিবলৈ হলে প্ৰথমে আগবাঢ়ি আহিব লাগিব সমাজৰ মূল চালিকা শক্তি-যুৱ শক্তি। কিন্তু তাৰ আগতে সকলোৱে নিজকে ভালদৰে পৰ্য্যালোচনা কৰি নিজৰ ভিতৰতে একোটা মানৱীয় অনুভূতি জগাই তুলিব পাৰিব লাগিব। ■

"আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছোঁ, কিন্তু পৃথিবীত ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।"

**মাৰ্টিন লুথাৰ**

"বাতৰি কাকত পঢ়ি এনেহে ধাৰণা হয় যে সাংবাদিকসকলে চাইকেল দুৰ্ঘটনা আৰু সভ্যতাৰ পতনৰ মাজত পাৰ্থক্যকে বুজি নাপায়।"

**-জৰ্জ বাৰ্ণৰ্ড শ্ব**

"আমেৰিকাত সাংবাদিকতাক গণ্য কৰা হয় ইতিহাসৰ এটা সম্প্ৰসাৰিত ৰূপ বুলি ; ব্ৰিটেইনত সাংবাদিকতা হ'ল কথোপকথনৰ এটা সম্প্ৰসাৰিত ৰূপ।"

**-এন্থনি ছেম্পছন**

# ড্ৰাগছ এটা অশালীন শব্দ নহয়

শ্ৰী নীকিটা চহৰীয়া
স্নাতক ২য় বৰ্ষ (কলা)

আপোনাৰ ল'ৰাটো দিনক দিনে ডাঙৰ দীঘল হৈ আহিছে। ছোৱালীজনীও লহলহকৈ বাঢ়ি আহিছে। সৌ সিদিনাখন বিয়া হৈছিল হে আপোনাৰ। লৰা ছোৱালীহাল যে ইমান ডাঙৰ হলহি ভাবিলেই আচৰিত লাগে। কিমান যে সিহঁতৰ পৰিবৰ্তন হ'ল! আপোনাৰ তাহানিৰ দিনবোৰৰ লগতে তুলনা কৰি চাওকচোন। পৰিবৰ্তন আপোনাৰো হৈছিল ; কিন্তু আজিকালিৰ ল'ৰা ছোৱালীবোৰৰ পৰিবৰ্তনটো আগৰ তুলনাত বেলেগ নহয়নে বাৰু ? আজিকালিৰ ল'ৰা ছোৱালীবোৰ বেছি আগবঢ়া বেছি স্বাধীনমনা বেছি স্মাৰ্ট। সিহঁতে বহু কথা জানে, যিবোৰ কথা আপুনি ইহঁতৰ সমান বয়সততো বাদেই, এতিয়াও নাজানে কিজানি!

জানিবইনো বাৰু কেনেকৈ? আজিকালিৰ শিক্ষা আৰু তাহানিৰ শিক্ষাৰ মাজত কিমান পাৰ্থক্য আছে। আজিকালিৰ শিক্ষা বহু আগবঢ়া। বিজ্ঞানৰ কথাতো বাদেই, কলাৰ বিষয়বোৰো বিজ্ঞানসম্মত প্ৰনালীৰেহে পঢ়োৱা হয়। আৰু সমাজৰ পৰিবৰ্তনৰ কথা ভাবিবই নোৱাৰি সাজ-পাৰৰ পৰা আৰম্ভ কৰি আচাৰ ব্যৱহাৰলৈকে বিভিন্ন পৰিবৰ্তনে দেখা দিছে। ঠিক তেনেদৰে আপোনাৰো ল'ৰা বা ছোৱালী জনীৰো পৰিবৰ্তন হ'ব পাৰে কিন্তু সেইবোৰৰ ভিতৰত কিছুমান মাক দেউতাকৰ দৃষ্টিগোচৰ হয় আৰু কিছুমান দৃষ্টিগোচৰ নহয়।

ধৰি লওক আপোনাৰ ল'ৰা বা ছোৱালীজনীৰ কিছুদিনৰ পৰা আগৰ নিচিনাকৈ পঢ়া-শুনা, খেলা-ধূলাৰ প্ৰতি ধাউতিটো কমি আহিছে। কিছুমান কথাত বা কামত নিজৰ ধাউতি কমি যোৱাটো একো ডাঙৰ কথা নহয়। কিন্তু তাৰ যদি ভোক কমি যায় বা ওজনো কমে তেতিয়া অৱশ্যে আপোনাৰ অলপ চিন্তা হ'বই। বিভিন্ন ধৰণৰ টনিক খোৱালেও একো ফল নধৰে। শাৰীৰিক অস্থিৰতা, খোজ কাটলত থৰক বৰক অৱস্থা বা হাত ভৰিৰ কঁপনি দেখা পায় তেতিয়া নিশ্চয় আপুনিও এটা আশংকাত কঁপি উঠিবই। কি হৈছে দিনক দিনে ল'ৰাটোৰ ? চকু দুটাও দেখো আজিকালি ৰঙা পৰি থাকে আৰু ফুলি থকাৰ নিচিনাও দেখি। এই পৰিবৰ্তনবোৰ কিবা ৰোগৰ কাৰণে হৈছে নেকি? এইবোৰ বেয়া ৰোগ। বেয়া সংগ আৰু বেয়া অভ্যাসৰ কাৰণেও হ'ব পাৰে। এই পৰিবৰ্তনে সিহঁতৰ অধঃপতন আনিব পাৰে। ল'ৰা টোৰ বাৰু ড্ৰাগছ খোৱা আৰম্ভ হৈছে নেকি ? খেলা-ধূলা দিনচৰ্চাত মন নবহা, শাৰীৰিক অস্থিৰঅই দেখা দিয়া, হাতভৰি কপা, চকু ৰঙা হৈ উখহি থকা, ভালকৈ নেদেখা হোৱা, কথা কওতে ফোপাবলৈ ধৰা এইবোৰতো ড্ৰাগছৰ দাস হৈপৰা মানুহৰেই লক্ষণ।

লক্ষ্য কৰিলে তাৰ শৰীৰত বেজীৰ, অৰ্থাৎ ইনজেক্‌শ্যনৰ খোঁচৰ দাগ, আৰু কাপোৰতো বেজীৰ খোঁচত ওলোৱা তেজৰ দাগ দেখা পাবও পাৰে। ঘৰত বিচাৰিলে হয়তো ইনজেক্‌শ্যন লোৱা বেজী, ছিৰিঞ্জ বা অপৰিচিত ধৰণৰ পেকেটো ওলাব পাৰে।

ড্ৰাগছ খোৱা মানুহৰ আৰু কিছুমান লক্ষণ দেখা যায়। ওকালি অহা, বমি, শৰীৰত অসহ্য বিষ, জলকা লাগি থকা, সকলো কামতে এলাহ ভাব, শৰীৰ বৰকৈ ঘমা, নমৰ পৰিবৰ্তন হোৱা, খিংখিঙিয়া হোৱা, জীৱনৰ প্ৰতি উদাসীন হৈ পৰা। (ইয়াৰ উপৰিও ঘৰ খনৰ ইটো সিটো মূল্যবান বস্তু বা টকা-পইচা আদি বিচাৰি পাবলৈ নোহোৱা হয়। অকল লৰাই নহয়, ছোৱালী বা ঘৰৰ অন্য পৰিয়ালো ড্ৰাগছৰ নাগপাশত সোমাই পৰিব পাৰে।

ড্ৰাগছ হ'ল মূলতঃ ঔষধ। শৰীৰটো সুস্থ আৰু সবল কৰাত বিশেষ ভূমিকা লোৱা এইবোৰ ঔষধৰ প্ৰয়োগে দেহমনত এটা ৰাগী লগায়। সেয়ে এইবোৰক মাদক ঔষধ বুলি কোৱা হয়। এইবোৰক ঔষধি গুণটোতকৈ ৰাগীটোৰ প্ৰতিহে আকৃষ্ট হোৱাসকলে এই ঔষধবোৰক অপপ্ৰয়োগ কৰে। শৰীৰ আৰু মন অকৰ্মণ্য কৰি তুলিব পৰাকৈ এনে ঔষধবোৰ বেছি মাত্ৰাত সেৱন কৰাকেই ড্ৰাগছৰ অপপ্ৰয়োগ বোলা হয়। এনেকৈ অপপ্ৰয়োগ হোৱা মাদক ঔষধৰ কেইবাটাও শ্ৰেণী আছে। ডাক্তৰী ভাষাত এইবোৰক বোলা হয় ষ্টিমুলেণ্ট, ডিপ্ৰেছেণ্ট, নাৰক'টিক, এনেলজেছিক, কেনেবিছ আৰু হেলুছিনজেন। এই বিভিন্ন শ্ৰেণীত পৰা ঔষধবোৰৰ ভিতৰত আছে বেনেজেড্ৰাইন, ডেক্সেড্ৰাইন আৰু মেথেড্ৰাইনৰ দৰে ঔষধবোৰ, ককেইন, নিকটিন, এলকহল, ছেফ'নেল, নেমবুটাম, গাৰ্ডনেল, ভেলিয়াম, লিব্ৰিয়াম, মেমড্ৰেক্স, ডৰিডেন, অলিয়াম, মৰফিন, কডেইন, হেৰ'ইন, ব্ৰাউন ছুগাৰ, মেথাডন, পেথিডাইম, মেপ্ৰাচাইন, ভাং, গাঞ্জা, (চৰছ, এল. ডি, পি. ছি. পি.) মেকেলাইন ছিল'ছাইবিন আদি।

ড্ৰাগছ নহ'লে থাকিব নোৱাৰাসকলৰ বেছিভাগৰে দেখা যায় যে এওঁলোকে আৰম্ভনিতে নিজৰ বন্ধু-বান্ধৱৰ তাগিদাতেই জুতিটো লৈ চোৱাৰ বাবেই ড্ৰাগছ সেৱন কৰে। "সদায় নাখাওঁ নহয়, এবাৰহে খাই চাওঁ" বুলিও বহুতে মনৰ ঔৎসুক্য দূৰ কৰিবলৈ ড্ৰাগছ খোৱা আৰম্ভ কৰে। কিন্তু এবাৰ জুতিটো পোৱাৰ পিছত "আৰু মাত্ৰ এবাৰ" বা "এয়ে শেষ বাৰ" বুলি শেষত এৰিব নোৱাৰাকৈ অভ্যস্ত হৈ পৰে। ড্ৰাগছে সৃজনী শক্তি বঢ়ায় বোলা ভ্ৰান্ত ধাৰণাত ভোল গৈয়ো বহুতো এইবোৰ বস্তু খাই বুদ্ধিজীৱি হোৱাৰ বাবে আকাশত চাং পাতে, দৰাচলতে ড্ৰাগছে সৃজনী শক্তি বঢ়োৱাৰ পৰিবৰ্তে অনুধাৱন আৰু চিন্তন শক্তি ভোটা কৰিহে পেলায়। বহুতে ক্লান্তি, বিৰক্তি, বিষাদ বা হতাশা আদিৰ পৰা মুক্তি পাবলৈ ড্ৰাগছৰ গোলামী স্বীকাৰ কৰি লয়। আত্মীয়-স্বজনৰ মৰম আদৰৰ পৰা বঞ্চিত হৈয়ো অনেকে ড্ৰাগছক আপোন কৰি লয়।

ড্ৰাগছৰ কালগ্ৰাসৰ পৰা সমাজক ৰক্ষা কৰিবৰ বাবে চৰকাৰে ভালেমান ব্যৱস্থা লৈছে। আইন প্ৰণয়ন কৰিছে। ইয়াৰ বাবে মৃত্যুদণ্ড পৰ্যন্ত শাস্তিৰো বিধান আছে। কিন্তু পৰিয়ালে পৰিয়ালে বিয়পি পৰা এই সমস্যাটো কেৱল আইনৰ সহায়ত দূৰ কৰিব নোৱাৰি। মহাব্যাধিৰ ৰূপ ধাৰণ কৰা এই সমস্যাটোৰ সমাধান পৰিয়াল আৰু সমাজৰ স্তৰতহে সম্ভৱ। ড্ৰাগছৰ কালগ্ৰাসৰ পৰা মুক্ত হ'বলৈ হ'লে ৰোগীজনৰ ইচ্ছা-শক্তিয়েই যথেষ্ট নহয়। তেওঁৰ অৱস্থাটোতো গিৰমিটিয়া বনুৱাৰ নিচিনা। ৰোগমুক্তিৰ ইচ্ছা প্ৰবল হ'লেও তেওঁৰ নিস্তাৰ নাই। ইয়াৰ বাবে প্ৰয়োজন হয় সমাজৰ সহানুভূতি, অনুকম্পা, আদৰ, সহায় আৰু সহযোগৰ। সমাজ আৰু পৰিয়ালৰ আদৰ-অনুকম্পাই

তেওঁৰ মনোবল বঢ়ায়, এইবোৰৰ অবিহনে কেৱল চিকিৎসাই বাঞ্চিত সুফল নিদিয়ে। ৰোগীজনৰ বাবে চিকিৎসা হৈ পৰে শাস্তি স্বৰূপ।

তাতোকৈ ভাল কথা হ'ব যদিহে অভিভাৱকসকলে সন্তানৰ অধঃপতনৰ আগজাননীক যুগ পৰিবৰ্তনৰ লক্ষণ বুলি ভ্ৰান্ত ধাৰণা কৰিবলৈ নলয়। অভিভাৱকসকলে নিজৰ সন্তানৰ লগত খোলা-খুলিকৈ কথা পাতিলে আৰু সিহঁতৰ কথা ধৈৰ্যসহকাৰে শুনিলে সিহঁতেও খোলাখুলিকৈ নিজৰ মনৰ কথা, অভিজ্ঞতাৰ কথা ব্যক্ত কৰিবলৈ সংকোচ নকৰিব। সিহঁত কোন পথে গৈছে তাৰ উমান এই কথাবোৰৰ পৰাই পাই থকা যাব। অভিভাৱকসকলে নিজৰ সন্তানৰ কাৰ্যকলাপবোৰ আৰু তেওঁৰ বন্ধুমহলটোৰ লগত নিজকে পৰিচিত কৰি ৰাখিব লাগে। সন্তানৰ সমস্যাবোৰৰ সমভাগী হোৱা দৰকাৰ, সেইবোৰ দূৰ কৰাত সিহঁতক সহায় কৰিব লাগে। উপদেশতকৈ আদৰ্শ ভাল। অভিভাৱকসকলে নিজেও সুৰা আৰু মাদক ঔষধৰ পৰা দূৰত থাকিব লাগে। পাৰিবাৰিক সম্বন্ধটোত যিমান বেছি আত্মীয়তা থাকিব, ড্ৰাগছৰ বিপদো সিমান আঁতৰত থাকিব। পিছে এইখিনিতে কব পাৰিযে পাৰিবাৰিক আত্মীয়তা, বেছি হ'লে ড্ৰাগছৰ বিপদ আঁতৰত থাকে বুলি আমি ধৰি ললোৱেই যেনিবা, কিন্তু বিপদ বিপদেই হৈ থাকিব। কোন মুহূৰ্তত ছেগ বুজি ঘৰৰ ভিতৰ পাবহি কোনে জানে? আপুনিয়েই বা সন্তানটোক মৰমৰ কোলাত ড্ৰাগছৰ সম্ভাব্য আক্ৰমনৰ পৰা কিমান দিনলৈ ৰক্ষা কৰিব ? আৰু আপুনি ওতো মৰম উৎপাদন কৰা মেছিন নহয় যে সন্তানটোক কেৱল মৰমেই দি থাকিব পাৰিব। অৱশ্যে হ'বও পাৰে, আপোনাৰ ভিতৰত মৰমৰ অফুৰন্ত ভাণ্ডাৰ আছে কোনেও খাই শেষ কৰিব নোৱাৰাকৈ। কিন্তু এইটো কথাওতো আপুনি নুই কৰিব নোৱাৰে যে আপোনাৰ অতিমাত্ৰা মৰমে সন্তানটোক মমৰ দৰে জ্বলা মাত্ৰেই গলি যোৱা বিধৰ কৰি নুতুলিব। আৰু এটাকথা, বেছি মৰমে সন্তানটোক আমুৱাবওতো পাৰে। মৰমৰ সোণৰ সজাত তাক কিমান দিন বন্ধ কৰি ৰাখিব পাৰিব ? বিপদটো বিপদেই হৈ থাকিল। আপুনিও তাক মষিমূৰ কৰাৰ বাবে তাৰ মুখামুখি নহ'ল আৰু সন্তানটোকো সক্ষম কৰি নুতুলিলে। সেইকাৰণে ইটো পৰিবাৰিক আত্মীয়তাৰ বা মাক দেউতাকৰ আদৰ যত্নৰ লেখমানো অভাৱ নঘটা কেতবোৰ পৰিয়ালৰ ল'ৰা ছোৱালীয়েও ড্ৰাগছ সেৱন কৰে। আৰু এই কথা সদৰী হৈ পৰাৰ পাছত কেৱল মাক দেউতাকৰ অমনযোগিতাৰ ফলতেইহে সন্তানৰ এনে গতি হয় বুলি বুজি পোৱা চুবুৰীয়াসকলে মৰমিয়াল আৰু দায়িত্ব পৰায়ণ মাক দেউতাক হালকো সন্তানকক মৰম কৰিব নজনা অমনযোগী আৰু দায়িত্বহীন মাক দেউতাক বুলি মুকলিকৈ সমালোচনা কৰিবলৈ ভাল সুযোগ এটা পায়।

সন্তানৰ প্ৰতি মাক দেউতাকৰ মৰম আৰু যত্নৰ লগতে যদি অলপ দূৰদৰ্শিতা যোগ দিয়া হয়, তেন্তে সোণত সুৱগা চৰিব। ড্ৰাগছৰ বিৰুদ্ধে যুঁজিবলৈ ৰণনীতি ৰচনা কৰক। নিজেও বুজি লওক আৰু ল'ৰা-ছোৱালীহঁতকো বুজাই দিয়ক যে ড্ৰাগছ আমাৰ শত্ৰু। শত্ৰুক পৰাস্ত কৰিবলৈ হ'লে তাৰ স্বৰূপটো জনা দৰকাৰ। গতিকে ড্ৰাগছৰ বিষয়ে অধিক কথা জানিবলৈ চেষ্টা কৰিব লাগে। শত্ৰুৰ মায়াবী ৰূপো থাকিব পাৰে। ড্ৰাগছো ভিন্ন ৰূপও প্ৰকট হ'ব পাৰে। এই ৰূপবোৰ চিনি পাবলৈ হ'লে ঘৰখনত প্ৰৱেশ কৰা ঔষধবোৰৰ ওপৰত চোকা দৃষ্টি ৰাখক। নিজেও শিকিবুজি লওক কোনবোৰ ঔষধে আপোনাৰ পৰিয়ালত বেজ হৈ জাৰি অজানিতে সাপ হৈ খুটিব পাৰে।

ড্ৰাগছৰ বিৰুদ্ধে অভিভাৱকসকলে অকলে যুঁজিব নোৱাৰিবও পাৰে। শত্ৰুৱে নিজৰ এজেণ্ট এজন আপোনাৰ

পৰিয়ালতেই যাতে সুমুৱাই দিব নোৱাৰে সেইটো নিশ্চিত কৰিবলৈ বুজাই বঢ়াই ল'ৰা ছোৱালীহঁতক নিজৰ ফলীয়া কৰি ৰাখক। বুজাই বঢ়াই লবৰ বাবে সিহঁতৰ মনত ড্ৰাগছ শত্ৰুৰ বিৰুদ্ধে শত্ৰুতাৰ ভাব জগাই তুলিব লাগে। ড্ৰাগছ সম্পৰ্কত খোলা খুলিকৈ সন্তানৰ লগত আলোচনা কৰাটো বেছি ভাল হয়। সংকোচ কিয় কৰিব লাগে ? ড্ৰাগছ শব্দটো সন্তানৰ লগত আলোচনা কৰিব নোৱৰা এটা অশালীন শব্দ বা বিষয় মুঠেই নহয়।

---

"কোনো জনজাতিৰ বিষয়ে জানিবলৈ হ'লে সেই জনজাতিৰ ধৰ্ম, ভাষা, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান আৰু অধ্যয়ন থাকিব লাগিব আৰু সেইবোৰৰ বিষয়ে জানিবলৈ হ'লে সেই জনজাতিৰ হিয়াৰ আমঠু, কলিজাৰ এডুঘৰি আৰু বুকুৰ এফাল হ'বলৈ শিকিব লাগিব।"

-কলাগুৰু বিষ্ণু ৰাভা।

# নৱম পঞ্চবাৰ্ষিক পৰিকল্পনা

শ্ৰী সন্তোষ বৰকাকতি
প্ৰবক্তা, মঙলদৈ কলেজ

ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণ প্ৰক্ৰিয়াৰ পটভূমিত নৱম পঞ্চবাৰ্ষিক পৰিকল্পনা ১৯৯৭-২০০২ চনৰ বাবে প্ৰস্তুত কৰা হৈছে। নৱম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বাবে মুঠ ব্যয় ২৩,০৫,০০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। মুঠ ব্যয়ৰ ২১,৯০,০০০ কোটি টকা বিনিয়োগ ব্যয় হিচাপে ধাৰ্য্য কৰা হৈছে। মুঠ বিনিয়োগ ব্যয়ৰ ১৪,৩০,০০০ কোটি টকা ব্যক্তিগত খণ্ডত আৰু ৭৬০,০০০ কোটি টকা ৰাজহুৱা খণ্ডত ব্যয় কৰা হ'ব। অৰ্থাৎ মুঠ বিনিয়োগ ব্যয়ৰ প্ৰায় ৬৫% ব্যক্তিগত খণ্ডত আৰু ৩৫% ৰাজহুৱা খণ্ডত ব্যয় কৰা হ'ব। নৱম পৰিকল্পনাৰ মুঠ বিনিয়োগ ব্যয় ২১,৯০,০০০ কোটি টকাৰ প্ৰায় ৯২% ঘৰুৱা সঞ্চয়ৰ পৰা যোগান ধৰা হ'ব। আৰু প্ৰায় ৫% বৈদেশিক উৎসৰ পৰা সংগ্ৰহ কৰা হ'ব।

**নৱম পৰিকল্পনাৰ উদ্দেশ্য**

কেন্দ্ৰৰ সংযুক্ত মৰ্চা চৰকাৰৰ সাধাৰণ ন্যূনতম আঁচনিৰ (common minimum programe) লগত সঙ্গতি ৰাখি নৱম পৰিকল্পনাৰ উদ্দেশ্যবোৰ ধাৰ্য্য কৰা হৈছে।

১। উৎপাদনশীল কৰ্মসংস্থান আৰু দৰিদ্ৰতা হ্ৰাসৰ বাবে কৃষি আৰু গ্ৰাম্য অঞ্চলৰ উন্নয়নৰ ওপৰত অধিক গুৰুত্ব।

২। স্থিৰ মূল্য স্তৰৰ সৈতে অৰ্থনৈতিক উন্নয়নৰ হাৰ দ্ৰুত কৰা।

৩। সকলোৰে বাবে খাদ্য আৰু পুষ্টি নিশ্চিত কৰা, বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ বাবে।

৪। নিৰ্দিষ্ট সময়ৰ ভিতৰত সাধাৰণ সেৱা সমূহ যেনে খোৱা পানী, প্ৰাথমিক চিকিৎসাৰ সুবিধা, সাৰ্বজনীন শিক্ষা গৃহৰ ব্যৱস্থা কৰা।

৫। জনসংখ্যাৰ বৃদ্ধিগতি ৰোধ কৰা।

৬। সামাজিক সচেতনতা আৰু সকলো স্তৰত জনসাধাৰণৰ সহযোগিতাৰ দ্বাৰা উন্নয়ন প্ৰক্ৰিয়াত পৰিৱেশ সুৰক্ষা কৰা।

৭। সামাজিক, অৰ্থনৈতিক পৰিবৰ্তন আৰু উন্নয়নৰ বাবে মহিলা আৰু পিছপৰা সম্প্ৰদায়ক অধিক শক্তিশালী কৰা।

৮। পঞ্চায়ত, সমবায় আদি অনুষ্ঠানত জনসাধাৰণৰ অংশগ্ৰহণ উন্নত আৰু বৃদ্ধি কৰা।

৯। স্বাৱলম্বিতাৰ বাবে সকলো প্ৰকাৰৰ চেষ্টা সৱল কৰা।

নৱম পৰিকল্পনাত কৃষি, সাধাৰণ সেৱা, কৰ্মসংস্থান আৰু দৰিদ্ৰতা দূৰীকৰণৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। নৱম পৰিকল্পনাত সাধাৰণ ন্যূনতম আঁচনিৰ (common minimum programme) অধীনত সাতটা সাধাৰণ সেৱাৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ব। সেইকেইটা হৈছে-

(ক) বিশুদ্ধ খোৱা পানীৰ যোগান,

(খ) প্ৰাথমিক চিকিৎসা সেৱাৰ যোগান,

(গ) সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা,

(ঘ) গৃহহীনসকলৰ বাবে গৃহ নিৰ্মাণৰ সাহায্য,

(ঙ) শিশুসকলৰ বাবে পুষ্টিকৰ খাদ্যৰ যোগান,

(চ) সকলো গাওঁ আৰু বসতি স্থানলৈ পথ সংযোগ,

(ছ) দৰিদ্ৰসকলক ৰাজহুৱা বিতৰণ ব্যৱস্থাত সামৰি লোৱা।

**নৱম পৰিকল্পনাৰ লক্ষ্য**

নৱম পৰিকল্পনাত সৰ্বমুঠ আভ্যন্তৰীন উৎপাদন (Gross Domestic Product) বৃদ্ধিৰ হাৰ শতকৰা ৭ ভাগ আৰু জনমূৰি আয় শতকৰা ৫.২ ভাগ ধাৰ্য্য কৰা হৈছে।

কৃষিখণ্ডৰ উৎপাদন বৃদ্ধিৰ হাৰ ৪.৫ ভাগ আৰু উদ্যোগ খণ্ডৰ উৎপাদন বৃদ্ধিৰ হাৰ ৯.৩ ভাগ ধাৰ্য্য কৰা হৈছে।

নৱম পৰিকল্পনাত বছৰি ৰপ্তানি বৃদ্ধিৰ হাৰ শতকৰা ১৪.৫ ভাগ আৰু আমদানি বৃদ্ধিৰ হাৰ ১৫.৩ ভাগ স্থিৰ কৰা হৈছে।

উপৰোক্ত লক্ষ্যসমূহত উপনীত হ'বৰ বাবে নৱম পৰিকল্পনাত বিনিয়োগৰ শতকৰা হাৰ সৰ্বমুঠ আভ্যন্তৰীণ উৎপাদনৰ ২৮.৬ ভাগ ধাৰ্য্য কৰা হৈছে।

তলৰ তালিকাত নৱম পৰিকল্পনাৰ লক্ষ্যসমূহ উল্লেখ কৰা হ'ল।

**তালিকা**

নৱম পৰিকল্পনাত বিভিন্ন ক্ষেত্ৰৰ নিৰ্ধাৰিত অগ্ৰগতিৰ হাৰ

| ক্ষেত্ৰ | নিৰ্ধাৰিত অগ্ৰগতিৰ হাৰ (বজাৰ দৰত) (শতকৰা হিচাপত) |
|---|---|
| কৃষি | ৪.৫ |
| শিল্প | ৯.৩ |
| ৰপ্তানি | ১৪.৩ |
| আমদানি | ১৫.৩ |
| বিনিয়োগ | ২৮.৬ |
| ঘৰুৱা সঞ্চয় | ২৬.২ |
| সৰ্বমুঠ আভ্যন্তৰীণ উৎপাদন | ৭ |

নৱম পৰিকল্পনাৰ কালছোৱাত বছৰি বৈদেশিক বিনিয়োগৰ আগমন ১০০০ কোটি আমেৰিকান ডলাৰ ($ 10 billion) হ'ব বুলি অনুমান কৰা হৈছে। নৱম পৰিকল্পনাত দেশজুৰি নিয়োগ নিশ্চিত আঁচনি (Employment Assurance Scheme) আৰম্ভ কৰা হ'ব। এই আঁচনিৰ অধীনত কৃষিকাৰ্য্য নোহোৱা সময়ত ১০০ দিনৰ বাবে নিশ্চিত নিয়োগৰ ব্যৱস্থা কৰা হ'ব।

ভাৰতীয় অৰ্থনীতিৰ ক্ৰমাগত উদাৰীকৰণ আৰু বজাৰ কেন্দ্ৰীকৰণৰ পৰিপ্ৰেক্ষিতত, নৱম পৰিকল্পনা উচ্চ আকাংক্ষাৰে প্ৰস্তুত কৰা হৈছে।

---

# মৰিয়া সম্প্ৰদায়ৰ ভাষাৰ নমুনা

ড° বিজয় কুমাৰ শৰ্মা
প্ৰবক্তা, অসমীয়া বিভাগ

অসমৰ মৰিয়া সম্প্ৰদায়ৰ লোকৰ মাজত এটি ভাষাৰ প্ৰচলন দেখা যায়। সামাজিক উপভাষাৰ ৰূপ হিচাপে সামাজিক জাতিগত উপভাষাৰ শাৰীত এই ভাষাটোক ঠাই দিব পাৰি। অৰ্থনৈতিক দিশেৰে এখন সমাজত কেইবাটাও স্তৰৰ লোক থাকে। এই স্তৰ অনুযায়ী সামাজিক শ্ৰেণীগত উপভাষাৰ সৃষ্টি হোৱা দেখা যায়। জাতি প্ৰথা অনুযায়ীও এখন সমাজৰ লোকক কেইবাটাও সামাজিক শ্ৰেণীত ভাগ কৰিব পৰা যায়। ভাৰতীয় সমাজখনৰ লোকক সামাজিক জাতি ব্যৱস্থাৰে ভাগ কৰিব পাৰি। অৱশ্যে অসমত এই বিভাজন সীমিত। সামাজিক জাতিসমূহ নিৰ্দ্দিষ্ট ৰীতি-নীতিৰে পৰিচালিত লোকসমষ্টি। জন্মসূত্ৰে এজন ব্যক্তি এই সমষ্টিৰ সদস্য হয়। ভাষা সংস্কৃতিৰ অন্য এক বাহক। সামাজিক জাতি এটিৰ লোকসংস্কৃতি অধ্যয়নৰ বাবে সেই ভাষাটোৰ অধ্যয়ন প্ৰয়োজনীয়। আমাৰ আলোচনাত উল্লিখিত মৰিয়া সম্প্ৰদায়ৰ ভাষাটো অধ্যয়ন কৰা হ'ব যদিও অধ্যয়নৰ কেন্দ্ৰ মঙ্গলদৈ চহৰৰ মৰিয়া সমাজৰ মাজতেই সীমিত থাকিব।

ড° সূৰ্য্যকুমাৰ ভূঞা দেৱে লিখিছে আহোম যুগত মৰিয়াসকলে 'পিতল খুন্দি তাৰ বাচন আদি তৈয়াৰ কৰা কামত নিযুক্ত হৈছিল। এওঁলোক মুছলমানৰ অন্তৰ্গত এটি সুকীয়া সম্প্ৰদায় বুলি পৰিগণিত হৈছিল। এওঁলোক কোন দেশৰ পৰা কেতিয়া অসমলৈ আহে তাক সঠিককৈ জানিব পৰা নাযায়। প্ৰবাদ আছে তুৰ্বকে অসম আক্ৰমণ কৰোতে তেওঁৰ লগৰ ৰণপলৰীয়া মানুহ কেতখিনিমান অসমৰ ৰজাৰ সেনাপতিয়ে ধৰি আনে আৰু পাচলৈ তেওঁলোকক হাতী ঘাঁহী আৰু ভূঁই ৰোৱা কামত নিযুক্ত কৰে। কিন্তু এই দুই কামত তেওঁলোকে নানা ভুল-ভ্ৰান্তি কৰাত পিতলৰ বাচন নিৰ্মাণ কৰা কামত নিযুক্ত হয় আৰু এওঁলোকৰ পো-নাতিৰ দিনতো বাচন কৰা ব্যৱসায়ত মৰিয়া সম্প্ৰদায় নিযুক্ত হয়'। বৰ্ত্তমান সময়ত পিতলৰ কাম কৰা ব্যৱসায়ৰ বাহিৰেও অন্য ব্যৱসায় আৰু চাকৰি আদিত এই সম্প্ৰদায়ৰ লোক নিযুক্ত হোৱা দেখা যায়।

মৰিয়া সম্প্ৰদায়ৰ ভাষাটোৰ বিষয়ে অধ্যয়ন কৰিবলৈ গৈ সীমিত ক্ষেত্ৰৰ পৰা সংগ্ৰহ কৰা নমুনাত ভাষাটোৰ বিশেষ্য, ক্ৰিয়া আৰু কেইটিমান সৰ্বনাম শব্দৰ লগতে কেইটিমান বাক্য সংগ্ৰহ কৰা হৈছে। অনুসন্ধিৎসু ব্যক্তিৰ অধ্যয়নত সহায়ক হ'ব বুলিয়েই সংগৃহীত নমুনাটো ডাঙি ধৰিলো।

সংগৃহীত শব্দ আৰু অসমীয়া সমাৰ্থ ঃ

| মৰিয়া ভাষা | অসমীয়া ভাষা |
|---|---|
| পাৰু/পাৰো | টকা |
| নিৰু | চাহ |
| নিহিৰা | তামোল |
| কুনুহা | ভাত |

| | |
|---|---|
| ৰ'দালি | গৰু |
| ন'দালি | গৰুৰমাংস |
| নোচ | ছাগলী |
| শল | গোহালি |
| নাদিয়াৰ | চোৰ |
| খোল | ঘৰ |
| মলু | মই |
| তলু | তই |
| বে-দুকা | সিহঁত |
| দুকা | সি |
| দুকানী | তাই |
| নিখালো | নিলো |
| দিখালো | দিলো |
| হোপাৰিছে | আছে/পালো |
| যুৱলু | যাওঁ |
| দিখা | দিয়া |
| দিখাবি | দিবি |
| ঠিলা | থ |
| কা | ক |
| খুদিলো | গ'লো |
| উকা | নধৰিবা |
| তাগো | খা |
| তমান চো | চা |
| তেকাই | পেলা |
| বেক | এক |
| ধোৰো | দুই |
| ৰাৰো | চাৰি |
| খাচ | পাচ |
| খেৰ | ছয় |
| কোঠ | আঠ |
| সহ্ | দহ্ |
| বেকচিপ | একশ |
| দুইচিপ | একুৰি |
| ধাৰো পাৰো কোথোনা | দুই টকা আঠ অনা |
| বেক পাৰো কোথোনা | এক টকা আঠ অনা |

**বাক্যৰ নমুনা ঃ**

মেচটো হোপাৰে যদি দিখা মেচটো আছে যদি দিয়া।

মলুৰ হোপাৰে — মোৰ আছে।
দুকাৰ হোপাৰে — তেখেতৰ আছে।
দুকা জেঙ্কেলা — তেওঁ বেয়া বা বুৰ্বক।
দুকা সৈথাৰ — তেওঁ বুধিয়ক।
দুকাই লোগাইছি — সি মাৰিছে।
দুকাক দিখাম — তাক মাৰিম/লগাম।
ধিপ দিখা — জেক দি উঠোৱা।

ব্যৱসায়ৰ ক্ষেত্ৰত দুজন বেপাৰীয়ে কোনো লোকৰ বস্তু ক্ৰয় কৰিব বিচাৰোতে অন্য সম্প্ৰদায়ৰ লোক এজন আহি বস্তুটোৰ দৰ-দাম কৰিলে বেপাৰী দুজনে আলোচনা কৰিব-

দুকাই কিনো ওকাই ওকাবলে দিখা - তেওঁ কি দৰ-দাম কৰে কৰিব দিয়া।

দুকই সহ পাৰো দিখালে - তেওঁ দহ টকা দিলে।

বেপাৰী দুজনে নিজৰ ভিতৰত বস্তুটো ৰাখিবৰ বাবে আলোচনা কৰিব-

দুকাই থিকক দে - তেওঁ থাকক দে

বেক পাৰো আৰু দিখাহ - আৰু এটকা দিয়া।

বাছত ভাড়া দিবলৈ এজনৰ হাতত টকা নাই। আন জনক সুধিব মলুৰ পাৰো নেহেপাই, খোল থিলাই আহিলো, তলুৰ হোপাৰে যদি দিখাহ (মোৰ টকা নাই, ঘৰত থৈ

আহিলো, তোমাৰ আছে যদি দিয়া)।

হোপাবে দিখাম দে - আছে দিম দে

খাচ পাবো দিখালো - পাঁচ টকা দিলো।

দুকাক নিদিখাও - তাক ঠগাও দে

দুকাই গান্ধীকা তাগিছে জেন্ধেলা অপাবে - তেওঁ মদ খাই আহিছে বৰ গোন্ধাইছে।

কোনো এটি অঞ্চলৰ মৰিয়া লোক এজনে আন এটি অঞ্চলৰ মৰিয়া লোক এজনৰ মাজত প্ৰথম পৰিচয় হলে এই ভাষাটোৰে পৰিচয় হ'ব লাগিব। ব্যৱসায়ৰ ক্ষেত্ৰত 'গোমৰ ফাক' নহ'বৰ বাবেও ভাষাটো ব্যৱহাৰ কৰে।

শিৱসাগৰৰ মৰিয়াপথাৰ মৰিয়া সমাজৰ মূল কেন্দ্ৰ। বৰ্ত্তমান অসমত ১৬০ খন মান মৰিয়া গাওঁ আছে। ■

■ প্ৰবন্ধটো ৰচনা কৰোতে মঙ্গলদৈৰ মঃ ৰেজিবুদ্দিন আহমেদ আৰু অধ্যাপক ইদ্রিছ আলিৰ সহায় লোৱা হৈছে।

---

(কোলাৰ ভাষাটো এৰি দূৰ-দূৰণিৰ আচহুৱা বোকাৰ ভাষা এটা গ্ৰহণ কথাযাৰ প্ৰকৃতিৰ নিয়ম বহির্ভুত কথা।
- তীৰ্থনাথ শৰ্মা)

# শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাৰ গুৰুত্ব

শ্ৰীঅঞ্জুলা চহৰীয়া
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

মানুহৰ জীৱনত মাতৃভাষাৰ গুৰুত্ব অসীম। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত মাতৃভাষাৰ গুৰুত্ব অপৰিহাৰ্য্য। শিক্ষাৰ অন্যতম উদ্দেশ্য অন্তনিৰ্হিত সত্তাৰ পৰিপূৰ্ণ বিকাশ সাধন কৰা। ব্যক্তিৰ সকলো ধৰণৰ বিকাশ সামাজিক পৰিবেশতহে সম্ভৱ হয়। শিক্ষাৰ অন্যতম লক্ষ্য হ'ল সুস্থ আৰু শৃংখলাপূৰ্ণ পৰিবেশ গঢ়ি তোলা। সামাজিক সমাযোজনাৰ প্ৰক্ৰিয়াই হৈছে শিক্ষা। শিক্ষাবিদসকলে শিক্ষাৰ সাফল্য আৰু সাৰ্থকতাৰ বাবে মাতৃভাষাৰ ওপৰত অধিক গুৰুত্ব, উপযোগিতা আৰু প্ৰয়োজনীয়তা স্বীকাৰ কৰি আহিছে, যেহেতু মাতৃভাষাই ব্যক্তিৰ আগ্ৰহ, আকাংখ্যা, আবেগ, প্ৰবৃত্তি, কল্পনা শক্তি, যুক্তি, চিন্তা আদি প্ৰকাশৰ একমাত্ৰ স্থল। মাতৃভাষা হৈছে শিক্ষাৰ অন্যতম বাহন। সেয়েহে শিক্ষাবিদ ৰাইবাৰ্ণ-এ (Ryburn) কৈছিল, "মাতৃভাষা একেধাৰে সঁজুলি, আনন্দ, সুখ আৰু জ্ঞানৰ উৎস, ৰুচি আৰু অনুভূতিৰ পৰিচালক।

ভাষা ভাৱৰ বাহন। ভাষা মানুহৰ ভাৱ আৰু অনুভূতি প্ৰকাশৰ এটা প্ৰধান উপায়। 'ভাষা' শব্দটো সংস্কৃত 'ভাষ' ধাতুৰ পৰা অনা হৈছে। ইয়াৰ অৰ্থ ব্যক্তি বাণীৰ স্পষ্ট আৰু পূৰ্ণ অভিব্যঞ্জনা। ভাষাৰ মাধমত সাহিত্যৰ সৃষ্টি হয় আৰু মাতৃভাষাতেই সাহিত্য চৰ্চাৰ সৰ্বাধিক সম্ভাৱ আছে। ভাষাৰ লগত সাহিত্যৰ সম্বন্ধ অপৰিসীম। ভাষা আৰু সাহিত্য মানুহৰ সৃষ্টি। ভাষাৰ মাজেৰপৰা সাহিত্যৰ সোৱাদ পাব পাৰি। সেয়েহে সত্যনাথ বৰাই এনেদৰে কৈছে, "ভাষা এটা বস্তু, সাহিত্য তাৰ ৰূপ। ভাষা শৰীৰ সাহিত্য আত্মা। ভাষা পদাৰ্থ সাহিত্য তাৰ গুণ। ভাষা এটা ফুল, সাহিত্য গোন্ধ। ভাষা মাটিকঠাল, সাহিত্য তাৰ সোৱাদ।"

শিক্ষাৰ মূল উদ্দেশ্য হৈছে জীৱনৰ স্বাভাৱিক গতিক পৰিবেশৰ সৃষ্টিৰে সমৃদ্ধ কৰা। মাতৃভাষাৰ মাধ্যমত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ৰ ওপৰত ভিত্তি কৰি জ্ঞানৰ মন্দিৰ নিৰ্মাণ কৰে। মাতৃভাষাৰ জ্ঞান ছাত্ৰ-ছাত্ৰীৰ যিমানেই স্পষ্ট আৰু নিৰ্দ্দিষ্ট হয় চিন্তা শক্তিও স্বাভাৱিকতে সিমানেই গভীৰ হয়। অস্পষ্ট ভাষাত প্ৰকাশ কৰা জ্ঞানতকৈ সঠিক ভাষাত প্ৰকাশ কৰা জ্ঞান কাৰ্য্যকৰী। আধুনিক মনোবিজ্ঞানৰ সম্প্ৰসাৰণৰ পৰিপ্ৰেক্ষিতত শিশুকেন্দ্ৰিক পাঠ্যক্ৰমৰ সৃষ্টি হৈছে। শিশুৰ দৈহিক, মানসিক প্ৰয়োজন আৰু অভাৱ পূৰণৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়। শিক্ষাবিদসকলেও শিশুকেন্দ্ৰিক পাঠ্যক্ৰমৰ সপক্ষে যুক্তি আগবঢ়াই আহিছে।

শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাৰ গুৰুত্ব শিক্ষাবিদ আৰু অভিজ্ঞ শিক্ষকসকলে স্বীকাৰ নকৰাকৈ থকা নাই। মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিবলৈ যোৱাৰ লগে লগে মাতৃভাষাক শিক্ষাৰ গুৰুত্ব স্বাভাৱিকতে বেছি হয়। যিহেতু মাতৃভাষা মানুহৰ সৰ্বোত্তম বিকাশৰ বাহন স্বৰূপ, মাতৃভাষা শিক্ষাৰ মাধ্যম হ'লে সাহিত্য-চৰ্চা আৰু

সৃজনশীল প্ৰতিভা বিকাশ কৰাত সুবিধাজনক হয়। ল'ৰা-ছোৱালীয়ে সৰু কালৰ পৰা স্বাভাৱিক পৰিবেশত স্বতঃস্ফুৰ্তভাৱে মাতৃভাষা শিকি লয়। এই প্ৰসঙ্গত কোঠাৰী আয়োগে (Kothari Commission) মাতৃভাষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। কোঠাৰী আয়োগে পাঠ্যক্ৰম ৰচনা কৰোতে ল'ৰা-ছোৱালীৰ বয়স সামৰ্থ্য আৰু ৰুচি-অভিৰুচি ইত্যাদিৰ ওপৰত গুৰুত্ব দিছিল। আয়োগে পাঠ্যক্ৰম ৰচনা কৰাৰ ক্ষেত্ৰত মাতৃভাষাক গুৰুত্ব দিছিল। যিহেতু নতুন পাঠ্যক্ৰমত মাতৃভাষাক প্ৰথম ভাষা হিচাপে স্থান দিয়া হৈছে। মাতৃভাষাৰ গুৰুত্বৰ ক্ষেত্ৰত মুদালিয়া আয়োগে (Mudaliar Commission) এনেদৰে কৈছিল, "Mother-tongue or the regional language should generally be the medium of instruction throughtout the secondary stage."


মাতৃভাষা যদি শিক্ষাৰ মাধ্যম নহয়, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ অন্তনিৰ্হিত সত্তাৰ পৰিপূৰ্ণ বিকাশ সাধন কৰাত বহুখিনি অসুবিধাই দেখা দিব। বিদেশী ভাষাৰ মাধ্যম নিজৰ প্ৰতিভা বিকাশ কৰাত অন্তৰায় স্বৰূপ। মাতৃভাষাত ব্যক্তিৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ বিকাশ সাধন কৰাটো সম্ভৱ। আনহাতেদি অন্য ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰিবলৈ হলে ছাত্ৰ-ছাত্ৰীৰ বেছি শ্ৰমৰ আৰু সময়ৰ প্ৰয়োজন। মাতৃভাষাৰ মাধ্যমত বিশেষকৈ পৰীক্ষাত ছাত্ৰ-ছাত্ৰীয়ে যিদৰে ভাৱ প্ৰকাশ কৰিব পাৰে, ইংৰাজী বা অন্য ভাষাৰ মাধ্যমত সেইদৰে নোৱাৰে। কিয়নো প্ৰত্যেক ব্যক্তিয়ে যিকোনো চিন্তা মাতৃভাষাৰ মাধ্যমতহে কৰে।

মাতৃভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰীৰ কল্পনা শক্তি, সৃজনশীল প্ৰতিভা বিকাশ হোৱাত সহায়ক হয়। মাতৃভাষাৰ মাধ্যমত বিষয়বস্তু যিদৰে সহজে বুজা যায়, বিদেশী ভাষাৰ মাধ্যমত সেইদৰে বুজাত টান হয়। আধুনিক মনোবিজ্ঞানৰ সম্প্ৰসাৰণৰ লগে লগে মনস্তাত্বিকসকলে মাতৃভাষাৰ জৰিয়তে শিক্ষা দিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। *

----------

* সহায় লৈ গ্ৰন্থ ঃ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি (হলিৰাম দাস)

# কৱিতা



"কৱিতা মোৰ বন্ধু অন্বেষণৰ যাত্ৰা, কুশল বিনিময় পত্ৰ।
মোৰ বুকুতে আছিল  গোলাপ বাগিছা,
এদিন তেজেৰে লতুৰি পুতুৰি এটা গোলাপে
শুকান কাঁইটক সুধিলে গুপুতেঃ
তুমি সুখীনে
সুখী নে তুমি ?
গোলাপ জোপাৰ এহাত এমুঠন এন্ধাৰত
মই কাণ থিয় কৰি থাকিলোঁ
জাৰে জহে খহে ফুলৰ পাপৰি।"

----

"নদ-নদী, পৰ্বত চিত্ৰত বিপুল মহাদেশৰ মই
কবি, পৃথিৱী মোৰ কবিতা।"

**(-হীৰেণ ভট্টাচাৰ্য্য)**

# আসন্ন প্ৰসৱা বসুমতী

**মিছ প্ৰণিতা দাস**
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

এটা নতুন সূৰ্য্যৰ বাবে
সিদ্ধ পুৰুষ সকল তপস্যাত বহিল
ধূপ ধূনা গোন্ধে গগণ চুমিলে
ময়ূৰৰ নৃত্যত আকাশে মাদল বজালে
প্ৰকৃতিয়ে গীত গালে সৃষ্টিৰ।
স্নানৰতা মাতৃয়ে ব্ৰত ৰাখিলে
হে স্বামী মোক মাতৃ সজোৱা।
.... সমস্ত আকাশৰ উদাৰতা
... বসুমতীৰ পৰা সহণশীলতা
ৰৌদ্ৰস্নান কৰি তাৰে তেজস্বীতা

মহা বাহুৰ পৰা প্লাৱন ধাৰণ কৰো
মই মোৰ গৰ্ভত।
ওম ! নম ! শিৱ ....
সূৰ্য্যৰ হেনো বহু নাম
আন্ধাৰ ফালি তুমি কি নামে আহিছা.....
বিপ্লৱ, প্লাৱন, ভূমিকম্প
মই কি নামে বিচাৰো সূৰ্য্যক ....
জগতৰ সকলো মাতৃ এতিয়া
আসন্ন প্ৰসৱা ।



## ঠিকনাহীন বাস্তৱ

মঃ ৰোকন উদ্দিন আহমেদ
স্নাতক-২য় বাৰ্ষিক (ক'লা)

আত্ম-বিভোল
দেখাত
বিচিত্ৰ বেশধাৰী
প্ৰজন্ম-ন-সভ্যতাৰ
জাতত-সভ্য
নাই-উপলব্ধি, ভ্ৰুক্ষেপ
কিনো স্বৰূপ বাস্তৱতাৰ
আওকাণীয়া ভাবাপন্ন
সকলো সীমিত থিতাপি-অস্থায়ী
পৰিণতিও অজ্ঞাত
তথাপিও, ৰূপ যে সলনিহীন
বিষন্নতাহীন
জানিও প্ৰশ্ন
মানৱীয় অনুভুতিনো কি !
আজিৰ সভ্যসকল
লালসাময় পথৰ যাত্ৰী
যদিও-আগত আছে
উন্মুক্ত চিঞৰ আৰু তাৰ বিকম্পিত প্ৰতিধ্বণি.....।

---

## মোৰ আগন্তুক

শ্ৰী জুৰিটি ডেকা
স্নাতক ৩য় বাৰ্ষিক (কলা)

কাল ঝঞ্ঝা অতিক্ৰম কৰি
তৃষাতুৰ হৈ মৰীচিকা খেদি
এটো পাল পানী বিচাৰি
ডিঙি তিয়াব খুজিছোঁ ।
নতুন কৈ পৃথিবী খনক
ন চকুৰে চাবলৈ বিচাৰিছোঁ ।
লৌহ পিঞ্জৰাৰ কপাট ভাঙি,
খেপিয়াই খেপিয়াই
ওলাবৰ চেষ্ট কৰিছোঁ ।
নতুন সুৰুযৰ হিৰণ্ময় প্ৰভাতৰ
ৰেঙনি চাবলৈ ব্যাকুল হৈ পৰিছোঁ।
মোৰ নতুন চেতনাক
সুমিষ্ট সংগীতৰ মধুৰ তৰংগত
পাবলৈ বিচাৰিছোঁ।
সূৰ্য্য সম শক্তিৰে,
আগুৱান হোৱা
পৃথিবীৰ মানুহৰ খোজত
খোজ মিলাব খুজিছোঁ।
কাল অমানিশা নাশ কৰি,
নতুন দিনত জ্ঞানৰ জ্যোতিৰ
বন্তি জ্বলাব খুজিছোঁ ।

----

## অবিদিত প্ৰভাত

শ্ৰীমঞ্জুলা শৰ্ম্মা
উচ্চতৰ মাধ্যমিক প্ৰথম
বাৰ্ষিক (কলা)

মোৰ মৃত্যুৱে যদি,
দেশৰ শান্তি আনে,
তেন্তে হেজাৰ মৃত্যু মোৰ কাম্য ;
মৰিব বিচাৰো মই
বীৰৰ দৰেহে
কাপুৰুষৰ দৰে নহয় ;
বিপ্লৱ মই বিচাৰিছোঁ ।
সৃষ্টিৰ বাবে,
শান্তিৰ বাবে, ধ্বংসৰ বাবে নহয়,
কলিজাৰ কেঁচা তেজে
ধৰনী ধুই যাব
য'ত সিঁচি যাম মই
শান্তি আৰু ঐক্যৰ
চিৰ সোনোৱালী বীজ ;
মৃত্যুঞ্জয়ী, ধ্বংসজয়ী অসমক
পুণৰ জগাম মই,
সৃষ্টি কৰি যাম
নতুন অসমৰ
য'ত থাকিব মাথো।
প্ৰেম, প্ৰীতি আৰু ভাতৃত্ব।

----

## অনাৱৰুদ্ধ যাত্ৰা


শ্ৰী মুনীন্দ্ৰ শৰ্মা
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
(বিজ্ঞান)

যুদ্ধ কেতিয়াবা দেখিছানে ?
"নাই দেখা"।
দেখিবা !
অলপ পিছতেই ইয়াত এখন
ডাঙৰ যুদ্ধ হব।
ঠিক 'মহাভাৰতত' থকা
কুৰুক্ষেত্ৰৰ যুদ্ধৰ দৰে।
এই যুদ্ধত কৌৰবো নাই, পাণ্ডৱো নাই।
ইয়াত যুদ্ধ হব
শ্ৰম আৰু শ্ৰমিকৰ।
সৌ যে হাল বোৰ লৈ থকা সৈনিকবোৰ
সিহঁতে আগতে এনেদৰে যুদ্ধ কৰা নাছিল।
সিহঁতে কলম, বন্দুক, গ্ৰেণেড ৰাজনীতি লৈ যুজিছিল।
কিন্তু, সিহঁতে এতিয়া উপলব্দি কৰিছে
প্ৰকৃত যুদ্ধত জয়ী হবলৈ, পথাৰত
সোনালী ধান দেখা পাবলৈ
কলম বন্দুকৰ কোনো দৰকাৰ নাই।
লাগিব মাথোন
শ্ৰম কৰিব পৰা
সৎ সাহস।
যিটো সিহঁতৰ বুকুৰ প্ৰতিটোপাল
কেঁচা তেজতে আছে....॥

# সমাধি

শ্ৰী সমুদ্ৰ শৰ্মা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

সৰি পৰিল ক'ত প্ৰভাতৰ ফুল
অন্তৰীক্ষ কত আকাঙ্খিত প্ৰাণ,
মাথোন জ্বলিব খুজি নুমাই গ'ল ;
শাসিত শাসকৰ নিষ্ঠুৰ ভৰিৰ গছকত
শত শত শ্বহীদৰ শ্বাসৰুদ্ধ
জীৱনৰ ৰুগ্ন সমাধি !
শ্বহীদৰ জয় দৌলত।
কপালৰ সেন্দুৰ মছা
হাতেৰে শলিতা জ্বলিছে
সহস্ৰজনে
স্মৃতিৰ দীপালী গীতিকা গাইছে
কত শোকাতুৰ মাতৃৰ শুদা বুকুত
জ্বলিছে, অগ্নি ফিৰিঙতি,
সৰি পৰা নয়ণৰ তপত অশ্ৰু বন্যা
সমাধিৰ সেঁউজ দুববিত
নিয়ৰ হৈ জ্বলিছে।





# হেঁপাহ

শ্ৰী মুন মনি দেৱী
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

আছে মোৰ
সৃষ্টি কৰাৰ মানসিকতা
প্ৰতিভা বিকাশ কৰাৰ
আছে দুৰ্বাৰ হেঁপাহ।
কৰিব পাৰিম জানো বিকাশ
মোৰ চিন্তাধাৰা,
মোৰ নৱ নৱ কল্পনা
কিম্বা বাস্তৱতা।
উদ্দাম বাসনা দুৰ্জয় লালসা
ব্যৰ্থতাৰ গ্লানিৰে ভৰা
মোৰ দুৰ্বহ জীৱন,
আঁতৰাই পঠিয়াম গ্লানি দুখ-শোক
প্ৰতিষ্ঠিত কৰিম মই নতুন সুখ।
নতুন সুখ পাই নতুন আশা লৈ
উল্লাসেৰে ভৰাম জীৱন
কৰি তুলিম মই বক্তিম
মোৰ দুৰ্বহ জীৱন।

# অনাহুত

শ্ৰী বিজয়া বড়া
স্নাতক প্ৰথম বাৰ্ষিক (ক'লা)

অনাদৃত সুঘ্ৰান কঢ়িয়াই
বিয়লি বেলাৰ পচোৱা তুমি
কিয় আহিলা ?
মোৰ জীৱনলে
অনাহূত ভাৱে।
বিষাদৰ বোজা কঢ়িয়াব
এতিয়া কিয় আনিছা ?
হাঁহিৰ খলকনি।
বিচাৰি হাবাথুৰি খালোঁ
নিবিচাৰিও
হাতৰ তলুৱাতে পালোঁ।
এতিয়াচোন
জীৱন শলিতা শেষ হওঁ হওঁ,
আছে জানো সঞ্জীৱনীৰ
কিবা প্ৰয়োজন ???

# শৰতৰ কবিতা

শ্ৰী কল্পনা বৰুৱা
স্নাতক ২য় বাৰ্ষিক (ক'লা)

শৰতৰ মিঠা মিঠা
মধুৰ জোনাকত
সৌ সিদিনা
তলসৰি ফুলিছিল শেৱালিবোৰ ;
গভীৰ আশাৰে
আজীৱন চুক্তিৰ
এখন দলিল ৰচিছিলো,
মোৰ কবিতাৰ ফুলনিত,
কঢ়িবোৰ ফুলিছিল !!
স্নিগ্ধ জোনাকৰ
নতুন দিগন্তত
নতুন সৃষ্টিৰ ৰহন বোলাইছিল !
মই অপেক্ষাৰত আজিও,
পোৱা নোপোৱাৰ এক
সীমাবিহীন দোমোজাত ॥



কবিতা

# চকুলো

শ্ৰী ক্ষীৰদা চহৰীয়া
স্নাতক বৰ্ষ (ক'লা)

সেয়া নীলাভ নীলাভ এখনি আকাশ
সেই আকাশৰ পাৰে পাৰে
হেজাৰ বসন্তৰ নীলাভ পৰাগেৰে
বুকুত নাচে....
এটি দুটি হেজাৰ তাৰকাই।
সিহঁতে,
ছায়াঘন অন্ধকাৰৰ
নাইটিঙ্গেল পখীৰ এলিয়ান সুৰ
আৰু ......
এজাক জোনাকীৰ বিধুৰ নিশাবোৰ
দীপ মালিকাৰ ৰহন সানি
পেলাই দিয়ে পৃথিৱীত
বৰফ শীতল- এমুঠি মুকুতাৰূপে ;
ৰূপৰ ৰহন সনা এজাক নিয়ৰ কনিকা ৰূপে।
কিন্তু.....
সপোন ভঙা পূৱ আকাশত
ক্ৰুৰ সুৰুযৰ ৰঙা ৰ'দ জাকে
কবৰ দিয়ে সেইবোৰ
এজুপি ডালিম শিতানত
বিশ্বৰূপৰ মহান হৃদয়ত।
আৰু এনেকৈ .....
মায়াৰ কুহুকীৰে চকুলোৰ বন্যা সৰাই
যোগ বিয়োগৰ অনন্ত ক্ৰন্দসী নিশা
উচুপি কটায় ....
এটি, দুটি সহস্ৰ তাৰকাই ॥

# ॥ আধৰুৱা চিঠি ॥

শ্ৰী পূৰবী হাজৰিকা
স্নাতক ৩য় বাৰ্ষিক (ক'লা)

(১)

চিঠিখন লিখা যে নহ'ল
ডাকোৱাল জনো গ'ল।
মোৰোচোন মনৰ মাজত
শূন্যতাই বিৰাজ কৰা হ'ল।

(২)


চিঠিখন আৰু লিখাই নহ'ল,
তোমাবো যে ঠিকনা নোহোৱা হ'ল,
কঠিন শিলত কটা মূৰ্তিৰ দৰে
মোৰ কলমটোও জঠৰ হৈ ৰ'ল।

(৩)

চিঠিখন লিখাটো কঠিন হৈ গ'ল।
কলমত থকা চিঞাহি খিনিও
গোটমাৰি কলিজাৰ কেঁচা
তেজ হৈ ৰ'ল।

(৪)

চিঠিখন লিখা আৰু নহব,
মোৰ ধৰ্ষিতা আইৰ
বুকুত শত্ৰুৰ বৰ্বৰ অত্যাচাৰত
কাগজখিলা বৰফযেন শীতল হৈ গ'ল।



# স্মৃতি

শ্ৰী মিতালী শইকীয়া
স্নাতক ১ম বাৰ্ষিক (ক'লা)

খহি পৰিল আৰু এটা দিন
সময়ৰ বুকুৰ পৰা
মৃত্যুৰ ওচৰলৈ আৰু
এখোজ আগবঢ়াই।
সোৱঁৰণীৰ জমাঘৰত
কিছু এৰি থৈ
আশা নিৰাশাৰ
পোৱা নোপোৱাৰ
তুলাচনীত,
নিৰাশাৰেই জয়,
স্মৃতিৰ আকোত
ভাহে
এখনি বেদনাৰ
গধুৰ ছবি ॥

# পুৱৰতি নিশাৰ সূৰুয

শ্ৰী অৰ্চনা দেৱী
স্নাতক ২য় বাৰ্ষিক (ক'লা)

উদয়াচলত অৰুণৰ
সোনালী সাজত
উদ্বুদ্ধ আজি প্ৰকৃতি ৰাজ্য
তলসৰা শেৱালীৰ শুভ্ৰতা
আৰু গোলাপৰ মিঠা সুবাসত
ভাহি থাকে অনাগত মুহূৰ্তৰ
শুভেচ্ছাৰ বতৰা।
কোকিলৰ কলৰৱত
পুলকিত বিৰিখৰ মন
হাড়ৰ মাজে মাজে ৰিবৰিবিয়া বতাহৰ
সিৰসিৰিয়া শিঁহৰণ
আলোকিত কৰি
অন্ধকাৰ ধৰণী
মুখৰিত কৰি
নিদ্ৰিত প্ৰকৃতি
উদিত সূৰুযে সেয়া
মাৰিছে ভূমুকি।

# শব্দৰ সৈতে মোৰ প্ৰেম

ৰুমিজা বেগম
স্নাতক ২য় বাৰ্ষিক (ক'লা)

এদিন মই কবিতা লিখিছিলো
সদ্য স্নাতা গাভৰুৰ দৰে
অবগাহিত আছিল মোৰ
শব্দ বৰ্ণ আৰু ছন্দ
আচলতে....
শব্দৰ সৈতে মোৰ গোপন প্ৰেম আছিল
আৰু এনেকৈয়ে
এদিন মই গৰ্ভৱতী হৈছিলো
প্ৰসৱ কৰিছিলো এটি মৃত সন্তান
ওৰে ৰাতি বৰষুণত তিতিছিলো
নিকা কৰিছিলো ৰক্তাক্ত কালিমা
এতিয়া
শব্দক মই বিচাৰি ফুৰিছোঁ
হেম কোষ... চন্দ্ৰকান্ত এনেকি বিদেশীৰ অভিধানতো
বহুবাৰ ঘুৰিলো
হোৱাতো নাছিল আমাৰ হৃদয়ৰ কটা ছিঙা !
শব্দক মোৰ খুবেই প্ৰয়োজন
হে কুন্তি, দিয়া
এবাৰ শিকাই দিয়া আবাহনৰ মন্ত্ৰনা
শব্দৰ সৈতে কটাওঁ এৰাতি
জন্ম দিওঁ এটি জীৱিত সন্তান ॥

# আৰ্ত হৃদয়

শ্ৰী অঞ্জলী চহৰীয়া
স্নাতক ২য় বাৰ্ষিক (ক'লা)

অন্ধকাৰত কঁপি উঠে
পানেশই হৃদয়ৰ ইকৰাপাতৰ নাওঁ
দুখৰ হুমুনিয়াহেৰে ঢাকি থওঁ
মোৰ সমস্ত
বতাহত ভাঁহি থাকে
ভাঁহি আহে
বিভিন্নজনৰ আৰ্তনাদ
আপোন মাতৃৰ কোলাতেই
জীৱনৰ দাম মাথো
এমুঠি পইচা
টোপনীতে ঘূৰি ফুৰোঁ
ঘূৰি ফুৰোঁ মোৰ দেশৰ চোতালত
টোপনিতেই পাৰ হৈ যায়
হিলদল ভাঙি এজাক বনৰীয়া হাতী
ধুমুহাৰ পিছৰ পৃথিৱীখনৰ দৰে
মাথো পৰি ৰয়
মোৰ আৰ্ত হৃদয় ।

# অপেক্ষা

শ্ৰী গীতাঞ্জলী শৰ্মা
স্নাতক ১ম বাৰ্ষিক (ক'লা)

উদভ্ৰান্ত পথিকৰ প্ৰতিটো
খোজৰ তালে তালে,
নিনাদিত হয় মোৰ
অনন্ত জাগ্ৰত কলিজাৰ গান।

বৰ্তমান,
বিৰহ বেদনাত ক্লান্ত মই,
ডেউকা ভগা পখীৰ দৰে-
আজিও জীয়াই আছো মাথো
শেষ ফলাফলৰ বাবে।

এতিয়া-
মোক তুমি একোৱেই নুসুধিবা-
দেশত কি হৈছে
কাৰণ মই জনগণৰ বাবে,
কবিতা লিখাতেই ব্যস্ত ;
মোৰ হৃদয়গ্ৰাহী মালাৰ ছন্দ
শেষ পৰ্য্যন্ত স্পন্দন স্পৰ্শ কৰি
বাৰে বাৰে থমকি ৰয়,
লিখি থকা কবিতাৰ প্ৰতিটো শব্দ।

সেয়েহে-
বিৰহ বেদনাত ক্লান্ত মই
ডেউকা ভগা পখীৰ দৰে
আজিও জীয়াই আছো মাথো
শেষ ফলাফলৰ বাবে।

হয়তো,
মোৰ কবিতাৰ প্ৰতিটো শব্দ
নিমিলা অংকৰ সাঁথৰ হৈ ৰ'ব
দেশৰ শেষ ফলাফল-
জানোচা শূণ্যতাত পৰিণত হ'ব।

# স্কেচ ঃ এটি নতুন প্ৰভাত

শ্ৰী নিৰুপমা চহৰীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক (ক'লা)

টলমল জোনাকৰ বুকুত
নিজকে মিলাব চাই
হঠাৎ বৈ দিও .... !
যেন
উপেক্ষাৰ কুঠাৰাঘাতত ধুসৰিত মোৰ বুকু ;
সন্ত্ৰাসিত নিৰ্জনতাৰ আস্ফালন
হঠাৎ দুৰ্ব্বল হৈ পৰো !
ভাব হয়
কাৰোবাৰ পদধ্বনিত
প্ৰতিশ্ৰুতিৰ দ্বাৰ যেন ক্ৰমশঃ ৰুদ্ধ
স্তব্ধ হৈ যায় স্মৃতিৰ স্পন্দন !
নিৰ্জনতাই আশা দি যায় ....
সংঘাটময় জীৱনৰ হাঁহিখিনি
এটোপ দুটোপ --- অশ্ৰুৰূপে
গতি কৰে বৰফ পিন্দলৈ ...
বৰফবোৰ পুনৰ হাঁহি হ'ব,
ব্যৰ্থতাই আশা দি যায় !!



# বিপ্লৱ যুগে যুগে

শ্রীঅ[illegible]ন ডেকা
স্নাতক ৩য় বাৰ্ষিক (ক'লা)

বন্দুক বেয়নেট আৰু লাঠিৰ কোৰেৰে
ৰুদ্ধ কৰি দিয়া হৈছে সিহঁতৰ বিপ্লৱী কণ্ঠ ;
শতিকাৰ পিছত শতিকা জোৰা
নিষ্ঠুৰ শোষণৰ সেয়া মুক্তিৰ বিপ্লৱ ;
ৰাইফলৰ নলীৰ চিক্‌মিকনি
আৰু জ্বলন্ত শিখাৰ ধোঁৱাই
আৱৰি ধৰিছে গোটেই বিশ্ব ;
উঠিছে আজি প্ৰলয়ৰ মহা বিভীষিকা।
সুদূৰ ফৰাচীৰ পৰা স্বাধীনতাৰ বিপ্লৱ
কোনেওযে পৰা নাই কৰিব ৰুদ্ধ,
চাৰিওদিশে পাতিছে কেৱল নৰমেধ যজ্ঞ ;
লক্ষ্য সকলোৰে এটাই মাথো
শাসন যন্ত্ৰ কৰা শোষন মুক্ত।
মাৰ্ক্সৰ পৰা মেণ্ডেলালৈ
এটাই জনমত উঠিছে বিশ্বত,
শত শত শ্ৰমিকে আদৰি লৈছে
বন্দুক বেয়নেটৰ নিৰ্মম আঘাত।
একবিংশৰ কাষ চপা সুসভ্য অভিযাত্ৰী
এৰা নাই তাহানিৰ বৰ্ণ বিভেদ নীতি
বিজ্ঞানৰ শীৰ্ষবিন্দু পৰমানু অভিযান
কঁপিছে বিশ্ব আজি বিলুপ্তিৰ ভয়ত ;
ৰাজনীতিৰ মেৰপাকত আৱদ্ধ বিজ্ঞান
ধ্বংসও যে সুনিশ্চিত নিচেই কাষত ॥



# একেটি সুৰতে বন্ধা

শ্রীদ্বীপেন ডেকা
স্নাতক ২য় বাৰ্ষিক (ক'লা)

মই ভাৱিছিলো তোমাৰ পদূলিত
ফুলিব ৰজনী গন্ধা।
মই ভাৱিছিলো তোমাৰ মোৰ হৃদয়
একেটি সুৰতে বন্ধা॥
মোৰ মন আকাশত তুমি
এটি সাজৰ তৰা।
তোমাৰ ৰূপৰ জ্যোতিৰে
আজি বুকু ভৰা॥
কত যে সপোন ৰচো
নিৰিবিলি সন্ধা।
কও বুলি নোৱাৰি কৱ
গ'ল কত অভিসাৰী নিশা
লিখো বুলিও নেপাও ভাষা ॥
সেয়েহে নহ'ল লিখা
অশ্ৰুসিক্ত দু-নয়নে মাথো
ৰচিলে অলকানন্দা ।

# অবৰ্তমান

শ্ৰীঅৰুপ শইকীয়া
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

হালধীয়া গছবোৰ এতিয়া
শোকত ম্ৰিয়মান
যেন মৃত্যু হৈছে সময়ৰ
সিঁচি দিয়া বিহবোৰ
চৌদিশে ছেদেলি-ভেদেলি
গজি উঠি দুদিন পাছতেই
লহ পহীয়া বিহপুলি।
নাই কোনো উত্তাপৰ সঞ্চাৰ
নাই কোনো সেউজীয়া উপত্যাকা
চাৰিওফালে মাথো বিদ্যমান
লঠঙা হালধীয়া গছবোৰ
যন একো একোটা
মূৰ্তিমান বিভীষিকা।
সজীবতাৰ আহ্বান এতিয়া
মৰুভূমিৰ মৰীচিকা
সৰগৰ জোন
এনেহেন দিনবোৰ
সমাগত নে সমাপত ?
হালধীয়া ৰংনে
সেউজীয়া ৰঙৰ প্ৰাচুৰ্য্য
চৌদিশে এতিয়া ??



# বহুব্ৰীহি

শ্ৰীমনোজ কুমাৰ শৰ্ম্মা
স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান)

সুখৰাম ডেকা
দাড়ি চুলি পকা
পেটটো ফিকা
বুদ্ধিত পকা
সকলোতে কৰে ঠিকা
কামত একাবেকা
সহজে নিদিয়ে কাকো চিক্কা
দাবি ধমকিৰে কৰে ডকা-হকা,
সংসাৰ খন তেনেই উকা
তাতে দাড়ি চুলি পকা
গাত নাই কোনো চেকা
গুপুতে গিলি থয় চৰকাৰী টকা,
কিহে অসমীয়া ডেকা
দেখানাই ককা
সাইলাখ ডেকা
তেওঁৰ পৰা বহুকথাই শিকা
মানুহটো কিন্তু বৰ একাচেকা।

# গল্প

"গল্প সু-সংগঠিত আৰ্ট। ইয়াৰ যোগেদি কোনো এটা কেন্দ্ৰীভূত ভাব প্ৰকাশ কৰা হয়। বিক্ষিপ্ত ভাৱধাৰাৰ সমাবেশৰ ঠাই গল্পত নাই। কোনো এটি বিশেষ মুহূৰ্তৰ ওপৰত আলোকপাত কৰি জীৱনৰ কোনো এটি দিশ পোহৰাই তোলাই গল্পৰ উদ্দেশ্য। যি কৌশলৰ সহায়ত তেওঁৰ কথা বস্তু ৰমণীয় হৈ উঠে, তাৰ প্ৰতি তেওঁ সদায় চকু ৰাখে।"

(ত্ৰৈলোক্য নাথ গোস্বামী)

"যি কোনো বস্তু এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা সুন্দৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰবল ভূমিকম্পলৈকে প্ৰতিটো বস্তুৱেই চুটি গল্পৰ বিষয় হ'ব পাৰে।"

(এইচ. ই. বেটচ্)

# আলোকৰ সন্ধান



**শ্ৰীঅনুপমা কলিতা**
স্নাতক ১ম বাৰ্ষিক (ক'লা)

আনন্দ মাষ্টৰৰ ঘৰলৈ আকৌ আগৰ পৰিৱেশ ঘূৰি আহিল। মাষ্টৰে মাজ সাগৰৰ পৰা উঠি অহা যেন পালে। এৰা কিযে দুখ নহ'ল মাষ্টৰৰ। চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছতে মাষ্টৰে দৰিদ্ৰতাৰ সতে বহু যুঁজিলে। কিন্তু তাত জানো সফল হ'ব পাৰিলে। ডাঙৰ ছোৱালীজনীৰ বিয়াত মাষ্টৰৰ পৈতৃক সম্পত্তি মাটি দুবিঘাও বন্ধকত গ'ল। হালৰ গৰুহাল বেমাৰত মৰিল। তেঁও মাষ্টৰে জীয়াই থাকিবলৈ অশেষ আশাৰে বাট চাই ৰ'ল। তেওঁৰ আশা বাপুকণক ভালমতে পঢ়াই চাকৰি এটাত সুমুৱাই দিব পাৰিলেই তেওঁৰ জীৱন সাৰ্থক হ'ব। সৰুল'ৰা বিকাশৰ কথাটো ভবাই নাই। বাপুকণৰ বাবে তেওঁ যে কত অফিচ ঘূৰিলে, কাক কিমান টকা ভেটি দিলে সেইবোৰ হিচাপ কৰিলে মাষ্টৰৰ এতিয়া

মূৰ ঘূৰোৱা যেন লাগে। অৱশেষত যেনিবা ভাগ্যৰ বলত চাকৰি এটা মিলিল। মাষ্টৰৰ শুকান মুখলৈ অলপ পানী আহিল। আজি ইমানদিনৰ পৰিশ্ৰম অথলে যোৱা নাই বুলি তেঁওৰ বিশ্বাস হ'ল। এইবাৰ মাষ্টৰে সকল'ৰা বিকাশৰ কাৰণে লাগি গ'ল। বিকাশে প্ৰথমবিভাগত লেটাৰসহ মেট্ৰিক পাছ কৰিলে। কিন্তু, কিন্তু মাষ্টৰে সেই সুখক বেছিদিন জীয়াই ৰাখিব নোৱাৰিলে। আভিজাত্য পৰিয়ালৰ ছোৱালী মনিকাক ডাঙৰ পুতেক বাপুকণলৈ বিয়া কৰাই আনিছিল। ভাবিছিল ল'ৰা সুখী হ'ব, মাষ্টৰৰ সুখ হ'ব, মান-সন্মান বৃদ্ধি পাব। কিন্তু মাষ্টৰৰ সকলো আশা ধূলিসাৎ হৈ গ'ল। নগৰীয়া পৰিৱেশৰ মাজত থাকি ডাঙৰ-দীঘল হোৱা মনিকাই গাৱঁলীয়া পৰিবেশত কষ্ট পোৱা হ'ল। সেয়েহে এদিন সামান্য অজুহাততে ঘৈণীয়কেৰ কথামতে বাপুকণে চিৰদিনৰ কাৰণে ঘৰ এৰিলে। নগৰত মাটি কিনিলে, ঘৰ সজালে আৰু সপৰিবাৰে তাত গৈ সুখৰ সংসাৰ পাতিলে। ইপিনে মাষ্টৰে দ্বিগবিদিক হেৰুৱাই অন্ধাকৰৰ মাজত সোমাই পৰিল। নিজৰ কপালকে দুষিলে। তেতিয়া বিকাশ হায়াৰ চেকেণ্ডাৰী দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। পুনৰ মাষ্টৰে বিকাশক পঢ়াবৰ বাবে চেষ্টা চলালে। কিন্তু তাৰবাবে তেওঁ অশেষ দুখ যাতনা মুৰ পাতি ল'ব লগীয়া হ'ল। ইফালে সৰু ছোৱালী ৰিণি। তাইক দেখিলে মাষ্টৰৰ বুকুখন ভাগি পৰা যেন লাগে। কি সুখ দিব পাৰিছেতেওঁ এই ছোৱালীজনীক। দিনৰ দিনটো তাঁত বাই যি দুপইচা পাই তাৰে তাই দুই এখন কাপোৰ কিনি লয়। ঘৰৰ খৰচ আছেই। অৱশেষত মাষ্টৰে ওচৰৰে দুঘৰ মানত কেইটামান টিউচন যোগাৰ কৰি ললে। সনাতন বৰমহৰীৰ ল'ৰাটো আৰু যোগেন ঠিকাদাৰৰ ল'ৰাটো দুয়োজনকে পঢুৱাই মাষ্টৰে মাহেকত যি দুপইচা পায় আৰু পেঞ্চনৰ পইচাৰে তাৰেই কোনোমতে চলি থাকিল। এইবাৰ কিন্তু আগৰবাৰৰ নিচিনাকৈ মাষ্টৰে বিকাশৰ চাকৰিৰ কাৰণে নৃঘূৰিলে। আগৰ হতাশাই তেওঁক বাধা দিলে। তাৰোপৰি আগৰ বাৰতে তেওঁৰ তলি উদং হোৱাৰ উপক্ৰম হৈছিল। হ'বৰে কথা যিমানহে টকা নগ'ল তেওঁৰ। অৱশেষত সনাতন বৰমহৰীৰ কৃপাত বিকাশৰ চাকৰি হ'ল। সামান্য কেৰাণী চাকৰী এটা। মাষ্টৰৰ ঘৰখনলৈ অলপ শান্তি আহিল। তথাপি কিন্তু তেওঁ সহজ হ'ব নোৱাৰিলে। কাৰণ আগৰ বাৰতে তেওঁ যি ঠগ খাইছে তাক ভাবিলে মাষ্টৰৰ বুকুখনৰ কোনোবা এঠাইত বিষে হেঁচামাৰি ধৰে।

"দেউতা, পানী দিছো। গা ধোৱকহি।" ৰিণিৰ মাতত মাষ্টৰ চক্ খাই উঠিল। যেন তেওঁৰ টোপনিৰ পৰাহে সাৰ পাই উঠিল। "এৰা অ' আই গাধুবৰ হ'লেই। মই মনেই কৰা নাছিলোঁ। হেৰি অ'আই, এই বিকাশটো কলৈ গ'ল। আজি বন্ধৰ দিনতনো ঘৰত থাকিব নাপায়নে ?

"গৈছে আৰু ক'ৰবালৈ। বন্ধু-বান্ধৱৰ লগত ক'ৰবাত ফুৰিছে চাগৈ।"

"তাক লৈ মোৰ বৰ চিন্তা অ' আই। বাপুকণটো গ'লেই। সিও যদি .... ।"

"দেউতা, আপুনি মিছাকৈ এইবোৰ চিন্তা মনলৈ আনিছে কিয় ? ডাঙৰ দাদা নিশ্চয় এদিন আমাৰ মাজলৈ ঘূৰি আহিব। সৰুদাদাই কেতিয়াও এনে কাম নকৰে বুলি মোৰ দৃঢ় বিশ্বাস। আপুনি গা-ধোৱক দেউতা। অ' ক'বলৈ পাহৰিছিলোঁৱে বায়ন বৰদেউতাই আপোনাক আজি যেনে-তেনে এবাৰ মাতিছে। কিবা হেনো জৰুৰী কথা আছে।"

লৰালৰিকৈ মাষ্টৰে গাটো ধুই চুৰিয়াখন পিন্ধি যাবলৈ ওলাল। ঘৈণীয়েকে যতনাই দিয়া ভাত কেইটামান খাই তেওঁ এখোজ-দুখোজকৈ পদুলিমুখত মাষ্টৰ থমকি ৰ'ল। চাৰিও ফালে চকু ফুৰাই চালে। সুন্দৰ ঘৰ। সুন্দৰ ফুলনি। চালে চকু বৈ যোৱা। মাষ্টৰৰ বুকুখন হাহাঁকাৰ কৰি উঠিল।

"হেৰা মাষ্টৰ, পদুলিত বৈ কি কৰি আছা। আহা,

আহা সোমাই আহা। বায়নৰ মাতত মাষ্টৰে আগলৈ ঘূৰি চালে। এখোজ-দুখোজকৈ তেওঁ সোমাই গ'ল। বায়নেও আথে-বেথে মাষ্টৰক বহিবলৈ দি যথা নিয়মে আপ্যায়িত কৰিলে। তাৰপিছত মাষ্টৰে মতাৰ কাৰণ সুধিলে। বায়নে লাহে লাহে আৰম্ভ কৰিলে। "বুজিছা মাষ্টৰ, মোৰ যে সেই সৰুজনী ছোৱালী অৰুণিমা। তাইক মই বিকাশলৈ দিম বুলি ভাবিছোঁ। ভাবিলোঁ ল'ৰাও ভাল। চাকৰিও কৰে। তুমি বা কি কোৱা।"

"মইনো আকৌ কি কম। তুমি জানাই মোৰ ঘৰৰ অৱস্থাৰ কথা। তেনেস্থলতো যদি তুমি মোৰ লগত সম্বন্ধ কৰিব খুজিছা। মোৰ কবলৈ একো নাই বায়ন।"

"এৰা মই জানিছিলোৱে তুমি অমত নোহোৱা বুলি। কিন্তু মাষ্টৰ এটা কথা শুনিছো। আজিকালি বোলে বিকাশে সেই দিগন্ত চকিদাৰৰ ছোৱালীজনীৰ লগত বৰকৈ ঘূৰে। হয়নে মাষ্টৰ ? গতিকে সোনকালে বিয়াখন সমাধা কৰাই শ্ৰেয়ঃ । নে কি কোৱা মাষ্টৰ?"

"হ'ব হ'ব তুমি চিন্তা নকৰিবা। মই যাওঁহে এতিয়া।"

"ভাল বাৰু যাওঁক।" মাষ্টৰে বিদায় ললে। বহু আশাৰে শূণ্য মন এটা পূৰ কৰি। বাটত যাওঁতে ভাবি গ'ল। বায়নৰ দৰে মানুহৰ এজনৰ লগত মিতিৰালি কৰিব পাৰিলে বৰ ভাগ্য হ'ব। কিন্তু পিছমূহূৰ্ততে তেওঁৰ মন হতাশাৰে ভৰি পৰিল। বাপুকণৰ নিচিনাকৈ যদি বিকাশেৰো ঘৰ এৰি যাবলগীয়া হয়। তাতে যদি বায়নে কোৱা কথাষাৰো সচাঁ। সচাঁই নেকি বিকাশে সেই দিগন্ত চকিদাৰৰ ছোৱালীজনীৰ লগত বৰকৈ ঘূৰে। ভাবি মাষ্টৰ অস্থিৰ হৈ পৰিল। কেতিয়া আহি ঘৰ পালে গমকে নাপালে। পদূলি মুখৰ পৰাই তেওঁ বিকাশৰ মাত শুনিলে। কিবা এটা অজান আশংকাত মাষ্টৰৰ বুকুখন কঁপি উঠিল। লাহে লাহে তেওঁ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰ সোমাই তেওঁ হতভম্ব হৈ পৰিল। ইকি দেখিছে তেওঁ। কইনাৰ সাজত দিগন্ত চকিদাৰৰ ছোৱালী। লগত বিকাশ। চকুৰে সৰিয়হ ফুল দেখিবলৈ ধৰিলে মাষ্টৰে।

পিছ মূহূৰ্ততে খঙত অধীৰ হৈ তেওঁ বিকাশক তৰ্জন-গৰ্জন কৰিব ধৰিলে।

"তই কুলাঙ্গাৰ, তই মোৰ ল'ৰা হোৱাৰ যোগ্য নহয়। এজনী নীচ কুলৰ ছোৱালী আনি তই মোৰ বংশ-মৰ্য্যদা সকলো নাশ কৰি দিলা। জানা মই কাৰ লগত তোৰ বিয়াৰ বন্দৱস্ত কৰিছিলোঁ ।"

"জানো, জানো দেউতা। বায়নৰ ছোৱালী অৰুণিমাৰ লগত। তুমিও মত দিছিলা। কাৰণ বায়ন আভিজাত্য পৰিয়ালৰ। তেওঁৰ ছোৱালী তোমাৰ বোৱাৰী হৈ তোমাৰ গৌৰৱ আনিব। কিন্তু মই সেই আভিজাত্যক ঘিণ কৰোঁ। সেই আভিজাত্য তোমাৰ দৰে দৰিদ্ৰৰ ঘৰৰ বাবে নহয় দেউতা।"

"এয়া তুমি কি কৈছা বিকাশ। তুমিও তেনেহলে সঁচাই.......।"


"কোৱা দেউতা, যি আভিজাত্যৰ গৌৰৱত ওফন্দি তুমি দাদাক সমৰ্থন কৰিছিলা পাৰিলা জানো সেই আভিজাত্যক ধৰি ৰাখিবলৈ। আজি মোকো সেই পথকে অনুসৰণ কৰিবলৈ দিবা নেকি কোৱা।"

"নক'বা, নক'বা বিকাশ। আৰু নক'বা। এৰা মই এটা ডাঙৰ ভুল কৰিবলৈ ওলাইছিলোঁ। মই জনা নাছিলোঁ যে এইটো কি পথ আছিল। আজি মই বাপুকণক বৰকৈ অনুভৱ কৰিছোঁ অ' বিকাশ। আহ তহঁত মোৰ কাষলৈ আহ। তহঁতক মই হিয়া ভৰি আশীৰ্বাদ দিওঁ।"

"দেউতা!"

ক'ব নোৱাৰাকৈয়ে মাষ্টৰৰ হাতদুখন সিহঁত হালৰ মূৰৰ ওপৰত পৰিল। মাষ্টৰে দেখিলে অদূৰত দুটা সূৰ্য্য আগবাঢ়ি আহি আছে। সেই সূৰ্য্যৰ ৰশ্মিত কোনো উষ্ণতা নাছিল। আছিল তাত সুন্দৰ শীতলতা আৰু চকুচাট মাৰি ধৰা এক উজ্জ্বলতা। আনন্দৰ অতিশয্যাত মাষ্টৰে চকু দুটা মুদি দিলে।

-----



নেকিবুৰ ৰহমান
স্নাতক ২য় বৰ্ষ (ক'লা)

বহুদিনৰ মূৰত ঘৰলৈ ওলালো। যোৱা পূজাৰ বন্ধতে যি গৈছিলো- তাৰ পিছত আৰু যোৱাই নাই। পৰীক্ষাটো সুকলমে পাৰ হ'ল। পৰীক্ষাৰ আগৰ পৰাই ভাবি আছিলো পৰীক্ষা শেষ হোৱাৰ পিছদিনাই ঘৰ ওলাম। অৱশ্যে আজি পৰীক্ষা শেষ হোৱাৰ চাৰিদিন পিছতহে ওলালো তালিটোপোলা লৈ। মোৰ ৰুম-মেট জন যোৱাকালিয়েই গ'ল, হোষ্টেলৰ বাকী বন্ধুকেইজনক মাত লগাই ওলাই আহিলো বেগটোৰ সতে। ঘড়ীটোলৈ চালো - ৯.১৫ হৈছে। সোনকালে যাব লাগিব। মাছখোৱাৰ পৰা এখন **'Transport'** ৰাঙাপাৰালৈ যায় ৯-৪৫ত। মেইন ৰোড পোৱাৰ লগে লগে চিটিবাছ এখন পালো। মাছখোৱা পোৱাত বৰ বেছি সময় নালাগিল।

টিকট কাউণ্টাৰৰ ফালে খোজ ললো। মানুহৰ বৰ বেছি ভিৰ নাই। টিকটটো কাটি লৈ ওচৰৰ দোকান এখনৰ পৰা **wisdom** এখন কিনি গাড়ীত উঠিলোঁ। মোৰ আসন বাছখনৰ প্ৰায় মাজতে। ভালদৰে বহি লৈ কিতাপখন পঢ়াত

মন দিলো। অলপ পিছতে গাড়ী ষ্টাৰ্ট দিলে। এজন ২৫-২৬ বছৰীয়া যুৱক মোৰ কাষতে বহিল। মই যুৱকজনৰ ফালে লক্ষ্য নকৰি কিতাপ পঢ়াত মগ্ন হলো। ইতিমধ্যে গাড়ীৰ গতি বৃদ্ধি পালে। যুৱকজনে দুই-এবাৰ মোৰ ফালে চোৱা যেন অনুমান হ'ল। মোৰ কিছু অপ্ৰস্তুত লাগিল। মাজতে এবাৰ কিতাপৰ পৰা মুৰ ডাঙি তেওঁলৈ চালো- চকুৰে চকুৰে পৰিল। সামান্য লাজো লাগিল।

"কলৈ যাবা ভাইটি ?" -যুৱকজনে মোক উদ্দেশ্যি সুধিলে,

"ম... মঙ্গলদৈলৈ যাম" -মই উত্তৰ দিলো।

"ঘৰ ক'ত তোমাৰ ?"

"মঙ্গলদৈতে-২ নং ৱাৰ্ডত।"

"হয় নেকি, ময়ো ২ নং ৱাৰ্ডতে যাম।" -তেওঁ কিছু আগ্ৰহেৰে কলে।

"কাৰ ঘৰত যাব আপুনি ?" -মই সুধিলো।

"তাহেৰ আলী, চিনি পোৱানে ?"

"হয়... মোৰে খুড়া হয় তেখেত।"

"হয় নেকি... বৰ ভাল কথা তেন্তে।" তেওঁ সামান্য হাঁহিলে। ময়ো হাঁহিলো।

"খুড়াৰ ঘৰত কিয় যায়... কিবা কাম আছে নেকি?" -মই নম্ৰভাৱে সুধিলো।

"অলপ অফিচিয়েলি কাম আছে।" -তেওঁ মোৰ ফালে নোচোৱাকৈয়ে কলে।

মই একো নকলো। **wisdom** খনি পঢ়াত মন দিলো। গাড়ী চলি আছে। সম্ভৱ বাইহাটা চাৰিআলি পোৱাই নাই। দুই-এজন বয়সস্থ মানুহে "বোমা", "উগ্ৰপন্থী" আদিৰ বিষয়ে আলোচনা কৰি থকা শুনিলো।

"অসমখন যে কি হ'ল -চাৰিওফালে বোমা, উগ্ৰপন্থী, আৰ্মি -সকলোৰে আতংক" - মোৰ কাষৰ যুৱকজনে মোলৈ নোচোৱাকৈয়ে ক'বলৈ ধৰিলে -"যোৱাকালি যে কি হ'ল ... এক অদ্ভুত কাণ্ড ঘটিল।" তেওঁ কৈ গ'ল, "সন্দিকৈ কলেজত যোৱাকালি এখনি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছিল। ময়ো গ'লো তালৈ। আসনত বহি কাৰ্য্যসূচী উপভোগ কৰি আছো। হঠাৎ "ষ্টেজ'ৰ পিছফালে কিবা গণ্ডগোল হোৱা শুনিলো। কি হৈছে তাকে চাই আহিবৰ বাবে চকীৰ পৰা উঠিব খোজোতে 'মাইক'ত ঘোষণা কৰা শুনিলো- "ষ্টেজৰ পিছফালে এটা গৰাকীবিহীন বেগ পৰি আছে ... যদি কোনোবা গৰাকী আছে তেনেহলে ততালিকে আমাক জনাব লাগে।"

লগে লগে হুলস্থূল লাগি গ'ল। সকলোৱে সন্দেহ বেগটোত নিশ্চয় বোমা আছে। কিছুসংখ্যকে সভাস্থলী ত্যাগ কৰিলে। হঠাৎ আন এটি অদ্ভুত কাণ্ডই মানুহবোৰৰ ভয় দুগুণ বঢ়ালে। 'মাইক'ৰ মেছিনত কিবা গণ্ডগোল হৈ "চাউন্দ বক্স'ত বৰ বেয়াকৈ এটি শব্দ হ'ল। মানুহবোৰে ভাবিলে নিশ্চয় বোমাই। সকলোৱে উধাই-মুধাই দৌৰাত লাগিল।" -তেওঁ হাঁহি সামৰি কিছুসময় বৈ আকৌ আৰম্ভ কৰিলে-

"কিন্তু শেষত যেনিবা বেগটোৰ গৰাকী ওলাল। বেগটোৰ গৰাকী এজন নাট্যকাৰ যুৱক। তেওঁ নাটকৰ সামগ্ৰীৰে ভৰ্ত্তি বেগটো তাতে থৈ হেনো প্ৰচাৰ কৰিব গৈছিল।" -কথাখিনি কৈ তেওঁ সজোৰে হাঁহি দিলে। হাঁহিত ময়ো যোগ দিলো।

খিৰিকীৰে বাহিৰলৈ চালো। মঙ্গলদৈ পাবলৈ বেছি দূৰ নাই। বাছখনৰ মানুহবোৰলৈ চালো- কিছুমানে টোপনিয়াই আছে, কিছুৱে বাতৰি কাকত পঢ়ি আছে, গাড়ীখনৰ ইঞ্জিনটোৰ মাতৰ বাহিৰে মানুহৰ মাত অকণো নাই.... সম্পূৰ্ণ নিস্তব্ধ।

"ক্ৰিং...ক্ৰিং...ক্ৰিং..." হঠাৎ গাড়ীখনৰ ভিতৰত এক অবিৰাম "ক্ৰিং...ক্ৰি" শব্দ বাজিবলৈ ধৰিলে। মানুহবোৰে

একেজাপে উঠি চিঞৰি দিলে-" বম্ব, বম্ব, হেই গাড়ী ৰখোৱা", গাড়ীখনত লগে লগে টাইম বম্ব'ৰ আতংকই দেখা দিলে, ড্ৰাইভাৰে গাড়ীখন ৰখালে। মানুহবোৰে গাড়ীৰ পৰা নামিবলৈ হেতা-ওপৰা লগালে। সকলোৱে সাম্ভাৱ্য মৃত্যুৰ কথা ভাবি ভয়তে শিয়ৰি উঠিল। গাড়ীৰ পৰা নামি মানুহবোৰ যেনিতেনি দৌৰিবলৈ ধৰিলে। মই আৰু যুৱকজন-দুয়ো ততালিকে নামিলো আৰু পথাৰলৈ দৌৰ দিলো। তেতিয়াও গাড়ীৰ ভিতৰত "ক্রিং...ক্রিং"কৈ বাজিয়েই আছিল। বাছখন একেবাৰে খালি হৈ গ'ল। বেছিভাগ মানুহে ৰাস্তা এৰি পথাৰৰ মাজ পালেগৈ। কিছুসময়ৰ পাছত শব্দটো বন্ধ হ'ল। ১ মিনিট...২মিনিট....৫মিনিট ... ১০ মিনিট .. ২০ মিনিট বোমা নুফুতেহে নুফুতে। অৱশেষত এজন সাহিয়াল মানুহে বাছখনত উঠি গ'ল আৰু চিটৰ তলত থকা বেগ দুটামান টানি উলিয়াই আনিলে। তেওঁ বেগবোৰ এটা এটাকৈ খুলি চালে। অৱশেষত এটা খুলি তেওঁ সজোৰে হাঁহি দিলে। তেওঁ বেগটোৰ পৰা এটা এলাৰ্ম দিয়া টেবুল ঘঁড়ী উলিয়াই আনিলে। এইবাৰ তেওঁ থিয় হ'ল আৰু চিঞৰি চিঞৰি কবলৈ ধৰিলে- "এয়া চোৱা, বম্ব টাইম বম্ব... হাঃ হাঃ হাঃ"

মানুহবোৰে দূৰৰ পৰাই চাই আছিল। পিছত যেনিবা সাহ পাই মানুহজনৰ ফালে আগবাঢ়িল। ময়ো আগবাঢ়িলো। দুই এজনে তেতিয়াও বোমা বুলি ভাবি দূৰতে থাকিল। মই ওচৰ পাই দেখো যে ঘঁড়ীটো মোৰ। মানুহজনৰ কাষত থকা বেগটোও মোৰে দেখোন ! তাৰমানে মোৰ বেগটোৰ পৰাই ঘঁড়ীটোৱে এলাৰ্ম দিছিল। মনত পৰিল বেগটোত কাপোৰ ভৰাই থাকোতে মোৰ ৰুমলৈ মোৰ বন্ধু লক্ষ্য আহিছিল। সি ঘঁড়ীটো চাবি দিয়া দেখিছিলো। নিশ্চয় সিয়ে এলাৰ্ম দি থৈছিল।

"কাৰ বেগ এইটো, কাৰ বেগ...."

মই পাহৰিয়েই গৈছিলো। মই আগবাঢ়ি গ'লো।

"দাদা বেগটো মোৰ, ক্ষমা কৰিব ।"

তেওঁৰ হাতৰ পৰা বেগটো লৈ গাড়ীত উঠিলো। কিছু মানৰ মোলৈ খঙ উঠিছিল সম্ভৱ.... মুখৰ ভিতৰতে ভোৰভোৰাব ধৰিলে। আনকেইজন মানে ঘটি যোৱা ঘটনাটোকে আওৰাই হাঁহিব ধৰিলে।

গাড়ী আকৌ চলিল।

"ভাল দৌৰালা দে তুমি ; বোমাৰ কথা কওঁতে বোমাৰে পাল্লাত পৰিব লগা হ'ল।" -যুৱকজনে হাঁহি হাঁহি মোৰ কাষত বহিল।

মোৰ কথা ক'বৰ মন যোৱা নাছিল। সেয়েহে তেওঁৰ ফালে চাই মিচিকিয়াই হাঁহিলো। চকু দুটা মুদি দিলো।

"বোমাৰ ভয়ত কিতাপো যেতিয়া পলাই মানুহ কিয় নপলাব" -এই বুলি কৈ তেওঁ (যুৱকজনে) হাউলি গৈ তেওঁৰ ভৰিৰ কাষৰ পৰা wisdom খন তুলি আনিলে। দুয়ো সজোৰে হাঁহিলো।

গাড়ীখনৰে গ'ল দেখোন, ষ্টাৰ্টো বন্ধ কৰিলে। তাৰ মানে মঙ্গলদৈ পালোঁ।

-----

বিঃদ্ৰঃ- সত্য ঘটনাৰ আধাৰত লিখা। -লিখক।

# এটা গল্পৰ প্লট বিচাৰি

শ্ৰীৰমেন নাথ
স্নাতক ৩য় বৰ্ষ (ক'লা)



ক্ৰিং ক্ৰিং..। আকৌ ফোন বাজিব ধৰিলে। হয়তো সেই লোক কেইজনে আকৌ এবাৰ খবৰ ল'ব বিচাৰিছে। ৰিছিভাৰটো তুলি ধৰিলো। হেল্ল' চলিহা স্পিকিং হিয়াৰ সিফালৰ পৰা গহীন কণ্ঠ শুনা গ'ল। 'মিঃ চলিহা, আপোনালৈ দুদিন পিছতেই 'order' পঠাই আছো। আশাকৰো আমাক নিৰাশ নকৰিব।' হেল্ল' হেল্ল' পুনৰ কিবা সুযোগাযোগ কৰিব বিচাৰিলো যদিও বিপৰীত ফালৰপৰা ৰিছিভাৰ থোৱাৰ শব্দহে শুলা গ'ল। আচলতে ক'ত কি হ'ল মই ধৰিবই নোৱাৰিলো। হঠাৎ শ্ৰীমতীৰ আৱিৰ্ভাব হ'ল। হয়তো ফোনৰ কথোপকথন বান্ধনি ঘৰৰ পৰাই শুনি 'সবিশেষ'. জানিবলৈ মোৰ ওচৰ পাইছিলহি। দেখিলো মুখখন লেৰেলি গৈছে। হয়তো 'অৰ্ডাৰ'ৰ কথা শুনি মনত ভয় সোমাইছে। অৱশ্যে কথাটো মৰো মন নকৰা নহয়। তথাপি তেওঁক সাহস দিলো। 'নাই বিশেষ ডাঙৰ কথা নহয়, ভোক লাগিছে যোৱা সোনকালে ভাত বনোৱাগৈ।' দুই মিনিট হবলৈ সম্ভৱ সাত চেকেণ্ডমান বাকীয়েই আছে আকৌ 'ক্ৰিং ক্ৰিং...।'

ৰিছিভাৰ তুলিলো।

আনটো মূৰৰ পৰা ভাহি আহিল 'ছাৰ, আপোনাক আকৌ আমনি কৰিলো। আমাৰ গল্পটো লিখিছেনে। গল্পটোৰ বিষয়বস্তু যাতে বাস্তৱ জীৱনৰ লগত মিল থাকে।' মই ক'লো, 'তোমালোকক গল্পটো কিমান দিনৰ ভিতৰত লাগে।' উত্তৰ আহিল 'পোন্ধৰ দিনৰ ভিতৰত।' 'অহা পাঁচ তাৰিখে খবৰ কৰিবা' বুলি কৈ ৰিছিভাৰটো থৈ দিলো। দেখিলো ওচৰত কাবেৰী মানে মোৰ শ্ৰীমতী বহি আছে। কিবা 'অজান আশংকাত হয়তো ক্ৰিং ক্ৰিং শব্দ শুনিয়েই মোৰ ওচৰ পাইছিলহি। মই মিচিকিয়াই দিলো। কাবেৰীয়ে এক অবুজ হাঁহি মাৰি পাগঘৰলৈ আহ বাটে উভতিল। শ্ৰীমতীৰ সেই হাঁহিত মই যেন অতীতক স্মৰণ নকৰি নোৱাৰিলো। চিনেমাৰ 'ৰিল'ৰ দৰে চকুৰ আগত ভাহি উঠিল কলেজীয়া জীৱনৰ মধুময় ঘটনাবোৰ। এই হাঁহিটোৰ বাবেই মই যে এদিন পাগল হৈছিলো। কল্পনাৰ সাগৰত বুৰ মাৰোতে টোপনিয়ে মোক আগুৰি ধৰিলে। হঠাৎ এজন অচিনাকি মানুহ মোৰ কোঠালৈ সোমাই আহিল। মোৰ লগত অকাৰণতে কথা কটাকটি কৰিব ধৰিলে। মোৰো খং উঠি গ'ল। তাৰপিছত হতাহতি আৰম্ভ হ'ল। খঙত একো নাই হৈ চিঞৰি দিলো। কাৰণ মোৰ পিঠিত মানুহ জনে প্ৰকাণ্ড গোৰ এটা সোধালে। কিন্তু ইকি ওচৰত দেখোন শ্ৰীমতীহে। অ' তাবমানে সপোনহে আছিল বুজি পালো। ইমান ভৰ টোপনিত পৰিছেনে অথনিৰে পৰা মাতি থাকোতেও সাৰ পোৱা নাই,' শ্ৰীমতীৰ কণ্ঠ শুনা গ'ল। বৰ ডাঙৰ শব্দ কৰি হাঁহি উঠিলো আৰু সপোনটোৰ কথা তেওঁক ক'লো। দেখিলো, তেওঁৰ মুখখন দ্বিতীয়বাৰৰ বাবে সেমেকি গ'ল। মই ক'লো তোমাৰ মনত ইমান কিহৰ চিন্তা সোমাল! অৱশ্যে মোৰ মনটো এটা ভয়ৰ খু-দুৱনি উপজিল। প্ৰথমবাৰ টেলিফোন কৰা কথাখিনি আৰু সপোনটোৰ মাজত যেন কিবা এটা সম্পৰ্ক আছে। হঠাৎ আমাৰ একমাত্ৰ পুত্ৰ সন্তান ৰিন্নু সোমাই আহিল। তাৰ বৰ ভোক লাগি আহিছে। মাকৰ ওচৰত ভাত বিচাৰিলে। মাক ৰান্ধনিঘৰলৈ গ'লগৈ। অলপ পিছতেই শুনা গ'ল ''বাবা ভাত খাবলৈ আহা, দেউতাবাকো লৈ আহা।'' ভাত খাবলৈ গ'লো। মাজে মাজে কাবেৰীলৈ বুলি কোৱা বাক্যষাৰ পুনৰ দেহাৰিলো 'তুমি আৰু কিমান ৰান্ধনিঘৰ ওকাতিবাহে।' একেই উত্তৰ 'নিজৰ স্বামী পুত্ৰকেই যদি ৰান্ধি বাঢ়ি খুৱাব নোৱাৰে সেইজনী বাৰু পত্নী বা মাতৃ নামৰ যোগ্যনে ? তথাপিও এই ৰবীন চলিহাৰ দৰে চৰকাৰী উচ্চ পদস্থ বিষয়াৰ উচ্চ শিক্ষিতা পত্নীয়ে ভাত ৰন্ধাৰ কথাটো আনে জানিলে যে হাঁহিব সেইটো তেওঁক বুজাবলৈ বৃথা চেষ্টা কৰিলো। অৱশ্যে ময়ো শ্ৰীমতীৰ বলিষ্ঠ আৰ্হিৰ বাবে গৌৰৱান্বিত।

আজি দেওবাৰ। বিশেষ কোনো কাম নাই। সেইবাবে নাৰ্চাৰীত পঢ়ি থকা মোৰ পাঁচ বছৰীয়া ল'ৰা ৰিন্নু অৰ্থাৎ বাবাৰে সৈতে নানা ধৰণৰ ধেমালি কৰি বিচনাত বাগৰ দিলো।

উচ্চ পদস্থ বিষয়া হলেও মোক লেখক হিচাপেহে বেছিভাগ মানুহেই চিনি পায়। মোৰ ঠিকনা ক'ৰপৰা যে মানুহবোৰে সংগ্ৰহ কৰে ভাবি আঁচৰিত হওঁ। বিভিন্ন ধৰণৰ চিঠি মোলৈ আহে। কিছুমানে আলোচনীত গল্প লিখি দিবৰ বাবে আন কিছুমানে আকৌ নতুন ধৰণৰ উপন্যাস সৃষ্টিৰ বাবে তাগিদা দি চিঠি লিখে। আনহাতে কিছুমানে মোৰ সতে বন্ধুত্ব গঢ়ি তোলাৰ মানসেৰে চিঠি লিখে। আটাইতকৈ মজাৰ কথাটো হ'ল কিছুমান কলেজীয়া ছোৱালীয়ে মোলৈ ধুনীয়া ভাষাৰে 'প্ৰেম পত্ৰ'ও লিখে। সেইবোৰ অৱশ্যে কাবেৰীকো দেখুৱাও। কেতিয়াবা কাবেৰীৰ লগত ধেমালি কৰো 'তুমি বন্ধা বঢ়াৰ পৰা বেহাই পাবা আৰু এজনী আনোৱেই দিয়া তেওঁ বুজি পাই হাঁহে আৰু ওচৰৰ পৰা আঁতৰি যায়গৈ। যদিও মই নামজ্বলা লিখক তথাপিও মই

গল্পৰ প্লট বিচাৰি হাহাকাৰ কৰিব লাগে। কোনটো বিষয়ৰ ওপৰত গল্প লিখিম তাকেই ঠিক কৰিব নোৱাৰো। আজিও মই যোৱা দুদিন আগতে ফোনেৰে অনুৰোধ কৰা লোক কেইজনৰ বাবে গল্পৰ প্লটৰ সন্ধানত ভাবৰ বুৰবুৰণিৰ মাজত বিলীন হৈ গৈছিলো। নিবনুৱা সমস্যাৰ ওপৰতেই লিখো নে ঘৰুৱা সমস্যাৰ ওপৰতেই লিখো নে আন সমস্যাৰ ওপৰতেই লিখো তাকে ভাৱি থাকোতেই পিয়নটোৱে মোৰ ভাৱত আউল লগাই দিলে। ছাৰ এখন চিঠি আছিল? তাৰ মাততহে মই সম্বিত ঘূৰাই পালো। শ্ৰীমতীও ওচৰ চাপি আহিছিল। মই তেওঁক চিঠিখন ড্ৰয়াৰত থৈ দিব দিলো যদিও তেওঁৰ মুখত ফুটি উঠিল এটা ভয়ার্ত ভাব। 'থৈ দিয়ানা', মই আকৌ এবাৰ কলো। 'কিয় মনত নাই, আজি যে কিবা order অহা কথা আছিল। শ্ৰীমতীৰ ভয়াৰ্ত মাত শুনা গ'ল। অ' হয়তো মই মনত পৰাদি কলো। খৰধৰকৈ খুলি চাই দেখো টকা দাবী কৰি লিখা চিঠি। অহা তিনি তাৰিখে পঞ্চাশ হাজাৰ টকা দিব লাগে নহ'লে পুত্ৰ-পত্নী সকলোকে হেৰুৱাব লাগিব। শ্ৰীমতী থৰ্থৰ্কৈ কঁপিব ধৰিলে। তেওঁক উদ্দেশ্যি মোৰ মুখেৰে উচ্চাৰিত হ'ল 'বিপদত ধৈৰ্য্য ধৰা উচিত।' বিল্লুক চালো, সি পৰম তৃপ্তিৰে টোপনি গৈ আছে। চিঠিত টকা দিবলগা সময় আৰু ঠিকনাও লিখা আছিল। পুলিচক জনালে যে বিপদ হ'ব সেইটো আছিল চিঠিখনৰ বিশেষ দ্ৰষ্টব্য। মই বৰ বিবুধিত পৰিলো। আৰু সাত দিন পিছত টকা দিব লাগিব নহ'লে জীৱনৰ তথা সংসাৰৰ সংশয়। অজানিত ভাবেই 'ভগৱান' শব্দটো মোৰ মুখেৰে উচ্চাৰিত হ'ল।

চাওঁতে চাওঁতে দুদিন গ'লেই। সিদিনা অফিচত এখন চিঠি পালো। সেইখন অইন একো নহয় মোৰ ট্ৰেন্সফাৰৰ অৰ্ডাৰ। এই ঠাই টুকুৰাত চাকৰি কৰিব বহুদিন হ'ল। ঠাইখন মই থকা আন ঠাইবোৰতকৈ বহুত ভাল পাইছিলো। হয়তো এনেকুৱা পৰিস্থিতিৰ সৃষ্টি নহ'লে ইয়াৰ পৰা যাবলৈ বেয়া লাগিলহেঁতেন। ভাবিলো ঈশ্বৰে যি কৰে ভালৰ অৰ্থেই কৰে। মনে মনে ভগৱানক ধন্যবাদ জনালো। কথাটো কাবেৰীয়ে শুনি আনন্দতে সাৱতি ধৰিলে। মই মনে মনে পঞ্চাশ হাজাৰ টকা যোগাৰ কৰিছিলো যদিও সেয়া নিৰৰ্থক বুলিয়েই ভাবিলো। তিনি তাৰিখৰ আগতেই ইয়াৰ পৰা বিদায় লম বুলি ভাৱিছিলো যদিও নতুন জনক চাৰ্জ দিহে 'ৰিলিজ' লব লাগিব। এইটো যে চৰকাৰৰ নিয়ম। গতিকে থাকিব বাধ্য হ'লো। এইবোৰৰ মাজত সোমাই লিখা মেলা কৰিব পৰা মানসিকতা বৰ্তমান মোৰ নাই। আন হাতে মানুহ কেইজনক গল্পটো লিখি দিম বুলি কথাও দি থৈ দিছো। আলোচনী খনত যে মোৰ গল্প এটা প্ৰকাশ হ'ব সেইটো ভালদৰেই 'প্ৰচাৰ' কৰিছে। গতিকে কথাটো বৰ বেয়া হ'ব। এই পৰিস্থিতি মাজতো গল্পৰ কথা চিন্তা কৰিবলৈ বাধ্য হৈছো, নাই কোনো প্লট এটাও বিচাৰি পোৱা নাই। আনহাতে মনতে ঠিৰাং কৰিছো যে মই পুলিচৰ সহায় লম। কাইলৈৰ পৰা বিল্লুৰ স্কুলত যোৱা বন্ধ। কিন্তু এতিয়া চাৰি বজালৈকে গি স্কুলৰপৰা অহা নাই কিয়। সময় উকলি যোৱাত শ্ৰীমতীও ব্যাকুল। অনুৰোধৰ সুৰত তেওঁ মোক কলে, 'হেৰি যাওঁকচোন। বাবাক স্কুলৰ পৰা লৈ আহকগৈ। স্কুলত কিখন বা কৰি আছে ল'ৰাটোৱে।' মই অলপো পলম নকৰি এম্বে ছাদৰখন ষ্টাৰ্ট কৰিলো। স্কুলত গৈ দেখো গেটত তলা লগোৱা আছে। মই হতভম্ব হৈ গ'লো। থানাত খবৰ কৰাৰ কথা ভাবিও আগেয়ে ঘৰলৈ গ'লো কিজানিবা কোনোবা পাকেৰে সি ঘৰ পালেগৈ। গৈ দেখো শ্ৰীমতীয়ে কান্দি কাটি হুলস্থূল কৰি আছে। ওচৰতে এখন চিঠি। ধৈৰ্য্য সহকাৰে চিঠিখন পঢ়ি চাই বুজিলো যে পূৰ্ব নিদ্ধাৰিত সময়ৰ বহু আগতে অৰ্থাৎ এতিয়াৰ পৰা দুঘণ্টাৰ ভিতৰত টকা জমা দি ল'ৰা চমজাই লব পাৰিম। থানালৈ যোৱাৰ আশা এৰি


ভিতৰলৈ গৈ টকাখিনি গণি ললো আৰু এক চেকেণ্ড সময়ো অথলে যাবলৈ নিদি গাড়ী অভিমূখে খোজপেলালো। এনেতে শুনিলো আকৌ ফোনৰ শব্দ। দৌৰিগৈ ৰিছিভাৰ ডাঙি ধৰিলো। বিপৰীতৰ কণ্ঠ 'চিঠিৰ মতে কাম কৰক, অকণ মান চালাকি দেখুৱাব বিচাৰিলেই ৰিন্ধুক গুলি কৰি দিম।' মই একো ক'বই নোৱাৰিলো। আকৌ শুনিলো 'এতিয়া ৰিন্ধুৰ লগত কথা পাতক।' ৰিন্ধুৱে বৰ ভয়াৰ্ত কণ্ঠেৰে কলে 'দেউতা মোক বচাওক।' ৰিছিভাৰ থোৱাৰ শব্দ শুনিলো। পলম নকৰি গাড়ীত বহিলো ওচৰতে শ্ৰীমতী। নিৰ্দিষ্ট ঠিকনাত টকা জমা দি কোনো 'চালাকি' নেদেখৱাই ল'ৰাটো চমজাই ললো। অহাকালি মানে কাইলৈ যামগৈ গতিকে গল্পটোৰ বিষয় বস্তু সম্পৰ্কে ভাবিলো। এইবাৰ বেছি সময় ভাবিব লগা নহ'ল। মনত এটা বুদ্ধি খেলালে। এইমাত্ৰ হৈ যোৱা মোৰ নিজৰ ঘটনাটিকেই দেখোন গল্পৰ আকাৰত ৰূপ দিব পাৰো। ও, তাকেই কৰিম এইখিনি কথাকেই এটা গল্প আজি মানুহ কেইজনক দিব লাগিব।

---

আলোচনীখনৰ ছপা কাম চলি থকাৰ বাবে যুৱ মহোৎসৱৰ পৰা গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলৰ নাম আৰু ফটো দিব পৰা ন'গল

সম্পাদক

# প্রয়োজনহীনতাৰ প্ৰয়োজন



--- প্ৰয়োজন ! প্ৰয়োজনত ইজনে সিজনক বিচাৰে যিটো আকলশৰে কৰা অসাধ্য। কষ্টকৰ কাম। আনহাতে আকৌ যিটো সমিল-মিলভাৱে কৰিব লাগে তাতো এক শ্ৰেণীৰহে প্ৰয়োজন আন এক শ্ৰেণীৰ প্ৰয়োজনেই নাই এনেহেন। উচ্চনীচ মনৰ পয়োভৰ ঘটে।

বসন্তৰ আগমন ঘটিল। ৰঙালীৰ ৰঙতে সুউত্তাল ধ্বনিত গছ বিৰিষে পিন্ধিলে ন ন সাজ। ফুল বনে ধেমালী কৰিছে। তাৰে আনন্দত মতলীয়া বিহগে গাব লাগিছে নিঃ স্বাৰ্থ প্ৰেম গীত। মৃদু মৃদু মলয়া বতাহ জাকত বিয়পি পৰিছে গীতৰ আনন্দ মধুৰ জোৱাৰ। বিশ্বজগতত যেন একোৰে অভাৱ অনাটন নাই ঠিক তেনে ভাব জাগি উঠিছে। ৰ'দালীৰে ভৰা এই চিকুণ সময়ত বিশ্বই নিৰাশ বিহীন আনন্দৰ সঁচা সপোন দেখাইছে। নাই খেদ। নাই দুখ ভাগৰ।

বিহু অসমীয়া জাতিৰ বাপতি সহোসন। হেজাৰ ডেকা গাভৰুৱে গীত-বাদ্যৰ চেৱে চেৱে গোপন প্ৰেমৰ প্ৰেম বিনিময়

কৰে মুকলি পথাৰৰ আঁহতৰ তলতে। কি যে আনন্দ মধুৰ মোহময়ী পৰিৱেশ সেয়া বাৰু ! আমাৰ গাঁৱতো বিগত বছৰ কেইটিৰ দৰে এইবেলিও জিলা ভিত্তিত ৰঙালী বিহুৰ পাতিবলৈ যো-জা চলিছে। বিহুৰ কাম কাজ সুকলমে চলাবলৈ ক্লাবৰ ল'ৰা সকলে বহল আঁকাৰে মিটিং মাতিছে। কোনোবা কোনোবালৈ আমন্ত্ৰণী পত্ৰও প্ৰেৰণ কৰিছে। আজি কৰ্ণধাৰণ সমিতি গঠন কৰা হৈ গ'ল। গাঁৱৰে ভদিয়া দাদাই মিটিঙত আমন্ত্ৰিত নহ'ল। অযোগ্য। প্ৰয়োজনহীন। ভদিয়াৰ মনত এটাই মাত্ৰ খেদ উপজিল তেওঁ এইবাৰেই নহয় প্ৰতিবছৰে কোনো এখন মিটিং শুনিব পোৱা নাই। নামাতে। তথাপি দুখীয়া হ'লেও ভদিয়া দাদায়ে বিহুতলীত বিহুনাচ হওঁক বুলি এইবেলিও বাঁহ-বেত আৰু পাঁচ দহ দান/বৰঙণি দিছে।

জাকজমকতাৰে সজাইছে বিহুতলীখন। কত জনে আনন্দতে উত্ৰাৱল হৈ দৌৰা দৌৰিখন লগাইছে। বিহুতলীৰ ফিটা কাটি দ্বাৰ মুকলি কৰিলে গাওঁ পঞ্চায়তৰ সভাপতি বিভূতি ৰঞ্জণ চৌধুৰীয়ে। লগে লগে উদ্বোধনী বিহুগীত গাব লাগিছে গাঁৱৰে চেমনীয়া বিহুৱা দলে।

ভদিয়া দাদাইৰ গাৰ কাষেদি এজন দুজনকৈ বহু মানুহ জুমে জুমে বিহু নাচ চাব যাব লাগিছে। অসহ্য গৰমত ৰহিব নোৱাৰি মই চাৰ্টৰ হাত কোচাই কোচাই বিহুতলীলৈ বুলি খোজ ধৰিছো। ভদিয়া দাদাই হেঙাৰ বেঢ়ি থকা দেখি ওচৰ চাপি সুধিলো,- দাদাই বিহু নাচ চাবলৈ নাযায় নেকি ?

"হেৰ' বিহু নাচ যাম কেনেকৈ ! আজৰিয়ে নাই। এই দেখিছই নহয় চাই থাকোতেই ছাগলী পোৱালীটো ভিতৰত সোমাল। হায় ! হায় !! চুঃ চুঃ চুঃ ...। বুঢ়া হৈ আহিলো এতিয়া আৰু কেলেই। সেইখন আমাৰ দৰে মানুহৰ বাবে নহয় নহয় !" -আবৈয়াল ভদিয়াই আক্ষেপেৰে কলে।

কিয় ? বিহু সকলো বিলাক মানুহৰ বাবেই। গোটেই অসমীয়া জাতিটোৰ বাবেই। আপুনি তেনেকৈ ভাবিছে কিয় ? -মই নিকনি ধৰিছো প্ৰায়।

"তই নুবুজ অ' বোপা। মই সেইটো কোৱা নাই নহয়। টকা থকা বৰমূৰীয়া সকলকহে কৈছো। সিহঁত কসকলৰ কাৰণে আমি মানুহেই নহওঁ। বিহুত মই এপইচা দিছো। তাত মোৰ কোনো এটা কথা নাই। তহঁত ল'ৰাহঁতক বেয়া নাপাওঁ নহয়। কিন্তু বৰমূৰীয়াহতৰ ডাঙৰ ডাঙৰ কথাবোৰ নুশুনো। সেয়ে নাযাওঁ।" -আবেগিক ভাবে ভদিয়াই কলে।

কিন্তু আপোনাৰ ছোৱালী ৰিণ্টিয়েওতো আমাৰ চেমনীয়া বিহুদলত নাচিব লাগিছে। সিহঁতকে এবাৰ নোচোৱাই থাকিব জানো ? -জোৰ দি ক'লো।

"চাই কিটো হ'ব বোপাই। বিহু নাচৰ ভাল বেয়া মই কিটো জানিম।" -দীঘল হুমুনিয়াহ কাঢ়ি ভদিয়াই ক'লে।

পিছে দাদাই নাযাবয়ে নেকি ? এইবোৰ কথা এতিয়া এৰক। আপুনি এপাক যাব। ময়ে ক'লো। -একপ্ৰকাৰ দাবী দি ক'লো।

"এইবাৰলৈ নাযাওঁ দে। ঘৰখনকে ৰখিছো। বাকীবোৰ গৈছে নহয়। তই বেয়া নাপাবি। ভগৱানে বিহুতলীখন কুশলে ৰাখক আৰু।" - দীৰ্ঘায়ু কামনা কৰি ভদিয়াই কলে।

মই তেনে আহো দাদাই। - বিদায় ললো।

"অ' অ' যোৱা বোপাই।" -ভদিয়াই বিদায় জনালে।

এচাম ধনী শ্ৰেণীৰ মানুহে নিজে নিজৰ প্ৰয়োজন পূৰণ কৰি পিছৰ সমাজ খনলৈ আৰু ফিৰি চাবলৈকে আহৰি নাই। সেই বিভূতি ৰঞ্জণ চৌধুৰীয়ে এটা সময়ত ভোট বিচাৰি সমাজৰ স্বাৰ্থৰ হকে বক্তৃতাৰ ফুলজাৰি মাৰি বহু আশ্বাস দি বহু কথাই কৈছিল। আঁখৈ ফুটা মুখ খনেৰে কওঁতে সকলোবোৰ হ'ল যেনেই লাগিছিল। কিন্তু আজি ক'তা সেইবোৰ ? ভদিয়াৰ মনতো বহু কথাই থৌকি-বাথৌ লগাবলৈ ধৰিলে।

"মোক কোনোৱে ক'তো খবৰকে নকৰে। কৰিবই বা

কিয়। আমি সেই সকল মানুহৰ বাবে একোৱেই নহয়। অযোগ্য। আমি জানো মানুহ নহয় ? মানুহ হোৱা হেতু দুই এপদ কিঞ্চিত মান হ'লেও বিহুৰ বাবদেই হওঁক সহায় দিছো। আমাৰ দেখোন মূল্যই নাইচোন ! ময়ো চাই লম মোৰ মূল্য আছেনে নাই। চাল্লা, সভাপতিকে মোৰ চোতাল খুচুৱাম। সিহঁতে আমাৰ নিচিনা মানুহক কেৰেপকে নকৰে। নাচায়। বিপদতো সহায় কৰিব টান পায়। কিজানিবা ধাৰ নোসোধাৱেই।"

বামতো ফুৰি ফুৰা নাৱতো চৰিব জনা ভদিয়া সমাজৰ একো এটা চিদ্ৰত পৰা বিধৰ নহয়। সমাজৰ এচামলোকৰ নিৰ্বোধ বোধে তেওঁৰ জেদি মনৰ মনোভাৱক তলৌ-বলৌকৈ লৈ ফুৰাইছে সেই বৰমূৰীয়া সকলৰ কামৰ কূট কৌশলৰ চাঙি দেখি। সিহঁতসকলৰ ওপৰত খঙতে একো নাই হৈ ভদিয়াই মনতে 'প্ৰয়োজনহীনতাৰ প্ৰয়োজন' বিষয়ৰ পৰীক্ষা এটি পাতিলে। নঙলাৰ আগৰ বৰধানতলীয়া মাটি খিনিকে একেবাৰে খৰিদ কৰি দিব বুলি।

"বুজিম মোৰ কিমান প্ৰয়োজন হয়।" -কৈ কৈ ঘৰৰ ভিতৰ সোমাল।

"অ' বোলো ভদিয়া আছ নে ? অ' ভদিয়া....।" -ভদিয়াৰ বন্ধু বাখৰে মাত লগালে।

"অ' আছো আছো বাখৰ।" -কাম এৰি আথে-বেথে বাখৰক মুঢ়াটোত বহিব আগবঢ়াই দিয়ে। আন দিনাৰ দৰে ধপাত এচিলিম জ্বলাই আনি দুয়ো হুপিবলৈ ধৰে। বাখৰক কথা শুনালে অলংকাৰৰ মণি চিটিকাৰ দৰে কথাবিলাক গাওঁখনৰ ইমূৰৰ পৰা সিমূৰলৈ বিৰিঙি যায়। কথাৰ ছেগ্ বুজা ভদিয়াই বাখৰকে 'পৰীক্ষা' টোৰ কথা ক'লে-

"কিন্তু এটা কথা বাখৰ। ৰাস্তাৰ কাষৰ সুবিধাৰ মাটি। দামো সেই হিচাবে হ'ব। ---ত-য়ে গ্ৰাহক এটা দিব নোৱাৰ নে ?"

"হ'ব দে। তোৰ চিন্তা কিহৰ ? মাটি কিনা মানুহ নোলাবনে হে ? চাউলৰ বজাৰত লাইন পতাৰ দৰে লাইন ধৰিব। চাই থাকচোন বাৰু তই। পিছে মাটিখিনি কিয় বেছিব লইছ ? তোকে নালাগিব জানো ?? তোৰ ল'ৰাও বোলোতে এহাল। সিহঁতৰো সংসাৰ পাতিবৰ হ'ল। নে মই ভুল কৈছো ?" -বাখৰে সুধিলে।

"নহয় অ' বাখৰ। মোৰ কথাবিলাক তই বুজিব পৰা নাই। তই জানো কাৰোবাৰ কেতেৰ- জেঙেৰ শুনি থাকিব পাৰ ? বদনৰ বিয়াৰ নামত নগদ পাঁচ হাজাৰ টকা অকন মহাজনৰ পৰা ধাৰলৈ আনিছো। আনিছো যেতিয়া ধাৰ সোধাবতো লাগিব। বহুচিন্তাই মোৰ মুৰটো কিটিং কিটিঙকৈ কামুৰিব ধৰিছে। সি এতিয়া ভাইৰ ভাগলৈ মোৰ পৰা আঁতৰি গ'ল। তাৰ মনৰ ইচ্ছা পুৰণ হ'ল। এই লেনা-দেনাবোৰ মোৰ গলৰ মাদলি হৈ গ'ল। টকা মই লৈছো যেতিয়া ময়েই ধাৰ সোধাব লাগিব। অ' মাটিৰ দাম কঠাই প্ৰতি তিনি হাজাৰ মানে কৈছো। তয়ে গ্ৰাহক এটা আনি দে।" -ভদিয়াই বাখৰক একপ্ৰকাৰ খাতিৰ ধৰিছে।

"নিশ্চয় দিম, কিয় নিদিম। মই তেনে উঠোহে। খবৰটো কালি পৰাহিলৈ পাবিয়েই। যাওঁ দে।" -বাখৰ যায়।

পিছদিনাখন গাঁৱৰে যোগেন মণ্ডলে মাটি বিক্ৰীৰ খবৰ পাই লৰাধপৰাকৈ ভদিয়াৰ ঘৰত প্ৰবেশ কৰিলে।

-"ভদিয়া, অ' ভদিয়া---।" -নিপুণ সুৰ লগাই মাত লগালে।

"নাই দেউতা। তেখেত দৌলগুৰিত ৰাস্তা বন্ধা কামত কাম কৰিব গৈছে।" -ভদিয়াৰ ঘৈণীয়েক বাসন্তীয়ে ডাঙৰক সন্মান কৰে। মুখে মুখে চাই কথা নকয়। প্ৰায় তলমুৰ কৰিয়েই সকলো কথা ক'লে।

"সি বোলে ৰাস্তাৰ কামৰ মাটি এবিঘা বেছিব ? কথাটো সুধি যাওঁ বুলিহে এইফালে এপাক মাৰিলো।" -মণ্ডলে

উদ্দেশ্য ব্যাখ্যা কৰিলে।

"এইবোৰতো মই একো নাজানো দেউতা। তেখেতে মোক একোকে কোৱা নাই।" -বাসন্তীয়ে উচপ খাই উঠাৰ দৰে ক'লে।

"যা নহক বাৰু। মই অহা বুলি কথাটো ক'ব নাপাহাৰিবা তুমি।" -মণ্ডলে উপস্থিতি দিলে।

"হ'ব দেউতা।" -বাসন্তীয়ে উপস্থিতি টুকি ললে।

"মাটিখিনি মোৰ ভাগ্যত নিমিলিবই যেন পাইছো। যিহে প্ৰতিযোগিতা চলিব। তাতে আকৌ মানুহটোকো লগ নাপালো।" -মণ্ডলে মনে মনে কৈ কৈ প্ৰস্থান কৰিলে।

ৰাতিৰ ভাত সাজ খোৱাৰ সময়ত বাসন্তীয়ে গৰীয়েকক ভয়ে ভয়ে সুধিলে। যা-তা কথা সুধিবলৈও বেয়া পায়। গিৰীয়েকক কথা লগাই কোৱা, উচটনি দিয়া বিধৰ তিৰোতা বাসন্তী অন্ততঃ নহয়। ভয় কৰে, সন্মানো কৰে। ভাতৰ থালত হাত দিয়ে ভদিয়াই কলে----

"মহাজনে বোলে অহা বাৰিষাটোৰ বাবে মানুহ ৰাখিব বিচাৰিছে। গতিকে হালে মানুহে বাৰিষাৰ খেতিটো ময়ে কৰি দি বদনৰ বিয়াৰ ধাৰ সুজি দিম বুলি কৈছো। তেওঁও মত দিছে। সুবিধা উলিয়াই আমাৰ খিনিও কৰিম বুলি কৈছো। তই কি ভাৱ ?"

"তেখেতে যদি মত দিছে তাকেই কৰক। আমি ধাৰৰ পৰা মুকলি হ'বহে লাগে। দৰকাৰ হ'লে ময়ো ৰুই দিম বুলি ক'ব।" -বাসন্তীয়ে সজোৰে কলে।

মাটিৰ সংক্ৰান্তত ভদিয়াৰ ঘৰলৈ আগতে দুই চাৰিজন মান মানুহ আহি গৈছে। এইবাৰ আকৌ গাওঁ পঞ্চায়তৰ সভাপতি চৌধুৰীয়ে মাটি বিক্ৰীৰ ভূ-পাই ভদিয়াৰ পদুলি চৰিলে। বাসন্তীয়ে চাউলত থকা শিলগুৰিবোৰ বাচি আছে। এনেতে সভাপতিয়ে সুধিলে-

"ভদিয়া নাই নেকি ?"

"নাই। তেখেতে কাম কৰিব গৈছে দেউতা। ৰাতি হ'ব বুলিও কৈ গৈছে।" -বাসন্তীয়ে উত্তৰ দিলে।

"মাটি বিক্ৰী কৰিব বোলে। কাৰোবাক টকা দিব লাগে। মাটি কোন খিনি ?" -সভাপতিয়ে প্ৰশ্ন কৰিলে।

"হয় দেউতা। বেচিম বুলি কৈছিল। পিছে...." -কৈ থাকি ৰৈ দিলে বাসন্তীয়ে।

"পিছে কি ?" -সভাপতিয়ে সুধিলে।

"টকা ধাৰলৈ অনাটো হয় দেউতা। টকা খিনি নিদি এতিয়া হালে মানুহে মহাজনে খাতি দিয়াৰ কথা কৈছে। সেই কাৰণে এতিয়া আৰু মাটিখিনি নেবেছিম বুলি কৈছে।" -প্ৰায় মুৰ আধা দঙা কৈয়ে বাসন্তীয়ে সদৰি কৰিলে।

নিজৰ বা আনৰ ভালৰ কাৰণে যি কামেই নকৰক কিয় সেয়াই যুগৰ শ্ৰেষ্ঠ কৰ্ম। ভদিয়া দাদাইক আমি ফাকিদাৰ বা প্ৰতাৰক বুলি কব নোৱাৰো কিন্তু। নিজৰ বাবে পাতি লোৱা অংকটোৰ বাবে কোনোবা এটা সূত্ৰৰ সহায়লৈ উত্তৰ মিলাইছে। হয়তো উত্তৰ উলিওৱাত নানান উপায় আনিছে। উপায় উলিওৱাত সময় লাগিছে। কষ্টও বাঢ়িছে: প্ৰকৃতিয়ে জাত জাতকৰ জাতিভ্ৰষ্টৰ দুহিতা কঠিয়াৰ চৰহা ৰোগ চিনি পায়। তেনে মনুষ্য জনেও ঠগ-প্ৰবঞ্চনা, নেগুৰ-নাগতিত পতিত হয়। বোধেই নকৰে। ভদিয়াৰ কথাটো হওঁতে হয়। অশ্বত্থামা হতঃ কিন্তু ইতি গজ। সেইজন সভাপতিয়েও মনৰ ক্ষুদ্ৰ জনৰ জালত পৰি লাজ পায়। নিঃ শব্দে বু বু বা বা নকৰি আপোন বাহৰে গমন কৰিলে।

-----



# নিয়তি

মিচ্ মল্লিকা বৈশ্য
স্নাতক দ্বিতীয় বর্ষ (ক'লা)

বাৰীৰ পিচৰ সূৰ-সূৰীয়া বাট টোৰে খৰ খোজেৰে নিয়তি আগবাঢ়ি গ'ল বাৰিষাৰ ভৰলু অভিমুখে। তাইৰ বুকুত জ্বলিছে প্ৰতিহিংসাৰ দাবানল। কিন্তু সেই প্ৰতিহিংসাক তাই প্ৰশ্ৰয় দিব নোৱাৰে। কাৰণ তাই বেচৰকাৰী স্কুলৰ শিক্ষক নয়ন বৰুৱাৰ বিধবা পত্নী। বিধবা হ'লেও নিয়তিৰ ৰূপ যৌৱন সকলো বোৰেই যেন এজনী পাট-গাভৰুৰ দৰেই হৈ আছে। সেয়ে হয়তো গাঁৱৰ ল'ৰা-বুঢ়াৰ উৎপাতত থাকিব নোৱাৰি আগবাঢ়িছে তাই ভৰলুৰ বুকুত আশ্ৰয়

বিচাৰি। খৰ-খোজেৰে যোৱা নিয়তি হঠাৎ বৈ গ'ল। তাই শুনিছে, উখহি যোৱা বেৰৰ কণমাণি অথচ অতি মৰমৰ জুপুৰিটোৰ ভিতৰৰ পৰা এটি শিশুৱে চিঞৰি চিঞৰি কান্দিব লাগিছে। হয়, সেয়া নিয়তি আৰু নয়নৰ পবিত্ৰ প্ৰেমৰ সাক্ষী দীপ। টোপনিৰ পৰা সাৰ পাই সি মাকক নেদেখি চিঞৰিব লাগিছে। নিয়তি আৰু বৈ থাকিব নোৱাৰিলে। তাইৰ পথ সলনি হৈ গ'ল। ভৰলুৰ আশ্ৰয়ক নেওচি তাই দৌৰি আহিছে ভঙা জুপুৰীটোলৈ য'ত তাই দীপক শুৱাই থৈ গৈছিল। দীপ....দীপ....মোৰ সোণটো তোক এৰি মই ক'লৈকো নাযাওঁ সোণ....মই...মই...তোৰ কাৰণেই জীয়াই থাকিম....মই তোক ডাঙৰ কৰিম...মানুহ কৰিম...বাছা, তয়ে মোৰ জীৱনৰ দীপ...মোৰ জীৱনৰ অমাৱশ্যাক পূৰ্ণিমাৰ পোহৰেৰে পোহৰাই তুলিবি মোৰ সোণ। দুবছৰীয়া দীপৰ শুকাই যোৱা ওঁঠ দুটিৰে তাৰ সুকোমল গালে-মুখে চুমাৰে উপচাই দুবাহুৰে সাৱটি বুকুৰ মাজত সুমুৱাই লৈ নিয়তিয়ে যেন পাগলীৰ দৰে কৈ গ'ল কথাবোৰ। নিয়তি জীয়াই থাকিব লাগিব, একমাত্ৰ দীপৰ কাৰণে। নয়নৰ কল্পনাক নিয়তিয়ে বাস্তৱত ৰূপ দিব লাগিব। নহ'লে নয়নৰ আত্মাই কেতিয়াও শান্তি নাপাব। নিয়তিৰ মানস পটত ভাহি উঠিল আজিৰ পৰা প্ৰায় পাঁচ বছৰৰ আগৰ কথাবোৰ।

সোৱনশিৰি গাঁওৰ সন্মানীয় ব্যক্তি শিক্ষক শিৱ প্ৰসাদ বৰুৱাৰ একমাত্ৰ কন্যা নিয়তি বৰুৱা। তেতিয়া নিয়তি নৱম মানৰ ছাত্ৰী। পঢ়াত কেচা আছিল যদিও নিয়তি আছিল ৰূপত তুলনাবিহীন। স্বভাৱতো আছিল অতি নিৰ্জু। আনহাতে সৰু কালতে মাক-বাপেকক হেৰুৱাই ঘাট-মাউৰা হোৱা নয়ন। সেই গাঁওতে মাহীয়েকৰ ঘৰত থাকি খেতি বাতিত সহায় কৰি পঢ়া ল'ৰা। নয়ন তেতিয়া স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। নয়নৰ দৰে দুখীয়া ল'ৰাবোৰে সহজতে বুজি পাই পঢ়িবলৈ অৰ্থাৎ ভাল ৰিজাল্ট কৰিবলৈ কিমান কষ্ট কৰিব লাগে। সেয়ে দিনত কামৰ পৰা আজৰি নোপোৱা নয়নে ৰাতি দুপৰলৈ পঢ়ে। মাথো নিজৰ পেটৰ ভাতমুঠি মোকলাবৰ কাৰণে।

নয়ন পঢ়াই-শুনাই খুব চোকা আছিল। শিক্ষক শিৱপ্ৰসাদ বৰুৱাই সেয়ে নয়নক কৈ ক'লে যে সি অকণমান নিয়তিক অংক আৰু ইংৰাজী পঢ়ুৱাই দিব লাগে। নয়নৰো হাত খৰচ ওলাব আৰু নিয়তিৰো পঢ়াৰ অলপ উন্নতি হ'ব। নয়নে টিউচন কৰিবলৈ ইচ্ছা কৰা নাছিল যদিও বৰুৱাৰ কথা পেলাব নোৱাৰি মান্তি হ'ল। মাৰ্চ মাহৰ এক তাৰিখৰ পৰা নয়নে শিৱ প্ৰসাদ বৰুৱাৰ ঘৰলৈ যোৱা আৰম্ভ কৰিলে নিয়তিক পঢ়ুৱাৰ উদ্দেশ্যৰে। নিয়াতিয়েও খুব আগ্ৰহেৰে পঢ়িবলৈ ধৰিলে। তাইৰ যেন অস্বাভাৱিক পৰিবৰ্তন হ'ল। এতিয়া তাই মাথো পঢ়িয়েই থাকে। লাহে লাহে পৰীক্ষাও ওচৰ চাপি আহিল। নয়নে পঢ়ুৱাৰ লগতে নিয়তিক প্ৰেৰণা দিলে আৰু দুগুণ উৎসাহেৰে পঢ়িবলৈ। পৰীক্ষা পাৰহৈ গ'ল আৰু এদিন ৰিজাল্ট ওলাল। নিয়তি দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল। ইতিমধ্যে নয়নৰো বি.এ. ফাইনেল পৰীক্ষাৰ ৰিজাল্ট ওলাইছিল। ৬৮% নম্বৰ সহ নয়ন উত্তীৰ্ণ হৈছিল। কিন্তু আগলৈ পঢ়াৰ সামৰ্থ নাই। চাকৰি কৰিবলৈও টকা নাই। আজিৰ যুগত টকা নহ'লে জানো চাকৰি হ'ব। সেয়ে নয়নে বেচৰকাৰী স্কুল এখনতে শিক্ষকতা আৰম্ভ কৰিলে।

এইফালে নিয়তিৰ ৰিজাল্ট ভাল হোৱাৰ বাবে বৰুৱাই পুনৰ নয়নক অনুৰোধ কৰিলে নিয়তিক পঢ়ুৱাবলৈ। নয়নে এইবাৰ কোনো আপত্তি নকৰাকৈয়ে মান্তি হ'ল। নহ'লেতো উপাৰ্জনৰ একো পথ নাই। আকৌ আৰম্ভ হ'ল নয়নৰ তাঁত-বাতি শিৱপ্ৰসাদ বৰুৱাৰ ঘৰলৈ। কিয় জানো ক্ৰমাণ্বয়ে নিয়তিয়ে নয়নক নেদেখিলে থাকিব নোৱাৰা হ'ল। সি এদিন টিউচনলৈ নাহিলেই তাইৰ মুখ ওফন্দি মৌ বাঁহ যেন হয়। খং উঠে নয়নৰ ওপৰত। নয়নৰো ঠিক একেই অৱস্থা।

কিবা অসুবিধাত পৰি টিউচনলৈ আহিব নোৱাৰিলে মনটো কিব উকুঙা...উকুঙা অনুভাৱ কৰে। হয়তো এনেকৈয়ে প্ৰেমৰ সূত্ৰপাত হয় আৰু ইয়াকেই প্ৰেম বোলে। হঠাৎ এদিন পঢ়ুৱাই থকা অৱস্থাত নয়নৰ হাত দুখনত ধৰি নিয়তিয়ে কলে- "নয়নদা, মই তোমাক ভাল পাঁও। তোমাৰ অবিহনে মই থাকিব নোৱাৰো। Please নয়নদা মাথো এবাৰ কোৱা তুমি মোক ভাল পোৱা বুলি। নয়নৰ মূৰত আকাশী সৰগ ভাঙি পৰিল। কি ক'ব এতিয়া সি। সি নিয়তিক জানো ভাল নাপায়, নিশ্চয় পায়। কিন্তু ক'ব জানো...নিয়তি যে ধনী ঘৰৰ ছোৱালী আৰু সি... সামান্য ভিকহু। যদি বৰুৱাই গম পায় তাক কি বুলি ভাবিব... নাই...নাই...সি ক'ব নোৱাৰে। Please নয়নদা মাত্ৰ এবাৰ কোৱা.... নিয়তিৰ মাতত যেন নয়ন টোপনিৰ পৰাহে সাৰ পালে উচপ খাই উঠিল সি। নিয়তিৰ মাতটো আবেগিক হৈ পৰিছিল। তাইৰ দুচকুৰে চকুলো ওলাও..ওলাও। নাই..নাই..নয়নে আৰু বৈ থাকিব নোৱাৰে, সি ইমান নিষ্ঠুৰ নহয়। নিয়তিৰ হাত দুখনত আলফুলে ধৰি চকুত চকু ৰাখি কলে নয়নে অ...নিয়তি ময়ো তোমাক ভাল পাঁও। তোমাৰ অবিহনে ময়ো থাকিব নোৱাৰো। কিন্তু...নয়ন বৈ যাবলৈ বাধ্য হ'ল কাৰণ নিয়তিয়ে তাৰ মুখত হাত দি ক'লে মই জানো নয়নদা তুমি কি ক'বা, কিন্তু মই তোমাক ভাল পাঁও আৰু ভালপোৱাই ধনী-দুখীয়াৰ প্ৰভেদ নিবিচাৰে। কথাখিনি কৈ কৈ নিয়তি টেবুলত মুখ গুজি উচুপি উঠিল। দুখত নহয়, কিবা এটি পোৱা আনন্দত আৰু পায়ো হেৰুৱাৰ ভয়ত। ধনী হোৱাৰ বাবে তাই নয়নৰ প্ৰেমৰ পৰা বঞ্চিত হ'ব নেকি ? নাই ই হ'ব নোৱাৰে। নয়নে তাইক ভাল পায়, নিয়তি নয়নৰ হ'ব। কথাবোৰ ভাবি থাকোতেই নয়ন কেতিয়া তাইৰ ওৰৰ পৰা গুচি গ'ল তাই গমকে নাপালে। খিৰিকীৰে বাহিৰলৈ চাই দেখিলে তাই এন্ধাৰে গোটেইখন চানি ধৰিছে। তেতিয়াহে তাইৰ চেতনা আহিল যে গোঁসাই ঘৰত বন্তি জ্বলাব আছে। লৰালৰিকৈ বাহিৰলৈ ওলাই আহিল নিয়তি।

এদিন দুদিনকৈ সময়বোৰ যাবলৈ ধৰিলে আৰু নয়ন-নিয়তিৰ প্ৰেমো গভীৰ হৈ আহিল। কথাটো লাহে লাহে প্ৰচাৰ হ'বলৈ ধৰিলে। শিৱ প্ৰসাদ বৰুৱাৰ কাণতো কথা গৈ নপৰাকৈ নাথাকিল। সেয়ে তেওঁ নয়নক টিউচনলৈ অহা বন্ধ কৰি দিলে। নিয়তিকো ঘৰৰ পৰা ওলাবলৈ নিদিয়ে। কিন্তু চোৰে চুৰ কৰো বুলিলে পুলিচে জানো ধৰি ৰাখিব পাৰিব। নয়ন- নিয়তিৰো একেই অৱস্থা হ'ল। চোৰৰ দৰে মনে লগ ধৰে কথাপাতে....।

আঠ এপ্ৰিল। নিয়তিৰ প্ৰৱেশিকা পৰীক্ষাৰ আচি শেষ দিন। সেইদিনা তাই নয়নক স্কুলত লগ ধৰিবলৈ কৈছে। আবেলি তিনি বাজিবলৈ আৰু পোন্ধাৰ মিটি বাকী আছে। স্কুলৰ সন্মুখৰ বকুল জোপাৰ তলত বৈ হাতৰ ঘঁড়ীটোলৈ চালে নয়নে। পৰীক্ষাৰ্থীবোৰ ক্ৰমৰ পৰা ওলাই আহিছে। কাৰোবাৰ মুখত হাঁহি আৰু কাৰোবাৰ মুখত বেদনাৰ ছাঁ। নয়নৰ চকুৱে নিয়তিক বিচাৰি ফুৰিছে। হঠাৎ দেখিলে দুডালকৈ বেণী গঠা, উজ্জ্বল নীলা চকুৰ বগা, ওখ, লাহী কঁকালৰ নিয়তি তাৰ ফালে আহি আছে। কথাটো ভাবি তাৰ গাটো জিকাৰ খাই উঠিল। নিয়তি আজি ঘৰৰ পৰা বিদায় লৈ আহিছে। তাই গুচি যাব নয়নৰ লগত, সোৱণশিৰিৰ পৰা প্ৰায় সাতাইশ (২৭) কিঃ মিঃ দূৰৰ ধনশিৰি গাঁৱত থকা নয়নৰ পঁজা ঘৰলৈ নিয়তি নয়নৰ ওচৰ পালেহি। নয়নে ক'লে- "নিয়তি আকৌ এবাৰ ভাবি চোৱা। মোৰ লগত তুমি জানো আমাৰ ভঙা পঁজাটিত থাকিব পাৰিবা। পাৰিবা জানো তুমি এসাজ খাই এসাজ লঘোনে থাকিবলৈ ?" নিয়তিয়ে মূৰ দুপিয়ালে যেন সহাৰি দিছে। ব'লা নয়নদা, সোনকালে ব'লা নহ'লে মোক বিচাৰি আহিব। নিয়তিৰ কথা শুনি নয়নে ক'লে ...ও.. ব'লা নিয়তি আৰু

খোজ ললে বাছষ্টেণ্ডলৈ বুলি।

ধনশিৰি গাওঁত নয়ন-নিয়তিৰ যুগ্মজীৱন আৰম্ভ হ'ল। নিয়তিৰ দেউতাক বৰুৱাই মনত খুব দুখ পালে। জীয়েকৰ কি হ'ল তেওঁ এদিনো খবৰ নকৰিলে। তেওঁ পাহৰিবলৈ চেষ্টা কৰিলে যে তেওঁৰ এজনী ছোৱালী আছিল। আনহাতে নিয়তিৰ দেউতাকলৈ মনত পৰে কিন্তু যাবলৈ সাহস নকৰে, ভয় কৰে তাই। এনেকৈ সময়বোৰ গৈ থাকিল। সম্পূৰ্ণ ডেৰ বছৰ অতিবাহিত হ'ল। নিয়তি এটি সন্তানৰ মাতৃ হ'ল। যাৰ নাম থ'লে দীপ।

এদিন দুদিনকৈ দীপৰ এবছৰ পাৰ হৈ গ'ল। লগে লগে নামি আহিল নিয়তিৰ জীৱনলৈ দুখ-দুৰ্গতি। নয়নৰ বেমাৰ হোৱা আজি এমাহ হৈ গ'ল। চিকিৎসাৰ বাবে টকা নাই নয়নে শোৱাপাটীৰ পৰা উঠিবনোৱাৰে শুকাই-ক্ষীনাই সু-স্বাস্থ্যৰ অধিকাৰী নয়ন লেবেলি গৈছে। মানুহবোৰে কোৱা-কুই কৰিলে নয়নৰ হেনো টি. বি. হৈছে। কিন্তু সহায়ৰ নামত কোনেও আগনাবাঢ়িল। নিয়তিয়ে কণমানি দীপক বোকোচাত বান্ধি মৰমৰ নয়নক শোৱাপাটীত এৰি মানুহৰ ঘৰে ঘৰে যতে যি কাম পায় কৰিবলৈ ধৰিলে। তথাপিও নিয়তি হতাশ নহ'ল কাৰণ তাই নয়নক বচাব লাগিব। কিন্তু হায় ! নয়ন জানো সঁচাকৈয়ে বাচিল।

এদিন নিশা নিয়তিৰ চিঞৰে গাঁৱৰ মানুহবোৰক জগাই তুলিলে। সকলোৱে লৰি আহিল নয়নৰ ভঙা পঁজালৈ। কিন্তু তেতিয়া বহুত পলম হৈ গৈছিল। নয়নে নিয়তিৰ মায়া-মৰমক নেওচি আঁতৰি গৈছিল বহু দূৰলৈ, দূৰ দিগন্তলৈ। য'ৰপৰা মানুহ কেতিয়াও ঘূৰি নাহে। গাঁৱৰ কোনোবা এজনী তিৰোতাই নিয়তিৰ কপালত উজ্জ্বলি থকা সেন্দুৰৰ ফোঁটটো মছি দিলে। তেতিয়াৰ পৰা নিয়তিৰ কপাল হৈ পৰিল উকা। নিয়তি আজি বিধবা। তাই পিন্ধিছে বগা সাজ। মানুহবোৰে তাইলৈ সহানুভূতিৰ চকুৰে চায়। কিন্তু দুখত নহয়, কিবা এটি পোৱাৰ আশাত। অতি কষ্টৰে পাৰ কৰিছে নিয়তিয়ে এই তিনটা মাহ। তাই ভাবি পোৱা নাই অহা কালিলৈ কি হ'ব। হয়তোবা আজিৰ দৰেই। সেয়ে তাই ভাবিছিল আত্মহত্যাৰ বাবে আৰু গৈছিল আগবাঢ়ি। কিন্তু নয়নৰ একমাত্ৰ চিনস্বৰূপ দীপৰ চিঞৰে তাইক বাধা দিলে।

দুৱাৰত কাৰোবাৰ টোকৰ পৰাত তাইৰ সম্বিত ঘূৰি আহিল। কোন আহিছে বাৰু, নিশ্চয়....কোনোবা....কি কৰিব এতিয়া তাই। নাই...নাই...তাই যিকোনো উপায়েৰে দীপক মানুহ কৰিব লাগিব। ...গতিকে...ভাবিব নোৱাৰিলে তাই। দীপ পুনৰ মাকৰ পবিত্ৰ কোলাত টোপনি গৈছিল। সিটো নাজানে তাৰ মাক আজিৰ পৰা....। ৰাতি নিশ্চয় বহুখিনি হৈছে। এন্ধাৰত একো মনিব নোৱাৰি সময়বোৰ কেনেকৈ পাৰ হৈ গ'ল তাই ক'বই নোৱাৰিলে। ইতিমধ্যে দুৱাৰত টোকৰৰ শব্দ বেছি হৈ আহিল। নয়নৰ মণি দীপক তাই শেষ বাৰৰ কাৰণে পবিত্ৰ হাত দুখনেৰে বিচনাত শুৱাই থলে। তাই হয়তো জীয়াই থাকিব কিন্তু নাথাকিব তাইৰ...। নিয়তি আগবাঢ়িল দুৱাৰৰ পিনে, তাই আজি দুৱাৰ...খু....লি...দি...ব।

-----

# অকালতে হেৰাল জীৱনৰ হাঁহি

শ্ৰী অমৰজ্যোতি ৰাজবংশী
উঃ মাঃ ১ম বৰ্ষ (ক'লা)



গ্ৰীষ্ম কালৰ সন্ধিয়া গোমা আকাশ খনলৈ চাই চাই দেৱজিতে ভৱিছে ভুল হ'ল কাৰ ? এসময়ত, গুণী, জ্ঞানীৰ চাৰ্টিফিকেত পোৱা পাৰ্থই ধুমুহাৰ ৰূপ ললে কিয়। তাৰ হাতত মাৰণাস্ত্ৰ তুলি দিলে কোনে? কোনে তাক গুণ্ডা সজালে ? কোনে ?......

পাৰ্থ প্ৰতিম তাৰ কিমান মৰমৰ বন্ধু আছিলঃ সি আৰু এই পৃথিৱীত নাই, এই কথাষাৰ ভাবিবলৈকে দেৱজিতৰ বেয়া লাগে। প্ৰায় দহ বছৰ মান আগতে চিনাকি হৈছিল দেৱজিত আৰু পাৰ্থ প্ৰতিম। দুয়ো প্ৰাইমাৰী স্কুল পাছ কৰি, পদুম-পুখুৰী গাঁৱৰ নতুনকৈ উচ্চতৰ মাধ্যমিক হোৱা স্কুল খনত নাম ভৰ্ত্তি কৰিছিল। দেৱজিতৰ ঘৰ পুদুম পুখুৰী গাৱতে, আৰু পাৰ্থৰ ঘৰ আছিল কমল পুৰত। বিভিন্ন ঠাইৰ পৰা অহা বহুত নতুন নতুন ল'ৰা ছোৱালীৰ মাজত সিহঁতো নতুন আছিল। সময়ৰ সোঁতে

নতুনক পুৰণি কৰে। সিহঁতো এদিন পুৰণি হ'ল। লগে লগে গভীৰ হ'ল সিহঁতৰ বন্ধুত্ব। লাহে লাহে দুয়োখন ঘৰৰ মাজতো আপোন ভাৱৰ বীজ অংকুৰিত হ'ল। পাৰ্থৰ দেউতাক পুষ্প প্ৰাণ বৰুৱা আৰু মাক বৰুৱানী দেৱজিতৰ খুড়া আৰু খুড়ীদেউ হ'ল। পাৰ্থৰ বায়েক অদিতি হ'ল দেৱজিতৰ-দিতিবা। পাৰ্থ, অদিতিয়েও-দুজন দাদা পালে। দেৱজিতৰ দদায়েক বিনোদ আৰু চিন্ময়। সময়ৰ হাত বুলনিত বিনোদ, চিন্ময়, অদিতি হঁতৰ বিনুদা আৰু চিনুদা হ'ল।

অদিতিলৈও মনত পৰিল দেৱজিতৰ। দুধাৰি তপত চকুলো বৈ আহি গালত সু-সুৰাই দিলে। হাতৰ তলুৱাৰে সি চকু দুটা মছি ললে। লাইট জ্বলাবলৈ তাৰ মন নগ'ল। আন্ধাৰৰ মাজতে সি স্পষ্টকৈ দেখিছে এৰি অহা দিনৰ সপোন সপোন লগা বাস্তৱৰ স্মৃতি।

কিমান মধুৰ আছিল সেই দিনবোৰ ! মনৰ আকাশত কিমান তৰা আছিল তেতিয়া সেই তৰা ভৰা আকাশৰ তলতে বহি বৰুৱা-বৰুৱানীয়ে সিহঁতৰ ল'ৰা-ছোৱালী হালৰ উজ্জ্বল ভৱিষ্যতৰ সপোন দেখিছিল।

বুজিছা, কুঞ্জ, শিক্ষকৰ ল'ৰা শিক্ষকেই হ'ব। অৱশ্যে মোৰ নিচিনা এল,পিৰ নহয় কলেজৰ। প্ৰফেচাৰৰ মাক হলে তোমাৰ বাৰু কেনে লাগিব ?

ঃহৈছে, হৈছে। গছত কঠাল ওঠত তেলে, নৌ খাওতেই শেল বেল। সি শিক্ষক হ'ব নালাগে। শিক্ষকবোৰে আনৰ জীৱন গঢ়োতেই যায়। নিজৰ জীৱন হলে ভাল দৰে গঢ়িব নোৱাৰে।

বৰুৱাই হাঁহি হাঁহি কৈছিলঃ সকলোৱে যদি তোমাৰ দৰে নিজৰ নিজৰ ল'ৰা-ছোৱালীক শিক্ষক হ'বলৈ নিদিয়ে, তেন্তে ডাক্তৰ, ইঞ্জিনীয়াৰ সাজিব কোনে ?

ঃ গুণৱান জোৱাই

ঃ লখিমী বোৱাৰী...। পৰিপূৰ্ণ এখন ঘৰ কিমান যে কল্পনা, কিমান আশা আছিল, খুড়া-খুড়ীদেউৰ !

এদিন বৰ ধুম ধামেৰে অদিতিৰ বিয়া হৈ গল, "আহত গুৰি" গাঁৱৰ বিতোপন বৰুৱাৰ লগত। বিদায় বেলাত মাক-দেউতাকে অদিতিক সু-গৃহিণী হ'বলৈ সুপদেশ দিলে। আত্মীয় স্বজনে আশীৰ্বাদ দিলে। চকুপানী টুকি পাৰ্থ আৰু মোৰ দিতিবা গুচি গ'ল আদৰ্শ গৃহিণী হ'বলৈ।

পাৰ্থ আৰু দেৱজিত টি.ডি.চি.ৰ শেষ পৰীক্ষালৈ সাজু হৈছিল। প্ৰতিটো বিষয়ত সৰ্বোচ্চ নম্বৰ পাবলৈ সিহঁতৰ ব্যস্ততাৰ সীমা নাছিল। পৃথিৱীখন ইমান ৰঙীন আছিল তেতিয়া ! পৰীক্ষালৈ মাত্ৰ কেইটামান দিন বাকী। হঠাতে অদিতি অসুস্থ হোৱা বুলি মাকৰ ঘৰলৈ খবৰ দিয়া হ'ল। পাৰ্থহঁত দৌৰি গ'ল দিতিবাৰ খবৰ ল'বলৈ। অদিতিয়ে পিছে সিহঁতলৈ বৈ থকা নাছিল। পৃথিবীৰ মোহ এৰি তাই স্ব-ইচ্ছাই গুচি গৈছিল। কিন্তু গ'ল কিয় ? এই কিয়ৰ উত্তৰ কোনেও দিব নোৱৰিলে। ভিনিহীয়েক বিতোপনেও।

একমাত্ৰ জীয়েকৰ মৃত্যুসংবাদে বৰুৱা-বৰুৱানীক বলীয়া কৰিলে। দশোদিশ অন্ধকাৰ দেখিলে। পাৰে মানে কান্দিলে। কন্যা শোকত ভাগি পৰা বৰুৱাই সেইদিনা অনুতাপ কৰি কৈছিল, -আনক অংক শিকাওঁতেই জীৱনটো গ'ল, কিন্তু নিজৰ জীৱনৰ অংকটোকে শুদ্ধকৈ কৰিব নোৱাৰিলোঁ। অদিতিৰ বিয়াৰ দিনা তেওঁ হিয়া উবুৰিয়াই আশীৰ্বাদ দিছিল "হৰ গৌৰী বসতি হওক" বুলি। পিছে সেয়া হৈ নুঠিল। ভাগ্যই তেওঁক প্ৰতাৰণা কৰিলে। চিৰদিন হাঁহি হাঁহি কটাব খোজা পাৰ্থ প্ৰতিম হাঁহি কেনিবা হেৰাই গ'ল। লক্ষ্যস্থান পোৱাৰ আগতে কক্ষচ্যুত হ'ল পাৰ্থ। বায়েকৰ মৃত্যুৰ তিনিদিন পিছত পিয়নে তাৰ নামৰ চিঠি এখন দি গ'ল। হস্তাক্ষৰ দেখিয়ে সি বুজিলে, এয়া তাৰ দিতিবাৰ চিঠি। মৃত্যুৰ আগদিনা ডাকত দিছে। তাৰ মৰমৰ দিতিবা যে এই সংসাৰত নাই, এই কথা সি নতুনকৈ অনুভৱ কৰিলে। দুধাৰি তপত চকুলো

নিগৰি আহি চিঠি খনতে পৰিল। গধুৰ মনেৰে সি চিঠিখন পঢ়ি গ'ল।

মৰমৰ ভাইটী পাৰ্থ !

কি বুলিনো লিখিম ! লিখাৰ শক্তিয়েই লোপ পাইছে। তথাপি লিখিলো। মোৰ মৃত্যু যাতে ৰহস্য হৈ নাথাকে। বিয়াত দিয়া যৌতুকৰ পৰিমাণ কম হোৱা বাবে, বিতোপনে প্ৰায় সদায়ে মোৰ লগত কাজিয়া কৰিছিল। যোৱা কালিও লাগিছে। মই যদি দেউতাৰ পৰা পঞ্চাশ হাজাৰ টকা আনিব নোৱাৰো তেনেহলে এই ঘৰ পৰিত্যাগ কৰিবলৈ আদেশ দিছে। এনে জঘন্য আদেশ পালন কৰিবলৈ মোৰ বিবেক ৰাজী নহ'ল। সেয়ে গুচি যাবলৈ ওলালো। মোৰ আচল ঘৰলৈ। তহঁতে দুখ নকৰিবি। যদি পাৰ, "যৌতুক প্ৰথা" উঠাই দিবলৈ চেষ্টা কৰিবি। এতিয়াই নহয়। তই যেতিয়া প্ৰফেচাৰ হবি, তেতিয়া। নহ'লে যে হাজাৰ হাজাৰ পাৰ্থই হাজাৰ হাজাৰ দিতিবাক হেৰুৱাব লাগিব।

ইতি- তোৰ দিতিবা।

ইয়াৰ পিছত পাৰ্থৰ আৰু পৰীক্ষা দিয়া নহ'ল। বহুত বুজাই বঢ়াইয়ো তাক পৰীক্ষা দিবলৈ সন্মত কৰাব নোৱৰিলো। তাৰ জীৱন সোঁতে গতি সলালে। প্ৰফেচাৰ হোৱাৰ লক্ষ্য ভ্ৰষ্ট হ'ল। দিন ৰাতি ঘুৰি ফুৰি দলগোটাই লৈ সমাজ সংস্কাৰৰ কামত উঠি পৰি লাগিল। প্ৰয়োজন সাপেক্ষে নৰহত্যা কৰিবলৈ সি কুণ্ঠিত নহ'ল। মাক দেউতাকৰ মৰমে তাক বান্ধি ৰাখিব নোৱাৰিলে। সি ওলাই গ'ল মুক্ত, বিশাল আকাশৰ তললৈ। ক'ত থাকে, ক'ত খায়, কোনেও নাজানে। ধূমকেতুৰ দৰে সি মোৰ ওচৰলৈ আহে। তাৰ অবিহনে মাক দেউতাকৰ দায়িত্ব মোক লবলৈ কয়। মই তাক ঘৰলৈ উভতি আহিবলৈ কওঁ। তাৰ লক্ষ্যৰ কথা সোঁৱৰাই দিওঁ। সি হাঁহে। হাঁহি হাঁহি কয় মই আগৰ সেই পাৰ্থ হৈ থকা নাই দেৱজিত। পাৰ্থৰ ৰেফডাল কাটি দি থ'ৰ পছিত ৰ এটা বহুৱাই দিছো। মোৰ অন্তৰ এতিয়া বৰফৰ দৰে নহয়। শিলৰ দৰে। তাপ পালে গলি নাযায়। বৰং জুই উঠিব।

যোৱাৰাতি সি মোৰ ওচৰলৈ আহি কৈছিল- "মই লক্ষ্যস্থানত উপনীত হ'ব নোৱাৰিলো" ভাই। মা-দেউতাৰ মনৰ ইচ্ছা পূৰাব নোৱাৰিলো। তয়েই তেওঁলোকৰ মনৰ আশা পূৰণ কৰিবি। সমাজৰ দুৰ্নীতিবোৰৰ বিৰুদ্ধে থিয় দিয়াৰ বাবে, চৰকাৰৰ চকুত মই অপৰাধী। মোক ধৰিবলৈ পুলিচ লগাইছে। নাজানো কেতিয়া কি হয়! আহো। ধুমুহা গতিৰে সি ওলাই গ'ল।

আৰু আজি এয়া "প্ৰতিদিনৰ" প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰ আখৰেৰে গৰম বাতৰি পৰিৱেশন কৰিছে- "সেনা আৰু উগ্ৰপন্থীৰ মাজত হোৱা সংঘৰ্ষত দলৰ নেতা পাৰ্থ-প্ৰতিম বৰুৱা নিহত"।

পাৰ্থ আৰু নাই! গুচি গ'ল ! ৰঙানদীৰ পাৰৰ শ্মশানত একুৰা জুই দপ্‌দপকৈ জ্বলি উঠিল।

----

# চ্যুটকেছ

শ্ৰীৰমেন শৰ্মা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

মা আৰু ভাইটিক লৈ ষ্টেচন পোৱাৰ অলপ পিছতেই ট্ৰেইনখন আহি ষ্টেচনত সোমালহি। ট্ৰেইনখন বৈ দিয়াৰ লগে লগে ষ্টেচনত থকা মানুহবোৰৰ মাজত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। ট্ৰেইনখনৰপৰা নামিবলগীয়া যাত্ৰীবোৰ নামিব নৌপাওঁতেই ষ্টেচনত বৈ থকা যাত্ৰীবোৰে দবাবোৰত উঠিবলৈ লৰা-ঢপৰা কৰিবলৈ ধৰিলে ; তাৰফলত দবাবোৰত এক বিশৃংখলতাৰ সৃষ্টি হ'ল। মা আৰু ভাইটিৰ বাবে টিকট বিজাৰ্ভ কৰা আছিল বাবে সিহঁতক প্ৰথম শ্ৰেণীৰ দবাটোত উঠাই দিবলৈ মোৰ অকণো অসুবিধা নহ'ল।

মা হঁতৰপৰা বিদায় লৈ দবাটোৰ পৰা নামি আহিলোঁ। দবাটোৰ পৰা নামি অহাৰ লগে লগে এজন ব্যক্তি মোৰ গাতে গা লগাই দবাটোলৈ উঠি গ'ল। ব্যক্তিজনক মোৰ চিনাকী চিনাকী যেন লাগিল। ক'ত দেখিছিলোঁ ভাবি থাকোতেই হঠাৎ মনত পৰিল তিনি বছৰমান আগতে এবাৰ মাহীৰ ল'ৰা এজনৰ লগত হস্পিতেললৈ যাওঁতে এই ব্যক্তিজনক মই দেখিছিলোঁ। ৰাইজৰ প্ৰহাৰৰ ফলত আধামৰা হোৱাৰ পিছত পুলিচে ধৰি হস্পিতেললৈ লৈ অনা এই ব্যক্তিজনে হেনো ষ্টেচনত কোনোবা এজন ব্যক্তিৰ চ্যুটকেছ এটা চুৰ কৰি ধৰা পৰিছিল। এতিয়া সেই ব্যক্তিজনকেই প্ৰথম শ্ৰেণীৰ দবাটোলৈ উঠি যোৱা দেখি মোৰ অলপ সন্দেহ হ'ল। মোৰ সন্দেহ দূৰ কৰি অলপ পিছতেই চোৰটো দবাটোৰ পৰা নামি আহিল। কিন্তু খালী হাতেৰে নহয়, এইবাৰ তাৰ হাতত এটা চ্যুটকেছ আছিল। মোৰ বুজিবলৈ অকণো বাকী নাথাকিল যে সি নিশ্চয় কাৰোবাৰ পৰা চ্যুটকেছটো চুৰ কৰি আনিছে। হস্পিতেলত যি অৱস্থাত তাক দেখিছিলোঁ মোৰটো সন্দেহেই হৈছিল সি জীয়াই থাকিব নে নাথাকিব। জীয়াই থাকিলেও হয়তো আৰু কাৰো বস্তুতেই হাত নিদিব। কিন্তু মোৰ ধাৰণা যে ভুল আছিল আজি মোৰ চকুৰ আগতেই প্ৰমাণিত হ'ল। বুজিলোঁ এনেকুৱা মানুহক মাৰ-কিলেৰে সৎ পথলৈ আনিব পৰা নাযায়। মাৰ কিল খোৱা ইহঁতৰ বাবে একো শাস্তিয়েই নহয়। সৰুৰে পৰাই মাৰকিল খাই খাই এনেকুৱা মানুহবোৰ অভ্যস্ত হৈ পৰে। সেয়ে সিহঁতে মাৰ কিলক ভয় নকৰে। এনেকুৱা মানুহবোৰক উপযুক্ত কিবা কাম বিচাৰি দি কৰিবলৈ দিলেহে হয়তো সৎ পথলৈ আনিব পৰা যাব। কিন্তু আজিকালিৰ যুগৰ চোৰ এটালৈ কোনে ইমান চিন্তা কৰিব। সি হয়তো চোৰ বৃত্তিটো এৰি অইন কিবা কাম কৰিব বিচাৰিছিল। কিন্তু চোৰ এটাক কোনে কাম দিব। গতিকে পেটৰ ভাতকণ মোকলাবলৈ পুনৰ এই বৃত্তিটোকে ল'ব লগা হ'ল।

চোৰটোৱেনো চ্যুটকেছটো কলৈকে নিয়ে চাবলৈ মোৰ বৰ ইচ্ছা গ'ল। সেয়ে সিনো ক'লৈকে যায় চাবলৈ তাৰ পিছে পিছে যাবলৈ সিদ্ধান্ত ল'লো। মই তাৰ পৰা অলপ দূৰে দূৰে থাকি তাক অনুসৰণ কৰিব ধৰিলোঁ।

ষ্টেচনটোৰপৰা ওলায়েই দুটা পথ পোৱা যায়। এটা


পৰে কিছু দূৰলৈ গৈ তিনিআলি চ'ক এটাত আমাৰ গাঁৱৰপৰা চহৰলৈ যোৱা পথটোৰ লগ লগিছে আৰু আনটো পথ পোনে পোনে চহৰলৈ গৈছে। ষ্টেচনটোৰপৰা ওলাই আহি চোৰটোৱে চহৰৰফালে যোৱা পথটোৰে নগৈ অইনটোৰে যাব ধৰিলে। ময়ো সুবিধাজনক দূৰত্বত থাকি তাক অনুসৰণ কৰিলোঁ। ইতিমধ্যে ট্ৰেইনখনে দীঘলীয়া উকি এটা মাৰি যাবলৈ সাজু হ'ল। চোৰটোৱে এবাৰ পিছলৈ ঘূৰি চালে। মোক দেখা পাই তাৰ কিবা সন্দেহ হৈছিল নে নাই ক'ব নোৱাৰোঁ ; কিন্তু তাৰ গতিৰ কোনো সলনি নহ'ল। সি আগুৱাই গৈয়েই থাকিল।

কিছু দূৰতেই কেঁকুৰি এটা ঘূৰি অলপ গ'লেই তিনিআলিৰ চ'কটো পোৱা যায়। মোৰ মনত পৰিল সেই চ'কটোতেই আজি পুলিচে তালাচি অভিযান চলাই আছে। আজিকালি যিহে দিনকাল পৰিছে সন্ত্ৰাসবাদীৰ বোমা-গুলীত কাৰ কেতিয়া মৃত্যু হয় একো ক'বই নোৱাৰি। কেইদিনমান আগতে চহৰখনৰ ... এটা বোমা ফুটি কেইবাজনো লোকৰ মৃত্যু হৈছিল। তেতিয়াৰপৰাই চহৰলৈ সোমোৱা প্ৰতিটো পথতেই মাজে সময়ে তালাচি অভিযান চলাই থকা হৈছে। যাতে, কোনো সন্ত্ৰাসবাদীয়েই এই পথবোৰেৰে অস্ত্ৰ-শস্ত্ৰ লৈ অহা যোৱা কৰিব নোৱাৰে। সকলোৰে বেগ, বাকচ ইত্যাদি খুলি-মেলি চাইছে। তেতিয়া মাহঁতক লৈ আহোঁতে আমাৰো বেগবোৰ পৰীক্ষা কৰি চাইছিল।

কেঁকুৰিটোৰ পৰাই চ'কটোত থকা পুলিচবোৰক ভাল দৰে দেখি। চোৰটোৱেও কেঁকুৰিটোৰপৰা পুলিচবোৰক দেখিছিল কিজানি সেয়ে সি কেঁকুৰিটোৰপৰাই পুনৰ ষ্টেচনটোৰ ফালে ঘূৰি আহিল। মই তাৰ কিছু দূৰে দূৰেই আছিলোঁ। সেয়ে সি কিছুদূৰ অহাৰ পিছতেই মোৰ মুখা-মুখি হ'ল। মই তালৈ নাচাই চিধা চিধি গৈয়েই থাকিলোঁ। কেঁকুৰিটোৰ কাষত থকা গছ এজোপাৰ তলত মই ৰৈ গ'লোঁ। মই তিনিআলিটোৰ ফালে চালোঁ। ঠিকেই তাৰপৰা পুলিচবোৰ ধুনীয়াকৈ দেখা যায়। পুনৰ ঘূৰি গ'লে তাৰ কিবা সন্দেহ হ'ব পাৰে বুলিয়েই মই গছডালৰ তলৰ পৰাই তাক লক্ষ্য কৰিব ধৰিলোঁ।

চোৰটোৱে ষ্টেচনটোৰ ফালে নগৈ চহৰৰ ফালে যোৱা নিৰ্জন পথটোৰে যাবলৈ ধৰিলে। সি বৰ্তমান কিছুদূৰ গ'লেই মই তাক নেদেখা হয় ; সেয়ে তাৰ পিছলোৱা আশা সিমানতে এৰি শেষবাৰৰ বাবে তালৈ চালোঁ। হঠাৎ 'গুৰুম' কৈ আকাশ পাতাল কঁপাই এক বিস্ফোৰণ হৈ চোৰটোৰ ওচৰে পাজৰে বহু ঠাই ধোৱা আৰু ধূলিৰে ধূৱলী-কুঁৱলী হৈ পৰিল। মই তধা মধা খালোঁ। সম্বিত ঘূৰি অহাৰ পিছত ঠাইকণলৈ চালোঁ। তাত চোৰটো নেদেখিলো, তাৰ ঠাইত তাৰ দেহৰ বিচ্ছিন্ন অংশ কিছুমান সিঁচৰিত হৈ থকা দেখিলোঁ। ইতিমধ্যে চাৰিওফালে হাঁহাকাৰ লাগি গ'ল। মানুহবোৰে বোমা বোমা বুলি দৌৱা দৌৰি কৰিবলৈ ধৰিলে। ষ্টেচনটোৰ প্ৰায়ভাগ মানুহেই মই অহা পথটোৰে দৌৰিব ধৰিলে। কোনেও ভালদৰে ক'বই নোৱাৰে বোমাটো ক'ত, কেনেদৰে ফুটিল। অইন কোনোৱে নেদেখিলেও মই কিন্তু ভালদৰে দেখিছিলোঁ যে চোৰটোৱে কঢ়িয়াই নিয়া চ্যুটকেছটোতেই বোমাটোৰ বিষ্ফোৰণ হৈছিল।

---



বছৰৰ শ্ৰেষ্ঠ নাট্য দল
নাটঃ সেই ছোৱালী জনী
বাওঁফালৰ পৰা (বহি)ঃ বিশ্ব শৰ্মা, মৃনাল ৰাজবংশী আৰু জিতু মণি পাঠক
বাওঁফালৰ পৰা (থিয় হৈ)ঃ মানৱ প্ৰতীম বৰুৱা আৰু নয়ন মণি শৰ্মা।



বছৰৰ শ্ৰেষ্ঠ অভিনেতা
মনোজ ডেকা



বছৰৰ শ্ৰেষ্ঠ অভিনেত্ৰী
বেণু দেৱী



বিশ্ব শৰ্মা
শ্ৰেষ্ঠ মুকাভিনেতা



প্ৰণতি বৰুৱা
বছৰৰ শ্ৰেষ্ঠ গায়িকা



জিতু বৈশ্য
শ্ৰেষ্ঠ সুকুমাৰ শিল্পী



হেমন্ত কুমাৰ বৰুৱা
শ্ৰেষ্ঠ কবি



বদিউজ জামান
শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী



দিচান্ত ডেকা

শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



প্ৰণতি দেৱী

শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ



লোকেন ডেকা

শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



নোমল নাথ

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ

## ১৯৯৬-৯৭ বৰ্ষৰ ছাত্ৰ একতা সভা



জয়ন্ত শৰ্মা
উপ-সভাপতি



প্ৰণৱ বৰুৱা
সাধাৰণ সম্পাদক



দিব্যজ্যোতি বৰা
সহঃ সাধাৰণ সম্পাদক



দিগন্ত বৰা
সম্পাদক, খেল বিভাগ



ৰুবুল নাৰায়ণ দেৱ
সহঃ সম্পাদক, খেল বিভাগ



পংকজ শৰ্মা
সম্পাদক, সাংস্কৃতিক বিভাগ

## ছাত্ৰ একতা সভা

## ১৯৯৬-৯৭ বৰ্ষ



হিতেশ হাজৰিকা
সম্পাদক, চাৰুকলা বিভাগ



কুশল কলিতা
সম্পাদক, সাহিত্য বিভাগ



হৃদয়ানন্দ গোস্বামী
সম্পাদক, সমাজ সেৱা বিভাগ



হেমেন নাথ
সম্পাদক, ব্যমশালা বিভাগ



ধ্ৰুৱ জ্যোতি কাশ্যপ
সম্পাদক, ছাত্ৰ জিৰণি কোঠা



মাইনু ডেকা
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা



প্ৰণতি বৰুৱা
সহঃ সম্পাদিকা, সাংস্কৃতিক বিভাগ

## সম্পাদনা সমিতি



উপদেষ্টা
ভাৰত চন্দ্ৰ শৰ্মা



সভাপতি
অধ্যাপক ইদ্ৰিছ আলি



তত্ত্বাৱধায়ক অধ্যাপক
মতিৰাম মেধি



শ্ৰী চন্দন শইকীয়া
সম্পাদক, আলোচনী বিভাগ



ঘন কান্ত বৰুৱা
হিচাপ ৰক্ষক



সদস্য
জয়ন্ত শৰ্মা




সদস্য
প্ৰণৱ বৰুৱা



সদস্য
কাৰ্ত্তিক বৰুৱা



সদস্য
নয়ন মণি শৰ্মা




কলেজ সাপ্তাহ উপলক্ষে আয়োজিত
সাংস্কৃতিক শোভা যাত্ৰাৰ একাংশ



'৯৭ চনৰ জুন মাহত মধ্যপ্ৰদেশত অনুষ্ঠিত হোৱা National Rover / Ranger Samagam Camp ত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ **শ্ৰীলক্ষ্য কুমাৰ ভট্টাচাৰ্য্য**




বিশ্ব মহাবীৰ চিলাৰায় দিৱশ উপলক্ষে মহিলা পাৰাত আয়োজিত জিলা ভিত্তিক "তৰ্ক প্ৰতিযোগিতা"ৰ শ্ৰেষ্ঠ তাৰ্কিক **শ্ৰীমৃনাল ৰাজবংশী**



নৱাগত আদৰণি সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীৰ একাংশ

# সম্পাদনা সমিতি ১৯৯৬-৯৭ বৰ্ষ





বহি (বাওঁফালৰ পৰা) ঃ অধ্যাপকবৃন্দ- সৰ্বশ্ৰী শশীন্দ্ৰ নাথ চহৰীয়া (তঃ খেল বিভাগ), হৰিমন ডেকা (তঃ সাংস্কৃতিক বিভাগ), ড° নগেন্দ্ৰ নাথ শৰ্মা, মতিৰাম মেধি (তঃ আলোচনী বিভাগ), জামালুদ্দিন আহমেদ, (তঃ ছাত্ৰ জিৰণী কোঠা), দেৱজিৎ নাথ (তঃ সমাজ সেৱা বিভাগ), জয়ন্ত শৰ্মা (উপ-সভাপতি), প্ৰণৱ বৰুৱা (সাধাৰণ সম্পাদক)

থিয়হৈ (বাওঁফালৰ পৰা)ঃ সৰ্বশ্ৰী পংকজ শৰ্মা (সঃ সাংস্কৃতিক), কুশল কলিতা (সঃ সাহিত্য), দিগন্ত শৰ্মা (সঃ খেল), হেমেন নাথ (সঃ ব্যায়ামশালা), দিব্যজ্যোতি বৰা (সহঃ সাঃ সম্পাদক), ধ্ৰুৱজ্যোতি কাশ্যপ (সঃ ছাত্ৰ জিৰণী কোঠা), হৃদয়ানন্দ গোস্বামী (সঃ সমাজ সেৱা), চন্দন শইকীয়া (সঃ আলোচনী)

# MANGALDAI COLLEGE MAGAZINE

## English Section


35Th Issue
1996-97


**In-charge-**
**Prof. Matiram Medhi**

**Editor-**
**Chandan Saikia**

Article

# Scientific Attitude

***Bhupendra Nath Kakati, M.Sc.***
*Lecturer, Mangaldai College*

Most of our parents and guardians see that their children go for reading in science stream or science related subjects after successful completion of their secondary or higher secondary education. Does it mean that our parents and guardians are having regards for science education? Are we developing scientific attitude towards solving problems of our life and society? Do we know that Nicolaus Copernicus went against the Ptolemic belief four hundred and fifty four years back? Are we aware of the fact that Galileo was just put into prison and Giordano Bruno was mercilessly burnt to death for their acceptance of Copernican heliocentric hypothesis as against Ptolmic Geocentric belief ?

Inquisitiveness, hard work, imagination, contemplation, experimental observation, particularisation and generalisation and theorisation are the basis of establishing scientific truth. One may develop an idea on the basis of experimental findings. One may develop his idea to be called a hypothesis. Depending upon such hypothesis experiments may be designed and further truth may be established. When such a hypothesis stands on intricate and elaborate experimental test then we call it to be a theory. In science, we are not concerned with absolute or permanent truth. Truth is relative, concrete and whole. Truth about something is established to that extent to which our knowledge is enriched. Newton is rightly called the father of physics. But, he could not contemplate the theory of Relativity. Theory of Relativity was enunciated by another giant scientist Albert Einstein. This was possible because of development of sophisticated experimental method for determination of velocity of light accurately. Einstein's theory of Relativity thus put a limit to the application of Newtonian or classical mechanics. In our ordinary day-to-day experiences and works where velocity of motion is far below the velocity of light Newtonian Mechanics is sufficient. But in the domain of motion where velocity approaches the velocity of light Newtonian Mechanics is insufficient and we must switch over to the theory of Relativity. Mass-energy equivalence, inclusion of time axis along with space axes and curvature of space in the neighbourhood of a gravitating body are some important concepts of theory of Relativity. These concepts were not developed in classical Mechanics.

Another revolutionary development in Modern Physics was the discovery of electron by J.J. Thomson in 1897. This discovery proved beyond

doubt inadequate understanding of the ultimate state of matter. Dalton's idea of indivisible atom was rejected and Bohr-Som merfeld Model was accepted.

Wave Mechanics or Quantum Mechanics, developed on the basis of experimental observation on Black-body radiation, photo-electric effect, electron-diffraction, etc., is another important milestone in the study of Modern Physics and Chemistry. I am not going to discuss the scope of Wave Mechanics or Quantum Mechanics in our endeavour to know the micro-world involving sub-atomic particles. However, I cannot resist my temptation of mentioning Heisenberg's uncertainity principle derived on the basis of quantum mechanics. The principle states that we cannot measure two conjugal variables (such as displacement and momentum or energy and time) simultaneously without inserting an error to any of the two variables. Heisenberg also gave a measure of the product of error of such two conjugal variables. The principles states that "product of the error in the simultaneous measurement of two conjugal variables cannot be less than what is called Planck's constant, h," Numerical value of this constant is of the order $10^{-30}$ Joule Second. This is a small quantity, no doubt, in our ordinary day-to-day events. Its application in classical mechanics will be a futile exercise. But, in the field of study of elementary particles and high energy interactions Heisenberg's principle cannot be disposed with.

With our knowledge of the "theory of Relativity" and "uncertainty principle" if we hasten to suggest that there is some supernatural entity that hides the complete truth of the physical universe, then that will be unscientific. Our knowledge is enriching and enhancing with the advent of Modern Scientific technique and experimentation based on our previous knowledge and theory which were unknown in Newton's time became known in Einstein's time. Many puzzles of Einstein's time are being solved in post Einstein time. If we are not hesitant to accept experimental findings and if we develop a process of scientific reasoning, then we may know to-morrow the unknown of to-day. Blind acceptance and blind rejection has no place in scientific culture and attitude.

Then, do our parents and guardians send their children to inculcate the scientific culture and altitude? The ever growing unemployment problem inherent in this exploitative economic system is definitely the main reason behind this trend. By sending their children to science stream parents and guardians desire their dear ones avail of whatever limited opportunity of job still exists in the ever shrinking employment sphere. Why this job-shrinking is inherent in this economic system, how this problem can be solved, that is a different subject. I am not going to discuss this subject in this small note. I am also not desiring that each and every student going for science education will become Newton, an Einstein, a C.V. Raman, an S.N. Bose or Abdus Salam etc. They are all genius. But, even without being a genius, being an intellectual may he not inculcate the habit of questioning and reasoning before accepting or rejecting any proposition? This habit may be cultivated not only by student of science, but also by any well meaning student. Our society would become healthier with cultivation of such habit and attitude. ■ ■

Article

# Background of the Gandhian Economic Thoughts

*Prof. Sarat Ch Sarma MA, BT*
*Head, Dept of Economics*

INTRODUCTION

Mahatma Gandhi, the Father of Nation is famous in India and abroad as a leader of India's freedom movement for achieving India's freedom. Gandhiji also prepared an allround strategy for-economic and social emancipation. For Gandhiji economics is not an isolated idea but a part of the social life of the people. According to famous Gandhian, Shriran Narayan, although Gandhiji never claimed to be economist in the conventional sense of the term, his ideas on the subject reveal deep thoughts and practical commonsense," Gandhian economy is based on simplicity, non violence, sanctity, of physical labour and human value.

GANDHIAN ECONOMIC IDEAS

Gandhian economic ideas, believed in simple living and high thinking and gave importance on containment that is, as wants are unlimited and even increasing man should minimise his needs. He emphasised on Gram Swaraj or self sufficient rural economy, revival of cottage and small scale industries, sanctity of physical labour, to forget the possessive instinct and use their wealth and property as trustees of the society and spent it for welfare of the society. Principle of Trusteeship, as finally approved by Gandhiji in the form of draft in 1942, contained the following ideas:

(1) Trusteeship provides a means of transferring the present capitalist order of society into an egalitarian one. It gives no quarter to capitalism but gives the present owing class a chance of reforming itself. It is based on the faith that human nature is never beyond redemption.

(2) It does not recognise any right of private ownership of property except so far as it may be permitted by society for its own welfare.

(3) It does not exclude legislative regulation of the ownership and use of property.

(4)Thus state regulated trusteeship an individual will not be free to hold or use his wealth for selfish satisfaction or in disregard of the interest of the society.

(5) Just as it is proposed to fix a decent

minimum living wage, even so a limited should be fixed for the minimum income that could be allowed to any person in a society. The difference between such minimum and maximum income should be reasonable and equitable and variable from time to time, so that the tendency would be towards obliteration of the differences.

(6) Under the Gandhian economic order the character of production will be determined by social necessity and not by personal whim or greed.

"Sarvodaya" is another outstanding Gandhian concept. It emphasised on happy and integrated social life, based on labour intensive technique of production. Basic principles of Sarvodaya are mentioned below:

i) A person belong to the Sarvodaya Samaj is expected to be nonviolent both in his thoughts and action;

ii) The member should earn his living by physical labour and should work freely for the welfare of the society.

iii) Its member should have a simple life and should minimise his wants.

iv) The member should consider himself the trustee of the prosperity which should be used for the benefit of the society.

v) There should be decentralisation of agriculture and industry in order to avoid the concentration of power and wealth in few hands;

vi) Since, Sarbodaya economy is self-generating economy, it should have intensive small scale individual and diversified agriculture merely through co-operative efforts and mechanisation and use the power should be avoided;

vii) The cottage crafts based on agriculture should be promoted;

viii) The movement accepts only a cattle based economy; and

ix) The animal, humanity and plant life should be protected against the maximisation of machinery.

Gandhiji thus developed a new philosophy and thereby tried to overcome the shortcomings of the conventional economic systems like capitalism, socialism or communism to reconstruct an equalitarian society based on mutual respect, love and dignity of man.

BACKGROUND OF GANDHIAN ECONOMY

An attempt has been made in the foregoing pages the main features of the Gandhian economy. Deep insight and various circumstances have inspired Gandhi to formulate economic ideas. He used to stay in London from 1888 to 1891 for studying law and had the opportunity to compare the poverty in India, with the prosperity of Europe. In London he met prominent persons like Cardinal Manning, the Theosophists Madam Blavatsky and Annie Besant, Prof. Dadabhai Naoroji and cricketer Ranjit Sinha.

Gandhiji was greatly impressed by Leo Tolstoy of Russia. "The concept of simplicity asceticism and equalitarianism of Tolstoy became the base of his economic ideas." "Unto This Last" a famous book by Ruskin also in-

spired Gandhiji. He read various religious scriptures like Upanisads and Gita.

It has been mentioned earlier that Gandhiji met Prof. Dadabhai Naoroji in London. In 1892 Naoroji became the member of the British Parliament. He criticised the British Government in his famous book, "poverty and un-British Rule in India" (1871) and with the help of W.C. Banerjee he founded "The London Indian Society" a common Platform for British as well as Indian people to discuss the important issues related to India. His Drain Theory is famous. India had to pay a huge amount to Britain under the Head. "Home charges" on account of political, administrative and commercial connection in India. India had almost always favourable balance of trade and excess of India's export over her imports during the British period died not result in India getting gold or silver in return. On the other hand the excess of India's exports over the imports was meant to meet to what was called "Home charges". This was called Drain by Indian National leaders. The drain was amounted to about Rs 40 crores per year, when Indias export was less and import was more, to meet the charges; India had to export gold. Dadabhai tried to prove that the prevailing mass poverty in India was the direct consequences, among other reasons of the drain of resources from India to England without any quid pro quo. Other nationalists like G .V. Joshi, D.E. Wacha, S.N. Banerjee, R.C. Dutta, M.G. Ranade and Gopal Krishna Gokhale the political Guru of Mahatma Gandhi, also joined the discussion of the Drain issue. Ranade advocated protection of Indian industries, R.C. Dutta suggested to revive cottage industries, extension of irrigation facilities, restrain on public expenditure and reduce the rate or interest, Gopal Krishna Gokhale (1866-1915) made valuable suggestions on public expenditure, financial reforms and fiscal administration, agricultural credit, extention of irrigation facilities and reduction of land revenue.

In South-Africa where Gandhiji practised law, found the oppressive British administration and he fought against their atrocities. He set up Phoenix farm and Tolstoy farm there. His spiritual and social ideas were also being developed in South Africa.

Returning from South Africa in January 1915 Gandhiji set up an ashram on the bank of the Sabarmati and engaged himself in social services, subsequently he joined the Indian National Congress and led Non-co-operation Movement in 1920. The Salt Satyagraha (Dandi March) in 1930, Civil disobedience Movement in 1940 and finally launched the Quit India Movement in 1942.

Conclusion

Thus it is evident from the above discussion that Gandhiji derived inspiration to formulate his economic ideas from Upanisads and other Vedic Literatures. Particularly Isha Upanishad had a lasting impression on Gandhiji. He accepted the first verse of the said Upanisad to be chanted in the prayer meetings. His contemporary Indian national-

ists created a wave in the country that the British rule in India was the main cause of mass poverty. Wrong policies of the British resulted in recurring famines, law productivity of land and the decay of the domestic industries. Gandhiji had a deep insight to decide the course of action.

Gandhiji accepted the universal values like Love, Truth and Non-violence as his weapons to fight against the mighty colonial rulers and raise the lot of the destitutes of India. People of India cannot forget his dictum that what is morally wrong can never be politically correct and also bad means can never justify good ends.

Gandhiji was a dynamic person. Before industrialisation his idea was to strengthen the grass level of the economy, by utilising the indigenous resources and talent, He was deeply concerned with the food and employment problems. In Taittiya Upanisad also states that "annam bahu kurvita tadvratam" — i.e. it is a sacred pledge to increase the abundance of food, the Brihadaranyaka upanisad teaches to share the abundance in a spirit of self restrained and compasion.

Gandhiji always emphasised that small sector should get utmost importance but Indian politicians gave more importance on the western growth model and emphasis was shifted to capital intensive sector. It accepted confused policy of mixed economy where the merits of capitalism and socialism are lost and all the demerits of the both have caten the vitality of the Indian people.

Now around 320 million Indian people are below the poverty line, almost as many as the entire population of India at independence. India's average consumption of staple food falls below the accepted international standard, a merely 200 kgs. Literacy is also only 52 per cent against Singapore 91% Korea 100%, Thailand 94%, Zambia 78%, Uganda 62%, Tanzania 68% and Kenya 78%. Present India's foreign debt stood at 92 billion dollars (Rs 3,15,435 crores). Annual drain of interest payment liabilities of the country is staggering virtually the country is in the debt trap.

India is profusely paying homage to Gandhiji in this year of Golden Jubilee of India's independence. Gandhian economic philosophy has great relevance to eradicate poverty and prevailing social injustices. In a country of India's rise, diversity and complexity, no imported model of reform could succeed. India needs a typical Swadeshi Indian approach for massive socio-economic transformation in the decentralised frame work of democracy.

■ ■

Article

# 50 Years Of Indian Cricket

**Sri Samit Dutta**
T.D.C 2nd year (Arts)

From the depths of despair of the infamous summer of '1942' to the dizzy heights of success in 1983 and back to the depths of a season of discontent, the wheels of fortune of Indian Cricket seem to have come a full circle in the '50th' year of Indian Independence.

There were several reasons why Indian Cricket flourished in '1947'. The foremost among them was that the World War II had not, in any way, affected the activities of Cricket.

Domestic competitions like the pentangular, the Ranji Trophy and the Moin-ud-Dowla were conducted regularly.

In '1947' Vijay Merchant was originally appointed Captain for Independent India for the tour to Australia. But he withdrew on health ground Lala Amarnath, Vice-Captain, was elevated.

There was total chaos and confusions among the Indian players and so they lost that series to Australia, but a few of the Indian players could win many hearts in Australia. Vijay Hazare came good as a batsman, scoring few centuries Lala Amarnath did not click as a batsman in tests but impressed all with his bowling. Until '1952' there were ups and downs of Indian Cricket following some big losses to countries like Australia, West Indies and England.

It was in '1952' that India could win a test series against Pakistan under the captaincy of Lala Amarnath. And after that Indian Cricket appeared as a formidable force in International scene, following few victories under the captaincy of Nawab Mansoor Ali Khan (Tiger Pataudi). He for the first time at the teen age of tweenty one could motivate the Indian team by spreading a national spirit among his team mates.

The spinners quatret of Bishen Bedi, Venkataraghavan, Prasanna and Chandrasekhar, was deadly while young Sunil Gavaskar showed that he not only had the 'straightest bat but was endowed with a big match temperament and tremendous application.

It was in '1970-71' that Indian spinners struck, Gavaskar plundered runs as India surprised West-Indies 1-0 on their home wickets.

Again in '1972-73' against England Wadekar's India won the third series in a row beating England 2-1 in India. But in '1974' when Ajit Wadekar's team was bowled out for a meagre '42' runs in the English summer Indian Cricket had touched its nadir.

But in less than a decade 'Kapil's Devils'

rated as under dogs, stunned the whole world when they won the World Cup in '1983'.

It was the real turn for the Indian Cricket which brought glory and satisfaction to the Indians.

In that great final India defeated the mighty West Indies by a large margin which was really quite remarkable. After the victory of '83' World Cup, Indian Cricket continued its winning spree by pocketing the Benson and Hedges Cup and Rothmans Cup in '1985-86' both against her arch-rival Pakistan.

In 1987, the World Cup was hosted jointly by India and Pakistan. It was a great success.

But in that competition India crashed out in the semi's and Australia came out as the winners.

However, the defeat in the World Cup rejuvinated Indian Cricket and a new look Indian team won the Hero Cup and Asia Cup. Again in 1996' India, Pakistan and Sri Lanka hosted the Cup but except Sri Lankan's the other two host teams could not put up a real challenge. India, like the 87' Cup was once again crashed out in Semi-final against the Lankans.

During these fifty years India had produced a number of heroes like Kapil Dev, Sunil Manohar Gavaskar, Sachin Tendulkar and many others. The little giant, Gavaskar brought glory to Indian Cricket when he emerged as the first batsman to complete ten thousand runs in Test Cricket. He had his own style and mastery over the game. Although, his record was broken by the equally illustrious Alan Border from Australia; his achievements and contributions will always be remembered by all the cricket lovers around the world. Following the foot steps of Gavaskar, Kapil Dev Nikhanz also achieved a milestone by capturing a record of 432 test wickets surpassing the record of Sir Richard Hadlee from NewZealand. Another promising talent that has emerged in the recent times is Sachin Tendulkar who since his appearance in World Cricket could impress the cricket lovers world over. His taking over the mantle of Indian Cricket after the inglorious sacking of Azharuddin has to some extent blunted batting prowess. However, it is hoped that Tendulkar would continue to flourish with his bat in International Cricket for many years to come.

1997' has a mixed fortune for Indian Cricket. After a very poor performance in Asia cup and Independence cup, Indian Cricket received a jolt when it was drabbed by Sri Lanka 3-0 at Sri Lanka.

However, Tendulkar's 'new-look' team could salvage some of its lost prestige when they thrashed arch-rival Pakistan '4-1' in the just concluded Sahara Cup in Toronto, Canada. But the euphoria was short-lived as India was mauled by Pakistan '2-1' in the Golden Jubilee one-dayer's named Zinnah Cup in Pakistan.

The emergence of 'new-find' Saurav Ganguly as an allrounder is a happy augurer for Indian Cricket.

At present, bowling is the weakest department in Indian Cricket.

Gone are the days when the Indian spinners could create havoc in the rival camps. No world class fast bowler has emerged after Kapil Dev.

The B.C.C.I would do well to pick up the budding talents, train them, motivate them, and there is no reason why Indian Cricket team should not emerge as top team in the world. ■ ■

# A thought of two divisions

***Kumar Madhu Nath***
*T.D.C. 3rd Year (Arts)*

What a paradox
in Nature !!
In the thoughts of Nature
So many Flowers
Are
blooming here.............. !
one looks as the hope of having
one looks as the displaced of life
one looks ......... as the
"King of beauty and sweetness".
Thus, we, the people are blooming
as the Flowers
Through these boundless thoughts
But ........... nothing in them ......... !
It is the mark of hunting,
Thoughts of "Desert's Mystery."
So ...............
Life should be here
Where lies the present's thoughts.
'present' is the best account
what is to be the
"Implication of thoughts".

# A Flash

***Prafulla Gogoi***
B. Sc. - 2nd year


Life.
Your life, not only for living,
Life Your life is -
Also for giving
Come do not surrender,
Think ! we are brothers
Under the same sun.
In the name of God.
Reach out for the needy.
Wake up the sleepy.
Arm-in-arm,
March together
To the land of peace,
To the land of love.
We'll need nothing else,
When there's no envy,
When there's no hatred
When there's no war.
Life, our life is perfect.
When we are brothers,
When there's peace,
When there's love.

# Value of Time

***Priyanka Das***
*T.D.C: Ist Year*

I was sleeping and dreaming of the past,
When someone whispered at my ears
And said, "wake up"
I was shocked and looked around
There were plenty of things-still undone.
When I realised my mistake,
I was very sad.
But it was too late,
The time that passed by—
Will never come back to my life again.

Human life is meant for struggle,
And we have so little time to tackle,
And have to do much—
In this little life time.
Time will pass by like a dream,
So, we must do everything,
In proper time by any means.



# *At sight*

***Aaimoni Sarmah***
*T.D.C. 2nd Year*


Silent feeling grows so charmly
in my heart,
When I meet thee
in any street, at sight.
A sweet melody of lyre
rippled in my ear
when your heart
tells something in quiet
in any place, at sight.
Stars' light is very bright
Like as your sight;
when I think of you
miseries come very soon
In any where, at sight
Rain falls So smoothly
tears fall of my eyes......
Not one and more to weep
very moment when I die......
My heart memorise you
every day and night,
But, how fob thou to me!
Is that your stony heart?
Divine love is bright
as like the sunbeam's light;
Every one can feel it.....
all can smell it.....
Whilst love remain on earth
I will memorise your heart
In any where, at sight.



Poem

# 'The Sweet Me'mory'

***Sri Hemchandra Saharia***
*T.D.C. 3rd yr.*



It was a beauty as evergreen trees,
That are grown in the mountains;
Got lots of fun that made boundless joys.
Forget every bit of affliction,
And change into vivid pleasures.
Head is full of good thoughts,
I swore, to make them a grand success.
I was really a priceless gift,
That can not be sold or bought elsewhere;
But then its value was far higher than—blue sky.
And too deeper than huge endless ocean,
Then time splitted slowly and slowly asusual
And glory of life disappeared suddenly—in air.
Alas! day may pass away; seasons may roll—away
And roses may fade away forever ;
But, "The Sweet Me'mory' will never die
Till my end of life! End of—Life!!!

# তত্ত্বাবধায়কৰ একলম

সমাজৰ বিভিন্ন স্তৰত বিভিন্ন সময়ত কোনো এটা বিষয় বা বস্তুই বিবৰ্ত্তন নাইবা পৰিবৰ্ত্তনৰ মাজেদি বিশেষ ৰূপত জনসাধাৰণৰ বাবে গ্ৰহনীয় হৈ উঠে। মানুহৰ চিন্তা-চৰ্চ্চা, ভাবপ্ৰবনতা, সৌন্দৰ্য্যবোধ, অধ্যয়ন আৰু লেখনিৰ যোগেদি প্ৰতীয়মান হৈছে যে গতিশীল সময় আৰু পৰিবৰ্ত্তনশীল সমাজত মানুহ সদায় অনুকৰণ ধৰ্ম্মী। এটা জাতিৰ বা সম্প্ৰদায়ৰ যিহেতুকে সাহিত্য আৰু সংস্কৃতিয়েই উন্নতিৰ মাপকাঠি আৰু সমাজৰ বৌদ্ধিক চিন্তাধাৰাৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত হৈ আছে ; সেয়ে পৰিবৰ্ত্তন আৰু অনুকৰণৰ মূল্যায়ন উচ্চমানৰ সাহিত্য সৃষ্টিৰ লগতে বৰ্ণাঢ্য সংস্কৃতি চৰ্চ্চাৰ যোগেদিহে হোৱাটো বাঞ্চনীয়।

এটা জাতিৰ ভাৱ-ভাষা-কৃষ্টি আদিৰ প্ৰতিচ্ছবি সাহিত্যই সুন্দৰভাৱে ডাঙি ধৰে। সাধাৰণতে লেখনিৰ যোগেদিহে সাহিত্যৰ উদ্দেশ্য সাধিত হয়। নতুন প্ৰজন্মৰ মাজত অধ্যয়নৰ লগতে চিন্তা-চৰ্চ্চা আৰু উচ্চমানৰ লেখনিয়েহে সমাজৰ সুসংস্কৃত ৰূপটি প্ৰতিফলিত কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত লেখা-পঢ়া দুয়োটাৰে সমান চৰ্চ্চা থাকিলেহে সেইটো সম্ভৱপৰ হব। অৱশ্যে কলেজ আলোচনী এখনৰ ক্ষেত্ৰত প্ৰয়োজনী উচ্চমানৰ লেখনি বিচাৰি পোৱা নাযায় ; তাৰবাবে লাগিব পুষ্ঠ গ্ৰন্থাগাৰ, প্ৰয়োজনীয় অধ্যয়ণ, বিষয়বস্তুৰ সমল আৰু দলবদ্ধ আলোচনা। কিন্তু আলোচনী এখন ছপা হৈ ছপা আখৰৰ মোহে তেওঁলোকক সাহিত্য চৰ্চ্চাৰ বাবে বিপুল ভাৱে উৎসাহিত কৰে, সৃষ্টিশীলতাৰ উন্মেষ ঘটায়। সেয়ে, সাহিত্য আৰু সাহিত্যনুৰাগী সৃষ্টিত আলোচনী এখনৰ গুৰুত্ব সবাতোকৈ অধিক।

অতি সম্প্ৰতি আমাৰ স্থানীয় সাহিত্যৰ উল্লেখনীয় সৃষ্টিত কিছু যতি দেখা যায়। স্বনামধন্য প্ৰয়াত কবি ধনাই বৰা, এম ইব্ৰাহীম আলি, ভবানন্দ ৰাজখোৱা আদিৰ বাচকবনীয়া অনন্য মননশীল লেখনীৰ ৰূপলেখা নবীন চামৰ লেখনীৰ সমানে দেখা নাযায়। আমাৰ আশা, নবীনসকলে বিদ্যালয়/মহাবিদ্যালয় পৰ্য্যায়ৰ পৰাই সুদূৰপ্ৰসাৰী ন-পুৰনি চিন্তা চৰ্চ্চাৰে উদ্বুদ্ধ হওঁক। যুগৰ সন্ধিক্ষণত সুৰ মিলাই মননশীল লেখনীৰ বাবে নিজক উপযুক্ত কৰক-অধ্যয়ন, অনুশীলন, অনুকৰণ আৰু বিজ্ঞান সন্মত ভাবধাৰাৰে।

এইবাৰ আলোচনীখন আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লেখনিৰেই পুষ্ঠ। বিষয়বস্তু পৰম্পৰাগত হলেও চপাৰ কিছু পৰিবৰ্ত্তন বিচৰা হৈছে। তাৰ বাবে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ দেৱৰ ঐকান্তিক প্ৰচেষ্টা, উপদেশ, এই সংখ্যাৰ সম্পাদনা সমিতিৰ চেষ্টা আৰু উপদেশ, সম্পাদকৰ কষ্ট আৰু যত্ন আৰু লেখক-লেখিকা সকলৰ বৰঙনি উল্লেখনীয়। অৱশ্যে পুঁজি আৰু লেখনী দুয়োবিধৰে দন্য এইবাৰৰ আলোচনীখনৰ বাহ্যিক অবয়ব আৰু পাঠ্যবস্তুত পাঠকে সহজে অনুধাবন কৰিব পাৰিব। এই দুয়োটা দিশ আতঁৰাব নোৱাৰিলে আলোচনীখন চমকপ্ৰদ কৰাৰ বাবে সম্পাদনা সমিতিৰ হাতত কোনো উপায় নাই।

মহাবিদ্যালয় আলোচনীখন শিক্ষানুষ্ঠানখনৰ দাপোন স্বৰূপ। মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ আদৰ্শ মন্দিৰ। থলুৱা কৃষ্টি-সংস্কৃতিৰ লগতে মহাবিদ্যালয় সকলো আদৰ্শনীয় দিশ আলোচনীখনৰ পাতে পাতে প্ৰতিবিম্বিত হওঁক এই কামনাৰে।

**শ্ৰীমতিৰাম মেধি**

**তত্ত্বাবধায়ক অধ্যাপক।**

# উপসভাপতিৰ প্ৰতিবেদন

গণতন্ত্ৰৰ পাত লুতিয়াওঁতে ----

খবৰ কাকতৰ প্ৰথম পৃষ্ঠাতে দেশৰ খবৰ, মানুহৰ খবৰ, ভূৱা ৰাজনীতিৰ খবৰ, হত্যা, ধৰ্ষণ, মাৰপিত, লুট, চৰকাৰী বিষয়াৰ বিৰুদ্ধে চমন জাৰি এইবোৰ যেন আজি কালিৰ এক মজলীয়া বিধৰ ফেচন। এইবোৰৰ হকে মাত মাতি বা সৰ্ব্বহাৰাৰ নামত ভাতৃত্ববোধৰ ভাষণ, শান্তিৰ ভাষণ দি টেটুফালি চিঞৰি গলত গামোছাঁ লোৱাৰ হাবিয়াস মোৰ নাই। তথাপি স্বাধীনতাই পঞ্চাশটা বছৰ অতিবাহিত কৰা এখন দেশৰ নাগৰিক হোৱাৰ অধিকাৰ থকাৰ বাবে দুৰ্নীতি অনিয়মৰ বিৰোদ্ধে মনবান্ধি থিয় হবলৈ মন যায়। প্ৰতিটো ক্ষুদ্ৰৰ পৰা বৃহৎ অনুষ্ঠানলৈ আজিকালি দুৰ্নীতিয়ে শিপা বিয়পাইছে। ইয়াৰ মূলতঃ ক্ষমতাত অধিষ্ঠিত সকলৰ আত্মকেন্দ্ৰিক মন আৰু গাদী দখলৰ হেপাহ। জনসাধাৰণৰ সমস্যাৰাজি অথবা দুখ-দুৰ্গতিৰ প্ৰতি তেৰাসৱৰ কোনো গুৰুত্ব নাই। মেহনতী জনতাৰ প্ৰয়োজন তেতিয়াহে, যেতিয়া দৰকাৰ হয় তেওঁলোকৰ ভোটৰ। সেই সময়ত প্ৰতিশ্ৰুতিৰ আখৰা আৰম্ভ হয়, সৰ্বসাধাৰণক ভুলোৱাৰ প্ৰতিযোগিতা চলে। জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ বাবে ক্ষন্তেকীয়া চুক্তি সম্পাদিত হয়। সময়ত কিন্তু প্ৰত্যক্ষ হয় নিৰপৰাধীৰহে মৃতদেহ পথৰ দাঁতিত।

ভাষাৰ ভিত্তিত স্বাধীন ভাৰতৰ ৰাজ্যসমূহ গঠন কৰা হ'ল যদিও স্বাধীনতাৰ সোণালী জয়ন্তীবৰ্ষ অতিক্ৰম কৰাৰ পিছতো ভাষাৰ সমস্যাৰ অন্ত নপৰিল। বিভিন্ন ভাষাগোষ্ঠীৰ লোকে তেওঁলোকৰ ভাষাক মৰ্যাদা নিদিয়া বুলি অভিযোগ উত্থাপন কৰিছে। ভাষাৰ লগত ৰাজ্য তথা দেশখনৰ এক বৃহৎ সম্পৰ্ক থকাৰ বাবে আজি-কালি নৰ্ঘটিব লগীয়া ঘটনাও ঘটিব ধৰিছে। অসমতো ভাষা সমস্যা নতুন বুলি কব নোৱাৰি। বহু সংঘাটৰ মাজেৰে ঐতিহ্যপূৰ্ণ অসমীয়া ভাষাই ৰাজ্যখনত মৰ্য্যদা পালে বহু পলমকৈ। দিন অতিক্ৰম কৰাৰ লগে লগে অসমৰ থলুৱা ভাষা সমূহৰ বিষয়ে নতুন চিন্তা চৰ্চা হবলৈ ধৰিলে। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু ভৌগলিক দিশত অসমৰ থলুৱা ভাষা সমূহ বিকাশ হোৱা নাছিল। থলুৱা ভাষী লোক সকল শিক্ষা দীক্ষাত আগবঢ়াত তেওঁলোকৰ ভাষা সাহিত্যৰ সৰ্ব্বাংগীন উন্নতিৰ বাবে আগবাঢ়ি আহিল। অসমৰ থলুৱা ভাষা- বড়ো, মিচিং, কাৰ্বি, ডিমাছা, ৰাভা আদি ভাষাৰ এক গৌৰবময় অতীত আছে।

সম্প্ৰতি উচ্চ শিক্ষাত সামগ্ৰিক নৈৰাজ্যই ৰাজত্ব কৰা বুলি প্ৰতিজন সচেতন ব্যক্তিয়ে কব বিচাৰে। শিক্ষাৰ মানদণ্ড হ্ৰাস, প্ৰশাসনৰ অবাধ দুৰ্নীতি, শিক্ষাদানত শিক্ষকৰ হেমাহি, ছাত্ৰৰ মাজত বিশৃংখলতা, নামভৰ্ত্তিৰ খেলিমেলি, সঘনে পাঠ্যক্ৰম সলনি, চৰকাৰ, গভৰ্নিং বডি, সংসদ, বিশ্ব বিদ্যালয় এই এশ এবুৰি সমস্যাই আজি ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাত বেমেজালিৰ সৃষ্টি কৰি আহিছে। শিক্ষানুষ্ঠান সমূহ মাৰ্কশ্বিত, চাটিৰ্ফিকেট উৎপাদন কৰা উদ্যোগত পৰিণত হৈছে।

এই সমস্যাৰজি সমাধানৰ ক্ষেত্ৰত গুৰু দায়িত্ব লব পাৰে চৰকাৰ আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সমূহে। ইয়াৰ লগতে জনসাধাৰণৰ আগ্ৰহ আৰু সদ্ইচ্ছাও বহু পৰিমানে আৱশ্যক।

ছাত্ৰ একতা সভা নিৰপেক্ষ সমালোচনাৰ প্ৰত্যাক্ষী। ছাত্ৰ একতা সভাৰ মঞ্চত থাকি আভ্যন্তৰীন কিছুমান কাৰ্য্য দেখি থকাৰ ফলত নিৰপেক্ষ ভাৱে কাম কৰি থকাত বিমুৰত পেলাইছে। যিবোৰ কাৰ্য্য কেৱল সদায় ওতঃপ্ৰোতঃ ভাৱে জড়িত থাকিলেহে বুজিব পাৰি। মঙ্গলদৈ মহাবিদ্যালয় এখন

মহান শিক্ষানুষ্ঠান। মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ দাবীৰ প্ৰতি সন্মান জনাই ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰি প্ৰথম আসনৰ দায়িত্ব লবলৈ সমৰ্থ হৈছিলো। এইখিনিতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কিয়নো মোৰ দৰে এজন অভাজনক ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ পদত নিৰ্ব্বাচিত কৰি মহাবিদ্যালয়খনৰ প্ৰতি কিঞ্চিত সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে। মহাবিদ্যালয়ৰ পদুলিত প্ৰথমে ভৰি দিয়ে অনুভৱ কৰিছিলো আমাৰ মহাবিদ্যালয় খন আন আন মহাবিদ্যালয়ৰ তুলনাত যথেষ্ঠ পিছপৰি আছে। যিবোৰ **সম্ভৱতঃ** অতীতত কাৰ্য্য সম্পাদন কৰা কৰ্ত্তৃপক্ষৰ অবহেলাই হওঁক কিম্বা অন্য কোনো কাৰণেই হওঁক। মহাবিদ্যালয় খনৰ উন্নতিত এটা সময়ত কৰা অবহেলাই যে প্ৰধান কাৰণ তাৰ জলন্ত উদাহৰণ মহাবিদ্যালয় খন। মঙ্গলদৈ মহাবিদ্যালয়তকৈ বহু পিছত প্ৰতিষ্ঠিত আন মহাবিদ্যালয়ৰ অবস্থা আজি তুলনামূলকভাৱে বহু উন্নত। দৰং জিলাৰ ভিতৰতে আটাইতকৈ ভাল শিক্ষানুষ্ঠান হোৱাৰ উপৰিও অসমৰ ভিতৰতে মঙ্গলদৈ মহাবিদ্যালয় এখন সুনাম থকা মহাবিদ্যালয়। এনে অবস্থাত পুথি ভৰালৰ অভাব উপযুক্ত শ্ৰেণী কোঠাৰ অভাব আদি অত্যন্ত আপত্তিজনক।

শান্তি আমিও বিচাৰো ---

শেহতীয়াভাৱে অসমত দেখা দিয়া বিভিন্ন চৰকাৰী বেচৰকাৰী সন্ত্ৰাসবাদৰ অবসান আমাৰো একান্ত কাম্য। ৰাজনৈতিক এই সমস্যা সমূহ আলাপ আলোচনাৰ জৰিয়তে মিমাংসা হব লাগে। দিনে দিনে বাঢ়ি গৈ থকা হত্যা সন্ত্ৰাসে মানুহৰ মাজলৈ শান্তি কাঢ়িয়াই আনিব নোৱাৰে, বৰঞ্চ অশান্তিহে কঢ়িয়াই আনে। এই প্ৰতিবেদনৰ জৰিয়তে কামনা কৰিছোঁ অসমৰ সমূহ জনগনৰ মাজলৈ শান্তি আহক, যুদ্ধ লীলা বন্ধ হওঁক। শেষত মহাবিদ্যালয়খনৰ সকলো দিশৰে উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

ধন্যবাদেৰে

**জয়ন্ত শৰ্মা**

**উপ-সভাপতি**

# ☞ "সাধাৰণ সম্পাদকৰ প্ৰতিবেদন"

"শান্তিৰ হকে"

We want peace; we want non-violence situation, অসমত আজি সবাতোকৈ বেছি উচ্চাৰিত শব্দ। আজি মানুহে শান্তি বিছাৰিছে। শান্তিৰ লগত জড়িত হৈ আছে সম্প্ৰীত, তাৰ নগত জড়িত হৈ আছে প্ৰগতি আৰু প্ৰগতিয়েই উন্নতি। এটা জাতি আৰু এখন দেশে উন্নতি কৰিবলৈ হলে এক সুস্থ পৰিৱেশৰ দৰকাৰ। আজি অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শিক্ষা, সংস্কৃতি, এই সকলো দিশতে এখন অস্থিৰ চিত্ৰহে আমি দেখিবলৈ পাইছো। ৰাজনৈতিক ক্ষেত্ৰতেই যদি চাওঁ কোনোবাই বিছাৰিছে স্বাধীন অসম, কোনোবাই আকৌ বেলেগ ৰাজ্য। বিভিন্ন সৰু-বৰ জাতিয়ে বিছাৰিছে স্বায়ত্ত শাসন। কিন্তু আমি জানো এইটো নিশ্চিত ভাৱে কব পাৰো যে তেওঁলোকে বিচৰা বিলাক দিলেই সমস্যাৰ সমাধান হব ? আজিৰ সময়ত অসমীয়া জাতিৰ বাবে সবাতোকৈ প্ৰয়োজনীয় বস্তুটো হ'ল আত্ম বিশ্লেষণ, আমি নিজকে সুধিব লাগিব আমি কিমান খিনি নিজৰ দেশৰ বাবে, নিজৰ জাতিটোৰ বাবে কৰিছো নিজে কিমান শুদ্ধ পথত আছো। আমি আমাৰ দোষ খিনি দেখা নাপাওঁ বা দেখিলেও তাক শুধৰাবলৈ চেষ্টা নকৰি কেৱল আনৰ দোষ ভুলবোৰৰ খুটি নাটি বিচাৰি ফুৰোঁ। আমি আজি কথাই কথাই কওঁ কেন্দ্ৰই আমাক শোষণ কৰিছে, আমাক মাহী আইৰ দৃষ্টিৰে চায়, এই কথাৰ সত্যতা একেবাৰে নোহোৱা নহয়। কিন্তু আমি ভাবি চাব লাগিব আন ৰাজ্যই যদি নিজৰ প্ৰাপ্য আদায় কৰিব পাৰে আমি কিয় নোৱাৰো। ইয়াৰ কাৰণ আচলতে আমি যি সকলক সংসদলৈ/বিধান সভালৈ নিৰ্বাচিত কৰি পঠাও তেওঁলোক আমাৰেই মানুহ। আজি ৫০ বছৰে তেওঁলোকে কি ভূমিকা পালন কৰিছে ? হেম বৰুৱাৰ পিছত কোনজন সাংসদে অসমৰ সমস্যা সজোৰে সংসদত উত্থাপিত কৰিব পাৰিছে ? আমাৰ সাংসদ সকলৰ সংসদত মৌন ভূমিকা দেখিলে এনে লাগে যেন অসমৰ কোনো সমস্যাই নাই। সমস্যা জানো নাই ? আমাৰ মন্ত্ৰী, বিধায়ক, সাংসদ, ৰাজনৈতিক নেতা সকলৰ দায়বদ্ধতা আৰু সততা কিমান ? LOC কেলেংকাৰীৰ কথাই যদি চাওঁ ৬০০ কোটি টকা আত্মসাৎ কৰা মন্ত্ৰী, ৰাজনৈতিক নেতা, ঠিকাদাৰ, বিষয়া সকল আমাৰেই মাজৰ। প্ৰায়েই আমি দেখিবলৈ পাওঁ কেন্দ্ৰই দিয়া ধন সময়মতে খৰছ কৰিব নোৱাৰাত উভতি যায়। গতিকে আনক দোষ দিয়াৰ আগতে আমি নিজক ঠিক কৰিব লাগিব। এতিয়া আহো অৰ্থনৈতিক দিশটোলৈ। অৰ্থনৈতিক দিশৰ লগত জড়িত হৈ আছে নিবনুৱা সমস্যা। আমাৰ মাজত আজি অভ্যাস গঢ়ি উঠিছে কেনেকৈ কষ্ট নকৰাকৈ ধন ঘটিব পাৰি। আমাক আজি প্ৰয়োজন হৈছে কৰ্ম সংস্কৃতিৰ। আজি জীয়াই থাকিবলৈ হলে কৰ্ম কৰিবই লাগিব, কষ্ট কৰিবই লাগিব। আমাৰ ঐতিহ্য আছে। এৰাতিৰ ভিতৰত গড় সাজি দিয়াৰ উদাহৰণো আছে। কেৱল চৰকাৰৰ ওপৰত আশা কৰি থাকিলেই নহব। আমাৰ দেশখন কৃষি প্ৰধান দেশ ; অন্যান্য ৰাজ্যই কৃষি ক্ষেত্ৰত বহুতো আগবাঢ়ি গৈছে। আমাৰ খেতি পথাৰত বাৰ মাহতেই শস্য উৎপাদন কৰিব লাগিব। আজি বিভিন্ন সৰু-বৰ কামত বাহিৰৰ মানুহ আহি সোমাই পৰিছে আৰু আমাৰ পৰা লাখ লাখ টকা লৈ গৈছে। গতিকে আমি সেইবোৰ কাম নিজে কৰিব লাগিব। শিক্ষাৰ ক্ষেত্ৰত যদি আমি চাওঁ আজি বহু বছৰে সৃষ্টি কৰিব পৰা নাই আমাৰ মাজত কোনো

I.A.S., I.P.S., I.F.S. বিষয়া। স্বাধীনতাৰ ৫০ বছৰে আমাৰ মাজৰ পৰা নোলাল ভাৰতীয় সেনা বাহিনীৰ কোনো এটা বিভাগৰে শীৰ্ষ বিষয়া। সাংস্কৃতিক দিশত আমি আজি কেৱল আনৰ টোকেই উন্নত বুলি ধৰি লৈছো। সকলো ক্ষেত্ৰতে কেৱল পশ্চিমীয়াক অনুসৰণ। এটা কথা ঠিক যে এখন দেশৰ বিষয়ে, এটা জাতিৰ বিষয়ে জানিবলৈ হলে তেওঁলোকৰ ভাষা-সংস্কৃতিৰ চিন্তা-চৰ্চা কৰিব লাগিব ; কিন্তু সেই বুলি তেওঁলোকৰ প্ৰতিটো দিশকে কোনো বিচাৰ বিশ্লেষণ নকৰাকৈ উন্নত বুলি অন্ধ অনুসৰণ কৰি আমাৰ ভাষা সংস্কৃতিক তুচ্ছ জ্ঞান কৰিলে আমি ইতিহাসৰ মাজৰ পৰা হেৰাই যাব লাগিব। এটা জাতিৰ পৰিচয় দিবলৈ নিজৰ ভাষা, কৃষ্টি সংস্কৃতিৰ দৰকাৰ, সমৰ সামাজিক চিত্ৰখন আজি অস্থিৰ। কেউফালে হত্যা, হিংসা, লুণ্ঠন। চৰকাৰ, ৰাজনৈতিক দল সমূহে সমস্যা সমাধানৰ সলনি সমস্যা গভীৰ কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰাতহে ব্যস্ত। এই ক্ষেত্ৰত চিন্তাশীল ব্যক্তি, বুদ্ধিজীৱি সকলে সমস্যাৰ গভীৰতালৈ লক্ষ্য কৰি সাহসেৰে আগুৱাই অহাৰ সলনি নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰিছে। কিছুমান বাতৰি কাকতে অযুক্তিকৰ, আবেগিক কথা লিখি নিজৰ ব্যৱসায়িক লাভা লাভৰ বাবে সমস্যা সমূহ জীয়াই ৰাখিছে। যাৰ ফলত আজি অসমত এক অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। এইখিনিতে আন্তৰিকতাৰে অনুৰোধ জনাইছো সকলো পক্ষই যেন হত্যা, হিংসাৰ অৱসান ঘটাই মানৱীয় পৰিৱেশ গঢ়ি তোলে।

**"কাৰ্য্যকাল"**

(১) ৭ জানুৱাৰী ঃ কাৰ্য্যভাৰ গ্ৰহণ কৰো।

(২) ২৭ৰ পৰা ৩১ জানুৱাৰী ঃ ৫ দিনীয়াকৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। বিভিন্ন প্ৰতিযোগীতাৰ লগতে প্ৰথমবাৰৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক সাংস্কৃতিক শোভা যাত্ৰাৰ আয়োজন কৰা হয়। বিজয়ী দলটোক স্বৰ্গীয় লীলা গগৈ সোঁৱৰণী বঁটাৰ লগতে ৫০১.০০ টকাৰ নগদ ধন আগবঢ়ায় সদৌ দৰং জিলা ছাত্ৰ সন্থাই। অন্তিম দিনা মুকলি সভাত অংশ গ্ৰহণ কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত হিতেশ ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত সত্যব্ৰত কলিতা, টংলা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ গণেশ্বৰ চহৰীয়া দেৱে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত অংশ গ্ৰহণ কৰে অসমৰ বিশিষ্ট গায়ক জে.পি. দাস, ভায়া মামাৰ কৌতুক গোষ্ঠীৰ লগতে অন্যান্য শিল্পী সকলে।

(৩) ১২ ফেব্ৰুৱাৰী ঃ শ্ৰী শ্ৰী সৰস্বতী পূজা উদযাপন।

(৪) ২ আগষ্ট ঃ ফাতেহা-ই-দোৱাজ-দাহম উদযাপন কৰা হয়।

(৫) ৩০ আগষ্ট ঃ নৱাগত আদৰণি সভা উদযাপন কৰা হয়। বহুতো ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত মুকলি সভাত অংশ গ্ৰহণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত সৰ্বানন্দ সোনোৱাল, উপ-সভাপতি শ্ৰী প্ৰৱীণ বড়ো, মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত আব্দুল মজিদ, বোলছবি অভিনেত্ৰী শ্ৰীযুতা মৃদুলা বৰুৱাই।

(৬) ৩ চেপ্তেম্বৰ ঃ শ্ৰীমন্ত শংকৰ দেৱৰ তিথি উদযাপন।

ছাত্ৰ একতা সভাৰ সক্ৰিয়তাত আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত নৱাগত ছাত্ৰ ছাত্ৰী সকলক ৰেগিঙৰ পৰা সম্পূৰ্ণ আঁতৰাই ৰাখিবলৈ সক্ষম হৈছিলো। ছাত্ৰ একতা সভাৰ বাবে এখন সংবিধান প্ৰস্তুত কৰিবলৈ এখন সমিতি গঠন কৰিছিলো। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক বিভিন্ন বিষয়ত দাবী জনাই কেবাটাও বিষয়ত সৈমান কৰাইছিলো। যেনে ঃ- মহাবিদ্যালয়ৰ পশ্চিম দিশত নতুন কোঠা নিৰ্মাণ, মহাবিদ্যালয়ৰ ভিতৰত থকা ৰাস্তাবোৰৰ মেৰামতি আৰু নিৰ্মাণ, খেল পথাৰৰ দিশ সলনি কৰি নতুন গলপোষ্ট

ক্রিকেটৰ নতুন পীট্‌ছ নিৰ্মাণ, শ্ৰেণীকোঠাত নতুনকৈ ফেনৰ যোগান, প্ৰস্বাৱঘৰ সমূহৰ মেৰামতি, মহাবিদ্যালয়ৰ চাৰিওফালে বিজুলী বাতিৰ ব্যৱস্থা ইত্যাদি।

মঙলদৈ মহাবিদ্যালয়ে ৫০ তম জন্ম দিৱসটি পালন কৰিব আৰু কিছুদিন পিছতে। আমাৰ অভাৱ অভিযোগ যথেষ্ট আছে। তথাপিও একেবাৰে নহলে নোহোৱা কেইটা হ'ল অৰ্দ্ধ নিৰ্মিত অডিটেৰিয়ামটো সম্পূৰ্ণ কৰা, এটা পূৰ্ণাংগ পুথিভঁৰালৰ ব্যৱস্থা, জৰাজীৰ্ণ কেন্টিন খনৰ মেৰামতি কৰা, কেইটামান শ্ৰেণীকোঠা নিৰ্মাণ, উন্মুক্ত হৈ থকা ছাত্ৰী নিবাসৰ চাৰিওফালে পকী দেৱালৰ ব্যৱস্থা কৰা ইত্যাদি। অভাৱ হয়তো কোনোদিনে শেষ নহব। কিন্তু এই বিলাকক কান সাৰ নিদি এই শূন্যতম সুবিধাৰে আমি প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজকে প্ৰকৃত মানুহ হিচাপে গঢ় দিব লাগিব। আমাৰ মাজৰ পৰাই সৃষ্টি হব লাগিব ভৱিষ্যতৰ বাবে সৎ ৰাজনীতিবিদ, দূৰদৰ্শী বিষয়া, সুদক্ষ খেলুৱৈ, ভাল অভিনেতা। এই খিনিতেই মোৰ শ্ৰদ্ধাৰ শিক্ষক শিক্ষয়িত্ৰী সকলৈ অনুৰোধ তেওঁলোকে যেন মহাবিদ্যালয়ৰ কোন অধ্যক্ষ হব, কোন পৰিচালনা সমিতিৰ সভাপতি/সদস্য হব, কোন ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হব এই বিলাক অৰিয়া অৰিত সোমাই শৈক্ষিক পৰিৱেশ নষ্ট নকৰি ছাত্ৰ-ছাত্ৰী সকলক কিতাপত থকা/নথকা জীৱনৰ প্ৰয়োজনীয় শিক্ষা দি প্ৰত্যেক জন ছাত্ৰ-ছাত্ৰীকে সুনাগৰিক হিচাপে গঢ়ি তোলে।

শ্ৰদ্ধাৰে-

**শ্ৰী প্ৰণৱ বৰুৱা**

সাধাৰণ সম্পাদক

# প্ৰতিবেদন সংগীত আৰু সাংস্কৃতিক বিভাগ

সংস্কৃতিৰ উৎস মানুহৰ মনোজগতত। মানৱ হৃদয়ৰ সৌন্দৰ্যময় দিশটোৱে হৈছে সংস্কৃতি। মানবীয় জীৱন বোধৰ সুকুমাৰ শিল্পৰ আটক ধুনীয়া দিশটোৱে হৈছে সংস্কৃতি সেয়াই কৃষ্টি। মানুহৰ মুকুতিৰ সাধনাই হৈছে সংস্কৃতিৰ মূল প্ৰেৰণা। মানৱ জীৱন ধাৰণ প্ৰণালী, মানৱ কৰ্ম জীৱন, চিন্তাচৰ্চা, ধৰ্ম দৰ্শন, সাহিত্য আদি সংগীত আৰু সংস্কৃতিৰ মূল উৎস। সংস্কৃতি মানুহৰ জীৱনৰ কলা সুলভ অন্তশীলাৰ দৰে নীৰবে থকা এটি সুঁতি। যত প্ৰতিফলিত হয় ইজনে সিজনক আকোৱালি লব পৰা মৰম স্নেহ আৰু শান্তিৰ নিজৰা।

সংস্কৃতি এটি জাতিৰ দাপোন স্বৰূপ। জীয়াই থকা আৰু জীয়াই ৰখা সংস্কৃতি এক সঞ্জীৱনী শক্তি। মানৱ সমাজত সংস্কৃতি বৰ চোকা অস্ত্ৰ। ইয়াৰ নিপুন ব্যৱহাৰে এটা জাতিৰ বৰ্তমান, ভৱিষ্যৎ গঢ়িব পাৰে। এই সংস্কৃতিৰ এনাজৰিৰ বান্ধোন বৰ কটকটীয়া বৰ সহজ বৰ সৰল।

বিগত দিন সমুহত জাতীয় স্বকীয়তা ৰক্ষাৰ হেতুকে মাতৃভূমিৰ নিমিত্তে, জাতীয় সংস্কৃতি মাতৃ ভাষাৰ স্বকীয়তা ৰক্ষাৰ বাবে, বাহুত অসীম শক্তিৰে নৱ জন্মৰ আত্ম প্ৰত্যয়েৰে নিজৰ অমূল্য সম্পদ জীৱনক তুচ্ছ জ্ঞান কৰি নিজ মাতৃ ভূমিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলক শ্ৰদ্ধৰে সুঁৱৰিছো। সমগ্ৰ দৰং জিলাৰ ভিতৰতে ঐতিহ্য সম্পন্ন মহান শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ সংস্কৃতিৰ দিশত এক সোনালী ঐতিহ্য আছে। এই ঐতিহ্য সম্পন্ন মহাবিদ্যালয় খনৰ ১৯৯৬-৯৭ বৰ্ষৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে সেৱা আগবঢ়ালৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-

ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ হিয়া ভৰা মৰম স্নেহ নিবেদিছো।

সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্বাচিত হৈয়েই সন্মুখীন হওঁ মহাবিদ্যালয়ৰ সপ্তাহৰ । মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ দ্বাৰা আধুনিক গীত, লোক সংগীত, শাস্ত্ৰীয় সংগীত, আৰু এবিাৰ নতুনকৈ অসমীয়া বোলছবিৰ গীত আদিৰ প্ৰতিযোগিতা অনুষ্টিত কৰা হৈছিল। নৃত্য বাদ্য বুলিলে মঙলদৈ মহাবিদ্যালয়ত সত্ৰীয়া নৃত্য, বিহুনৃত্য, আধুনিক নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ঢোল বাদন, তবলা বাদন, মেণ্ডুলীন বাদন অনুষ্ঠিত হয়। যদিও প্ৰতিযোগীৰ সংখ্যা তেনেই কম। আধুনিক গীত, লোক সংগীত, অসমীয়া বোল ছবিৰ গীতত বহু সংখ্যক ছাত্ৰ, ছাত্ৰীয়ে যোগদান কৰে। বিশেষকৈ শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীৰ নীৰৱ ভূমিকা পৰিলক্ষিত হৈছিল। ইয়াৰ উপৰিত একাংকীকা নাট, ব্যঙ্গত্মক নাট, একক অভিনয়, মুকাভিনয় প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাৰ অন্ত দিনা খন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছিল। বিশেষ ভাৱে আমন্ত্ৰীত অসমৰ সুকণ্ঠ শিল্পী জে.পি. দাস, ভায়া সামাৰ দল প্ৰমুখ্যে স্থানীয় শিল্পী সকলৰ দ্বাৰা গীত পৰিবেশন কৰা হৈছিল।

সংস্কৃতি শব্দটো ইমান ব্যাপক যে ই সকলো মানবীয় কাৰ্য্যকে সামৰি লয়। সংস্কৃতিৰ পিছফালে আছে মানুহৰ চিন্তা, আদৰ্শ অনুভৱ আৰু সৌন্দৰ্যবোধ। দৰং জিলাৰ অন্যতম সংস্কৃতিক ঐতিহ্য হ'ল দৰঙী কলা-কৃষ্টি ঢেপা-ঢোল, চেৰাডেক, খেৰাই নৃত্য, ওজা পালি নাঙেলী গীত ইত্যাদি। এই লেৰেলি যোৱা কৃষ্টিবোৰৰ নতুন চিন্তা চৰ্চাৰ প্ৰয়োজন হৈছে। যিহেতু সভ্যতা, কৃষ্টি, তথা সংস্কৃতি ইতিহাসৰ পৰা এটি জাতিৰ হাতত ধৰা ধৰিকৈ আগবাঢ়িছে ইটো-সিটোৰ পৰিপূৰক।

মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগটোৰ অৱস্থা আজি বৰ দুখ লগা। দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়। এই মহাবিদ্যালয়ত সাংস্কৃতিক বিভাগৰ এপদো বাদ্য যন্ত্ৰ তথা মঞ্চৰ এপদো সামগ্ৰী নথকাতো অতি দুখৰ বিষয়। এই সমস্যা সমূহৰ ক্ষেত্ৰত যদি কতৃপক্ষই গুৰুত্ব দিয়ে তেনেহলে ভবিষ্যতৰ দিনৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সংগীত আৰু সাংস্কৃতিক দিনত অধিক সাফল্য কঢ়িয়াই আনিব বুলি আশা কৰিব পাৰি।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালত প্ৰতিটো দিশত প্ৰতিটো সময়ত সহায় সহযোগিতা তথা দিহা পৰামৰ্শ আগবঢ়োৱা তত্ত্বাবধায়ক অধ্যাপক শ্ৰীহৰিমন ডেকা ছাৰ দেৱক মোৰ শ্ৰদ্ধাপূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালত প্ৰতিটো কথাতে খোজ মিলাই যোৱা সহঃ সম্পদিকা প্ৰণতি বৰুৱালৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। সংগীত আৰু সাংস্কৃতিক হিভাগৰ সম্পাদক হৈ কাৰ্য্যভাৰ চলাই নিয়াত ভুল ভান্তি হোৱাটো স্বাভাৱিক। কত্তৰ্য্যৰ খাতিৰতে হওঁক বা অজানিতে তথা অনিশ্চাকৃত ভাৱে কৰা ভুল ত্ৰুতি বোৰৰ বাবে ক্ষমা বিচাৰিছো।

সামৰণিত সমূহ বিষয় ৰবীয়া তথা সতীৰ্থ সকলে আগবঢ়োৱা দিহা-পৰামৰ্শ সহায় সহযোগিতাৰ বাবে ধন্যবাদজনালো।

মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়।

**শ্ৰীপংকজ্জ কুমাৰ শৰ্মা**
সম্পাদক, সংগীত আৰু
সাংস্কৃতিক বিভাগ।

# প্ৰতিবেদন চাৰু-কলা বিভাগ

প্ৰতিবেদনৰ আৰম্ভনিতে নিজৰ জীৱনক তুচ্চজ্ঞান কৰি স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলক মই সশ্ৰদ্ধাৰ প্ৰণাম নিবেদিছো। বিগত ইং ১৯৯৬-৯৭ বছৰটোৰ বাবে মোক ''চাৰু-কলা' বিভাগৰ সম্পাদকৰ যি গুৰু দায়িত্ব অৰ্পন কৰিলে তাৰ বাবে মই মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী লৈ হিয়া ভৰা মৰম ও কৃতজ্ঞতা যাচিছোঁ।

কলা কি ? একে আষাৰতে কোৱাটো কঠিন। শিল্পীৰ মনত ঠাই পোৱা বাস্তৱ জগত আৰু অতিন্দ্ৰীয় জগতৰ বস্তুৰাজিৰ সুশৃংখল ভাৱে বাস্তৱত প্ৰকাশ কৰা কৌশলকে কলা বোলে। পাৰ্থিৱ আৰু অপাৰ্থিৱ সকলো বস্তুৰ মাজত নিহিত থকা সুপ্ত স্পন্দনক অনন্য ৰূপত সজাই পৰাই সভ্যতাৰ ইতিহাসত সমুদিত কৰিব বিচৰা অদস্য স্পৃহা বামনাৰ গৰাকী জনকেই আমি কলাকাৰ বুলিব পাৰো।

শৈশৱতেই উদয় হৈছিল এক শিল্পী মনৰ ক্ষুদ্ৰ ভাৱ ধাৰা কিন্তু তাক বাস্তৱত বিস্তৃত ভাৱে প্ৰকাশ কৰিব পৰা নাছিলো, হয়তো আজি তাৰেই প্ৰকাশ ঘটিল এই মঙ্গলদৈ মহাবিদ্যালয়ত। বিগত বছৰটিৰ কাৰ্য্যকালত কিমান দূৰ সফলতা অৰ্জন কৰিব পাৰিছো তাৰ বিচাৰ আপোনালোকৰ হাতত কিন্তু মই ন দি কৱ পাৰো যে মই মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কোনো গুণে ত্ৰুতি কৰা নাই বুলি ভাবো। ছদিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ প্ৰতিযোগিতা সমূহ হৈ যায়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা তাকৰ হোৱাৰ কাৰণ মই বিচাৰি পোৱা নাই, যি কেইজন প্ৰতিযোগীয়ে তেওঁলোকৰ প্ৰতিভা বিকাশ কৰিলে তেওঁলোকৰ বিশাল শিল্পী মনৰ ভাৱধাৰা ইয়াত প্ৰকাশ পাইছে।

মোক বিভিন্ন দিশত দিহা পৰামৰ্শ আৰু উৎসাহ উদ্দিপনা দি আগবঢ়াই নিয়া শ্ৰদ্ধাৰ তত্বাবধায়ক মাননীয় শ্ৰীডিম্বেশ্বৰ কলিতা, শ্ৰীপৰেশ শৰ্মা চাৰ আৰু বিচাৰক হিচাপে আমন্ত্ৰন কৰি অন্য প্ৰাক্তন চাৰু-কলা বিভাগৰ সম্পাদক তথা স্থানীয় চিত্ৰ শিল্পী শ্ৰীযুত দাদুল চলিহা আৰু মাননীয়া অধ্যাপিকা শ্ৰীযুতা দিপালী চহৰীয়া বাইদেউ লগতে মোৰ মৰমৰ সমূহ বন্ধু বান্ধীবীলৈ অকৃত্ৰিম শদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ত্ৰুতিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে প্ৰতিবেদনৰ সামৰনি মাৰিলো।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়, জয়তু চাৰু-কলা বিভাগ।

ধন্যবাদেৰে

**শ্ৰীহিতেশ হাজৰিকা**

সম্পাদক, চাৰু-কলা বিভাগ

# প্ৰতিবেদন সমাজ সেৱা বিভাগ

প্ৰতিবেদনৰ পাতনিতে মই সেই সকললৈ বিশেষ ভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যি সকলে ঐতিহ্যময় মনোৰম এই মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয় খনৰ বাবে কিঞ্চিত সেৱা আগবঢ়াবৰ বাবে সুযোগ দিলে।

এই সুযোগতে সেইসকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ যি সকলে স্ব-দেশৰ হকে আত্ম বলিদান দি অমৰ হ'ল।

সমূহীয়া কিছুমান উদেশ্যৰে পঞ্জীভূত হৈ থকা কিছুমান লোকৰ সমষ্টিকে সমাজ আখ্যা দিব পাৰি। পৰম্পৰাগত কিছু নীতি-নিয়ম আচাৰ ব্যৱহাৰেই সমাজ। এনে এক নীতি নিয়ম অথবা আচাৰ ব্যৱহাৰৰ সমষ্টিয়েই হল আমাৰ মহাবিদ্যালয় বোৰ। প্ৰত্যেক জন ছাত্ৰ-ছাত্ৰীয়ে এক মহান উদেশ্য সৰোগত কৰি আমিসৱ বিভিন্ন প্ৰান্তৰ পৰা আহি এই মহাবিদ্যালয়ত গোট খাইছোঁ। পুথি অধ্যয়নৰ পৰা পোৱা শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত শিক্ষা হব নোৱাৰে বা শেষ শিক্ষা হব নোৱাৰে। সম্পূৰ্ণ ভাৱে আমি আমাক শিক্ষিত কৰি তুলিবলৈ হ'লে সকলো দিশৰে জ্ঞানৰ প্ৰয়োজন। তেনে এক ভাৱৰ উদেশ্যতে ময়ো যোৱা নিৰ্বাচনত সমাজ সেৱা বিভাগৰ পদত প্ৰতিদন্দিতা কৰিছিলো। মোৰ মহাবিদ্যালয় খনৰ প্ৰতি থকা অকৃত্ৰিম আনুগত্য আৰু ছাত্ৰ-ছাত্ৰীৰ সহায়তে মহাবিদ্যালয় খনৰ প্ৰতি আমাৰ দৰে অভাজনে সেৱা আগবঢ়োৱাৰ সুবিধা কন লাভ কৰিছিলো। সেয়ে ময়ো মোৰ কৰ্ত্তব্যৰ প্ৰতি অৱহেলা নকৰি সাধ্যানুসাৰে যিখিনি কৰিব পাৰো কৰিছোঁ। অৱশ্যে ইয়াৰ বিছাৰ ছাত্ৰ-ছাত্ৰী সকলৰ হাতত। ছাত্ৰ-ছাত্ৰী সকলৰ সকলোবোৰ অসুবিধা তথা মহাবিদ্যালয় খনৰ উন্নয়নৰ হকে মই কাম কৰিছিলো।

শেষত মোৰ অজ্ঞাত ভুলবোৰৰ পৰা ক্ষমা বিচৰাৰ লগতে মহাবিদ্যালয় খনৰ সকলো দিশতে উন্নতি কামনা কৰিলো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

**শ্ৰীহৃদয়ানন্দ গোস্বামী**
সম্পাদক, সমাজ সেৱা বিভাগ

# প্ৰতিবেদন ছাত্ৰ জিৰণি কোঠা

দৰং জিলা তথা অসমৰ লেখত লবলগীয়া উচ্চ শিক্ষানুস্থান মঙলদৈ মহাবিদ্যালয়। ১৯৫১ চনত স্থাপিত হোৱা এই মহাবিদ্যালয়ৰ ১৯৯৬-৯৭ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মোক জয়ী কৰি সেৱা আগবঢ়াবৰ বাৱে সুযোগ দিয়াৰ বাবে সমুহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধবীলৈ আন্তৰিক ধন্যবাদ জনাইছো।

**মহাবিদ্যালয় সপ্তাহ ঃ-**

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ মাত্ৰ কেইদিনমানৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুস্থিত কৰা হয়। ছাত্ৰ জিৰনি কোঠা বিভাগৰ দ্বাৰা অন্তঃদ্বাৰ ক্ৰীড়া সমূহৰ প্ৰতিযোগিতা পৰিচলনা কৰা হয়। এই খেল সমুহ মহাবিদ্যালয় সপ্তাহৰ দুদিন আগৰ পৰাই অনুস্থিত কৰা হয়। এই বাৰ মহাবিদ্যালয় সপ্তাহত বেডমিণ্টন, কেৰম, ডবা আৰু টেবুল টেনিচ এই চাৰি বিধ খেলৰ প্ৰতিযোগিতা পৰিচলনা কৰা হয়। তলত খেল সমুহৰ চমু আভাষ দাঙি ধৰা হ'ল।

বেড়্মিণ্টন ঃ- বেড়্মিণ্টন খেলখন মুঠ তিনিটা বিভাগত অনুস্থিত কৰা হয়- একক, যুটীয়া আৰু ল'ৰা-ছোৱালীৰ যুটীয়া। প্ৰতিটো বিভাগতে যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। তিনিওটা বিভাগতে তীব্ৰ প্ৰতিদন্দিতা মূলক খেল হৈছিল। একক শাখাত ধ্ৰুৱজ্যোতি কাশ্যপে দিশান্ত ডেকাক পৰাজিত কৰি খিতাপ অৰ্জন কৰে।

সেইদৰে যুটীয়া শাখাত দিশান্ত ডেকা আৰু ধ্ৰুৱজ্যোতি কাশ্যপে আৰু ল'ৰা ছোৱালী যুটীয়া শাখা দিশান্ত ডেকা আৰু মনালিচা ডেকাই শ্ৰেষ্ঠত্বৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়।

বেড়্মিণ্টন খেলখন পৰিচলনাৰ বিভিন্ন দিশত সহায় কৰা দিশান্ত, ৰাজেশ, কিশোৰ, অপু, শশীনলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কেৰম প্ৰতিযোগীতা ঃ- কেৰম খেলখন দুটা শাখাত অনুস্থিত কৰা হয়। দুয়োটা শাখাতে এশতকৈ অধিক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। একক শাখাত চন্দন বৰুৱাই তীব্ৰ উত্তেজনা পূৰ্ণ খেলেৰে চিত্ৰ বৰুৱাক পৰাজিত কৰি খিতাপ অৰ্জন কৰে। সেইদৰে যুটীয়া শাখাতো চন্দন বৰুৱা আৰু ধ্ৰুৱ কুমাৰ শৰ্মাৰ যুটীয়ে মনোজ হাজৰিকা আৰু ভবেশ ডেকাৰ যুটীক পৰাজিত কৰি খিতাপ লাভ কৰে।

প্ৰতিযোগিতা খনি সুন্দৰকৈ পৰিচলনা কৰাৰ বাবে ধ্ৰুৱদা, চন্দন, বডিউছ, চিত্ৰ, টমজিদুৰ, পুলিনলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

টেবুল টেনিচ ঃ- যোৱা কেইবছৰ মানৰ বিৰতিৰ পিছত এইবাৰ টেবুল টেনিচ প্ৰতিযোগীখন অনুস্থিত কৰা হয়। ছাত্ৰ জিৰণি কোঠা বিভাগৰ নিজস্ব টেবুল টেনিচ বৰ্ড নথকা হেতু খেলখন ছাত্ৰাবাসত অনুস্থিত কৰিব লগীয়া হয়। এই প্ৰতিযোগিতাৰ একক শাখাত ৰূপম ফুকনে অৰিন্দ্ৰম শৰ্মাক তীব্ৰ প্ৰতিদন্দিতা মূলক খেলেৰে পৰাস্ত কৰি জয় লাভ সাব্যস্ত কৰে। প্ৰতিযোগিতাখন পৰিচলনা কৰা অৰিন্দ্ৰম, চিন্তু, ৰূপম, বিপুল বড়ালৈ ধন্যবাদ।

ডবা প্ৰতিযোগিতা ঃ- ডবা প্ৰতিযোগিতা খনিত ৫০ জনতকৈ অধিক প্ৰতিযোগিয়ে অংশ গ্ৰহণ কৰে। এই প্ৰতিযোগিতাত শ্ৰীপৰেশ হৰিজনে শ্ৰীজগদীশ নাথক পৰাজিত কৰি বিজয়ীৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। ডবা প্ৰতিযোগিতাখন চলাই নিয়াত সহায় কৰা পৰেশ, প্ৰবীন, আদিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ- প্ৰথমে মই মঙলদৈ মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীলৈ নিঃস্বাৰ্থ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্য্যকালচোৱাত বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু, ছাত্ৰ জিবনি কোঠা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত জামালুদ্দিন আহমেদ চাৰদেৱলৈ কৃতজ্ঞতা স্বীকাৰ কৰিছো। বিভিন্ন সময়ত বিভিন্ন দিশ, সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° লোকেশ্বৰ নাথ দেৱলৈ কৃতজ্ঞতা স্বীকাৰ কৰিছো। লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয় ববীয়া আৰু ছাত্ৰ-বন্ধু-বান্ধৱী সকলো যিসকলে বিভিন্ন প্ৰকাৰে মোক সহায় কৰিছে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

সামৰণি ঃ- মোৰ কাৰ্য্যকালত অজানিতে হোৱা সকলো ভুল ত্ৰুটিৰ আৰু দোষৰ ক্ষমা ভিক্ষা কৰিলো।

সৰ্বশেষত মহাবিদ্যালয়ৰ ছাত্ৰ জিৰনি কোঠা লগতে মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগিন উন্নতিৰ কল্পে আশা ৰাখি মোৰ চমু কায্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু মঙলদৈ মহাবিদ্যালয়'

ধন্যবাদেৰে

**শ্ৰীধ্ৰুৱজ্যোতি কাশ্যপ**

সম্পাদক, ছাত্ৰ জিৰনি কোঠা।

---

# প্ৰতিবেদন ছাত্ৰী জিৰণি কোঠা

প্ৰতিবেদনৰ আৰম্ভণিতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা, মৰম তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

১৯৯৬-৯৭ বৰ্ষৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ নিচিনা এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান খনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবৰ বাবে যি সকলে মোক সুবিধা প্ৰদান কৰিলে তেখেত সকললৈ মই আন্তৰিক কৃতজ্ঞতা যাচিছো। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত মই মোৰ কাৰ্য্য একান্তভাৱে চলাই যাবলৈ চেষ্টা কৰো। প্ৰথমেই মই "মহাবিদ্যালয় সপ্তাহত" মনোনিবেশ কৰিব লগীয়া হয়।মহাবিদ্যালয় সপ্তাহত (ক) কেৰম প্ৰতিযোগিতা (একক আৰু যুটীয়া) (খ) বেড্‌মিণ্টন (গ) ডবা (ঘ) লুডু (ঙ) চাইনিচ চেকাৰ ইত্যাদি খেলৰ প্ৰতিযোগিতা পতা হয়। উক্ত খেলত কলেজৰ যথেষ্ট খিনি ছাত্ৰীয়ে যোগদান কৰিছিল। প্ৰতিযোগিতা সমূহৰ সুচাৰুৰূপে চলাই নিয়াত কিমান দূৰ সফল হৈছো সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। খুব কম সময়ৰ ভিতৰত "মহাবিদ্যালয়ৰ সপ্তাহ" পাতিব লগা হোৱাৰ কাৰণেই প্ৰতিযোগিতা সমুহ সুচাৰুৰূপে চলাই নিয়াত যি সকল ছাত্ৰ-ছাত্ৰী আৰু মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীমতী দিপালী চহৰীয়া বাইদেউৱে অফুৰন্ত উৎসাহ আৰু প্ৰেৰণা যোগাইছিল তেওঁলোক সদায় মোৰ মানস পটত চিৰাবিদ্যামান হৈ ৰব। প্ৰতিযোগিতাৰ পুৰস্কাৰ সমুহ "মহাবিদ্যালয় সপ্তাহ"ৰ মুকলি সভাত প্ৰদান কৰা হৈছিল যদিও এটা বিশেষ অসুবিধাৰ বাবে লগত প্ৰমাণ পত্ৰ সমুহ প্ৰদান কৰিব পৰা নগ'ল। তাৰবাবে মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰু সকলৰ ওচৰত মই নটশিৰে ক্ষমা প্ৰাৰ্থনা

কৰিছো। জিৰণি কোঠাৰ সম্পাদিকা হিচাবে ছাত্ৰী সকলৰ সুবিধাৰ কাৰণে বহুতো কাম কৰাৰ ইচ্ছা কৰিছিলো যদিও সকলো খিনি কৰিব নোৱাৰিলো কিছুমান অসুবিধাৰ বাবে। বিগত কাৰ্য্যকালৰ সময়ছোৱাত পোৱা কিছুমান অসুবিধাৰ কথা এই প্ৰতিবেদনৰ যোগেদিয়ে জনাব বিচাৰিছো।

বৰ্ত্তমান আমাৰ যিটো জিৰনি কোঠা আছে সেইটো মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ৰ ছাত্ৰীৰ বাবে যথেষ্ঠ সৰু। সেয়েহে বেছি সংখ্যক ছাত্ৰীয়ে মহাবিদ্যালয়ৰ গছৰ তলত নাইবা বাৰাণ্ডাত বহিব লগীয়াত পৰে। তাৰোপৰি জিৰনি কোঠাৰ লগতে সংলগ্ন হৈ থকা প্ৰসাৱ ঘৰটোৰ কাৰণে কোঠাটোত ছাত্ৰী সকলে নাকত ৰুমাল লৈ থাকিব লগীয়াত পৰে যিহেতু প্ৰসাৱ ঘৰটোৰ টেংকিটো ফটা। কৰ্তৃপক্ষই বিষয়টোত মন দিছে যদিও এতিয়ালৈকে কাৰ্য্যভাৱ গ্ৰহণ কৰা নাই। গতিকে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীৰ হৈ মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাও যে যাতে এই অসুবিধা সমূহ এই প্ৰতিবেদনৰ পাততে আৱদ্ধ নাৰাখি কাৰ্য্যত পৰিণত কৰে।

বিগত সময়ছোৱাত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যসম্পাদন কৰাত মোৰ হয়তো বহুতো ভুল ক্ৰুটি হৈ যাব পাৰে। তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত মই মঙলদৈ মহাবিদ্যালয়ৰ মঙ্গল তথা উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু মঙলদৈ কলেজ"

ধন্যবাদেৰে

**শ্ৰীমাইনু ডেকা**
সম্পাদিকা, ছাত্ৰী জিৰনি কোঠা

---

# প্ৰতিবেদন সাহিত্য বিভাগ

"নতুন প্ৰজন্মৰ প্ৰতি"----

হে নতুন দিনৰ নতুন প্ৰজন্ম !
নিৰ্লজ্য বাসনাত লিপ্ত হৈ
ধৰাৰ বুকুত কাল ধুমুহা
সৃষ্টি কৰি হাজাৰ জনতাৰ
কলিজাৰ তেজেৰে তৰোৱালত
কড়াল সনা মানৰ সত্বাৰ
আদৰ্শক ধ্বংস কৰা। সজোৰা
নতুন দিনৰ নতুন দিগন্ত।
ইতিহাস ৰচা ! কিন্তু অস্ত্ৰ বা তেজেৰে নহয়।
প্ৰতিজনৰ কু-কাৰ্য্যক যোগ্য প্ৰত্যুত্তৰ দি
সেই আদৰ্শক ফাঁচি কাঠত দিয়া।
ভৱিষ্যতত এটি ৰঙা প্ৰজন্মৰ নহৱলৈ
বিভেদকামী ধ্বংস যজ্ঞ আয়োজকৰ
শিৰশ্চেদ কৰি আকাশত উৰি
থকা ভোকাতুৰ শগুন জাকক খাব দিয়া।

হে নতুন দিনৰ নতুন প্ৰজন্ম
তোমাৰ সৎ আদৰ্শক স্বাগতম্।।

বাস্তৱিক পৰিস্থিতি অতি ভয়লগা। জীৱন আৰু মৃত্যুৰ মাজত খেলা পাশা খেলৰ মাজতে এতিয়াৰ সময় অতিবাহিত হয়। মানুহবোৰ ভীষন ভাৱে আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ হোৱাৰ ফলত সমাজ তথা আজিৰ সময়ত প্ৰেম-সৎআৰ্দশ আৰু সততাই বাৰে বাৰে মুখ ঠেকেচাঁ খাব লগীয়া হৈছে। সকলোবোৰ এতিয়া সমাধা হয় দীঘল হতীয়া এচামৰ নিৰ্দেশত। যি নিৰ্দেশত থাকিব পাৰে সৰ্বহাৰাৰ ঘৰ উচ্ছেদ পৰ্য্যন্ত। অফিচ-কাছাৰি অথবা থানা-আদালতত চলা "টেবুলৰ তলৰে খাম" এতিয়া পৰম্পৰাগত নীতি নিয়মত পৰিনত হৈছে। "টকা দিয়া আৰু নিয়া বা কৰা" সেইফালে কাৰ্য্যবোৰ কু-কাৰ্য্যই হওঁক বা সু-কাৰ্য্যই হওঁক গুৰুত্ব দিবলৈ কাবো সময় নাই। কাৰণ আউসীৰ অন্ধকাৰৰ দৰে ডুব গৈ থকা সমাজ খনত পোহৰ ৰূপী সত্যৰ বাবে আপীল কৰা লোক কোনো নাই। এন্ধাৰত সমাধা কাৰ্য্যবোৰ জোনাকত সমাধা হোৱা সম্ভৱ নহয়। সেই এন্ধাৰৰ সুযোগতে ধনী দালালী বোৰৰ ক্ৰমাগত ওখ অট্টালিকাৰ সংখ্যা বাঢ়িছে। আনহাতে জহি খহি গৈছে দুখীয়া নিতাই-ধনাই-ভদাইৰ একমাত্ৰ বাঁহৰ ঘৰবোৰ। স্বাধীনতাৰ পঞ্চশ বছৰীয়া সোনালী জয়ন্তিৰ মহোৎসৱ অট্টালিকাবোৰত বিলাতী মদৰে আৰম্ভ হৈছে। এফালে দিনটোৰ অক্লান্ত পৰিশ্ৰমৰ অৱসানত পেটত এখন শুকান ৰুটিৰে পৰি থাকে স্বাধীন দেশৰ নাগৰিক।

"উদৰ পুৰাব ! এই ব্যৰ্থ কামনা, সমাজত উচ্চ নীচৰ প্ৰচণ্ড পাটীৰ উৰুখি টোপে টোপে পানী সৰে। এলান্ধু মকৰাৰ জাল বোৱে বাৰে বাৰে আমাৰ দৰে লোকসকল জন্মিয়ে সোনৰ চামুচ মুখত লোৱা সকলৰ হাতত প্ৰতাৰিত হৈ আছো।

মহাবিদ্যালয়ৰ যিমান ছাত্ৰ-ছাত্ৰীয়ে সমুঞ্জল এই বিশাল মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সম্পাদকৰ পদত মোক ১৯৯৭ চনৰ বাবে নিৰ্বাচিত কৰিলে তেওঁলোকক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মই কি কৰিলো বা নকৰিলো ইয়াৰ বিছাৰ আপোনাসৱৰ ওচৰত। তথাপি কৰ্ত্তব্যৰ সময়ত সকলো খিনি ভালদৰে কৰিবলৈ যত্ন কৰিছিলো। কাৰণ জীৱনটোত "নোপোৱাতকৈ পাই হেৰোৱা বেদনা বেছি মৰ্মাধিক" সেয়ে এটা মহান স্বাৰ্থৰ বাবে পোৱা সুবিধা খিনিক মই সৎ ব্যৱহাৰ কৰিছিলো।

সৰ্বশেষত মহাবিদ্যালয় খনৰ সৰ্বতো প্ৰকাৰ উন্নতি কামনা কৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়

**শ্ৰীকুশল কলিতা**
সম্পাদক, সাহিত্য বিভাগ

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় কলমৰ আৰম্ভনিতেই যি সকল জাতীয় বীৰে স্বাধীনতা হকে খুঁজি দেশৰ বাবে প্ৰাণ আহুতি দিলে, সেই সকল জাতীয় শ্বহীদৰ ওচৰত মোৰ সহস্ৰ প্ৰণাম যাচিছো।

মানৱ জীৱনৰ কাৰণে অতি প্ৰয়োজনীয় বস্তুটোৱেই হ'ল খেল। ইতিহাসৰ পাত লুটিয়ালেই আমি দেখা পাওঁ খেলৰ ভূমিকা তথা গুৰুত্ব সুদুৰ অতীততে গ্ৰীচত আৰম্ভ হোৱা অলিম্পিক খেল আজি পৰ্য্যন্ত মানুহৰ মাজৰ পৰা আতৰি যোৱা নাই। আজিৰ বিশ্বত খেলে এক আলোৰনৰ সৃষ্টি কৰিছে। খেলৰ গুৰুত্ব তথা উত্তেজনা ইমান বৃদ্ধি হৈ যায় যে নিজৰ প্ৰাণো খেলৰ নামত উচৰ্গিত কৰাৰ দৃষ্টান্ত আমাৰ চকুত জিলিকি আছে।

১৯৯৬-৯৭ বৰ্ষত মই খেল সম্পাদক ৰূপে এই মহিমা-মণ্ডিত মঙ্গলদৈ মহাবিদ্যালয়ত নিৰ্ব্বাচিত হওঁ। যি সকল ছাত্ৰ বন্ধু আৰু ছাত্ৰী বান্ধবীয়ে এই অভাজনক উক্ত বৰ্ষৰ মহাবিদ্যালয়ৰ খেল সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**মহাবিদ্যালয়ৰ সপ্তাহ ঃ-** কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই যোৱা ২৭-১-৯৭ তাৰিখৰ পৰা ৩১-১-৯৭ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। খেল পথাৰ উদ্ধোধন কৰে খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীশচীন চহৰীয়া ছাৰ দেৱে লগতে উপস্থিত আছিল ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক ডঃ আমানুল হক ছাৰ দেৱ। ক্ৰীড়া প্ৰতিযোগীতা সমূহ আৰম্ভ হোৱাৰ আগতে অলিম্পিক শিখা প্ৰজ্বলন কৰে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন খেল সম্পাদক শ্ৰীনিত্য কুমাৰ বড়ো দেৱে। মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেল অনুষ্ঠিত হৈ যায়। কিছুমান বিশেষ অসুবিধাৰ বাবে কিছুমান খেল পাতিব পৰা নগ'ল।

মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো বিভাগৰ খেলেই তীব্ৰ প্ৰতিযোগিতা মূলক আৰু উত্তেজনা পূৰ্ণ হৈছিল। মহাবিদ্যালয়ৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেল সমূহত অংশ গ্ৰহণ কৰিছিল। লৰাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ স্থান পায় শ্ৰীনোমল চন্দ্ৰ নাথে আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ স্থান পায় শ্ৰীমনিকা ডেকাই। খেল সমূহৰ পৰিচালনা কৰোতে ভাল ভাল প্ৰতিভা সম্পন্ন খেলুৱৈ আমাৰ চকুত পৰিছিল। তেওঁলোকে উপযুক্ত প্ৰশিক্ষণ পালে ভৱিষ্যতে এটা ভাল ফল আশা কৰিব পাৰি।

**কাবাডী ঃ** লৰা শাখাত কাবাডীৰ চুড়ান্ত খেল খন হয় কৰুনা বৰুৱাৰ দল আৰু মোৰ দলৰ মাজত। শ্ৰেষ্ঠ কাবাডী খেলুৱৈ শ্ৰীকৃষ্ণ কান্ত ডেকক নিৰ্ব্বাচন কৰা হয়। কৰুণা বৰুৱাৰ দলটো চেম্পিয়ন ঘোষণা কৰা হয়।

ছোৱালী ঃ- ছোৱালী শাখাত কাবাডীৰ চুড়ান্ত খেল খন হয় মাইনু ডেকাৰ দল আৰু মনিকা ডেকাৰ দলৰ মাজত। ছোৱালীৰ কাবাডী শ্ৰেষ্ঠ খেলুৱৈ শ্ৰীচাৰুস্মিতা মহন্তক নিৰ্ব্বাচন কৰা হয় আৰু মাইনু ডেকাৰ দলক চেম্পিয়ন ঘোষণা কৰা হয়।

**ভলী ঃ-** ল'ৰা শাখাৰ ভলীৰ চুড়ান্ত খেল খন হয় ক্ষিতেশ্বৰ ডেকাৰ দল আৰু ৰবীন বসুমতাৰীৰ দলৰ মাজত। খেলখন অতি উত্তেজনা পূৰ্ণ হৈছিল। শেষত ক্ষিতেশ্বৰ ডেকাৰ দল চেম্পিয়ন হয়। শ্ৰেষ্ঠ ভলী খেলুৱৈ শ্ৰীলোকেন ডেকাক নিৰ্ব্বাচন কৰা হয়।

আন্তঃ শ্ৰেণী ফুটবল খেল খনি অনুষ্ঠিত কৰবি পৰা নগল। ২০ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱাৰ কথা আছিল

যদিও সেই সময়ত কৃষ্ণ কান্ত সন্দিকৈৰ সোঁৱৰনীত আইন মহাবিদ্যালয়ে আন্তঃ মহাবিদ্যালয় ভলী খেল প্ৰতিযোগীতা খন পাতে। তাৰ কাৰণে ভলী খেলুৱৈ সকলক আচুতীয়াকৈ খেল প্ৰশিক্ষণ দি থকা হৈছিল বাবে আন্তঃ শ্ৰেণী ফুটবল খেল খনি অনুষ্ঠিত কৰিব পৰা নগ'ল।

**আন্তঃ মহাবিদ্যালয় ভলী প্ৰতিযোগিতা ঃ-** আইন মহাবিদ্যালয়ে কৃষ্ণ কান্ত সন্দিকৈৰ সোঁৱৰণীত এখনি আন্তঃ মহাবিদ্যালয় ভলী প্ৰতিযোগীতা অনুষ্ঠিত কৰে। আমাৰ মহাবিদ্যালয়ৰ পৰাও উক্ত প্ৰতিযোগীতাত প্ৰতিদন্দিতা কৰো। প্ৰথম কেইখনত জয়লাভ কৰো যদিও শেষত আমাৰ পৰাজয় হয়। যদিও আমি চেম্পিয়ন হব পৰা নাছিলো তথাপি আমাৰ খেলুৱৈ সকলে যথেষ্ট প্ৰসংশা কৰিয়াই আনিবলৈ সক্ষম হৈছিল।

এই বছৰতেই মঙ্গলদৈ মহাবিদ্যালয়ৰ খেল পথাৰত চিৰস্থায়ীভাৱে লোহাৰ "গল পোষ্ট" দিয়া হয়। খেল পথাৰ পূবা পশ্চিমকৈ উপযুক্ত নহয় কাৰণে উত্তৰা দক্ষিণা কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ-** যি গৰাকী শিক্ষা গুৰুই মোৰ প্ৰতিটো পদক্ষেপতে প্ৰতিটো কাৰ্য্য সুচীতে মোক দিহা পৰামৰ্শ তথা কৰ্ম প্ৰেৰণা দি আহিছে তেখেত শ্ৰদ্ধাৰ শ্ৰীশচীন চহৰীয়া ছাৰ দেৱ। তেখেতলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। প্ৰতিটো কাৰ্য্যসূচীতে উপস্থিত থকা মোৰ বন্ধু চন্দন, বিজু, ভুলুৰ ওচৰত মই চিৰ কৃতজ্ঞ। ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকল আৰু ছাত্ৰাবাসৰ সমূহ আবাসীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছো।

খেল বিভাগৰ সম্পাদকৰ নিচিনা গধূৰ দায়িত্বপূৰ্ণ পদবীত এই অভাজনক নিৰ্ব্বাচন কৰাৰ কাৰণে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ কাৰ্য্য কালত অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো।

সদৌ শেষত মই বিভাগীয় কতৃপক্ষৰ ওচৰত আশা ৰাখিছো যে খেলুৱৈ সকলৰ ভিতৰত যি সকল সুদক্ষ খেলুৱৈ তেওঁলোকক ৰাজ্যিক পৰ্য্যায়ৰ তথা আন্তঃ মহাবিদ্যালয়ৰ প্ৰতিযোগীতা সমূহত খেল খেলিব সুবিধা কন দিয়ে যেন। শেষত অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে ক্ষমা বিচাৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয় আই অসম।

ধন্যবাদেৰে
**শ্ৰীদিগন্ত শৰ্মা**
সম্পাদক, খেল বিভাগ

---

## ☞ প্ৰতিবেদন ব্যায়াম শালা বিভাগ

প্ৰতিবেদনৰ আৰম্ভনিতে সোঁৱৰিছো নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি মৃত্যুক সাৱতি লোৱা সহস্ৰ বীৰ শ্বহীদ সকলক।

দৰং জিলাৰ এখন শিক্ষানুস্থান মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৬-৯৭ চনৰ সাধাৰণ নিৰ্বাচনত মনোনীত বিচাৰ কৰি ব্যায়ামশালা বিভাগৰ মহান দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰাৰ বাবে মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল তথা সমূহ ছাত্ৰ-ছাত্ৰী বৃন্দলৈ মই কৃতজ্ঞ হৈ ৰ'লো।

এনে এটি গুৰু দায়িত্বভাৰ লোৱাৰ পাছতেই আহে

মহাবিদ্যালয় সপ্তাহ। এই বিভাগৰ সকলোবোৰ প্ৰতিযোগিতা পতাৰ ক্ষেত্ৰত মই অকনো ত্ৰুতি কৰা নাছিলো। এই বিভাগৰ- ভাৰোত্তোলন, দেহশ্ৰী, পাঞ্জা, স্কীপিং, সাতোঁৰ, যোগাসন আদি প্ৰতিযোগিতা সমূহ বিভিন্ন অসুবিধা নেওচি হলেও পাতিছিলো। ইয়াৰ ওপৰিও এখন আটক ধুনীয়াকৈ কাৰাটে প্ৰতিযোগিতা অনুস্থিত কৰা হয়। এই খেল কেইখন পৰিচালনা কৰিবলৈ মাতি অনা দৰং মাৰ্ছিয়েল আৰ্টছ্ এছচিয়েচনৰ সম্পাদক তথা সদস্যবৃন্দলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এইটো ব. আনন্দৰ কথা যে উক্ত প্ৰতিযোগিতা সমূহত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি মোৰ মনোবল বৃদ্ধি কৰিছিল। তেওঁলোকৰ এই উৎসাহলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

সু-স্বাস্থ্যৰ বাবে শৰীৰ চৰ্চা কৰা খুৱেই আৱশ্যক। আজিৰ সমাজত অধ্যয়নৰ লগতে ব্যায়াম ঘনিষ্ঠ ভাৱে জড়িত। কাৰণ ব্যায়ামে শাৰিৰীক দিশৰ লগতে মানসিক দিশৰো উৎকৰ্ষ সাধন কৰে। আমাৰ মহাবিদ্যালয়তো ব্যায়ামৰ প্ৰতি আগ্ৰহী বহুটো প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰী আছে। মোৰ বিশ্বাস উপযুক্ত প্ৰশিক্ষণ আৰু সা-সুবিধা পালে তেওঁলোকে এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰিব পাৰিব।

সম্পাদক হিচাপে মোৰ ওপৰত ন্যস্ত দায়িত্ব আন্তৰিকতাৰে পালন কৰিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিও মই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে সকলোধৰণৰ সুবিধা দিব পৰা বুলি ডাঠি নকওঁ। এই ক্ষেত্ৰত মোৰ আন্তৰিকতাৰ অভাৱ নাথাকিলেও অভাৱ আছিল এটা ব্যায়ামগাৰৰ আৰু তাত প্ৰয়োজন হোৱা সামগ্ৰীৰ। গতিকে মই আমাৰ মাননীয় অধ্যক্ষ মহোদয়লৈ কৰযোৰে মিনতি জনাওঁ যে যাতে তেখেতে ভৱিষ্যতে এটা ব্যায়ামগাৰ প্ৰতিষ্ঠা কৰি তাত লাগতিয়াল সকলোধৰণৰ সা-সুবিধাৰ যোগান ধৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযেন অধিক সহানুভূতি দেখুৱায়।

মোৰ এই কাৰ্য্যকালত গঠনমূলক দিহা পৰামৰ্শৰে সহায়কৰি অহা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ডঃ লোকেশ্বৰ নাথ শিক্ষাগুৰু শ্ৰীযুত ভূপেন হালৈ (ভাৰপ্ৰাপ্ত অধ্যাপক) দেৱৰ ওচৰত মই চিৰঋনী হৈ ব'লো। মহাবিদ্যালয় সপ্তাহৰ পৰা কাৰ্য্যকালৰ শেষ সময়লৈ মোক বিভিন্ন দিহা পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছো।

বাৰ্ষিক প্ৰতিবেদনৰ অন্তত মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱীলৈ মোৰ এটা অনুৰোধ তেওঁলোকে যেন মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ অক্ষুন্ন ৰাখি হিংসা বৰ্জিত এখন সুস্থ সমাজ গঢ়াত অৰিহণা যোগায়।

মোৰ .এই এবছৰীয়া কাৰ্য্যকালত নানা ভুল-ভ্ৰান্তি হোৱাটো স্বাভাৱিক। সেয়ে উক্ত সময়ছোৱাত অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিবোৰৰ বাবে শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত ঐতিহ্যসম্পন্ন মঙলদৈ মহাবিদ্যালয় আৰু ইয়াৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়

**শ্ৰীহিমেন কুমাৰ নাথ**
সম্পাদক, ব্যায়াম শালা

# প্ৰতিবেদন ঃ অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি

অধিনায়কৰ কলম বুলনিৰ প্ৰাক্ মুহূৰ্ততে সেইসকল জ্ঞাত-অজ্ঞাত জাতীয় বীৰ ছহিদৰ পৱিত্ৰ স্মৃতিত অশ্ৰু অঞ্জলি নিবেদিছোঁ, যিসকল অমৰ ছহিদে স্বদেশ আৰু স্বজাতিৰ হকে আত্ম বলিদান দিলে। মঙলদৈ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতি মই অকৃত্ৰিম সেৱা আৰু আনুগত্য স্বীকাৰ কৰাৰ লগতে ১৯৯৬-৯৭ বৰ্ষৰ বাবে মোৰ দৰে এজন অভাজনক অধিনায়ক হিচাপে নিৰ্ব্বাচিত কৰি কিঞ্চিত সেৱা কৰাৰ সুবিধা কণ দিয়াৰ বাবে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকা তথা বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জনাইছোঁ।

সময়ৰ বালিত খোজ মিলাই থিয়া-দণ্ডা দিয়া মঙলদৈ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি (National Service Scheme) যে ইতিহাসৰ বুকুত নৈতিক স্বাক্ষৰ বহন কৰি আহিছে। যাৰ ফলশ্ৰুতিত আজি মঙলদৈ মহাবিদ্যালয় খনকে ধৰি মঙলদৈ জিলাখনে এটি জটিল সমস্যাৰ গড়াহৰ পৰা উদ্ধাৰ হ'ব পাৰিছে। দেশৰ নিভৃত এটি কোণত আবৰ্জনাবোৰ আজিলৈকে নিকাই আহিছে আৰু থাকিব। সেয়া "মোৰ বাবে নহয়, তোমাৰ বাবে" কৰা উদ্দেশ্যতহে।সমাজ সেৱা ৰাইজৰ সেৱা আৰু দেশৰ সেৱাই হৈছে নিষ্পেষিত জনগণৰ অৰ্থনৈতিক মুক্তিৰ হকে চলোৱা পৱিত্ৰ সংগ্ৰাম। সমাজ সেৱা দেশৰ মেৰুদণ্ড স্বৰূপ। ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন,এচ,এচ)ৰ লক্ষ্যাই হৈছে- "দেশৰ যুৱ সমাজক সমাজ সচেতনশীল কৰি জন কল্যাণ মূলক কাম-কাজত উদ্বোদ্ধ কৰা। দেশৰ যুৱ সমাজে সমাজৰ সামূহিক মঙ্গলৰ কাৰণে মানৱ সমাজৰ সহযোগত সেৱা কৰা, সৃজনীমূলক কামত আত্মনিয়োগ কৰা, নিৰক্ষৰক স্বাক্ষৰ কৰা, সতৰ্কতা প্ৰদান কৰাও এন,এচ,এচ'ৰ একো একোটা আঁচনি।"

মোৰ কাৰ্য কালত পাঁচখন কাৰ্যনিৰ্ব্বাহক সভা, দুখন সাধাৰণ সভা অনুষ্ঠিত কৰিছো। মহাবিদ্যালয় খনৰ উন্নয়ণৰ কাৰণে দুটি শ্ৰমদান শিবিৰ অনুষ্ঠিত কৰাটো সাফল্যৰ পৰিচায়ক বুলি ক'ব পাৰি। আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছহিদ সোঁৱৰণী সদৌ অসম আন্তঃ মহবিদ্যালয় তৰ্ক প্ৰতিযোগিতা, মহাবিদ্যালয় সাহিত্য চ'ৰাৰ কবি সন্মিলন, সৰস্বতী পূজা, ফাটেহা-ই-দোৱাজ দাহম, মহাবিদ্যালয় সপ্তাহ, ইং ২৫ অক্টোবৰ '৯৭ তাৰিখে জিলা কুষ্ঠ ৰোগ নিবাৰণী সমিতিৰ সহযোগত বিষ্ণু-জ্যোতি প্ৰকাশন গোষ্ঠী, দৰঙৰ উদ্যোগত দেওমৰনৈ জাপমাৰা বড়ি হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত হোৱা 'কুষ্ঠৰোগ প্ৰতিৰোধ অভিযান'ত ১২ জন কৰ্মীৰ অংশ গ্ৰহণ, পৰম্পৰাগত ৰাসোৎসৱত ৬৫ জন স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰো, এন.এছ.এচ'ৰ উদ্যোগত আৰু মোৰ কাৰ্যকালত আয়োজিত AIDS ৰোগ প্ৰতিৰোধ অনুষ্ঠানত চৈধ্যজন স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকাক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়। প্ৰশিক্ষক-অধ্যাপক শ্ৰীযুত ছাজাদুৰ ৰহমান, অধ্যাপক শ্ৰীযুত ৰমণীকান্ত চহৰীয়া আৰু অধ্যাপক শ্ৰীযুত মতিৰাম মেধি দেৱে প্ৰশিক্ষণ প্ৰদান কৰে। দৰং জিলা বেডমিণ্টন সন্থাৰ দ্বাৰা আয়োজিত বেডমিণ্টন প্ৰতিযোগিতাত ৫ আগষ্ট তাৰিখৰ পৰা ৮ আগষ্ট '৯৭ তাৰিখলৈ দহগৰাকী সদস্য-সদস্যাই সেৱা আগবঢ়োৱা হয়। মোৰ কাৰ্য কালত আংশিক হ'লেও নতুনত্ব অনাৰ প্ৰতিশ্ৰুতিৰে নৱাগত সকলৰ মাজত প্ৰতিযোগিতামূলক প্ৰতিভাবিকাশ অনুষ্ঠান অনুষ্ঠিত কৰিছো। প্ৰতিযোগিতা খনিত সৰ্বশ্ৰী নমিতা ডেকা, জয়দেৱ নাথ আৰু মিনু ডেকাই ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ বঁটা লাভ কৰিছে।

সমস্যাই বাট নেওচি ধৰা মহাবিদ্যলায় খনৰ লগতে

এন, এচ, এচটো হেজাৰ সমস্যা আছে। কর্তৃপক্ষক দাবী জনাই সমস্যাৰ কিছু আউল ভাঙিছো বিশেষকৈ বিজুলী বাতি, ফেন, সা-সৰঞ্জাম আৰু কিছু আৰ্থিক সহায়েৰে। কেইটিমান দিশত সমস্যা সমাধানৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰি আহিছো। সেইবোৰ কাৰ্য কৰণাৰ্থে কর্তৃপক্ষৰ ওচৰত আমাৰ অভাৱ আৰু দাবী পুৰণৰ বাবে দাবী জনালোঁ-

(১) ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বাবে এটি সুকীয়া আহল-বহল কোঠা ব্যৱস্থা হলে ভাল।

(২) কৰ্মী অনুপাতে সঁজুলিৰ যোগান আৰু অধিক বৃদ্ধি কৰিব লাগে।

(৩) বিশ্ববিদ্যালয়ৰ সকলো সুবিধা আদায়ৰ পথ মুকলি কৰিবলৈ কর্তৃপক্ষৰ ওচৰত দাবী জনালোঁ।

ইয়াৰোপৰিও মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীণ উন্নয়ণৰ কাৰণে কেইটিমান সমস্যা সন্মানীয় কর্তৃপক্ষক অৱগত কৰিলোঁ।

(১) সকলোৰে বাবে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব লাগে।

(২) মহাবিদ্যালয়ৰ আভ্যন্তৰীন পথসমূহ আৰু অধিক উন্নত কৰাৰ থল আছে।

(৩) স্নাতকোত্তৰ শ্ৰেণী বৃদ্ধি কৰিব লাগে।

(৪) ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসত নিৰাপত্তাৰ ব্যৱস্থা আৰু প্ৰয়োজনীয় সা-সুবিধাবোৰ প্ৰদান কৰিব লাগে।

(৫) ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে পুথিভঁৰালৰ কিতাপৰ যোগান বৃদ্ধি কৰিব লাগে।

(৬) পৰীক্ষা নৌহঁওতেই পুথিভঁৰালৰ কিতাপ ঘূৰাই দিয়া নিয়ম বাতিল কৰিব লাগে।

মোৰ কাৰ্যকালৰ কাৰ্যসূচীবোৰত উৎসাহ জনক দিহা পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ মাননীয় ড° লোকেশ্বৰ নাথ, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্য্য-সূচী বিষয়া মাননীয় শ্ৰীৰমণী কান্ত চহৰীয়া, অধ্যাপক মাননীয় শ্ৰী মতিৰাম মেধি, গ্ৰন্থাগাৰিক মাননীয় শ্ৰী জেহিৰ আহমেদ মহম্মদ ইক্‌বাল দেৱলৈ কৃতজ্ঞতা জনোৱাৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমূহ সতীৰ্থ আৰু মহা বিদ্যালয়ৰ পৰিয়ালটিলৈও আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ধন্যবাদৰে

**শ্ৰীহিৰেণ বৰুৱা**
অধিনায়ক,
ৰাষ্ট্ৰীয় সেৱা আঁচনি।



ৰণ-ৰণ-ৰণ
আলোড়ণ কম্পন
ঘনঘোৰ গৰজন
অস্ত্রৰ ঝন-ঝন
সীমান্তে-প্রান্তে
শত্রু যে অগনন
অসমীয়া জীৱনৰ সন্ধিক্ষণ।
চাৰিও কাষেদি বেৰি
অসম আহিলে ঘেৰি
আৰু যে নসহে দেৰি,
বজা অসমীয়া
শৰাইঘটীয়া
বজা, বজা ৰণ-ভেৰী,
অসমীয়া হুচিয়াৰ
শত্রু পালেহি দুনিবাৰ।
যুদ্ধ মাথোন
যুদ্ধ
যুদ্ধ নহলে
নহ'ব ৰুদ্ধ
আজি সমীয়া যে অৱৰুদ্ধ....।

"জ্যোতি প্ৰসাদ"